# প্রান্তিক

৬ষ্ঠ বছর ১০ম সংখ্যা ১৬—৩০ এপ্রিল '৮৭



# অসমীয়া পুথিৰ নিৰীক্ষণ আৰু পৰ্যালোচনা

প্ৰত্যেক বছৰে প্ৰকাশিত সকলো অসমীয়া পুথিৰ নিৰীক্ষণ আৰু পৰ্যালোচনাৰ উদ্দেশ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত এখন আছুতীয়া অসমীয়া আলোচনী প্ৰকাশ কৰাৰ প্ৰস্তুতি চলিছে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° শৈলধৰ গগৈয়ে ইতিমধ্যে আলোচনীখনৰ কাৰণে বছৰি কুৰি হাজাৰ টকাৰ পুঁজি অনুমোদন কৰিছে। ১৯৮৮ৰ আগভাগতে প্ৰথম সংখ্যা প্ৰকাশ পাবলগীয়া এই আলোচনীত ১৯৮৭ত প্ৰকাশিত সকলো ধৰণৰ অসমীয়া পুথিৰ বিষয়ে প্ৰণালীবদ্ধ বতৰাৰ উপৰিও যোগ্যানুসাৰে পুথিবোৰৰ বিতং পৰ্যালোচনাও থাকিব।

"চিনাকি" নামৰ এই আছুতীয়া আলোচনীৰ উদ্দেশ্য হ'ব পুথিৰ উচ্চ মানবিশিষ্ট নিৰীক্ষণৰ যোগেদি সকলো বিধ সমসাময়িক সাহিত্যৰ প্ৰতি পঢ়ুৱৈৰ বুদ্ধিদীপ্ত আৰু স্পৰ্শকাতৰ সহঁাৰি নিশ্চিত কৰি তুলিবৰ কাৰণে উপযুক্ত বৌদ্ধিক পৰিৱেশ গঢ়ি তোলা। অসমীয়া সৃষ্টিশীল সাহিত্যৰ প্ৰতি পঢ়ুৱৈৰ আগ্ৰহ অধিক গভীৰ আৰু বহল কৰিবলৈ চেষ্টা কৰাৰ লগতে চিনাকিয়ে প্ৰকাশিত পুথিৰ দোষ গুণলৈ নৈৰ্ব্যক্তিক আৰু বস্তুনিষ্ঠভাৱে দৃষ্টি আকৰ্ষণ কৰিব। আশা ৰখা হৈছে যে প্ৰথম সংখ্যাৰে পৰা এই আলোচনীত অসমীয়া সাহিত্যৰ সমসাময়িক বুৰঞ্জী বিৱৰ্তি নোহোৱাকৈ প্ৰতিফলিত হ'ব।

বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ ৰীডাৰ ড° পোনা মহন্তই অহা দুবছৰলৈ "চিনাকি"ৰ সম্পাদনাৰ দায়িত্ব লৈছে। বিভাগৰ প্ৰফেছাৰ আৰু মুৰব্বী ড°. কবীন ফুকন "চিনাকি"ৰ মুখ্য ব্যৱস্থাপক। মুখ্য ব্যৱস্থাপক আৰু সম্পাদক উভয়ে ১৯৮৭ত প্ৰকাশিত সকলো অসমীয়া পুথিৰ দুটা প্ৰতিলিপি বিনামূলীয়াকৈ পঠাই অসমৰ লেখক, প্ৰকাশকসকলে আলোচনীখনৰ কামত হাত উজান দিব বুলি আশা ৰাখিছে। প্ৰত্যেকখন পুথিৰ প্ৰাপ্তি স্বীকাৰ কৰা হ'ব। সম্পাদনা সমিতিয়ে প্ৰাপ্ত পুথিবোৰৰ কাৰণে পৰ্যালোচক নিয়োগ কৰিব আৰু অনুমোদিত পুঁজিৰ পৰা পৰ্যালোচকক মাননি দিয়া হ'ব।

*'চিনাকি'*

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগ**
**ডিব্ৰুগড় — ৭৮৬০০৪**



# প্ৰান্তিক

৬ষ্ঠ বছৰ ১০ম সংখ্যা ১৬—৩০ এপ্ৰিল '৮৭ | মূল্য চাৰি টকা

ডাকঘৰ ঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

অসমৰ তেল-পথাৰবোৰৰ মাটিবোৰ কাৰ আছিল? তেওঁলোকৰ পৰা তেল-গেছ আয়োগে কি বন্দবস্তত মাটি লয়? খাৰুৱা তেল খন্দাৰ এই বিৰাট প্ৰক্ৰিয়াটোৱে সংশ্লিষ্ট অঞ্চলবোৰত সামাজিক আৰু আৰ্থিক দিশত কেনেকুৱা প্ৰভাৱ পেলাইছে? সেই অঞ্চলবোৰ কিমান উপকৃত হৈছে?



**নান্টু বৰুৱা** আৰু **ইমৰান হুছেইনে** সেই অঞ্চলবোৰত ঘূৰি-পকি যুগুত কৰা প্ৰবন্ধ **পূৰ্বাঞ্চলত তেল-গেছ আয়োগ**

অসমীয়া যুৱক-যুৱতীসকলৰ বহুতে **লোকসেৱা আয়োগে পতা প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ বিষয়ে** ভালকৈ নাজানে বুলি আপত্তি কৰা শুনা যায়। এই বিষয়ে কিছু প্ৰয়োজনীয় আৰু প্ৰাথমিক খবৰ দিছে **নকুল দত্তই**

**ছাইবাৰনেটিক্‌ছ কি?** গণিত, স্বয়ংক্ৰিয় নিয়ন্ত্ৰণ; জীৱবিজ্ঞান আৰু সংযোগতত্ত্ব,— বিজ্ঞানৰ অন্ততঃ এই পাচোটা বিভাগৰ লগত জড়িত ছাইবাৰনেটিক্‌ছৰ বিষয়ে লিখিছে **ক্ষীৰধৰ বৰুৱাই**

## এই সংখ্যাত

ৰাজীৱ গান্ধী যে আৰু ভোট আকৰ্ষণকাৰী লোক হৈ থকা নাই সেই কথা স্পষ্ট হৈ উঠিছে। ···যোৱা এবছৰ ধৰি আহৰণ কৰা "কোনো চিন্তা নাই"— মনোভাব বৰ্তমানৰ বিপৰ্যয়টোৰ পাছত তেওঁ পৰিত্যাগ কৰিছে। কিন্তু এই কামে তেওঁৰ অথবা দলৰ অৱনমিত হোৱা ভাবমূৰ্তি সলনি নকৰে। তেওঁ একো শিক্ষা গ্ৰহণ নকৰা যেনেই লাগে।


**কুলদীপ নায়াৰৰ প্ৰবন্ধ : ৰাজীৱে কেতিয়াবা শিক্ষা লবনে?** ।১১।


পৃথিৱীৰ পৰিধি প্ৰায় ২৫,০০০ মাইল। জীৱনত দহ মাইলতকৈ বেছি আঁতৰলৈ নোযোৱা কৃষিজীৱী মানুহৰ বাবে পঁচিছ হাজাৰ মাইল এটা বৃহৎ সংখ্যা। কিন্তু টেলিফোনৰ ডায়েল ঘূৰালেই লণ্ডন, ছিডনি, ছানফ্ৰান্‌ছিছকো, নিউয়ৰ্ক, মস্কোৰ লগত কথা পাতিব পৰা অৱস্থাত উপনীত হোৱা মানুহৰ বাবে পৃথিৱীখন ক্ৰমান্বয়ে এখন বৃহৎ গাঁও যেন লাগিব। ···আনহাতে মহাকাশৰ পৰা চালে পৃথিৱীখনক এখন সুন্দৰ নীলা মহাকাশ যান যেনহে লাগিব।


**নীলা মহাকাশ যানৰ কথা : ড° কুলেন্দু পাঠক** ।২৫।


ফৰাছী লেখক ডমিনিক লেপিয়েৰৰ ছিটি অৱ জয়ৰ বন্দনা কাল্পনিক নহয়— কলিকাতাৰ বন্দনা, আনন্দ নগৰৰ বন্দনা সচাঁ তেজ মঙহৰ এজনী অসমীয়া ছোৱালী। চাৰি বছৰ বয়সতে থাবলৈ নাপাই অসম এৰিব লগীয়া হোৱা বন্দনাই আজিও নিজকে অসমীয়া বুলিয়েই পৰিচয় দিয়ে আৰু অসমীয়া বুলিয়েই লেপিয়েৰৰ অমৰ লিখনীত আত্মপ্ৰকাশ কৰিলে।


**ড° দিলীপ কুমাৰ দত্তৰ আমেৰিকাৰ চিঠিত**
**কলিকাতাৰ অসমীয়া ছোৱালী বন্দনা** ।২৯।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৯। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১১। বিশ্ব পৰিক্ৰমা ।১৩। মটৰ দুৰ্ঘটনাত ক্ষতিগ্ৰস্তৰ আইনগত প্ৰতিকাৰ ।১৫। নগাঁও সমবায় চেনিকল ।১৭। কলিয়া ভোমোৰা সাকোঁ ।২০। টুকুৰিৰে যাদুখেল ।২২। বিজ্ঞান ।২৫। আমেৰিকাৰ চিঠি ।২৯। প্ৰজ্ঞা ।৩১। দৈনন্দিন ।৩২। গল্প ।৩৪। কবিতা ।৩৯। উপন্যাস ।৪০। কলা-সংস্কৃতি ।৪৬। ক্ৰীড়াংগন ।৪৮। শেষ পৃষ্ঠা ।৫০।



বেটুপাতৰ আলোকচিত্ৰ : দুলাল হাজৰিকা

**মুখ্য সম্পাদক ঃ ড° ভাবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ ঃ** কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * গণেশ দাস * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক ঃ** ইমৰান হুছেইন

অংগ সজ্জা ঃ দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ ঃ** দীপক বেজবৰুৱা

**মুদ্ৰাংকন ঃ** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ

**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Vol VI No. 10. 16—30 April '87

*Prantik*
The Assamese Fortnightly

P.O. Silpukhuri, Guwahati—781003 Phone : 28751


OKDISCD

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত

আজিৰপৰা কিছুদিন আগতে আমি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানলৈ বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সদস্য হিচাপে গৈছিলো। পৰিচালনা সমিতি-খনৰ পাঁচ বছৰ উকলি যোৱাত নতুন সমিতি গঠনৰ উদ্দেশ্যে ইয়াৰ সদস্যসকলক দূৰ-দূৰণিৰপৰা নি সমিতিয়ে যিখনহে নগুৰ-নাকতি কৰিলে সেইকথা অতি কম লোক-বহে বহুদিনলৈ মনত নথকাকৈ থাকিব। সেয়া যাক যিয়েই নহওক, পৰিচালনা সমিতিৰ সাধাৰণ সভা নিৰ্ধাৰিত সময়ত আৰম্ভ হ'ল। সভা আৰম্ভ হোৱা থানৰ সভাঘৰত সদস্য সকলকহে বহিবলৈ দিয়া হৈছিল যদিও, সভাঘৰৰ চাৰিওফালে ডেকা ল'ৰাৰে ভৰি আছিল। সভা আৰম্ভ হোৱাৰ লগে লগে উক্ত ডেকা ল'ৰা কেইজনে যি চিঞৰ-বাখৰ অবাইচ মাতেৰে এটা বিশৃংখলতাৰ সৃষ্টি কৰিছিল, সেয়া দেখিলে সেই মুহূৰ্তত সেইখন এখন যে থান তাক মনত পেলাই নিদিলে পাহৰি যোৱাৰহে কথা। তেওঁলোকক আকৌ উৎসাহ দিছিল কেইজনমান স্থানীয় অভিভাৱকে। তেওঁলোকৰ প্ৰতিবাদ আছিল এই যে বৰ্তমান পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক, বহু টকাৰ হিচাপত খেলি-মেলিৰ সৃষ্টি কৰা (তেওঁলোকে দাবী কৰা মতে) শ্ৰীকমল চন্দ্ৰ বড়াক আঁতৰাব লাগে। মিটিং গৈ শেষত খণ্ডযুদ্ধতহে পৰিণত হ'ল। বহা চকী আদিও আনকি সভালৈ দলিয়াই দিয়া হ'ল। সমিতি এখনৰ সম্পাদক এজনক আঁতৰাব লাগিলে সাধাৰণ সভাৰ নিয়ম-কানুনৰ মাজেদি আগবাঢ়ি, সভাপতিৰ জৰিয়তেহে নতুন সম্পাদক বাছনি কৰিব পাৰি। কিন্তু উক্ত মিটিংখনৰ দৰে শাৰীৰিক শক্তিৰ প্ৰয়োগেৰে সম্পাদক ভাঙি নতুন সম্পাদক বাছনি কৰিবলৈ চেষ্টা কৰাটো যে বৰ্তমান সভ্য সমাজৰ নীতি-বহিভূত কথা, সেইটো এই ডেকাসকলে বুবুজাটো অতি পৰিতাপৰ কথা। এনে ঘটনাৰ ফলত কিছুমান স্বাৰ্থান্বেষী লোকৰ পাকচক্ৰত পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানৰ পৱিত্ৰতা নষ্ট হোৱাৰ উপৰিও কেইজনমান দাদাৰ বাবে স্থানীয় লোকৰ বাহিৰত বদনাম হোৱাত বাদে আন একো নহয়।

কেইজনমান ভুক্তভোগীৰ হৈ
—শ্ৰীবিভূতি চক্ৰৱৰ্তী, নলবাৰী

## মহপুৰুষ শ্ৰীমাধৱদেৱৰ জন্মস্থান

শ্ৰীকুমুদ নেওগ আৰু ব্ৰজেন হাজৰিকাই মহাপুৰুষ শ্ৰীমাধৱদেৱৰ জন্মস্থান দুখন বুলি উল্লেখ কৰা কথাটো সত্য। আমিও হাজাৰ-বাৰ ক'ম গুৰুজনাই দুঠাইত জন্ম গ্ৰহণ কৰা নাই। কিন্তু শ্ৰীনেওগ আৰু হাজৰিকাই বৰ্ণনা দিছে যে, লেটেকু পুখুৰীৰ থানখন ১৯৩৮ চনত আৰু বৰঙাজানৰ জন্মস্থানখন ১৯৬০ চনত প্ৰতিষ্ঠা কৰা হৈছে। কিন্তু আচলতে সেইটো নহয়। ৰঙাজানৰ জন্মস্থান খন ১৯২৬ চনতেই প্ৰতিষ্ঠা কৰা হয়। অসম বুৰঞ্জী আৰু গুৰুচৰিতৰ তথ্যসমূহ চালিজাৰি চাই অসমৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, কেইবাখনো আগশাৰীৰ সত্ৰৰ সত্ৰাধিকাৰ আৰু অসম সত্ৰ সংঘৰ সভাপতিদেৱে ৰঙাজানত প্ৰতিষ্ঠিত হোৱা জন্মস্থানখনকেই গুৰুজনাৰ আচল জন্মস্থান বুলি স্বীকৃতি দিয়ে আৰু অসম চৰকাৰক লিখিত ভাৱে জানিবলৈ দিয়ে। লগতে আৰু এষাৰ কথা জনাই থওঁ। কাছিকটা নৈ আৰু ৰঙাজান শিলডুবিৰ ওচৰৰ হৰিশিঙাৰ ৰবাৰ চৌহদতহে গুৰুজনাৰ জন্ম হৈছিল আৰু তাতেই জন্মস্থান প্ৰতিষ্ঠা কৰা হৈছে। লেটেকু পুখুৰী গুৰুজনাৰ তৃতীয় বাসস্থানহে। গতিকে সদৌ অসমবাসী ৰাইজক সকলো তথ্য-পাতি পৰীক্ষা কৰি গুৰুজনাৰ জন্মস্থান সম্পৰ্কে একমত প্ৰকাশ কৰিবলৈ প্ৰান্তিকৰ জৰিয়তে অনুৰোধ জনালো।

—ভদ্ৰেশ্বৰ বৰা, ৰঙাজান
খৰ্গেশ্বৰ বৰা, ৰাজবাৰী কাছিকটা

### দুই

যোৱা ২৫।১।৮৬ তাৰিখে অৰুণাচল প্ৰদেশৰ নাহৰলগনৰপৰা আমি প্ৰায় পঞ্চাছ জনমান (পুৰুষ-মহিলা) লোক মহাপুৰুষ শ্ৰীমাধৱদেৱৰ জন্মস্থান দৰ্শন কৰাৰ মানসেৰে অৰুণাচল প্ৰদেশৰ এখন বিশেষ বাছ লৈ গৈছিলো। প্ৰথমে "পুৰণিস্থান" বুলি কোৱা ঠাইতে আমি সকলো নামিলোগৈ। তাত থকা ভকতজনক লগ কৰাত তেখেতে অমায়িকভাৱে নামঘৰ, পুখুৰী আৰু কাষত থকা সৰু কীৰ্তন ঘৰটো শ্ৰীমাধৱপুৰুষৰ জন্ম ঠাই বুলি চিনাকি কৰি দিলে। আমি সকলোৱে ধূপ-চাকি, অৰিহণা আদি দি সেৱা জনাই এমুঠি চাউল সিঁচোৱাৰ বাবে ঠাই বিচৰাত ভকতজনে নামঘৰৰ কাষত থকা এটা ঘৰ দেখুৱাই দিলে। ঘৰটোৰ আৰু পুখুৰীৰ পানীৰ অৱস্থা দেখি আমি (বিশেষকৈ অসমৰ বাহিৰৰ দুই/এক গৰাকীৰ বাবে) খোৱা-বোৱাটো "নতুন জন্মস্থান" বুলি কোৱা ঠাইত কৰিলোগৈ।

কথা হ'ল মহাপুৰুষ শ্ৰীমাধৱদেৱে খন্তেক জিৰণি লোৱা ঠাই, যেনে—"ঢেকীয়া খোৱা বৰনামঘৰৰ" তুলনাত তেওঁৰ জন্মস্থান-কণ কিয় ইমান শোকলগা অৱস্থাত আছে? মনত পৰিছিল,— দেহি ঐ, তেওঁ বিয়াবাৰু নকৰি চিৰকুমাৰ হোৱা হেতুকে তেওঁৰ জন্মস্থানখন চোৱা-চিতা কৰিবলৈ (সন্তান-সন্ততি) কোনো নাই; সেয়েহে বোধহয় এনে দুৰৱস্থা!

তদুপৰি মহাপুৰুষজনৰ দুখন জন্মস্থান দেখি অসমৰ সিফালৰ মানুহজনে মোক সুধিছিল,—"আচলতে কোনখন ঠাইত তেওঁ জন্ম গ্ৰহণ কৰিছিল?" মই কলো,— অলপ দিন ৰব, আমাৰ "প্ৰান্তিক"ৰ যোগেদি এই উত্তৰ যেতিয়া অসমৰ ধৰ্মপৰায়ণ আৰু বুৰঞ্জীবিদসকলে পৰিষ্কাৰকৈ দিব তেতিয়া আপোনাক জনাম।

—টংকেশ্বৰ বড়া,
নাহৰলগন (অৰুণাচল প্ৰদেশ)

## সত্যসন্ধ্যাৰ সতীদাহ

মহাপুৰুষ শংকৰদেৱৰ জীৱনী সম্পৰ্কত লিখা বিভিন্ন পুথি, ৰচনা আদিয়ে স্বীকৃতি দিছে যে— শংকৰদেৱে নগাঁও জিলাৰ বৰদোৱাৰ আলিপুখুৰী নামে ঠাইত কুসুম্বৰ ভূঞাৰ গৃহত জন্মগ্ৰহণ কৰিছিল। সৰুতে মাতৃ-বিয়োগ হোৱাত বুঢ়ীমাক খেৰসুতীয়ে তেখেতক ডাঙৰ-দীঘল কৰিছিল। অৱশ্যে বুঢ়ীমাক খেৰসুতী বা পিতৃ কুসুম্বৰ ভূঞাৰ মৃত্যু কেতিয়া হৈছিল সেইটো জনা নাযায়। (হয়তো এই বিষয়তো সঠিক তথ্য থাকিব পাৰে)। কিন্তু মহাপুৰুষজনাৰ মাতৃ বিয়োগ আগতে হোৱাটো বহুজনৰ মত।

কিন্তু কেতিয়াবা কিছুমান বিষয়ে দোমোজাত পেলায় আৰু কৌতুহলৰো সৃষ্টি কৰে। উদাহৰণ স্বৰূপে— মঙলদৈ উচ্চমাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীগজেন্দ্ৰনাথ চহৰীয়া আৰু জাজি হাঁহচৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীলক্ষেশ্বৰ বুঢ়াগোঁহাইদেৱৰ দ্বাৰা প্ৰণীত, আৰু অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা অনুমোদিত ৭ম-৮ম মানৰ ৰচনা পুথি "আদৰ্শ ৰচনা সোপান"ৰ বৈষ্ণৱাচাৰ্য শংকৰদেৱ নামৰ ৰচনাখনত পঢ়িবলৈ পালো: "শংকৰদেৱৰ জন্মৰ অলপ দিনৰ পাছতে পিতাক কুসুম্বৰ ভূঞাৰ মৃত্যু হোৱাত মাক সত্যসন্ধ্যাই স্বামীৰ চিতাত পৰি সতীদাহ যায়।" সাধাৰণতে মহাপুৰুষজনাৰ বিষয়ে পোৱা আনবোৰ তথ্যৰ লগত ইয়াৰ বহুত অমিল দেখা যায়। বিশেষকৈ স্কুলীয়া পাঠ্যপুথিত থকা এনেবোৰ বিতৰ্কিত তথ্যই ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক/পৰীক্ষক আদিকো সমানে বিমোৰত পেলায়। আনহাতে অসমত সেইসময়ত সতীদাহ প্ৰথাৰ প্ৰচলন আছিল নে নাছিল সেই বিষয়ে বুৰঞ্জীয়ে কোৱা নাই।

গতিকে, যদি এই ক্ষেত্ৰত লেখকদ্বয়ে কিবা শুদ্ধ তথ্য পাইছে, তেন্তে এই 'পত্ৰালাপ' শিতানৰ জৰিয়তে সেয়া যেন সকলোকে জনায়।

—বসন্ত শইকীয়া,
শংকৰদেৱ চেমিনাৰি, যোৰহাট

## "অসমত বামপন্থী আন্দোলন..."

অসমত বামপন্থী আন্দোলনৰ দুৰৱস্থা সম্পৰ্কীয় শ্ৰীদেবেন দত্তৰ প্ৰবন্ধটো (১৬।১১।৮৬) পঢ়িলো। পঢ়ি দুআষাৰ লিখিছো এই আশাত যাতে প্ৰবন্ধকাৰ বা কোনো শুদ্ধ বামপন্থীৰ দ্বাৰা এই প্ৰান্তিকৰ পাততে বামপন্থীৰ ভুল তত্ত্ব আৰু কাৰ্য প্ৰণালীৰ তথ্যগত ব্যাখ্যা পঢ়িবলৈ পাওঁ।

প্ৰথমে তত্ত্বলৈ আহোঁ। মাৰ্ক্সে উদ্ভাৱন কৰি থৈ যোৱা আদৰ্শক বৈজ্ঞানিক সমাজবাদ বোলা হয়। এই আদৰ্শ তেওঁৰ ডাচ কেপিটেল, ইস্তাহাৰ, ঐতিহাসিক বস্তুবাদ আৰু দ্বন্দ্বমূলক বস্তুবাদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। মাৰ্ক্সৰ এই সমাজবাদী তত্ত্ব ভুল নেকি? মোৰ দৰে বহু ব্যক্তিয়ে এইবোৰক শুদ্ধ বুলি ধৰি আছো।

দ্বিতীয়তে, সমাজবাদৰ আদৰ্শ প্ৰয়োগৰ দিশটো। প্ৰতিখন দেশৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু বৌদ্ধিক দিশ ভিন ভিন। গতিকে প্ৰতিখন দেশে নিজ জলবায়ুৰ সৈতে বজিতা খুৱাই এই আদৰ্শক ৰূপায়িত কৰিবলৈ নীতি নিৰ্ধাৰণ কৰি লয়; —এয়ে বামপন্থীৰ কৰ্মসূচী আৰু কৰ্মনীতি। এইখিনিতে লক্ষ্য ৰাখিবলগীয়া কথা হল যে সমাজবাদ মাথো কিতাপৰ তত্ত্ব নহয়; ইয়াৰ মানে হ'ল সমাজ পৰিবৰ্তন; সমাজ পৰিবৰ্তন মানে হ'ল পুৰণি ব্যৱস্থাক ভাঙি নতুনকৈ গঢ়া এক দীঘলীয়া জটিল প্ৰক্ৰিয়া। বৰ্তমান ভাৰতৰ দুটা বামপন্থী (ছি. পি. আই আৰু ছি. পি. এম) দলৰহে কৰ্মসূচী আৰু কৰ্মনীতি আছে। এই কৰ্মনীতি গোপনীয় নহয়। এই কৰ্মনীতিত থকা ভুল আঙুলিয়াই দিবনে?

তৃতীয়তে, বামপন্থীসকল আৰু অসমৰ আঞ্চলিক সমস্যাৰাজি। অসমৰ বামপন্থীসকল শ্ৰমিক আৰু কৃষক। জৰুৰী অৱস্থাৰ পৰাহে মধ্যবিত্ত শ্ৰেণীৰ লোক এই আন্দোলনৰ সৈতে বেছিকৈ জড়িত হৈছে। গতিকে এতিয়া মধ্যবিত্তৰ নেতৃত্বলৈ অহা বামপন্থীৰ কথাকে কব লাগিব। ভাষা আৰু জাতি-উপজাতিৰ ক্ষেত্ৰত তেওঁলোকৰ মতামত হ'ল যে প্ৰতিটো জাতিকে নিজাকৈ উন্নতি আৰু বিকাশ কৰিবলৈ সুবিধা দিব লাগে; —কোনো ধৰণৰ হস্তক্ষেপ হ'ব নালাগে। অৰ্থনৈতিক দিশত তেওঁলোকৰ নীতি হ'ল চাহ, প্লাইউড আদিক ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে আৰু ৰাজহুৱা খণ্ডত ব্যাপক উদ্যোগীকৰণৰ ব্যৱস্থা হাতত লব লাগে। অসমৰ চাহ বাগিচা বা প্লাইউডৰ মালিক পশ্চিমবংগ নহয়; এইবোৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান। গতিকে ইয়াকে লৈ পশ্চিমবংগক খুচি থকাৰ কোনো অৰ্থ নাই। এইবোৰৰ ৰাষ্ট্ৰীয়কৰণ বা মুখ্যকাৰ্যালয় অসমলৈ অনাৰ দাবীত অসম বন্ধ আহ্বান নকৰে কিয়? আন এটা উল্লেখযোগ্য কথা হ'ল,— যোগীঘোপাৰ কাগজ কলটো বন্ধ হৈ যোৱাৰ আগমুহূৰ্তত ইয়াৰ মুৰব্বী এজন অসমীয়া লোক আছিল। আজি অসমবাসীয়ে তেওঁক প্ৰশ্ন কৰিছেনে—যোগীঘোপাৰ কাগজ কলটো কিয় বন্ধ হ'ল? অসমীয়াৰ এই সাহস হবনে?

চতুৰ্থতে, বামপন্থী আৰু বাঙালী সম্প্ৰসাৰণবাদৰ কোনো সম্পৰ্ক নাই। আমি যদি ত্ৰিপুৰালৈ চাওঁ, আৰু আমাৰ যদি সুস্থ চিন্তা কৰাৰ শক্তি আছে তেনেহলে ত্ৰিপুৰাত বাঙালীৰ প্ৰাধান্য কেনেকৈ হ'ল কোৱাৰ প্ৰয়োজন নাই। ত্ৰিপুৰাত তিনি দশক কংগ্ৰেছী শাসনত অৰ্থনৈতিক বা ভাষিক বিকাশৰ বাবে একো কৰা নহল। তেতিয়া ত্ৰিপুৰা শান্ত আছিল; ত্ৰিপুৰাৰ কোনো সমস্যা নাছিল। কিন্তু বামপন্থীৰ শাসনৰ অৰ্থনৈতিক দিশত চকুত লগাকৈ নহলেও ভাষাৰ ক্ষেত্ৰত স্থানীয় ভাষা ককবৰকক ৰাজ্যিক ভাষাৰ মৰ্যদা দিয়া হ'ল; সংবিধানৰ ষষ্ঠ অনুচ্ছেদ অনুসৰি স্বায়ত্ত শাসনৰ ব্যৱস্থা আৰু জনজাতিসকলৰ ভূমি (সীমিত বছৰ ধৰি) পুনৰ ঘূৰাই দিয়া হ'ল। এই কামখিনি কৰাৰ লগে লগে গোটেই উত্তৰ পূৰ্বাঞ্চলত হৈ-চৈ আৰম্ভ হ'ল ত্ৰিপুৰাৰ সমস্যাৰাজিক লৈ। তেওঁলোকে এবাৰ স্মৃতি ৰোমন্থন কৰি চাবনে—বামপন্থীৰ শাসনৰ আগতে ত্ৰিপুৰাৰ সমস্যাৰাজি সম্পৰ্কে তেওঁলোক কিমান সচেতন আছিল? আনটো অভিযোগ হ'ল—বাঙালীসকলে অসমত থাকি অসমীয়াৰ সলনি বাংলাত পঢ়া-শুনা কৰিছে।

কিন্তু বাহুল্যলৈ নগৈ কব পাৰি—অসমৰ বাঙালীয়ে বাংলা মাধ্যমত পঢ়াৰ লগত বামপন্থী আন্দোলনক সনা-পোতোকা কৰাৰ কাৰণ নাই।

মানুহৰ মূল সমস্যা থকা আৰু খোৱাৰ সমস্যা। অসমত চাকৰি, খাদ্য, বাসস্থান, ভূমি আদি মানুহৰ মৌলিক সমস্যাৰ ক্ষেত্ৰত বামপন্থীত বাদে আনে আন্দোলন কৰাৰ কোনো নজীৰ আজিলৈকে নাই। (চাকৰিয়ালৰ দৰমহা, বোনাছ জাতীয় আন্দোলনত বাদে আন অৰ্থনৈতিক আন্দোলন যদি আছে জনাব পাৰে)। কোনো বামপন্থী সংগঠনে অসমত অসমীয়াত বাদে আন ভাষা হ'ব লাগে বুলি কাহানিও কোৱা নাই। এইবোৰ প্ৰসংগ গোকাট মিছাৰ চৰ্বিত চৰ্বন মাথোন।

সৰ্বশেষত—চৰকাৰ আৰু ৰাজনীতিলৈ আহোঁ। চৰকাৰ আৰু ৰাজনীতিৰ ক্ষেত্ৰত ত্ৰিপুৰা আৰু পশ্চিমবংগৰ কথাহে কয়,—অন্ধ্ৰ বা কেৰেলাৰ কথা নকয় কিয়? অলপতে বিহাৰত কৃষকে ভূমি সমস্যালৈ আলোচনা কৰোঁতে আজিৰ চৰকাৰে জালিয়নাৱালাবাগৰ পুনৰাবৃত্তি ঘটালে। ত্ৰিপুৰাৰ সমস্যাহে সমস্যা,—বিহাৰ উৰিষ্যাৰ সমস্যা সমস্যা নহয় নেকি? এতিয়া এইবোৰ প্ৰসংগ নাহে কিয়? নে বিহাৰ-উৰিষ্যাত বামপন্থী দলে শাসন কৰা নাই বাবে তাত সমস্যাও নাই।

ত্ৰিপুৰা আৰু পশ্চিম বংগৰ চৰকাৰ সমাজবাদী চৰকাৰ নহয়। বুৰ্জোৱা সংবিধান আৰু আইন কানুনৰ মাজত বামপন্থী আদৰ্শৰে গোটখোৱা এদল মানুহৰ চৰকাৰহে। সাম্যবাদী চৰকাৰৰ দৰে কাম কিয় কৰা নাইৰ উত্তৰ হ'ল— অল্প বিদ্যা ভয়ংকৰী।

শেষত কওঁ— যদি সঁচাকৈয়ে ভাৰতত শুদ্ধ বামপন্থী দল নাই, তেনেহলে যিসকলে এনে কথা কয়, তেওঁলোকে শুদ্ধ বামপন্থা কি জানে। তেওঁলোকৰ পৰা শুদ্ধ বামপন্থী দলৰ ৰূপৰেখা প্ৰান্তিকৰ পাতত পঢ়াৰ আশাৰে সামৰিছো। —তৰুণ ডেকা, ৰামপুৰ

## দধি মহন্তৰ মৰণোত্তৰ চিকিৎসা

যোৱা ৩১ জানুৱাৰীৰ দিনা গুৱাহাটীৰ মাজমজিয়াত (শিলপুখুৰীৰ ওচৰত) এক শোকাবহ মটৰ দুৰ্ঘটনাত প্ৰবীণ নেতা, 'বিশিষ্ট' লেখক দধি মহন্তৰ মৃত্যু হয়। তেখেত নাতিয়েকৰ লগত চিকিৎসকৰ ওচৰলৈ গৈ থকা অৱস্থাত দিনৰ ১১ বজাত ঘটনাটো ঘটে। তেখেতৰ ঘটনাস্থলীতে মৃত্যু হয় আৰু তেখেতৰ লগত থকা বাৰ বছৰীয়া নাতিয়েকজনো কিছু আঘাতপ্ৰাপ্ত হয়; কিন্তু সেই অকণমানি ল'ৰাজনে নিজৰ আঘাতকো আওকাণ কৰি ককাকৰ ৰক্তাক্ত দেহটো এখন অ'টৰিক্সাত তুলি গুৱাহাটী মেডিকেল কলেজলৈ লৈ গৈছিল—মৰমৰ ককাকৰ চিকিৎসাৰ বাবে। তেওঁ গমপোৱা নাছিল যে তেওঁ ককাকৰ ইতিমধ্যে মৃত্যু হৈছে। সেই ল'ৰাজনৰ গোটেই কাপোৰ তেজেৰে ৰঙা হৈ গৈছিল, চকুৰ পানী বৈ আহিছিল। তেনে অৱস্থাৰে তেওঁ গুৱাহাটী মেডিকেল কলেজত উপস্থিত হৈছিল। তেজেৰে ৰঙাহৈ যোৱা কাপোৰেৰে সৈতে এজন সৰু ল'ৰাক দেখি মেডিকেল কলেজৰ সকলোৱে এবাৰ হলেও ঘূৰি চাইছিল। তেওঁ গৈ এজন চিকিৎসকক কৈছিল, "মোৰ ককাৰ এক্সিডেণ্ট হৈছে, আপুনি অনুগ্ৰহ

কৰি অকণমান চাই দিয়ক"। তেতিয়া সেই চিকিৎসকজনে "খঙেৰে উত্তৰ দিছিল "মোৰ এতিয়া সময় নাই।" এই বুলি কৈ তেওঁ আঁতৰি গৈছিল, তাৰপাছত এগৰাকী নাৰ্ছে দুৰৰ পৰাই চাই কৈছিল, "ভাইটি, তুমি এখেতক ঘৰলৈ লৈ যোৱা। এখেতৰ মৃত্যু হৈছে।"

এক ভগ্ন হৃদয়েৰে সেই বাৰ বছৰীয়া শিশুজনে ককাকৰ মৃতদেহ ঘৰলৈ লৈ গৈছিল। কিন্তু কথা হ'ল সেই চিকিৎসকজন কেনেকুৱা মানুহ ? তেজেৰে লুতুৰি-পুতুৰি হৈ থকা এজন শিশুৰ করুণ অনুৰোধকো গ্ৰাহ্য নকৰিলে ; সেইজন চিকিৎসকে সঁচাই মানৱ সেৱা কৰিছেনে ?

—ইৰা চৌধুৰী, গুৱাহাটী-২৬

## আমাক দস্যু ভাস্কৰৰ দল লাগে

ভাৰতবৰ্ষৰ প্ৰায় সকলো ৰাজ্যতে একোটা উগ্ৰপন্থী দলে গা কৰি উঠিছে। পঞ্জাবত, ত্ৰিপুৰাত, লগতে অসমত এই উগ্ৰপন্থীৰ কাৰ্য-কলাপ দিনে দিনে বাঢ়ি গৈছে। আন ৰাজ্যৰ তুলনাত অসমৰ ULFAৰ কাৰ্য-কলাপ বেলেগ যেন পৰিলক্ষিত হয়। তেওঁলোকৰ কোনো গুৰুত্বপুৰ্ণ দাবী বৰ্তমানলৈকে নাই ; কিন্তু তেওঁলোকৰ হিংসাত্মক কাৰ্য-কলাপে অসমৰ বুকুলৈ অশান্তি কঢ়িয়াই আনিছে। তেওঁলোকৰ মুখ্য উদেশ্য—অসমৰ শোষণকাৰী, দেশদ্ৰোহী নিৰ্মুল কৰা। কিন্তু সকলো ক্ষেত্ৰতেই দেখা গৈছে যে হিংসাৰ দ্বাৰা কোনো সৎ কাম কৰিব নোৱাৰি। গতিকে আমি এনে এটা দল বিচাৰোঁ যি অসমৰ লগতে দেশৰ শোষণকাৰী, দেশদ্ৰোহীহঁতক উলিয়াই আনি আইনৰ হাতত অৰ্পণ কৰিব পাৰে। সেই দলটোৱে অহিংসাৰ পথ অনুসৰণ কৰক। সেই দলৰ নেতাজন এনে হোৱাটো বিচাৰোঁ —যি ভাস্কৰৰ দৰে হিংসাক ঘিণ কৰে। ULFA এনে এটা দললৈ ৰূপান্তৰিত হওক যি দস্যু ভাস্কৰৰ দৰে অহিংসাৰ নীতি অনুসৰণ কৰিব। —প্ৰশান্ত ভাগৱতী,

কমলাবাৰী, মাজুলী

## "সাহিত্যত ভাষা-বিবাদৰ প্ৰতিক্ৰিয়া"

সদ্য প্ৰয়াত ড' হৰেকৃষ্ণ মহতাব ওড়িয়া সাহিত্যৰ এজন দিগ্‌গজ সাহিত্যিক আৰু ঐতিহাসিক আছিল। বহুমুখী প্ৰতিভাৰ এই ৰাজনীতিক-সাহিত্যিক ব্যক্তিজনে মৃত্যুকাল পৰ্যন্ত ওড়িয়া ভাষাৰ এখনি শ্ৰেষ্ঠ আলোচনী 'ঝংকাৰ'ৰ মুখ্য সম্পাদকৰ দায়িত্বভাৰ পালন কৰি গৈছিল। তেখেতৰ দ্বাৰা লিখিত সম্পাদকীয়টি এই আলোচনীৰ এটি প্ৰধান আকৰ্ষণ। সকলো বিষয়ে নিজৰ সুবিজ্ঞ মতামত লিখি তেখেতে জীৱনৰ শেষলৈকে ওড়িয়াবাসীক সঠিক দিগদৰ্শন কৰাইছিল। কিছুদিন আগেয়ে (অক্টোবৰ ১৯৮৬) 'ঝংকাৰ'ৰ সম্পাদকীয় পৃষ্ঠাত 'সাহিত্যত ভাষা বিবাদৰ প্ৰতিক্ৰিয়া' শীৰ্ষক এটি লিখা ইয়াত অনুবাদ কৰি দিলো ; কাৰণ কথাখিনি অসমীয়া পাঠকসকলৰ পক্ষেও চিন্তা উদ্ৰেককাৰী হ'ব পাৰে বুলি ধাৰণা হয়।

"পূৰ্ব ভাৰতত এসময়ত ভাষা বিবাদ এনেকুৱাকৈ উৎকট হৈছিল যে ইয়াৰ প্ৰভাৱে আজিও পৰোক্ষভাৱে কাৰ্য কৰি আছে। এই বিবাদ আৰম্ভ হৈছিল বংগভাষীসকলৰ পক্ষৰপৰা। ভাৰতত পাশ্চাত্য শিক্ষাৰ আৰম্ভ বংগ প্ৰদেশত আৰু ইংৰাজ শাসনৰ ৰাজধানী কলিকাতাত হোৱা কাৰণে, আৰু অসম আৰু ওড়িষ্যাত আধুনিক শিক্ষা বহুত পাছত আৰম্ভ হোৱা বাবে বংগভাষীমানে নিজকে অন্যভাষাভাষীসকলতকৈ উন্নত বুলি ভাবিছিল। আনকি ওড়িয়া ভাষা আৰু অসমীয়া ভাষাকো তেওঁলোকে স্বীকাৰ কৰা নাছিল। এই বিবাদ কিছুকাল চলাৰ পাছত স্বাভাৱিক গতিৰে ওড়িয়া ভাষা আৰু অসমীয়া ভাষা যে কেৱল স্বীকৃত হ'ল সেয়ে নহয়, এই ভাষাদ্বয়ৰ গুৰুত্বও ক্ৰমে বৃদ্ধি পালে। এই ঐতিহাসিক কাৰণত ওড়িয়া আৰু অসমীয়া সাহিত্যই বাংলা সাহিত্যৰ সৈতে সম্পৰ্ক ৰক্ষা কৰা নাই। বাংলা সাহিত্যৰ প্ৰভাৱ অন্য প্ৰদেশিক সাহিত্যৰ ওপৰত পৰিছিল আৰু (বৰ্তমানও) পৰিছে কিন্তু সেয়া ওড়িয়া আৰু অসমীয়া সাহিত্যৰ ওপৰত পৰা নাই। এই বিষয়টো সাহিত্যিকসকলৰ দ্বাৰা আজি স্পষ্ট অনুভূত হৈছে। বংগসাহিত্যৰ ৰবীন্দ্ৰনাথ বৰ্তমান জগত বিখ্যাত ঐতিহাসিক পুৰুষ। তেওঁৰ সাহিত্য আৰু দৰ্শন অন্যান্য প্ৰদেশিক ভাষাত, বিশেষকৈ দক্ষিণ ভাৰতীয় সাহিত্যত যেনেদৰে বিভিন্ন লেখকৰ দ্বাৰা আলোচিত হৈছে আৰু সেই সম্বন্ধে কিতাপ আৰু সাহিত্য পত্ৰিকাবোৰত প্ৰবন্ধ প্ৰকাশ হৈছে, তেনেদৰে ওড়িয়া আৰু অসমীয়া সাহিত্যত হোৱা নাই। আনকি ৰবীন্দ্ৰ সাহিত্যৰ অধ্যয়নো হোৱা নাই। ইয়াৰ ফলত ওড়িয়া সাহিত্যই আধুনিক ভাৱ ধাৰাৰ সৈতে সম্পৰ্ক ৰাখিব পৰা নাই। কেৱল বাংলা সাহিত্য বা দক্ষিণ ভাৰতীয় সাহিত্য নহয়, হিন্দী সাহিত্যৰ লগতো ওড়িয়া সাহিত্যই সম্পৰ্ক ৰক্ষা কৰা নাই। এই স্থিতিৰ সংশোধন আৱশ্যক।"

—সুনীল কুমাৰ দত্ত,

বিশ্বভাৰতী, শান্তিনিকেতন

## "কাম কৰা"ৰ বদনাম

শেষ পৃষ্ঠাৰ "কৰ্মী আৰু কৰ্মচাৰী"ৰ (১।২।৮৭) সম্পৰ্কত মোৰ ব্যক্তিগত অভিজ্ঞতা জনাব খোজোঁ। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কোনো অভিযন্তাই পাৱাৰ হাউছৰ চাকৰি কেইটালৈ যাব নোখোজে। পাৱাৰ হাউছ কেইটাত সা-সুবিধা কম, দায়িত্ব বেছি। অথচ সেই কেইটা বিভাগতে দক্ষতা আৰু নিষ্ঠাৰ প্ৰয়োজন আটাইতকৈ বেছি। পাৱাৰ হাউছত বৰ্তমান থকা কেইজনৰ ভিতৰত যি এবাৰ "কাম কৰা"ৰ "বদনাম" উপাৰ্জন কৰিছে, তেওঁলোকৰ ওলাই যোৱাৰ কোনো উপায় নাথাকে। তেওঁলোকৰ ব্যক্তিগত সা-সুবিধালৈ কেনেও ভ্ৰূক্ষেপ নকৰে। এওঁলোকৰ উদ্ধাৰৰ একমাত্ৰ উপায় হ'ল যিমান বেছিকৈ পৰা যায়— "কাম-নকৰা"ৰ খ্যাতি অৰ্জন কৰা। —প্ৰশান্ত বৰকটকী,

চালেকাটি

## ছোৱালী বোজা নহয়

মই দুজনী ছোৱালীৰ বাপেক আছিলো। অলপতে আৰু এজনী ছোৱালীৰ বাপেক হ'লো। তাইৰ নাম ৰাখিলো—গাৰ্গী। পাঁচ বছৰৰ বিৰতিৰ পাছত গাৰ্গী আমাৰ পৰিয়ালৈ অহাত আমাৰ আনন্দৰ সীমা নাছিল। কন্যা সন্তানৰ জন্মৰ খবৰ জনাই অসমত থকা মোৰ আত্মীয়স্বজনলৈ চিঠি আৰু টেলিগ্ৰাম পঠালো।

পৰেকৰ পাছত আপোন পৰিয়ালৰপৰা অহা ইখনৰ পিছত সিখন চিঠি পঢ়ি আমাৰ উচ্ছাসবিলাক শ্বাসৰুদ্ধ হৈ ৰ'ল। মোৰ মামী এগৰাকীয়ে লিখিলে, "...এইবাৰো ছোৱালী একনী হোৱাত মনত বেজাৰ কৰি নাথাকিবা। এয়া ভগৱানৰ ইচ্ছা।"

খুলশালি ছোৱালী এজনীয়ে বায়েকলৈ লিখিলে, "...ছোৱালী হ'ল বুলি মনত দুখ কৰি নাথাকিবা। ভাল শিক্ষা দিবা, সদব্যৱহাৰ শিকাবা।"

সম্বন্ধীয়া ভিনীহি একনে লিখিলে, "...ল'ৰা হোৱাহেঁতেন ভালকৈ পাৰ্টি এটা খোৱাৰ ইচ্ছা আছিল।"

নৱজাতকক স্বাগতম জনাই বিভিন্নজনে অজ্ঞাত সাৰে লিখা মন্তব্যবিলাক আমাৰ কাৰণে মনোকষ্টকৰ আছিল ; সেয়েহে অপ্ৰকাশিত ক্ষোভবিলাক এই চিঠিত বক্তব্য কৰি মনটোক প্ৰবোধ দিব খুজিছো।

—তৌফিক উদ্দিন আহমেদ,
১৭৮, ছি, ভি. কইল ষ্ট্ৰিট, আলৱাৰ
থিক নগৰ, মাদ্ৰাজ—৬০০০৮৭



## বিশ্বনাথ চাৰি আলিৰ পৰা

মই লেখক নহও। মাজে-সময়ে দুই চাৰিটা কবিতা লিখোঁ আ'ত ত'ত ভ্ৰমণ কৰোঁ। কাৰো সৈতে যোগাযোগ সিমান নাই। যি কি নহওক অসম সাহিত্য সভাৰ দ্বাৰা আয়োজিত তৃতীয় শিশু সাহিত্য ৰচনা কৰা কৰ্মশালালৈ প্ৰশিক্ষাৰ্থী ৰূপে গৈছিলোঁ। বহুতো জ্ঞানী-গুণী ব্যক্তিৰ ভাষণ শুনিছিলোঁ। চাৰি আলি ৰাইজৰ আতিথ্যত সঁচাকৈয়ে অভিভূত হৈছিলোঁ।

উজনিৰ মানুহৰ পুৰণি গোৱালপৰীয়া সংস্কৃতি তথা লোকগীতৰ বাবে ইমান অনুৰাগ প্ৰশংসনীয়। বিশ্বনাথ ঘাটৰ পৌৰাণিক ঐতিহ্যমণ্ডিত বিশ্বনাথ দেৱালয় শ্ৰীচণ্ডীপীঠ, শিৱদৌল আদি চাই মনত বহুতো ভাবৰ উদয় হল। তাত নাম ফলিৰ সৈতে ক্ষয় প্ৰাপ্ত দেৱালয় আদি সংৰক্ষণ কৰি পৰ্যটন বিভাগে ভ্ৰমণকাৰীৰ বাবে উপযুক্ত পৰিবেশ সৃষ্টি কৰিব পাৰে। আৰিমত্ত ৰজাৰ পুখুৰী, প্ৰতাপগড় আদি আজিও তাত বিদ্যমান। বিশ্বনাথক গুপ্ত কাশী বুলি কোৱা হয়। সেই অঞ্চলত ২৭ খন দেৱালয় থকা বুলি গম পালোঁ। ভালুক মূৰ্তিৰ ওচৰেদি যদি কোনোবাই জীৱন্ত ভালুক এটা লৈ যায়, তেন্তে থিতাতে তাৰ মৃত্যু হয় বুলি শুনি আচৰিত হলোঁ। নিশ্চয় ইয়াৰ কোনো বৈজ্ঞানিক ভিত্তি আছে। গৱেষকসকলে বহু সময় ইয়াৰ প্ৰতি চপৰা ইটা তথা পৰিবেশত পাব বুলি ভাবোঁ। আহোম তথা বৌদ্ধ সংস্কৃতিৰো সমল তাত বিৰাজমান। দেশপ্ৰাণ লক্ষীধৰ শৰ্মাৰ বাসভৱনলৈ যোৱাৰো সুযোগ হৈছিল। গাঁৱৰ অৱস্থা নামনিৰ গাঁওসমূহতকৈ ভাল। হিন্দু-মুছলমানৰ আন্তৰিকতা তথা উদাৰতাৰ প্ৰশংসা নকৰি নোৱাৰি।

—জেহাংগীৰ পাশ্বা, গোৱালপাৰা

## জাতি-বিদ্বেষৰ বুনিয়াদ ঃ যোগীসকলৰ বিষয়ে

"বুনিয়াদী পাঠত জাতি-বিদ্বেষৰ বুনিয়াদ" শীৰ্ষক চিঠিখনৰ (১।২।৮৭) উত্তৰত মই ইয়াকে জনাব খোজোঁ যে যোগীসকলৰ বিষয়ে মই লিখা কথাখিনি Census on India, 1961, Volume III, Assam, Part V-A ; Scheduled Tribes and Scheduled Castes ; reprints from old census reports and special tables-অৰ পৰা লোৱা হৈছে। তাৰ এটা অংশ উদ্ধৃত কৰিলো।

[In Sylhet and Cachar, their claims and traditions of origin are the same as in Bengal, but their position in the districts of the Brahmaputra Valley is somewhat different. In these districts the caste originally contained five principal subdivisions, viz., the Sapmelas, or snake-charmers, the Palupohas, or rearers of particular kind of silkworm, the Duliyas, or palki-bearers, the Katanis, who were weavers of silk and sometimes also of cotton thread, and the Thiyapotas, who were so called because they buried their dead in a standing position. Of these, the Katanis and the Duliyas are the chief subdivisions now remaining (Foot note : There are however, others e. g., kanphurali with whom the katanis refuse to intermarry and the kendramara, or jugis, who still eat pork).]

—ভুবনমোহন দাস, গুৱাহাটী

[ড' দাসে দিয়া উদ্ধৃতিখিনিৰ এটা অংশহে ছপা কৰা হৈছে। —স. প্ৰা.]

## "অসমত নেপালী অনুপ্ৰবেশৰ সমস্যা"

শ্ৰীচৰন প্ৰসাদ শৰ্মাৰ "অসমত নেপালী অনুপ্ৰবেশৰ সমস্যা, গোৰ্খালেণ্ড আৰু অন্যান্য প্ৰসংগ" শীৰ্ষক প্ৰবন্ধটিৰ (১।৩।৮৭) এঠাইৰ এটা ভুললৈ আঙুলিয়াব লগা হ'ল। লেখকে টীয়কৰ শ্ৰীশ্ৰীনেপালী সত্ৰৰ প্ৰতিষ্ঠাতাজনক নেপালী বুলি কৈছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তীৰ্থনাথ শৰ্মাৰ যি প্ৰবন্ধটিৰ উল্লেখ কৰা হৈছে, সেইটি আমি পঢ়া নাই। দৰাচলতে টীয়কৰ শ্ৰীশ্ৰীনেপালী সত্ৰৰ প্ৰতিষ্ঠাতাজন হ'ল ৰতিকান্তদেৱ আৰু তেওঁক কাণ্যকুব্জ বা কনৌজৰ ধৰণীধৰ ভট্টাচাৰ্যৰ বংশধৰ বুলি কোৱা হয়।

—সতীন্দ্ৰনাথ গোস্বামী, প্ৰাক্তন
সভাপতি, অসম সাহিত্য সভা, যোৰহাট

## "অংগনৱাদী..."

শ্ৰীসুৰেন্দ্ৰ কুমাৰ ভাগৱতী দেৱে অংগনৱাদী নে অংগনঘাটী বিষয়ে লিখা চিঠিখন (১।২।৮৭) মোৰ দৃষ্টিগোচৰ হৈছে। তাৰ প্ৰত্যুত্তৰত চমুকৈ নিম্ন উল্লেখিত কথা কেইষাৰ লিখিলো।

(১) এই অংগনৱাদী কেন্দ্ৰবিলাক ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন দপ্তৰৰ মহিলা আৰু শিশু কল্যাণ আঁচনিৰ অন্তৰ্ভুক্ত। অসম চৰকাৰে শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ যোগেদি ইয়াক পৰিচালনা কৰে। জনামতে কিছুমান নিৰ্দিষ্ট উন্নয়ন খণ্ডৰ এলেকা এই শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয় বিলাকৰো এলেকা। (নিৰ্দিষ্ট মানে, জনামতে অসমৰ সকলো উন্নয়ন খণ্ড এলেকা বৰ্তমানলৈকে এই আঁচনিৰ অন্তৰ্ভুক্ত হোৱা নাই।)

পত্ৰ-লেখকে উল্লেখ কৰাৰ দৰে মই জনাত এই কেন্দ্ৰবোৰত আজিকালি কোনো আপেল বা কল আদি দিয়া নহয়। বৰ্তমান এই প্ৰকল্প কাৰ্যালয়বিলাকৰ যোগেদি কিছুমান প্ৰকল্প এলেকাত ষ্টেটফেডৰ (STATFED) যোগেদি বুট চিৰা আৰু গুৰ দিয়া হয়। আৰু কিছুমান প্ৰকল্প এলেকাত বিশ্বখাদ্য কাৰ্যসূচীৰ (W.F.P.) অধীনত পোৱা বস্তু দিয়া হয়।

দ্বিতীয়তে, জনামতে এই কেন্দ্ৰবিলাকৰ কাম-কাজ চোৱা-চিতা কৰিবলৈ বিভাগীয় বিষয়া আৰু কৰ্মচাৰী থাকে। কোনো কেন্দ্ৰত কিবা বেমেজালি হ'লে বা খাদ্যবস্তু উপযুক্ত নহলে সচেতন নাগৰিকে—বিভাগীয় বিষয়াৰ দৃষ্টি গোচৰ কৰিব পাৰে।

তৃতীয়তে, জনামতে এই কেন্দ্ৰবিলাকৰ কাম অকল খোৱাবস্তু দিয়াটোৱেই নহয় ; চমুকৈ কবলৈ হ'লে এই কেন্দ্ৰবিলাকত অনানুষ্ঠানিক প্ৰাক-প্ৰাথমিক শিক্ষা, শিশু আৰু মাতৃৰ স্বাস্থ্য পৰীক্ষা, প্ৰতিষেধক চিকিৎসা ব্যৱস্থা আদি কাৰ্যসূচীসমূহো আছে। এই বিষয়ে বিশদভাৱে জানিবলৈ হ'লে ওচৰৰ শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়লৈ গলেই জানিব পাৰিব।

চতুৰ্থতে, মই জনাত নিযুক্তি দিয়া কৰ্মীসকলৰ বাবে চৰকাৰে বান্ধি দিয়া কিছুমান নিয়ম থাকে। আৰু সেই নিয়মবিলাকৰ ভিত্তিত চৰকাৰে পাতি দিয়া এখন বাছনি কমিটিৰ যোগেদি প্ৰাৰ্থী নিয়োগ কৰা হয়। তাৰ পাছত বিভাগীয় বিষয়াৰ যোগেদি প্ৰাৰ্থীসকলক প্ৰশিক্ষণলৈ পঠোৱা হয়। কোনোবা এগৰাকী প্ৰাৰ্থীৰ নৈতিক চৰিত্ৰ বেয়া দেখিলে বুলিয়েই সকলো অবিবাহিতা কৰ্মীৰে নৈতিক চৰিত্ৰ সম্পৰ্কে বেয়া মন্তব্য দিয়াটো উচিত নহয়।

সদৌ শেষত কওঁ, তেখেতে আঁচনিখন ভালদৰে বুজি লৈ ভৱিষ্যতে গঠনমূলক পৰামৰ্শ আগবঢ়ালে চৰকাৰ, বিভাগীয় বিষয়া আৰু জনসাধাৰণৰ যথেষ্ট উপকাৰ হ'ব।

মিজুল চন্দ্ৰ গোস্বামী, যোৰহাট

### দুই

এই আঁচনিখনৰ অধীনত জন্মৰপৰা ছবছৰীয়া শিশুসকলৰ স্থানীয় প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কৰ্মীৰ সহায়ত পদ্ধতিগতভাৱে স্বাস্থ্য পৰীক্ষা কৰোৱা, ডি পি টি, পলিঅ, টি টি, আদি মহাৰ্ঘ ঔষধবোৰ সময়মতে গাঁৱৰ অশিক্ষিত, দুখীয়া, ভোদা অভিভাৱক ল'ৰা ছোৱালীৰ মাজত প্ৰয়োগ কৰোৱা, গৰ্ভৱতী আৰু পোৱতী তিৰোতাসকলৰ ক্ষেত্ৰত প্ৰতিষেধক ব্যৱস্থাৰ দিহা কৰোৱা কাম কৰা হয়। তদুপৰি এই আঁচনিৰ আটাইতকৈ উল্লেখযোগ্য উদ্দেশ্য হৈছে স্বাভাৱিকতে লাজকুৰীয়া গাঁৱৰ শিশুসকলৰ মাজত খেলাধুলা, কবিতা গীত, আবৃত্তি আদি লঘু মনোৰঞ্জনৰ মাজেদি তেওঁলোকৰ শাৰীৰিক, মানসিক, বৌদ্ধিক গুণবোৰ বিকশাই তোলা। এই দিশত সাফল্যও পৰিলক্ষিত হৈছে।

দেশৰ ভৱিষ্যত নাগৰিকসকলৰ বাবে যুগুত কৰা এনে মহান আৰু বিস্তৃত আঁচনি কেৱল অংগনৱাদীসকলৈকে এৰি নিদি সমাজৰ শিক্ষিত অভিভাৱকসকলেও গা পাতি ধৰিলে আঁচনিখনৰ আশুফল নিশ্চয় পোৱা যাব।

প্ৰণিতা নেওগ, কাৰবি আংলং

---

### আপুনি বিশ্বাস কৰিবনে ?

বিশ্বাস কৰক নকৰক এই কথা কিন্তু সত্য যে বৰ্তমান ছাত্ৰ সমাজৰ অধিকাংশই অধ্যয়নৰ ফালে পিঠি দিলে। অসমীয়া জাতিটোৰ কাৰণে এয়া ভাল লক্ষণ নে বেয়া লক্ষণ সেয়া নকলেও হব। মই এখন কলেজত অসমীয়া পঢ়ুৱাওঁ আৰু মোৰ দৰে অসংখ্য শিক্ষক অসমত আছে; পিছে, আমি শিক্ষকসকলে কি পঢ়ুৱাইছোঁ, লৰাই কি শিকিছে তাৰ ভু লওঁতা কিমান আছে সেয়াহে নাজানো। কিন্তু ভু ৰখাৰ প্ৰয়োজন হৈছে।

অলপতে উচ্চতৰ মাধ্যমিক শাখাৰ (আগৰ প্ৰাক-ডিগ্ৰি বা প্ৰাক স্নাতক শ্ৰেণী) বাছনি পৰীক্ষাৰ কিছু সংখ্যক অসমীয়া বহী চোৱাৰ দায়িত্ব মোৰ ওপৰত পৰিছিল। প্ৰশ্নত সোধা হৈছিল "ড° ভবেন্দ্ৰ নাথ শইকীয়া কোন যুগৰ লেখক ?" —এজনে লিখিছিল— "ড° ভবেন্দ্ৰ নাথ শইকীয়া অসমীয়া সাহিত্যৰ বৈষ্ণৱ যুগৰ লেখক।" এজনে 'আধুনিক' যুগৰ বুলি লিখি বৰ্ণনা দিছিল পাঠ্যক্ৰমৰ অন্য এটা গল্প "বে বড়ে ভাই"ৰ কথা। বহুতে লিখিছিল "জোনাকী যুগৰ লেখক" বুলি। অৱশ্যে, এনেদৰে লিখা অধিক সংখ্যক ছাত্ৰই প্ৰাইভেট পৰীক্ষাৰ্থী।

অকল এয়ে নহয়, প্ৰথম অসমীয়া ৰোমাণ্টিক কবি "নৰকান্ত বৰুৱা" (ভাগ্য ভাল যে ছাত্ৰজনে কবি এজনৰ কথাই মনত পেলালে: প্ৰথম অসমীয়া চতুৰ্দশপদী কবিতা লিখিছিল "শ্ৰীমন্ত শংকৰদেৱে।"

"কথাকবিতা প্ৰথমতে কোনে ৰচনা কৰিছিল ? তেওঁ কোন দেশৰ ? অসমীয়া সাহিত্য কথাকবিতাৰ প্ৰথম ৰচক কোন ?" এই প্ৰশ্নৰ উত্তৰ : "বিশ্বকবি যতীন্দ্ৰনাথ দুৱৰাই প্ৰথম কথা কবিতা ৰচনা কৰে। তেওঁ ফৰাচি দেশৰ মানুহ আছিল। অসমীয়া কথাকবিতা ৰচন কৰা দুজন কবি হ'ল ৰঘুনাথ চৌধাৰী (চৌধাৰী ঠিকেই লিখিছে) আৰু যতীন্দ্ৰ নাথ দুৱৰা।"

আন এজনৰ উত্তৰ— "কথা কবিতাৰ ৰচক আইভান দেমেষ্টিক। তেওঁ গ্ৰীচ দেশৰ"

এয়া আমাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ অহা ছাত্ৰ-ছাত্ৰীৰ নমুনা। এনে ধৰণৰ দৃষ্টান্তই কি সূচায়? শিক্ষকে নপঢ়ুৱাই নে এনে ধৰণৰ শিক্ষা দিয়ে ?

—কেশৱ শইকীয়া, গোলাঘাট

---

### বিস্মৃতিৰ গৰ্ভত ডেকা বেজ

'ডেকাবেজ' মাধৱ বেজবৰুৱাদেৱৰ জীৱন-সংগ্ৰামৰ ঘাই দিশটি ফহিয়াই চাবলৈ, মেলি চাব লাগিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মলগ্নৰ ইতিহাস। এই ইতিহাসৰ এছোৱা 'প্ৰান্তিক'ৰ পাততে ড° মহেশ্বৰ নেওগদেৱৰ 'জীৱনৰ দীঘ আৰু বাণি'ত প্ৰকাশ পাইছিল। তেখেতৰ জীৱনজিজ্ঞাসাৰ আভাস শ্ৰীমুনীন বৰকটকীদেৱৰ ভাষাৰে দাঙি ধৰিব পাৰি: "অসমত এখন বিশ্ববিদ্যালয় লাগে, অসমীয়া ডেকাক অসমৰ শিল্প, অসমৰ ৰাজনীতি, অসমৰ সংস্কৃতিক সন্মানৰ আসনত প্ৰতিষ্ঠা কৰিব লাগে, অসমীয়া ভাষা, অসমীয়া সাহিত্য, অসমীয়া ঐতিহ্যই সৰ্বভাৰতীয় পৰিধিত মৰ্য্যাদাপূৰ্ণ স্বীকৃতি পাব লাগে বুলি বিৰামহীন ভাৱে সংগ্ৰাম চলাই বহুতো সম্ভাৱনাৰে ভৰা সোণামুৱা ডেকাকাল এটা পাত কৰি অকালতে আয়ুনিঃশেষ কৰি গ'ল।"

সেইজনেই ডেকাবেজ। 'সাহিত্যৰথী' বেজবৰুৱাদেৱৰ আপোন ককায়েক বিনন্দ বেজবৰুৱাৰ কনিষ্ঠ পুত্ৰ। যাৰ জীৱন-নাট শেষ হৈছিল মাথো একুৰি ছৈধ্য বছৰতেই (১৯১২—১৯৪৬)। গুৱাহাটী বিশ্ববিদ্যালয় আৰু আমাৰ শিৱসাগৰ কলেজত তেখেতৰ 'স্মৃতি-ভৱন' নিৰ্মিত হ'ল। তথাপি যেন আজি দুখজনকভাৱে তেখেত নতুন পুৰুষচামৰ বাবে অজ্ঞাত আৰু বিস্মৃতিৰ গৰ্ভত! যোৱা ১১ অক্টোবৰ আছিল তেখেতৰ মৃত্যুৰ দুকুৰি বছৰীয়া তিথি। দিনটো প্ৰায় অলক্ষিতে পাৰ হৈ গ'ল। —জয়ন্ত কুমাৰ বৰা,

শিৱসাগৰ কলেজ, শিৱসাগৰ

---

### প্ৰবীন কুমাৰ অসমীয়াত সংক্ষেপে পি. কে. ?

আমাৰ অসমীয়া ভাষা বা লিখনিত সৰু-বৰ আসোঁৱাহ অলেখ পোৱা যায়। আমাৰ ঐকান্তিক চেষ্টা, আগ্ৰহৰ অভাৱতে এইবোৰ আঁতৰাব পৰা নাই। আমি সচেষ্ট হ'লে, এই ত্ৰুটিবোৰ আঁতৰাই অসমীয়া ভাষাটোক অধিক মনোৰম কৰি তুলিব পাৰিম। আমাৰ চকুত নপৰা সৰু ভুলটো আছে মানুহৰ নাম সংক্ষেপে অসমীয়াত লিখা ধৰণটোত। মোৰ নামটো হ'ল প্ৰবীন কুমাৰ গগৈ। ইংৰাজীত সংক্ষেপে লিখিম P. K. Gogoi বুলি। অসমীয়াতো বাৰু আমি পি. কে. গগৈ বুলিয়েই লিখিম নে? আমিতো প্ৰায় সকলোৱে এইদৰেই লিখি থাকোঁ; কিন্তু প্ৰ. কু. গগৈ বুলি লিখাটোহে যুগুত বুলি ভাবোঁ। —প্ৰবীন কুমাৰ গগৈ,

লামডিং

---

### গাত হাত দি ভাৰা খোজা পদ্ধতি

আমাৰ সমাজত সৌজন্যবোধ, শালীনতা, শ্ৰদ্ধা, স্নেহ ইত্যাদি পাৰম্পৰিক প্ৰমূল্যবোৰ দ্ৰুতগতিত অন্তৰ্হিত হবলৈ ধৰিছে। বেচৰকাৰী বাছৰ ভাড়া সংগ্ৰহ কৰা ব্যক্তিসমূহ এনে প্ৰমূল্যৰ অৱনতিৰ এক প্ৰকৃষ্ট উদাহৰণ। এই লোকসকলে বাছৰ পিছফালৰপৰা যাত্ৰীৰ ভাৰা সংগ্ৰহৰ কাৰ্য আৰম্ভ কৰে। স্বাভাৱিকতেই সকলো যাত্ৰীয়ে বাছৰ আগফাললৈ মুখ কৰি বহি বা থিয় হৈ থাকে। যিহেতু পিছফালৰপৰা ভাৰা সংগ্ৰহ কৰা বাবে এনে ব্যক্তিক যাত্ৰীসকলে দেখাৰ লগে লগে ভাৰাকণ দি তেওঁলোকৰ স্পৰ্শ ধন্য হোৱাৰ পৰা পৰিত্ৰাণ লভিব নোৱাৰে, গতিকে তেওঁলোকে নিৰ্দ্বিধাই পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৰে শৰীৰত হেঁচুকি ভাৰা সাধি যাত্ৰীসকলক লজ্জিত আৰু বিপৰ্যস্ত কৰা দেখা যায়। এই প্ৰথা অবিলম্বে বন্ধ হোৱা উচিত। ই মাথোন শালীনতা-বিৰোধীয়েই নহয়, অপমানজনকো। ভাৰা সংগ্ৰহকাৰীয়ে বাছৰ আগফালৰপৰা সংগ্ৰহ কাৰ্য আৰম্ভ কৰাটো বাঞ্চনীয়।

—বিৰিঞ্চি কুমাৰ মেধী,

গুৱাহাটী বিশ্ববিদ্যালয়





# ভাৰতৰ সংসদৰ কাৰ্যকলাপ

কিছুদিন ধৰি ভাৰতীয় সংসদ এক বিপৰ্যয়ৰ মাজত সোমাই আছে। ৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীৰ সম্পৰ্কৰ বিষয়ে দেশখনত নানান ধৰণৰ বাতৰি পৰিবেশিত হোৱাৰ পাছত সংসদত প্ৰধান মন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰপতিক প্ৰয়োজনীয় সকলো কথা সময়মতে জনাই থকা হৈছে। তাৰ পাছতে ইণ্ডিয়ান এক্সপ্ৰেছ নামৰ বাতৰি কাকতখনত ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীলৈ লিখা এখন চিঠি প্ৰকাশ হয়। চিঠিখনত ৰাষ্ট্ৰপতিয়ে কিছুমান বিষয়ত যে প্ৰধান মন্ত্ৰীয়ে তেওঁৰ (ৰাষ্ট্ৰপতিৰ) লগত যথাযথভাৱে আলোচনা কৰা নাই, তাৰ উদাহৰণ দাঙি ধৰে। লগে লগে সংসদত প্ৰধান মন্ত্ৰীয়ে ভুল কথা কৈছে বুলি বিৰোধী পক্ষই অভিযোগ তোলে আৰু ৰাষ্ট্ৰপতিৰ চিঠিখনৰ বিষয়ে আলোচনা কৰিব লাগে বুলি দাবী জনায়। কিন্তু চৰকাৰ পক্ষৰপৰা কোৱা হয় যে ৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীৰ মাজৰ কথাবতৰা, চিঠি-পত্ৰ আদি গোপনীয়। সেই সময়তে ইণ্ডিয়ান এক্সপ্ৰেছ নামৰ কাকতখনৰ মালিক ৰামনাথ গোৱেংকাৰ উপদেষ্টা শ্ৰীগুৰুমূৰ্থিক গ্ৰেপ্তাৰ কৰা হয় আৰু গোৱেংকাৰ এটা ঘৰতো খানাতালাচ চলোৱা হয়। শ্ৰীগুৰুমূৰ্থিয়ে ইণ্ডিয়ান এক্সপ্ৰেছ কাকতত ৰিলায়েন্স ব্যৱসায়ী গোষ্ঠীৰ কিছুমান গণ্ডগোলীয়া তথ্য উদঘাটন কৰি এলানি প্ৰবন্ধ লিখিছিল। সেই প্ৰবন্ধবোৰ লিখোঁতে তেওঁ হেনো ভাৰত চৰকাৰৰ গোপনীয় নথি-পত্ৰ কিছুমান ব্যৱহাৰ কৰিছিল। গুৰুমূৰ্থি-সংক্ৰান্ত এই ঘটনাটোৰ পম খেদোঁতে আৰু এটা কথা ওলাই পৰে: ভাৰত চৰকাৰে কিছুমান ব্যৱসায়ী প্ৰতিষ্ঠান আৰু ব্যক্তিৰ বিদেশত বে-আইনী আৰ্থিক লেন-দেন সম্পৰ্কে অনুসন্ধান চলাবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফেয়াৰফেক্স নামৰ এটা অনুসন্ধানকাৰী প্ৰতিষ্ঠানক নিয়োগ কৰিছিল। সংসদত বিৰোধী পক্ষই এই সম্পৰ্কে প্ৰশ্ন তোলাত চৰকাৰ পক্ষই কয় যে চৰকাৰে ফেয়াৰফেক্সক নিয়োগ কৰা নাই। ইফালে আমেৰিকাত ফেয়াৰফেক্সৰ সভাপতি মাইকেল হাৰ্শ মেনে ঘোষণা কৰে যে ভাৰত চৰকাৰে তেওঁলোকক নিযুক্তি দিছিল আৰু এতিয়াও সেই নিযুক্তি বলবৎ আছে। বিৰোধীপক্ষই প্ৰবল হেঁচা দিও এইবোৰ কথা সংসদত আলোচনা কৰাৰ অনুমতি পোৱা নাই। আনহাতে প্ৰধানমন্ত্ৰীয়ে উচ্চতম ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশৰ হতুৱাই ঘটনাটোৰ তদন্ত কৰোৱাৰ ব্যৱস্থাৰ কথা ঘোষণা কৰে। বিৰোধী পক্ষই "সংসদৰ বাহিৰলৈ উলিয়াই নি ঘটনাটো ঢাকি পেলোৱাৰ এই ব্যৱস্থাৰ বিৰোধিতা কৰিছে। ইতিমধ্যে বৰ্তমানৰ প্ৰতিৰক্ষা মন্ত্ৰী ভি. পি. সিঙে তেওঁ বিত্তমন্ত্ৰী হৈ থকা সময়ত ফেয়াৰফেক্সক নিযুক্তি দিয়াৰ দায়িত্ব সদনত স্বীকাৰ কৰিছে। উল্লেখযোগ্য যে শ্ৰীসিঙক বিত্তমন্ত্ৰীৰ পদৰ পৰা আঁতৰোৱা ঘটনাটো ভাৰতবাসীয়ে সহজে লব পৰা নাছিল।

মুঠৰ ওপৰত, ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, ইণ্ডিয়ান এক্সপ্ৰেছ, ৰামনাথ গোৱেংকা, অমিতাভ বচ্চন, ৰিলায়েন্স, ভি. পি. সিং, ফেয়াৰফেক্স আদি জড়িত হৈ পৰা এই ঘটনা-প্ৰবাহে জটিল ৰূপ ধাৰণ কৰিছে।

## বিৰোধী ঐক্যৰ প্ৰচেষ্টা পুনৰ আৰম্ভ

অলপতে হৈ যোৱা কেৰালা, পশ্চিম বংগ আৰু জম্মু আৰু কাশ্মীৰ বিধান সভাৰ নিৰ্বাচনৰ ফলাফলে বিৰোধীদলসমূহৰ মাজত এক ৰাষ্ট্ৰীয় বিকল্প গঢ়াৰ সম্ভাৱনা অধিক উজ্বল কৰি তুলিছে। এই সম্পৰ্কত মন্তব্য প্ৰকাশ কৰি কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ৰামকৃষ্ণ হেগড়েই কয় যে এই ৰাজ্য তিনিখনৰ ভোটাৰসকলে দেখুৱাই দিলে যে বিৰোধী দলসমূহে কেন্দ্ৰত এক বিশ্বাসযোগ্য ৰাষ্ট্ৰীয় বিকল্প দিব পাৰিব। তেওঁ অলপতে চণ্ডীগড়ত পঞ্জাবৰ মুখ্যমন্ত্ৰী সুৰজিত সিং বাৰনালা আৰু হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা লোকদলৰ নেতা দেৱীলালৰ সৈতেও এই বিষয়ে আলোচনা কৰে।

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী জ্যোতিবসুৱে ইতিমধ্যে এনে ঐক্যৰ বাবে জনোৱা আহ্বানৰ প্ৰতি জনতা দলে আদৰণি জনাইছে।

ইফালে মেনকা গান্ধীৰ নেতৃত্বাধীন ৰাষ্ট্ৰীয় সঞ্জয় মঞ্চৰ জনতা দলৰ সৈতে চামিল হোৱাৰ সম্ভাৱনাও উজ্বল হৈ পৰিছে। জনতা দলৰ সভাপতি চন্দ্ৰশেখৰৰ মতে দলৰ কাৰ্যসূচীসমূহৰ প্ৰতি সমৰ্থন থকা যিকোনো লোকেই এই দলত যোগ দিব পাৰে। দলত মেনকা গান্ধীৰ অন্তৰ্ভুক্তিৰ তীব্ৰ বিৰোধিতা কৰি অহা জৰ্জ ফাৰ্ণাণ্ডেজৰ সুৰো বৰ্তমান কিছু কোমল হৈ পৰিছে। ইফালে উত্তৰ প্ৰদেশৰ কাশীপুৰ বিধান সমষ্টিৰ নিৰ্বাচনত মেনকাৰ সৌহাৰ্দস্বৰূপ "ডাম্পি" ওৰফে আকবৰ আহমেদৰ বিজয়ে তেওঁৰ হাতো শক্তিশালী কৰিছে।

মেনকা গান্ধীৰ মতে অলপতে আহ্বান কৰিবলগীয়া তেওঁৰ দলৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকৰ বৈঠকত চামিলকৰণৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ব। তেওঁ কয় যে তেওঁলোকে এতিয়ালৈকে এই বিষয়ে একো স্থিৰ সিদ্ধান্ত লোৱা নাই।

অন্যহাতে অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন. টি. ৰামাৰাৱে "ভাৰত দেশম" গঠনৰ ধাৰণাটো বৰ্তমান পুনৰ উজ্জীৱিত কৰাৰ কথা চিন্তা কৰিছে। কেৰালাৰ নিৰ্বাচনৰ পাছত দক্ষিণৰ আটাইকেইখন ৰাজ্য ই-কংগ্ৰেছৰ হাতৰপৰা যোৱাৰ পৰিপ্ৰেক্ষিততে তেওঁ এইবিষয়ে পুনৰ চিন্তা কৰিবলৈ লৈছে। এই সন্দৰ্ভতে উত্তৰ প্ৰদেশ ভ্ৰমণৰ বাবে জনোৱা এক আমন্ত্ৰণৰ প্ৰতি সঁহাৰি জনাই অলপতে সেই ৰাজ্য ভ্ৰমণৰ বিষয়েও তেওঁ চিন্তা কৰি আছে। এই ভ্ৰমণৰ ফলাফল পৰ্যালোচনা কৰাৰ পাছতে

তেওঁ "ভাৰত দেশম" গঠনৰ বিষয়ে ঘোষণা কৰাৰ সম্ভাৱনা আছে।

আৰম্ভণিতে তেওঁ যেতিয়া "ভাৰত দেশম্" গঠনৰ বিষয়ে গুণাগাঁথা কৰিছিল তেতিয়া বিভিন্ন ৰাজনৈতিক দলসমূহৰ সমন্বয়ত এটা ফেডাৰেল দলৰ কথাহে চিন্তা কৰিছিল। কিন্তু অন্ধ্ৰ প্ৰদেশত বিৰোধী দলসমূহৰ মাজৰ মিত্ৰতা ভাগি পৰাৰ পৰিপ্ৰেক্ষিতত তেওঁ বৰ্তমান বিভিন্ন ৰাজ্যত তেওঁৰ প্ৰস্তাৱিত এই দলটোৰ পৃথক শাখা গঠনৰ কথাহে ভাবিছে।

* "ৰাম জন্মভূমি মুক্তিৰ" দাবীত উত্তৰ প্ৰদেশ বন্ধৰ বাবে বিশ্ব হিন্দু পৰিষদে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই বুলন্দ চহৰৰ মুছলমান-সকলেও বন্ধ পালন কৰে। চহৰখনৰ এজন মুছলমান নেতা ৰছিদ খান আনছাৰিৰ মতে হিন্দু-মুছলিম ঐক্যৰ চিন স্বৰূপেই বিশ্ব হিন্দু পৰিষদৰ এই বন্ধত যোগ দিবলৈ তেওঁ চহৰখনৰ মুছলমানসকলৰ প্ৰতি গোহাৰি জনায়। শ্ৰীআনছাৰিয়ে তেওঁৰ অনুসৰণকাৰী-সকলৰ সহযোগত এক "হিন্দু-মুছলিম ভাতৃত্ব মিশ্যন" আৰম্ভ কৰাৰ কথাও চিন্তা কৰিছে। তেওঁ সাম্প্ৰদায়িক সম্প্ৰীতি সুদৃঢ় কৰাৰ অৰ্থে বাবৰি মছজিদৰ মাটি টুকুৰা হিন্দুসকলক এৰি দিবলৈকো মুছলিমসকলৰ প্ৰতি আহ্বান জনায়।

* সংযুক্ত সংখ্যালঘু মৰ্চাৰ নগাঁও জিলা শাখাৰ সাধাৰণ সম্পাদক মুন চৌধুৰীৰ ঘৰৰপৰা এটা ৰিভলভাৰ, ৩০৩ ৰাইফলৰ নটা অব্যৱহৃত গুলী আৰু গুলী তৈয়াৰ কৰাত ব্যৱহাৰ কৰা বাৰুদ আৰু তামৰ কেপ উদ্ধাৰ কৰাৰ পাছত পুলিছে তেওঁক গ্ৰেপ্তাৰ কৰিছে। পুলিছৰ সূত্ৰৰ মতে অলপতে জুৰিয়াত গ্ৰেপ্তাৰ কৰা এজন কুখ্যাত ডকাইতে শ্ৰীচৌধুৰীক অনুজ্ঞাপত্ৰ নথকা এটা ৰিভলভাৰ আৰু কিছু গুলী-বাৰুদ বিক্ৰি কৰা বুলি প্ৰকাশ কৰাৰ পাছত পুলিছে তেওঁৰ ঘৰৰপৰা উক্ত সামগ্ৰীবোৰ উদ্ধাৰ কৰে আৰু তেওঁক গ্ৰেপ্তাৰ কৰে।

উল্লেখযোগ্য যে শ্ৰীচৌধুৰীয়ে ১৯৮৫ চনৰ অসম বিধান সভাৰ নিৰ্বাচনত নগাঁও সমষ্টিত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

### ভূমিকম্পৰ বিভীষিকাই ধেমাজিবাসীক চিন্তিত কৰিছে

লক্ষীমপুৰ জিলাৰ ধেমাজিত এপ্ৰিলৰ মাজভাগৰপৰা আগষ্টৰ ভিতৰত এটা ডাঙৰ ভূমিকম্প হ'ব বুলি পুনেৰ কেন্দ্ৰীয় জল আৰু বিদ্যুৎ গৱেষণা কেন্দ্ৰৰ গৱেষক বিষয়া ড° অৰুণ বাপটে কৰা ভৱিষ্যত বাণীয়ে অঞ্চলটোৰ বাইজৰ মাজত বিশেষ আতংকৰ সৃষ্টি কৰিছে। ভালেমান লোকে ভঁৰালৰ মজুত ধান কম দামতে বিক্ৰি কৰিছে। কৃষকসকলে কৃষি কৰ্মলৈ এক প্ৰকাৰ পিঠি দিছে। অনেক সুবিধাবাদী ব্যৱসায়ীয়ে পৰিস্থিতিৰ সুযোগ লৈ ধান-চাউলবোৰ কম দামতে কিনি লবলৈ আৰম্ভ কৰিছে বুলি বাতৰিত প্ৰকাশ। অঞ্চলটোত ঘৰ-দুৱাৰ নিৰ্মাণৰ সা-সামগ্ৰীৰ বিক্ৰিও কমি গৈছে।

যোৱা মাহত অঞ্চলটো ভ্ৰমণ কৰা শ্ৰীবাপটে ভূমিকম্পটোৰ উপকেন্দ্ৰটো ধেমাজিৰ ১৫ কিল'মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থাকিব বুলি কয়। ভূমিকম্পৰ ফলত উত্তৰ লক্ষীমপুৰ আৰু ডিব্ৰুগড়বো বিস্তৰ ক্ষতি হ'ব বুলি তেওঁ কোৱা বুলি প্ৰকাশ।

আনহাতে ইয়াৰ বিপৰীতে ড° বাপটে যোৰহাটত ধেমাজিৰ ভূমিকম্পটো মৃদু ধৰণৰহে হ'ব বুলি কৰা মন্তব্যয়ো ধেমাজিৰ ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। তেওঁৰ এনে পৰস্পৰ বিৰোধী মন্তব্যত ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে।

ইফালে ৰাজ্য চৰকাৰে দিছপুৰত প্ৰকাশ কৰা এক প্ৰেছ বিজ্ঞপ্তিত বাপটৰ ভৱিষ্যত-বাণী ফলিয়াবই বুলি নিশ্চিতকৈ কব নোৱাৰি বুলি উল্লেখ কৰা হৈছে। এনে ধৰণৰ সম্ভাব্য দুৰ্যোগৰ সন্মুখীন হ'ব পৰাকৈ সকলো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও বিবৃতিটোত কোৱা হৈছে। লগতে, উৰা বাতৰিত অনাৱশ্যকভাৱে গুৰুত্ব নিদিবলৈ ৰাইজলৈ আহ্বান জনোৱা হৈছে।

* ধৰ্মীয় সংগঠন আৰু ৰাজনৈতিক দলসমূহ নিষিদ্ধ কৰাৰ অৰ্থে লোকসভাত জনতা দলৰ থেম্পেন থমাছে এখন ব্যক্তিগত বিধেয়ক উত্থাপন কৰিছে। মুছলিম লিগৰ বাহিৰে আটাইবোৰ ৰাজনৈতিক দলৰ সদস্য-সকলে বিধেয়কখনৰ প্ৰতি আদৰণি জনায়।

* পৰম্পৰাগত চীনা চিকিৎসা পদ্ধতি সম্পৰ্কীয় চাংহাই মহাবিদ্যালয়ে বৃদ্ধসকলৰ বাবে এবিধ বাৰ্ধক্য-বিৰোধী (anti-ageing) নতুন ঔষধ উদ্ভাৱন কৰিছে। চীনৰ এজন চৰকাৰী বিষয়াৰ মতে যোৱা কিছুদিন ধৰি এই ঔষধটো ব্যৱহাৰ কৰাৰ ফলত তেওঁৰ পকি একেবাৰে বগা হৈ যোৱা চুলিখিনি লাহে লাহে ক'লা হ'বলৈ আৰম্ভ কৰিছে। নিদ্ৰাহীনতা, ভোক নোহোৱা আদি বৃদ্ধাৱস্থাৰ বিভিন্ন ৰোগতো ঔষধটোৱে বিশেষ কাম দিয়ে বুলি দাবী কৰা হৈছে।

* ছোভিয়েট ডাক্তৰসকলৰ যোগ্যতা এতিয়াৰপৰা তেওঁলোকে কিমান ৰোগী চালে তাৰ ভিত্তিত বিচাৰ কৰাৰ সলনি, তেওঁলোকৰ ৰোগ চিনাক্তকৰণৰ ক্ষমতা, তেওঁলোকৰ হাতত মৃত্যু হোৱা লোকৰ সংখ্যা কিমান হ্ৰাস পাইছে— আদিৰ ভিত্তিত বিচাৰ কৰা হ'ব।

এই কথা ঘোষণা কৰি সেই দেশৰ জনস্বাস্থ্য মন্ত্ৰী ড° য়েভজেনি ছেজভে কয় যে ভাল কাম দেখুওৱা ডাক্তৰসকলে তেওঁলোকৰ দৰমহাৰ শতকৰা ৩০ ভাগ বনাছ হিচাপে পাব। অলপতে তেওঁলোকৰ দৰমহাও দুগুণ কৰা হয়।





# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

ই-কংগ্ৰেছৰ ভিতৰত চলা গোলমালবোৰ অলপতে হৈ যোৱা ক্ষুদ্ৰ-নিৰ্বাচনটোৰ আগৰ সময়ছোৱাতকৈ এতিয়া অধিক স্পষ্ট হৈ উঠিছে। ইতিমধ্যে ৰাষ্ট্ৰপতিৰ কাৰ্যালয়-সম্পৰ্কীয় বিতৰ্ক আৰু (বিত্ত মন্ত্ৰী হিচাপে ভি· পি· সিঙে পোহৰলৈ আনিবলৈ চেষ্টা কৰা) এজন চলচিত্ৰ-তাৰকাৰ ভায়েক আৰু আন কেইজনমানৰ বিদেশত থকা সম্পত্তি সম্পৰ্কীয় কেলেংকাৰী দলটোৰ বাবে পীড়াদায়ক হৈ উঠিছে। পশ্চিম বংগ আৰু কেৰালা এই দুয়োখন ৰাজ্যতে ৰাজীৱ গান্ধীয়ে দেখুওৱা বেয়া ফলে উক্ত বিষয় দুটাত তেওঁৰ ভূমিকা সম্পৰ্কে উত্থাপিত প্ৰশ্ন তীব্ৰতৰ কৰি তুলিছে।

ৰাজীৱ গান্ধীয়ে দলৰ মনোভাৱ উপলব্ধি কৰিছে। ৰাজ্য দুখনত প্ৰচাৰ অভিযানত তেওঁ ভালেমান দিন খৰচ কৰিলে। তেওঁৰ ধাৰণা আছিল যে যদিহে কেৰালাখন নিজৰ হাতত ৰাখিব পাৰে, আৰু পশ্চিম বংগত ই-কংগ্ৰেছৰ অৱস্থা উন্নত কৰিব পাৰে, তেতিয়া হলে ৰাষ্ট্ৰপতি আৰু ভি, পি· সিঙৰ ঘটনাটো সম্পৰ্কত তেওঁৰ বিৰুদ্ধে উঠা বুবু-বাবা মাৰ যাব। কিন্তু নিৰ্বাচনী ফলাফলে বিপৰীত ফলহে দিলে। দলৰ ভিতৰত সন্দেহৰ ভাব বৃদ্ধি পালে। বিপৰ্যয় নিবিচৰা কংগ্ৰেছী লোকসকলে ১৯৯০ চনৰ নিৰ্বাচনত তেওঁলোকক বিজয়ী কৰাবলৈ ৰাজীৱ গান্ধীয়েই উপযুক্ত লোক হ'বনে, সেই বিষয়েও সন্দেহ প্ৰকাশ কৰিবলৈ লৈছে।

পশ্চিম বংগত ই-কংগ্ৰেছৰ বিপৰ্যয় সম্পৰ্কত ৰাজীৱ গান্ধীলৈ আইন মন্ত্ৰী অশোক সেনে লিখা চিঠিখনত দলটোৰনো বেমাৰটো কি,— তাকে আঙুলিয়াই দিয়া হৈছে। তেওঁ হেনো কৈছে— কংগ্ৰেছৰ প্ৰবীণ আৰু স্বীকৃত নেতাসকলৰ কথা বৰ বেছিকৈ কোৱা হ'ল; ফলত অযোগ্য যুৱকসকলৰো এনে একোটা ধাৰণা মনত সোমাল— তেওঁলোকে যেন বিধান চন্দ্ৰ ৰায়ৰ পৰ্যায়হে পালেগৈ! নবীন আৰু প্ৰবীণ বিভক্ত হৈ থাকিলে দলটো বেছি আগবাঢ়িব নোৱাৰে। অশোক সেনে আৰু কৈছে যে প্ৰধানমন্ত্ৰীয়ে

**ৰাজীৱে কেতিয়াবা শিক্ষা লবনে?**

জ্যোতি বসুৰ সমালোচনা কৰোঁতে কিছুমান শব্দ ব্যৱহাৰ কৰাটো অনুচিত কাম হৈছিল। তেওঁ তেনে কৰাৰ ফলত তেওঁলোকে বহুত ভোট হেৰুৱালে।

পশ্চিম বংগত ই-কংগ্ৰেছৰ শক্তি বৃদ্ধি কৰিবলৈ (আগৰ বিধান সভাত এই দলৰ ৫৫ জন সদস্য আছিল) ৰাজীৱ গান্ধীয়ে নিৰ্বাচনৰ শেষৰ দিন কেইটাৰ শক্তি সেই ৰাজ্যতে কেন্দ্ৰীভূত কৰাৰ কাৰ্যকৌশল অৱলম্বন কৰিছিল। তাত ই-কংগ্ৰেছৰ শক্তি বৃদ্ধি কৰিব পৰা হলেই তেওঁ দলক আঙুলিয়াই দিলেহেঁতেন যে— যি পশ্চিম বংগত দীৰ্ঘদিন ধৰি দলটো দিগভ্ৰান্ত হৈ আছে, সেই পশ্চিম বংগতো তেওঁৰ কথাই কাম কৰে। এইদৰেই তেওঁ কেৰালাত হোৱা ক্ষতি পূৰণ কৰিলেহেঁতেন। কিন্তু তেওঁ শোচনীয়ভাৱে ব্যৰ্থ হ'ল; —পশ্চিম বংগত ই-কংগ্ৰেছে পালে মাত্ৰ ৪০ খন আসন।

সাধাৰণতে, ৰাজীৱ গান্ধীৰ দৰে ইমান বেয়াকৈ পৰাজিত হোৱা অইন-এজন লোকে আত্ম বিশ্লেষণ কৰিলেহেঁতেন। কিন্তু তেওঁ হেনো "যুঁজাৰ মনোভাৱ" লৈয়েই আছে। তেওঁ তেওঁৰ সমালোচক আৰু প্ৰবীণ সদস্যসকলক আঁতৰাই দলটো পুনৰ সংগঠিত কৰাৰ কথা কৈ আছে। উৰিষ্যা আৰু বিহাৰৰ মুখ্যমন্ত্ৰীসকলক এমাহমানৰ ভিতৰতে সলনি কৰা হ'ব পাৰে। প্ৰকৃততে তেওঁৰ আঁচনি আছিল— বিশ্বাসী সমৰ্থক আৰু আমোলাৰপৰা ৰাজনীতিবিদ হোৱাসকলক থিয় কৰাই লোকসভাৰ বাবে মধ্যৱৰ্তীকালীন নিৰ্বাচন পতা। (তেওঁ "কমপিউটাৰ-যুৱকসকল"ৰ লগত এই কথা আলোচনাও কৰে) কেৰালা আৰু পশ্চিম বংগৰ বিপৰ্যয়ে তেওঁৰ আঁচনিখন নকৰিলেও কাৰ্যকৌশল সলনি কৰি দিলে।

ৰাজীৱ গান্ধীয়ে এতিয়াও সোনকালে নিৰ্বাচন পতাটো বিচাৰে। বিদেশত গোটোৱা সম্পত্তি-সম্পৰ্কীয় কেলেংকাৰীটো আন এক ৱাটাৰগেট (ইয়াৰ বাবে ৰাষ্ট্ৰপতি নিক্সন পদত্যাগ কৰিবলৈ বাধ্য হৈছিল) হ'বগৈ পাৰে বুলি তেওঁ ভয় খাইছে; আৰু দেশৰ সৰ্বোচ্চ পদটোৰ প্ৰতি অসন্মান প্ৰদৰ্শন কৰাৰ উদাহৰণসমূহ সন্নিবিষ্ট কৰি ৰাষ্ট্ৰপতিয়ে তেওঁলৈ লিখা চিঠিখনৰ সম্ভাব্য ফলেও তেওঁক অশান্তি দিয়াৰ সম্ভাৱনা আছে। মধ্যৱৰ্তীকালীন নিৰ্বাচনেই এনে ধৰণৰ হতবুদ্ধিত পেলোৱা বিষয় সমূহৰপৰা জনসাধাৰণৰ মন অইনফালে ঘূৰোৱাৰ একমাত্ৰ উপায় বুলি হেনো ৰাজীৱ গান্ধীয়ে ভাবে।

কিন্তু নিৰ্বাচনৰ আগৰ সময়খিনিত তেওঁৰ বাহিৰে বেলেগ এজনক ৰাষ্ট্ৰপতিয়ে সাময়িক প্ৰধান মন্ত্ৰীৰূপে মনোনীত কৰিব পাৰে বুলি সোমোৱা ভায়েই হেনো ৰাজীৱ গান্ধীক এনে ব্যৱস্থা গ্ৰহণৰপৰা বিৰত ৰাখিছে। প্ৰধান মন্ত্ৰীৰ ফালৰ কোনো কোনোৱে সঞ্জীৱ ৰেড্ডি ৰাষ্ট্ৰপতি হৈ থাকোতে



OKDISCD

সংসদত সংখ্যাগৰিষ্ঠতা প্ৰতিপন্ন কৰাৰ উপায় নথকা সত্ত্বেও চৰণ সিঙক তত্ত্বাৱধায়ক প্ৰধান মন্ত্ৰী পতাৰ উদাহৰণ দাঙি ধৰিছে।

ৰাজীৱ গান্ধীয়ে বিবাদৰ পথ অৱলম্বন নকৰি নিজৰ ভুলবোৰ গভীৰভাৱে পৰ্যালোচনা কৰি সেইবোৰ সংশোধন কৰিবলৈ প্ৰচেষ্টা চলোৱাটো সকলোৱে বিচাৰে। এইবাৰ ই-কংগ্ৰেছ পৰাজিত হোৱা কেৰালা আৰু পশ্চিম বংগৰ প্ৰায়বোৰ সমষ্টিতে ১৯৮৫ চনৰ লোকসভাৰ নিৰ্বাচনত তেওঁ জয়লাভ কৰিছিল। সংখ্যালঘুসকলে তেতিয়া তেওঁৰ পিছত এক গোট হৈ থিয় দিছিল। ছবছৰৰ ভিতৰতে গোটেই দৃশ্যটোৰেই সলনি হৈ গ'ল। তেওঁৰ জনপ্ৰিয়তা হ্ৰাস পালে। তেওঁৰ প্ৰশাসনো দুৰ্নীতি আৰু বিশৃংখলাৰ মাজত জুকলা হৈ পৰিল।

ৰাজীৱ গান্ধী যে আৰু ভোট গোটোৱা লোক হৈ থকা নাই সেইকথা স্পষ্ট হৈ উঠিছে। ইয়াৰফলত দলৰ ভিতৰতো তেওঁৰ বিপদ বৃদ্ধি পাব। যোৱা এবছৰ ধৰি আহৰণ কৰা "কোনো চিন্তা নাই" —মনোভাব বৰ্তমানৰ বিপৰ্যয়টোৰ পাছত তেওঁ পৰিত্যাগ কৰিছে। কিন্তু এই কামে তেওঁৰ অথবা দলৰ অৱনমিত হোৱা ভাবমূৰ্তি সলনি নকৰে। তেওঁ একো গ্ৰহণ নকৰা যেনেই লাগে; কাৰণ পৰাজয়ৰ পাছতো তেওঁ একেধৰণৰ পুৰণি শ্লোগানটোকে আওৱাই আছে: "ৰাষ্ট্ৰ বিৰোধী শক্তিসমূহে দেশখন অস্থিৰ কৰি তুলিবলৈ চেষ্টা কৰি আছে। এই শক্তিসমূহে অনৈক্য আৰু বিচ্ছিন্নতাৰ ভাব জগাবলৈ সকলো ধৰণৰ ঘটনাৰ সুবিধা গ্ৰহণ কৰিছে।"

আচল অৱস্থা হ'ল— ই-কংগ্ৰেছে কেৰালা আৰু পশ্চিম বংগত ভোট আৰু আসন দুয়োটাই হেৰুৱালে। এম. জি. ৰামচন্দ্ৰনৰ নেতৃত্বাধীন তামিলনাডু চৰকাৰে কেৰালাত, আৰু জে. বি. পাটনায়কৰ নেতৃত্বাধীন উৰিষ্যা চৰকাৰে পশ্চিম বংগত দলটোক জিপ আৰু টকা-পইচাৰে সহায় কৰা সত্ত্বেও ফলাফল এনেকুৱাই হ'ল। কেন্দ্ৰীয় মন্ত্ৰী গণিখান চৌধুৰীৰ শক্তিশালী ঘাটি মালদহ জিলাত দলৰ শোচনীয় পৰাজয়ে ৰাজ্যিক ই-কংগ্ৰেছৰ প্ৰধান প্ৰিয়ৰঞ্জন দাসমুন্সি আৰু মন্ত্ৰীজনৰ মত পাৰ্থক্য কিমান বেছি তাকে সূচায়; কিন্তু সেইবুলি ই-কংগ্ৰেছৰ ভিতৰত চলা বিসম্বাদেই আটাইবোৰ বিপৰ্যয়ৰ কাৰণ বুলি ভাবি লাভ নাই।

কেৰালা আৰু পশ্চিম বংগ উভয়ে দেখুৱাই দিলে যে একেবাৰে তলৰ পৰ্যায়ৰপৰা কাম কৰা আৰু জনসাধাৰণৰ দুখ-দুৰ্দশা কিছুপৰিমাণে মোচন কৰিবলৈ চেষ্টা কৰা ছি. পি. আই. এমে জয়লাভ কৰিলে। আন ভাষাত কবলৈ গলে, ই-কংগ্ৰেছৰ শক্তি কেৱল কগজে-কলমেহে আছে। নিঃসন্দেহে ই এটা ওপৰ-শ্ৰেণীৰ লোকৰহে দল। এই ক্ষেত্ৰত এন. টি. ৰামাৰাওৰ মন্তব্যৰ কিছু যুক্তি আছে। মই অলপতে হায়দৰাবাদত এন. টি. আৰক চহৰসমূহৰ পৌৰ নিৰ্বাচনত ই-কংগ্ৰেছে ভাল ফল দেখুউৱাৰ কাৰণ সোধাত তেওঁ কলে যে তেওঁৰ দলটো দৰিদ্ৰলোকসকলৰ বাবেহে। গতিকে এইদলে গাঁও অঞ্চলত ভাল ফল দেখুৱালে। আনহাতে সমৃদ্ধিশালীলোকৰ দল হিচাপে ই-কংগ্ৰেছে চহৰসমূহত ভাল ফল দেখুৱালে।

ক্ষুদ্ৰ নিৰ্বাচনটোৱে ৰাজীৱ গান্ধীলৈ অনা আন এটা শিকনি হ'ল— নীতি বিসৰ্জন দি কাম কৰি গলে শেষ পৰ্যন্ত সুফল পোৱা নাযায়। ই-কংগ্ৰেছে কেৱল শ্লোগানেৰেহে সাম্প্ৰদায়িকতাবাদৰ নিন্দা কৰিছে; কেৰালাত এই দলে মুছলিম লিগৰ সৈতে মিত্ৰতা কৰাৰ ফল ভুগিব লগা হৈছে। ৰাজীৱ গান্ধীয়ে জম্মু আৰু কাশ্মীৰত নেশ্যনেল কনফাৰেন্স আৰু ই-কংগ্ৰেছ মিত্ৰগোষ্ঠীৰ কৃতকাৰ্যতাক ধৰ্ম নিৰপেক্ষ শক্তিসমূহৰেই জয় বুলি কৈছে। এই ক্ষেত্ৰত তেওঁ হয়তো ঠিকেই কৈছে। কিন্তু এই মিত্ৰতা ক্ষমতাৰ ভাগ লোৱাৰ উদ্দেশ্য নেশ্যনেল কনফাৰেন্সৰ সৈতে জোৰকৈ কৰা এক ৰাজনৈতিক মিত্ৰতাহে আছিল।

জি. এম. শ্বাহৰ শাসন কালত যেতিয়া মুছলিম মৌলবাদে খোপনি পুতিবলৈ লৈছিল, সেই সময়ত ফাৰুক আব্দুল্লাক যে ক্ষমতাৰপৰা আঁতৰাই ৰখা হৈছিল সেই কথা পাহৰিলে নহ'ব। এওঁক (জি. এম. শ্বাহক) শ্ৰীমতী ইন্দিৰা গান্ধীয়েই কাশ্মীৰৰ ওপৰত জাপি দিছিল। ক্ষমতালৈ অহাৰ পাছত ৰাজীৱ গান্ধীয়েও তেওঁক ভালেমান দিনলৈ কাৰ্যভাৰ চলাই যাবলৈ দিছিল। নিৰ্বাচনৰ ফলাফলসমূহে দেখুৱাই দিলে যে উপত্যকাটোত মুছলিম মৌলবাদ বিয়পি পৰিছে। ইয়াৰ প্ৰমাণ হ'ল,— কৃতকাৰ্য হোৱা প্ৰাৰ্থীসকলে পোৱা ভোটৰ পৰিমাণ হ্ৰাস পাইছে। যদিহে ফাৰুকক আকৌ জোকাই লোৱা হয়, আৰু ধৰ্মনিৰপেক্ষ আৰু অৰ্থনৈতিক ভেটি সুদৃঢ় কৰিবলৈ দিয়া নহয়, তেন্তে পৰিস্থিতিৰ অধিক অৱনতি ঘটিব পাৰে।

ফাৰুকৰ দৰে ছি. পি. আই. এমেও, বিশেষকৈ কেৰালাত, দেখুৱাই দিলে যে সেই দলে মুকলিভাৱে গ্ৰহণ কৰা ধৰ্মনিৰপেক্ষতাৰ নীতিৰ প্ৰতি জনসাধাৰণৰ ব্যাপক সমৰ্থন আছে। মুছলিম লিগ ২৫ বছৰ কাল সংযুক্ত চৰকাৰৰ সহযোগী হিচাপে থকাৰ পাছত ক্ষমতাচ্যুত হ'ল। ই-কংগ্ৰেছে এতিয়াও যদি এই দলক সমৰ্থন কৰি থাকে (বাতৰি পোৱা মতে ছি. পি. আই. এমক খুঁচিবৰ বাবে ই-কংগ্ৰেছে মুছলিম লিগক ব্যৱহাৰ কৰিব পাৰে), তেন্তে নিৰ্বাচনত পৰাজিত হোৱাৰপৰা লাভ কৰা সমগ্ৰ শিক্ষাখিনিয়েই হেৰাই যাব। এসময়ত পঞ্জাবত আকালিসকলৰ বিৰুদ্ধে যুঁজাৰ অৰ্থে জাৰ্নাইল সিং ভিন্দ্ৰেনৱালেক গঢ়ি তোলাৰ বাবে সঞ্জয় গান্ধী যিদৰে দায়ী, কেৰালাত সেই একেটা ভুল কৰা বাবে ৰাজীৱ গান্ধীও সেইদৰেই দায়ী হ'ব।

২১ পৃষ্ঠাত চাওক





# আফগানিস্থানত এভুমুকি
## ওভতনি যাত্ৰাৰ প্ৰস্তুতি

ডঃ সুনীল পৱন বৰুৱা

প্ৰচণ্ড শীত আৰু তুষাৰপাতৰ পাছত আফগানিস্থানত এতিয়া বৰফ গলিবলৈ আৰম্ভ কৰিছে। কিন্তু ইতিমধ্যে পাৰ হৈ যোৱা আন কেইবাটাও বছৰৰ দৰে এইটো নতুন বছৰেও প্ৰায় সাত বছৰীয়া আফগান সমস্যাৰ সমাধানৰ বাবে কোনো ধৰণৰ আশাৰ ইংগিত বহন কৰা নাই। প্ৰায় এশ বছৰৰ পূৰ্বে ৰুছ ত্ৰাসৰ হাত সাৰিবৰ বাবে ভাৰত বৃটিছ চৰকাৰে আফগানিস্থানৰ অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰিবলৈ চেষ্টা কৰি যি অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছিল, বৰ্তমান ছোভিয়েট ইউনিয়নৰ বাবেও তেনে এক অস্বস্তিকৰ পৰিবেশৰ সৃষ্টি হৈছে। প্ৰেছিডেণ্ট বাবৰেক কাৰমেলৰ নেতৃত্বত স্থাপিত আফগান লোকতান্ত্ৰিক গণৰাজ্য চৰকাৰক ৰক্ষণাবেক্ষণ দিবৰ বাবে ১৯৮০ চনত আফগানিস্থানত ছোভিয়েট সৈন্য বাহিনীৰ অনুপ্ৰবেশৰ সঁচাকৈয়ে কিবা প্ৰয়োজন আছিলনে? আফগানিস্থানৰ শেহতীয়া ৰাজনৈতিক পৰিস্থিতিত ঠিক একেধৰণৰ প্ৰশ্নই পুনৰ ভুমুকি মাৰিছে।

যোৱা সাত বছৰে আফগানিস্থানত চলি থকা গৃহযুদ্ধৰ সৰ্বশেষ পৰিস্থিতি হল চৰকাৰী আফগান সৈন্য বাহিনী আৰু দখলকাৰী ছোভিয়েট বাহিনীয়ে চলিত বছৰৰ ১৫ জানুৱাৰীৰ পৰা প্ৰযোজ্য হোৱাকৈ বৰ্তমান চৰকাৰৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামত লিপ্ত সোঁপন্থী আফগান গেৰিলা অথবা মুজাহিদিনসকলৰ লগত একপক্ষীয়ভাৱে যুদ্ধবিৰতি ঘোষণা কৰিছে। আফগান চৰকাৰৰ দ্বাৰা একে সময়তে কৰা আনবোৰ ঘোষণা হ'ল— আফগানিস্থান লোকতান্ত্ৰিক গণৰাজ্যত ইছলাম হ'ব ৰাষ্ট্ৰীয় ধৰ্ম আৰু সাধাৰণভাৱে সকলো বিদ্ৰোহীকে ক্ষমা দান কৰা হব। প্ৰতিৰোধ সংগ্ৰামৰ নেতাসকলক আপোচৰ বাবে আহবান জনাই এই বুলিও কোৱা হৈছে যে তেওঁলোকক জাতীয় ঐক্য ভিত্তিত প্ৰতিষ্ঠিত নতুন চৰকাৰখনত যোগদান দিবলৈ অনুমতি দিয়া হ'ব পাৰে।

এই প্ৰস্তাৱসমূহৰ প্ৰতি মুজাহিদিনসকলে অনুকূল সঁহাৰি জনালে অদূৰ ভৱিষ্যতে ছোভিয়েট সৈন্য বাহিনীয়ে আফগানিস্থান ত্যাগ কৰাৰ কথা বিবেচিত হ'ব পাৰে। অৱশ্যে যোৱা বছৰৰ শেহৰ ফালে ছোভিয়েট বাহিনীৰ ছটা ডিভিজনে কোনো চৰ্ত নোহোৱাকৈ আফগানিস্থান ত্যাগ কৰিব বুলি ঘোষণা কৰিছিল। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে পাকিস্তানৰ প্ৰেছিডেণ্ট জিয়া-উল হকে দাবী কৰা মতে যোৱা ছবছৰে আফগানিস্থানত সন্মুখীন হোৱা ছোভিয়েট ক্ষয়-ক্ষতিৰ পৰিমাণ মাৰ্কিন চৰকাৰে ভিয়েটনাম যুদ্ধত হেৰুৱাব লগা ধন-জনৰ পৰিমাণতকৈ চাৰি গুণ বেছি। কোৱা বাহুল্য যে আফগান বিপ্লৱী চৰকাৰৰ নৱনিযুক্ত নেতা নজিবুল্লাৰ আমোলত এই নতুন প্ৰস্তাৱসমূহ আগবঢ়োৱা হৈছে। যোৱা ছবছৰে আফগানিস্থানৰ গণ-বিপ্লৱক ইছলামী ৰূপ দিবলৈ ব্যৰ্থ হোৱা আফগান লোক গণতান্ত্ৰিক দলৰ নেতা প্ৰেছিডেণ্ট কাৰমেলে ছোভিয়েট নেতা মি. গৰবাচেভৰ মধ্যস্থতাত স্বাস্থ্যজনিত কাৰণত (?) পদত্যাগ কৰাত নতুন বছৰৰ পৰা নজিবুল্লাক দল আৰু চৰকাৰৰ নেতৃত্ব প্ৰদান কৰা হয়। কাৰমেলৰ অসুবিধা হৈছিল— সকলোৱে তেওঁক ছোভিয়েট দখলকাৰী বাহিনীৰ দ্বাৰা প্ৰতিষ্ঠিত এজন নেতা ৰূপে গণ্য কৰিছিল।

**ছবছৰে আফগানিস্থানত সন্মুখীন হোৱা ছোভিয়েট ক্ষয়-ক্ষতিৰ পৰিমাণ মাৰ্কিন চৰকাৰে ভিয়েটনাম যুদ্ধত হেৰুৱাব লগা ধন-জনৰ পৰিমাণতকৈ চাৰি গুণ বেছি।**

নতুন সংবিধানে প্ৰদান কৰা ধৰ্মীয় স্বাধীনতাৰ ফলস্বৰূপে কাৰমেলৰ আমোলত ভাৰতবৰ্ষৰ নিচিনাকৈ ইছলাম ধৰ্মাৱলম্বী আফগানিস্থানো এক ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছিল। নতুন নেতা নজিবুল্লাই ৰাষ্ট্ৰীয় গণতান্ত্ৰিক সন্মিলিত মৰ্চাত ইছলামক এক অংশীদাৰ ৰূপে গ্ৰহণ কৰিবলৈ বিচাৰিছে। তেওঁ ঘোষণা কৰিছে যে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সকলো দেশ প্ৰেমিক শক্তিক সামৰি লোৱা আমাৰ সংগ্ৰাম হৈছে এক ৰাষ্ট্ৰীয় গণতান্ত্ৰিক বিপ্লৱ। পবিত্ৰ ইছলাম ধৰ্ম আমাৰ জনসাধাৰণৰ নৈতিক আৰু ধৰ্মীয় বিশ্বাসৰ এক অংশৰূপে পৰিগণিত হৈছে। ৰাষ্ট্ৰীয় গণতান্ত্ৰিক ৰাষ্ট্ৰ এখন ইছলামীয় ৰাষ্ট্ৰ হিচাপে কিয় ঘোষণা কৰিব নোৱাৰি তাৰ তেওঁ কোনো যুক্তি বিচাৰি পোৱা নাই। এক সমৃদ্ধিশালী সুস্থিৰ আফগানিস্থান গঢ়ি তোলাৰ স্বাৰ্থত মুজাহিদিন নেতাসকলেও এই প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিব পাৰে। এইবিলাক নতুন কথা, যোৱা ছবছৰে আফগানিস্থানত কোনেও শুনা নাছিল বুলিলেই হয়।

কেনে পৰিস্থিতিত আফগানিস্থানত ছোভিয়েট সৈন্য বাহিনীৰ প্ৰৱেশৰ বাট মুকলি হ'ল? ১৯৭৮ চনৰ এপ্ৰিল মাহত নুৰ মহম্মদ টাৰাকি আৰু হাফিজুল্লা আমিনে যেতিয়া এক ৰক্তপাতহীন অভ্যুত্থানৰ জৰিয়তে আফগানিস্থানত প্ৰেছিডেণ্ট ডাউড খানৰ (১৯৭৩-৭৮) পাঁচ বছৰীয়া চৰকাৰৰ ওফৰাই "পিপলছ ডেমক্ৰেটিক ৰিপাবলিক" স্থাপন কৰে, তেতিয়া আন বহুতৰ দৰে মস্কোৱেও হেনো বিশ্বাস কৰিব পৰা নাছিল যে আফগান হাফি-

জুল্লা আমিনে গোপনে আফগান সৈন্য বাহিনীৰ একাংশ বিষয়াৰ মাজত মাক্সবাদী সংগঠন গঢ়ি তোলাত সমৰ্থ হ'ব পাৰে। কিন্তু বাওঁপন্থী চৰকাৰ এটা প্ৰতিষ্ঠাত সহায় কৰিলেও মাক্স-বাদী বিষয়াসকল চৰকাৰ গঠনৰপৰা আঁতৰি থাকিল। নতুনকৈ স্বাধীনতা লাভ কৰা তৃতীয় বিশ্বৰ দেশসমূহত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক ৰাষ্ট্ৰ গঠনত আগভাগ লোৱা এনে বিপ্লৱ মাক্সবাদী-লেনিন-বাদী সূত্ৰ মতে, ছোভিয়েট ইউনিয়নৰ দৃষ্টিত, সাম্ৰাজ্যবাদ বিৰোধী শক্তি-সমূহৰ এক সন্মিলিত মৰ্চা। কমিউনিষ্ট সকলে ইয়াৰ নেতৃত্ব নললেও চলিব। কিন্তু এনে সন্মিলিত মৰ্চাত কমিউনিষ্ট-সকলে প্ৰধান ভূমিকা লব লাগিব। কিন্তু সৰ্বহাৰাৰ বিপ্লৱৰূপে আখ্যা দিয়া এই বিপ্লৱে আফগানিস্থানত পোনপটীয়াভাৱে সমাজবাদী চৰিত্ৰ গ্ৰহণ কৰে। আফগানিস্থান হৈছে এখন পৰম্পৰাগত ইছলামী ৰাষ্ট্ৰ। দেশখনৰ সামাজিক গাঁথনিয়ে জন-জাতীয় সমাজ ব্যৱস্থাৰ আহিত গঢ় লৈ উঠিছে। তাৰ উপৰি আফগান কমিউনিষ্ট দল হৈছে চহৰ অঞ্চলৰ শিক্ষিত মধ্যবিত্ত ডেকা-গাভৰুক সামৰি লোৱা এটা সীমিত পৰিধিৰ ৰাজ-নৈতিক সংগঠন। ৰাষ্ট্ৰীয় মুক্তি আন্দো-লন এটা গঢ়ি তুলিবৰ বাবে সমাজৰ একেবাৰে নিম্ন শ্ৰেণীৰ লগত ইয়াৰ বিশেষ কোনো যোগাযোগ নাই। ফলস্বৰূপে এই বিপ্লৱৰ বিৰুদ্ধে থিয় দিয়া "ইছলামীয় ঐক্য চুক্তিৰ" নামত গঢ় লৈ উঠা প্ৰতিৰোধ সংগ্ৰামে মুকলি বিদ্ৰোহৰ ৰূপ লৈ সংঘৰ্ষৰ পাতনি মেলিলে। পাছলৈ এই প্ৰতি-ৰোধ সংগ্ৰামে আন্তঃৰাষ্ট্ৰীয় পৃষ্ঠপোষ-কতা লাভ কৰি দীঘলীয়া গেৰিলা যুদ্ধলৈ ৰূপান্তৰিত হ'ল। এই কথা প্ৰণিধান যোগ্য যে ৰাষ্ট্ৰীয় গণতন্ত্ৰ স্থাপনৰ মাজতে আবদ্ধ নাথাকি আফ-গান বিপ্লৱলৈ পূৰ্ণ সমৰ্থন আগবঢ়াই ছোভিয়েট ইউনিয়নে যে ভুল কৰিলে, সেই কথা এতিয়া পাকে-প্ৰকাৰে স্বীকাৰ কৰিবলৈ মস্কো বাধ্য হৈছে। ক্ৰিয়নো, ১৯৮০ চনত হাফিজুল্লা আমিনক পদচ্যুত কৰি ক্ৰেমলিনৰ অধিক বিশ্বাসী বুলি গণ্য কৰা বাবৰেক কাৰমেলক প্ৰতিষ্ঠা কৰিবলৈ প্ৰায় এক লাখ ৰুছ সৈন্যই আফগানিস্থানত প্ৰবেশ কৰা সিদ্ধান্তটো কিমানদূৰ শুদ্ধ আছিল এতিয়া সেই সম্পৰ্কত কিছু বাদানুবাদ চলিছে। সেইদিন ধৰি ছোভিয়েট নেতা মিখাইল গৰবাচেভৰ ভাষাত মস্কোৰ বাবে আফগানিস্থান হৈছে এক "তেজ নিগৰি থকা ক্ষত"। বিশ্ব শান্তিৰ বাবে নতুন আঁচনি লোৱা বৰ্তমানৰ ছোভিয়েট নেতৃবৃন্দৰ কাৰণে এই ক্ষতে সদায়েই প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি থাকিব। উল্লেখযোগ্য যে তৃতীয় বিশ্বত সংঘটিত আন আন বাওঁপন্থী বিপ্লৱসমূহৰ লগত আফগান বিপ্লৱৰ ভালেমান চাৰিত্ৰিক অমিল আছে। সম্পূৰ্ণ নিজা অস্ত্ৰ-শস্ত্ৰ আৰু ৰচদ-পাতিৰে যোৱা ছটা বছৰে ছোভিয়েট ইউনিয়নে এনে এটা চৰকাৰক ৰক্ষণাবেক্ষণ দি আহিছে যিটোৱে কোনো ঔপনিবেশিক শক্তি অথবা ঔপনিবেশিক শক্তিয়ে এৰি যোৱা কোনোধৰণৰ প্ৰতিক্ৰিয়াশীল, অজনপ্ৰিয় চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰা নাই। প্ৰথমবাৰৰ বাবে এটা মাক্সবাদী দলে শাসন চলোৱা ইছলাম ৰাষ্ট্ৰ দক্ষিণ য়েমেনৰ ৰাজনীতিৰ লগতো আফগানিস্থানৰ কোনো মিল নাই। আফগান-বিপ্লৱৰ পূৰ্বৰ চৰকাৰকো ৰুছ-বিৰোধী অথবা মাৰ্কিন সমৰ্থক বুলিব নোৱাৰি। বৰং প্ৰেছিডেণ্ট ডাউড খানৰ চৰকাৰে গোষ্ঠী-নিৰপেক্ষ নীতিতহে বিশ্বাস কৰিছিল। এনে পটভূমিত,—আফগান চৰকাৰৰ আমন্ত্ৰণত ছোভিয়েট সৈন্যই আফগানিস্থানত প্ৰবেশ কৰিছে আৰু যেতিয়াই তেওঁলোকক আঁতৰি যাবলৈ ক'ব তেতিয়াই তেওঁলোক আতৰি যাব,—ইমান দিনে প্ৰদৰ্শন কৰি অহা এই যুক্তিত মস্কো অবিচল হৈ থাকিব পৰা নাই। সম্প্ৰতি ছোভিয়েট নেতা মি. গৰবাচেভে হেনো তেওঁৰ ক্ৰেম-লিনৰ সতীৰ্থসকলক এই কথাত পতিয়ন নিয়াবলৈ চেষ্টা কৰিছে যে ছোভিয়েট বৈদেশিক নীতিত গুৰুত্বপূৰ্ণ মধ্য এছিয়াৰ সীমান্ত সুৰক্ষাৰ স্বাৰ্থত এখন কমিউনিষ্ট আফগানিস্থানৰ প্ৰয়োজন নাই। প্ৰকাশিত বাতৰিমতে আফগান সমস্যা সমাধানৰ বাবে ছোভিয়েট ইউনিয়নে সাধাৰণভাৱে তিনিটা সিদ্ধান্তত উপনীত হৈছে। প্ৰথম সিদ্ধান্ত মতে যিমানদূৰ সম্ভৱ সোনকালে আফগানিস্থানৰ পৰা ছোভিয়েট বাহিনী আঁতৰাব লাগে। দ্বিতীয়তে, ছোভিয়েট বাহিনী আঁতৰি আহিলেও যাতে আফগানিস্থানত লোক-গণতান্ত্ৰিক দলৰ (D. P. P. A.) প্ৰশাসন চলি থাকিব পাৰে সেইমতে বিপ্লৱী প্ৰশাসনক গঢ়ি তুলিব লাগে। তৃতীয়তে, কাবুলত চলি থকা বৰ্তমান চৰকাৰ তিষ্ঠি থাকিব পৰাকৈ ছোভিয়েট ইউনিয়নে সম্ভৱপৰ সকলোধৰণৰ কূটনৈতিক তথা ৰাজনৈতিক সাহায্য আগবঢ়াব। কিন্তু আফগান গৃহযুদ্ধক সম্পূৰ্ণ নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰি সুতে-মূলে আদায় কৰা পাকিস্থানৰ নিচিনা চুবুৰীয়া ৰাষ্ট্ৰ, অথবা মস্কোক বিব্ৰত কৰিবলৈ সুবিধা বিচাৰি ফুৰা মাৰ্কিন যুক্তৰাজ্যৰ নিচিনা পশ্চিমীয়া ৰাষ্ট্ৰসমূহে এইক্ষেত্ৰত সহযোগিতা আগবঢ়াবনে? নিজৰ লক্ষ্য সম্বন্ধে মুজাহিদিনৰ স্পষ্ট ধাৰণা আছেনে? অদূৰ ভৱিষ্যতে আফগান সমস্যা সমাধানত এনেবোৰ প্ৰসংগইহে অধিক গুৰুত্ব লাভ কৰিব।

নৱীন কবি
ৰমেন্দ্ৰ নাৰায়ণ জোৱাদ্দাৰৰ
কবিতা আৰু স্কেচৰ সংকলন
বৰষা
মূল্য : চাৰি টকা
সকলো কিতাপৰ দোকানত পাব।
MASSCOM



# মটৰ দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত লোকৰ আইনসংগত প্ৰতিকাৰ

প্ৰভাত চন্দ্ৰ বৰপূজাৰী

বিশ্বৰ সকলো ঠাইতে সময়ে সময়ে নানা ধৰণৰ আকস্মিক দুৰ্ঘটনা ঘটে আৰু তাৰ ফলত বহুতো মানুহ বিভিন্ন ধৰণে ক্ষতিগ্ৰস্ত হয়। এনে আকস্মিক দুৰ্ঘটনাৰ ভিতৰত বৰ্তমান সময়ত মটৰ দুৰ্ঘটনাও অন্যতম হৈ পৰিছে। বিশেষকৈ আমাৰ দেশত বাট-পথৰ অব্যৱস্থা, মটৰ চালকৰ অসাৱধনাতা আৰু যান-বাহনৰ ক্ৰুটি বিচ্যুতি আদি নানা কাৰণত প্ৰতিদিনেই যথেষ্ট সংখ্যক মটৰ দুৰ্ঘটনা সংঘটিত হয় আৰু এনে দুৰ্ঘটনাত বহুলোক আঘাতপ্ৰাপ্ত হয়, বহুলোকৰ মৃত্যু ঘটে আৰু সা-সম্পত্তিৰো ক্ষতি হয়। এনে দুৰ্ঘটনাৰ কাৰণসমূহ বিশ্লেষণ কৰি চাই বিজ্ঞানসন্মত আৰু আইনসন্মত ব্যৱস্থা গ্ৰহণ কৰিলে নিশ্চয় অভাৱনীয়ভাৱে বৃদ্ধি পোৱা এনে দুৰ্ঘটনাৰ সংখ্যা যথেষ্ট পৰিমাণে হ্ৰাস কৰিব পৰা যাব। অৱশ্যে এই দিশটো আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। মটৰ দুৰ্ঘটনাৰ অন্য এটা গুৰুত্বপূৰ্ণ দিশত আলোকপাত কৰাটোহে এই প্ৰবন্ধৰ উদ্দেশ্য।

অন্যলোকৰ অসাৱধনতাজনিত যি কোনো ধৰণৰ ক্ষতিৰ বাবে ক্ষতিগ্ৰস্ত লোকে ক্ষতিপূৰণ দাবী কৰাৰ অধিকাৰ প্ৰত্যেক নাগৰিককে আইনে দিছে। মটৰ দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত হোৱা লোকৰ ক্ষেত্ৰতো সাধাৰণ আইনৰ এই ব্যৱস্থা প্ৰযোজ্য। আমাৰ দেশত অৱশ্যে এই বিষয়ত মটৰ যান আইন (১৯৩৯) খনত এনে ক্ষতিপূৰণ দাবী আৰু আদায় কৰাৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে। কিন্তু সাধাৰণ ৰাইজৰে আইনৰ বিধি ব্যৱস্থা সম্পৰ্কে স্বাভাৱিক অজ্ঞতা আৰু এই অজ্ঞতাজনিত কাৰণত নিজৰ অধিকাৰৰ প্ৰতি উদাসীনতাৰ বাবে মটৰ দুৰ্ঘটনাত পতিত বা ক্ষতিগ্ৰস্ত দুৰ্ভগীয়া লোকসকলে নিজৰ দাবী সাব্যস্ত নকৰা বা কৰিব নোৱাৰাটো পৰিলক্ষিত হয়।

আমাৰ ৰাষ্ট্ৰ সামাজিক ন্যায়ৰ বাবে ৰাইজৰ ওচৰত দায়বদ্ধ। এই দায়বদ্ধতাৰ অনুভৱৰ ফল স্বৰূপেই মটৰ দুৰ্ঘটনাৰ বলি হোৱা লোকৰ উপযুক্ত ক্ষতিপূৰণ আদায় কৰি দিয়াৰ ব্যৱস্থা চৰকাৰে মটৰ-যান আইনখনত কৰি দিছে। মটৰ-যান ব্যৱহাৰৰপৰা উদ্ভৱ হোৱা দুৰ্ঘটনাত হোৱা মৃত্যু, শাৰীৰিক ক্ষতি অথবা সা-সম্পত্তিৰ ক্ষতিৰ বাবে উত্থাপিত হোৱা দাবীৰ তদন্ত আৰু যথাৰ্থতাৰ ন্যায় নিৰ্ণয় কৰিবৰ বাবে উক্ত আইনৰ ১১০ ধাৰামতে প্ৰত্যেক ৰাজ্য চৰকাৰে প্ৰয়োজন অনুসৰি এখন বা ততোধিক "মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণ" গঠন কৰিব লাগে। এনে ন্যায়াধিকৰণ একোজন বা ততোধিক সদস্যৰে গঠিত হব পাৰে। কেৱল উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বা জিলা ন্যায়াধীশ বা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হোৱাৰ অৰ্হতা-সম্পন্ন ব্যক্তিহে এই ন্যায়াধিকৰণৰ সদস্য হোৱাৰ যোগ্য। এই বিধানমতে প্ৰত্যেক ৰাজ্য চৰকাৰেই নিজ নিজ ৰাজ্যত এনে ন্যায়াধিকৰণ গঠন কৰি দিছে।

অসমতো ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতে একোখনকৈ মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণ গঠন কৰি দিছে। অৱশ্যে এতিয়ালৈকে নবগঠিত নলবাৰী জিলাৰ বাবে বেলেগ ন্যায়াধিকৰণ গঠন কৰা হোৱা নাই; কামৰূপ জিলাৰ বাবে গঠিত ন্যায়াধিকৰণখনেই দুয়োখন জিলাৰ কাম-কাজ চলাই আছে। স্বায়ত্তশাসিত জিলা কেইখন আৰু কামৰূপ জিলাৰ বাহিৰে অন্য জিলা কেইখনত জিলা ন্যায়াধীশজনকেই এই ন্যায়াধিকৰণৰ একমাত্ৰ সদস্য হিচাপে নিয়োগ কৰা হৈছে। স্বায়ত্ত-শাসিত জিলাত উপায়ুক্তসকল আৰু কামৰূপ জিলাত অসম ৰাজ্যিক পৰিবহন আপীল ন্যায়াধিকৰণৰ অধিষ্ঠাতা বিষয়াজনকে মটৰ দুৰ্ঘটনা দাবী ন্যায়াধি-কৰণৰ কাৰ্যভাৰ অৰ্পিত কৰা হৈছে। গতিকে দেখা যায় যে আমাৰ ৰাজ্যৰ বাবে কেৱল মটৰ দুৰ্ঘটনাৰ দাবীৰ বিচাৰ আৰু তদন্ত কৰিবৰ বাবে স্বতন্ত্ৰ বা স্বয়ংসম্পূৰ্ণ ন্যায়াধিকৰণ গঠন কৰা হোৱা নাই। এই ব্যৱস্থাৰ ফলত ৰাজ্য চৰকাৰে আইনৰ দায়-বদ্ধতা পালন কৰিছে যদিও তৎকালীন সামাজিক ন্যায় প্ৰদানৰ ক্ষেত্ৰত যথোচিত অৰিহনা আগবঢ়াব পৰা নাই। উক্ত ন্যায়াধীশসকলৰ নিজস্ব দায়িত্ব আৰু কৰ্তব্যৰ হেঁচা যথেষ্ট হোৱা বাবে মটৰ দুৰ্ঘটনা সম্পৰ্কীয় গোচৰ-সমূহ তৎপৰতাৰে বিচাৰ আৰু নিষ্পত্তি কৰা তেওঁলোকৰ পক্ষে সকলো সময়ত সম্ভৱপৰ নহয়গৈ। ফলস্বৰূপে এনে গোচৰসমূহ নিষ্পত্তি হোৱাত যথেষ্ট বিলম্ব হোৱা পৰিলক্ষিত হয়। সামাজিক ন্যায়ৰ খাতিৰতেই এনে ধৰণৰ গোচৰ অতি ক্ষিপ্ৰতাৰে নিষ্পত্তি কৰি ক্ষতিগ্ৰস্তসকলৰ উপযুক্ত ক্ষতিপূৰণ আদায় কৰি দিয়াৰ ব্যৱস্থা কৰাটো প্ৰয়োজন। কিন্তু দেখা গৈছে যে এনে দাবীৰ গোচৰ বহুক্ষেত্ৰত ১০/১৫ বছৰ পৰ্যন্ত নিষ্পত্তি নহয়গৈ। এনে বিলম্বিত ন্যায়ৰ ফলত বহুক্ষেত্ৰত ক্ষতি-পূৰণৰ ব্যৱস্থাৰ কোনো মূল্যাই নোহোৱা হৈছেগৈ। নাবালক সতি-সন্ততি আৰু উপাৰ্জনহীন স্ত্ৰী এৰি মটৰ দুৰ্ঘটনাত

**দুৰ্ঘটনাৰ বলি হোৱা নাগৰিকে আইনমতে পাবলগা ক্ষতিপূৰণ আদায় কৰিব পৰাৰ সুনিয়ন্ত্ৰিত ব্যৱস্থা চৰকাৰে নিশ্চয় কৰিব পাৰে।**



OKDISCD

আমি বহুতেই নাজানো যে মটৰ দুৰ্ঘটনাত নিহত প্ৰতিজন লোকৰ বাবে পোন্ধৰ হাজাৰকৈ টকাৰ তৎকালীন ক্ষতিপূৰণৰ দাবী কৰিব পৰা যায়। এই প্ৰসংগত অলপতে নগাঁও জিলাৰ বটদ্ৰৱাৰ ওচৰত বাছ দুৰ্ঘটনাত নিহত হোৱা ৰামপুৰ অঞ্চলৰ তীৰ্থযাত্ৰীসকলৰ কথাটো মনলৈ আহে। উক্ত দুৰ্ঘটনাত নিহত লোকৰ সংখ্যা ৫৫ জন। গতিকে ৫৫ জন লোকৰ বাবে আঠ লাখ পঁচিছ হাজাৰ টকাৰ তৎকালীন ক্ষতিপূৰণ আদায় কৰিব পৰা হয়। ৰামপুৰৰ ৰাইজে তীৰ্থযাত্ৰী স্মৃতি-সংৰক্ষণ ন্যাস বা সমিতি নামেৰে এখন ন্যাস গঠন কৰি নিহত লোকসকলৰ নিকট আত্মীয়ৰ পৰা প্ৰতিনিধিত্ব লৈ একেখন আবেদনতে সাধাৰণ ক্ষতিপূৰণৰ লগতে এই তৎকালীন ক্ষতিপূৰণৰ দাবীও কৰিব পাৰে। তৎকালীন সাহায্যৰ এই ৮ লাখ ২৫ হাজাৰ টকাৰে এটা অতি ৰিতোপন আৰু আটকধুনীয়া নামঘৰ সজাৰ ব্যৱস্থা কৰি অথবা এটা সুন্দৰ পথ নিৰ্মাণ কৰি তীৰ্থযাত্ৰী নামঘৰ বা তীৰ্থযাত্ৰী পথ বুলি নামকৰণ কৰিব পাৰি। এনে নামঘৰ বা পথৰ এমুৰত প্ৰতিষ্ঠিত এখন মাৰ্বলৰ ফলকত নিহত তীৰ্থযাত্ৰীসকলৰ নাম লিখি সেই পুণ্যাত্মাসকলৰ স্মৃতি সংৰক্ষণৰ দিহা কৰিব পৰা যায়। ৰামপুৰৰ ৰাইজ আৰু সমাজসেৱী অনুষ্ঠানে এই দায়িত্ব লোৱাটো নিতান্ত কাম্য। এই তৎকালীন সাহায্যৰ উপৰিও তদন্তৰ অন্তত নিহত লোকসকলৰ পৰিয়াল-পৰিজন বা নিকট আত্মীয়সকলে নায্য আৰু যথোচিত ক্ষতিপূৰণ পাব। প্ৰতিজন নিহত ব্যক্তিৰ বেলেগে বেলেগে আবেদন কৰাতকৈ সমূহীয়াভাৱে এখনমাত্ৰ আবেদন কৰিলে আবেদন আৰু বিচাৰ সংক্ৰান্ত ব্যয় অভাৱনীয়ভাৱে হ্ৰাস পাব; তদুপৰি সামগ্ৰিকভাৱে ৰামপুৰৰ ৰাইজ উপকৃত হ'ব। এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা লৈ ৰামপুৰৰ ৰাইজ আগবাঢ়ি আহক।

নিহত হোৱা ব্যক্তি, অথবা পৰিয়ালৰ একমাত্ৰ উপাৰ্জনক্ষম ব্যক্তিজনৰ মৃত্যু বা শাৰীৰিক অক্ষমতাৰ বাবে পাব লগা ক্ষতিপূৰণ আদায়ৰ ক্ষেত্ৰত যদি এনে ধৰণৰ অবাঞ্চিত বিলম্ব হয়, তেনেহলে ক্ষতিপূৰণৰ প্ৰকৃত উদ্দেশ্যযে ফলপ্ৰসু নহয়গৈ সি সহজেই অনুমেয়।

মটৰ দুৰ্ঘটনা দাবীৰ গোচৰ নিষ্পত্তিৰ ক্ষেত্ৰত বৰ্তমানে ঘটি থকা বিলম্বৰ অৱসান ঘটাই, নিষ্পত্তিৰ গতি ক্ষিপ্ৰতৰ কৰি, দুৰ্ঘটনাৰ বলি হোৱা নাগৰিকে আইনমতে পাবলগা ক্ষতিপূৰণ আদায় কৰিব পৰাৰ সুনিয়ন্ত্ৰিত ব্যৱস্থা চৰকাৰে নিশ্চয় কৰিব পাৰে। এনে দাবীৰ গোচৰৰ সংখ্যা বিবেচনা কৰি দুখন তিনিখন বা ততোধিক জিলাৰ বাবে একোখনকৈ সুকীয়া মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণ গঠন কৰি দি, আৰু এনে ন্যায়াধিকৰণক প্ৰয়োজনীয় সকলো সা-সুবিধা প্ৰদান কৰি গোচৰৰ নিষ্পত্তিৰ সময়-সীমা বান্ধি দিলে গোচৰবিলাকৰ নিষ্পত্তিৰ গতি নিশ্চয় ক্ষিপ্ৰ হ'ব। দাবীদাৰসকল আৰু গোচৰৰ অন্য পক্ষৰ সা-সুবিধাৰ বাবে স্থানীয়ভাৱে এনে গোচৰবিলাকৰ বিচাৰ আৰু নিষ্পত্তিৰ প্ৰয়োজনীয়তাৰ কথা বিবেচনা কৰি স্থানীয় বিচাৰৰ ব্যৱস্থাও নিশ্চয় কৰিব পৰা যায়।

মটৰ দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত লোকৰ ক্ষতিপূৰণৰ দাবীৰ নিয়ম আৰু পদ্ধতি মটৰ যান-আইনত সন্নিৱিষ্ট কৰা আছে। উক্ত আইনৰ ১১০-ক ধাৰামতে এনে দাবী সম্বলিত আবেদন-পত্ৰ উক্ত আইনত সন্নিৱিষ্ট থকা প্ৰপত্ৰত দুৰ্ঘটনাৰ ছমাহৰ ভিতৰত দাখিল কৰিব লাগে। বিলম্বৰ উপযুক্ত কাৰণ দৰ্শাব পাৰিলে অৱশ্যে উক্ত ছমাহকাল পাৰ হোৱাৰ পাছত দাখিল কৰা আবেদন-পত্ৰও গ্ৰহণ কৰাৰ বিবেচনাৰ ক্ষমতা ন্যায়াধিকৰণৰ আছে। এনে গোচৰ দুৰ্ঘটনা ঘটোৱা গাড়ীৰ মালিক, চালক আৰু বীমা কোম্পানিক পক্ষ কৰিব লাগে। ক্ষতিপূৰণ আদায় কৰাৰ দায়িত্ব সাধাৰণতে গাড়ীৰ মালিক আৰু কোনো ক্ষেত্ৰত চালকৰ যদিও, বীমাকৃত গাড়ীৰ ক্ষেত্ৰত বীমা কোম্পানিও আইনে বান্ধি দিয়া সীমা আৰু বীমাৰ চৰ্ত অনুসৰি এনে ক্ষতিপূৰণ আদায় দিবলৈ বাধ্য। গাড়ীৰ বীমাকৰণ আইনমতে বাধ্যতামূলক কাৰণে সাধাৰণতে প্ৰায় সকলোবিলাক গাড়ীৰেই বীমা কৰা থাকেই।

আহতৰ ক্ষেত্ৰত আহত ব্যক্তিয়ে নিজে বা তেওঁৰ অনুমোদিত প্ৰতিনিধিৰ যোগেদি আবেদন কৰিব লাগে, আৰু মৃত ব্যক্তিৰ ক্ষেত্ৰত মৃতকৰ সকলো বা যিকোনো বৈধ প্ৰতিনিধিয়ে সকলো বৈধ প্ৰতিনিধিৰ হৈ আবেদন কৰিব লাগে। এনে আবেদনৰ ভিত্তিত প্ৰতিপক্ষক শুনানীৰ সুবিধা প্ৰদান কৰি যথাবিহিত তদন্ত আৰু বিচাৰ কৰি ন্যায়াধিকৰণে নায্য আৰু সমুচিত ক্ষতিপূৰণ ধাৰ্য কৰি আদায় দিয়াৰ নিৰ্দেশ দিয়ে।

দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ শৰীৰৰ যিকোনো অংগ স্থায়ীভাৱে অক্ষম বা বিকল হোৱা ব্যক্তিৰ বাবে আৰু মৃত্যু হোৱা লোকৰ ক্ষেত্ৰত খৰতকীয়া সাহায্যৰ প্ৰয়োজনলৈ লক্ষ্য ৰাখি যোৱা ১৯৮২ চনত উক্ত মটৰযান আইনখন সংশোধিত কৰি গাড়ী চালকৰ দোষক্ৰটিৰ বিবেচনা নোহোৱাকৈয়ে আগতীয়াকৈ তৎকালীন সাহায্য

২৮ পৃষ্ঠাত চাওক

## মাননীয় উচ্চতম ন্যায়ালয় আৰু উচ্চন্যায়ালয়সমূহৰ সিদ্ধান্তমতে দুখীয়ালোকক আইনৰ বিনামূলীয়া সাহায্যৰ বাবে চৰকাৰ দায়বদ্ধ আৰু বাধ্য।




# নগাঁও সমবায় চেনিকল

দিলীপ কুমাৰ মহন্ত

ভাৰতৰ সমবায় খণ্ডৰ উদ্যোগবোৰৰ লাভ-লোকচানৰ দিশলৈ চকু দিলে এখন হতাশাৰ ছবি ফুটি উঠাটো গতানুগতিক যেন হৈ আহিছে। ব্যক্তিগত খণ্ডৰ উদ্যোগবোৰে দোপত-দোপে গা কৰি উঠালৈ চাই ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ বিফলতাৰ কাৰণবোৰৰ বিশ্লেষণ সময়ে-সময়ে হৈ আহিছে; প্ৰতিকাৰৰ বাবে অধিক ধন মঞ্জুৰ কৰা হয়; অথচ উত্তৰ সদায় একেই, —লোকচান। একে ভাৰতীয়ই টাটা কোম্পানিৰ চাহ বাগিচাত দক্ষতাৰ পৰিচয় দি লাভৰ পাছত লাভ কৰে, আকৌ একে লোকেই অসম চাহ নিগমৰ বাগিচাবোৰত দক্ষতাৰ পৰিচয় দিবপৰা নাই। সেই দৰে, মৰাপাট, কাগজ, চেনি আদি শতাধিক উদ্যোগৰ ক্ষেত্ৰতো সেই একে কথাই সত্য বুলি পতিয়ন যাব পাৰি। এই বিফলতাৰ ছবিখনৰ পুনৰাবৃত্তি নহ'বৰ বাবে আজি সমবায় খণ্ডৰ উদ্যেগবোৰে লাভ দেখুউৱাটোক এক প্ৰত্যাহ্বান হিচাপে লৈ অগ্ৰসৰ হব লাগিব। অন্যথা সমগ্ৰ উদ্যোগেই পুঁজিপতিৰ আমোদ-প্ৰমোদৰ আহিলা হৈ পৰিব আৰু শ্ৰমজীৱী বৃহৎ সংখ্যক জনসাধাৰণৰ বাবে তেওঁলোক হৈ উঠিব ভগবান স্বৰূপ। অসমৰ ভিতৰতে বৃহৎ —"নগাঁও সমবায় চেনিকল লিমিটেড": কামপুৰ— এই উদ্যোগটোত মাৰ্চ মাহৰ ২০ তাৰিখৰপৰা উৎপাদন আৰম্ভ হৈছে। এই চেনিকলটো ৰাজহুৱা খণ্ডত বিফল হোৱা এশটা উদ্যোগৰে এটা হ'বগৈ নে সমবায় ভিত্তিত অধিক উদ্যোগ গঢ়াত উৎসাহ যোগাব পাৰিব তাক জন্মতে চকু ফুৰাই চোৱাই আমাৰ উদ্দেশ্য।

**জন্ম-যন্ত্ৰনা** : উদ্যোগটো প্ৰতিষ্ঠাৰ বাবে ১৯৭৩-৭৪ চনতে প্ৰাৰম্ভিক প্ৰস্তুতি চলোৱা হৈছিল। প্ৰায় ডেৰ বছৰৰ মূৰত আজি ই উৎপাদনক্ষম হৈছেছি। মিলটো স্থাপনৰ বাবে ১৯৭৫ চনতে কেন্দ্ৰীয় চৰকাৰৰপৰা অনুমতি পোৱা হয় যদিও সময়মতে গঢ় দিব নোৱৰাত এই অনুমতি বাতিল হয়।



পুনৰ ১৯৭৯-৮০ চনত মিলটোৱে অনুমতি পায়।

কামপুৰ চেনি কলটোৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল বিশিষ্ট সমাজ কৰ্মী, প্ৰাক্তন শিক্ষক স্বৰ্গীয় পুষ্পকান্ত খাউণ্ড। তাৰ পাছত ক্ৰমে প্ৰাক্তন বিধায়ক শ্ৰীলক্ষী হাজৰিকা আৰু শ্ৰীদেবেন বৰা, শ্ৰীভাৰত ভূঞা আৰু মাধৱ লস্কৰে সভাপতি হিচাপে কাৰ্য নিৰ্বাহ কৰে। শ্ৰীবৰা আৰু ভূঞাৰ কাৰ্যকালৰ দিনতে ১৯৮১-'৮৫ ত মিলটো নিৰ্মাণৰ বাবে ধাৰ্য হোৱা মূলধনৰ প্ৰায় ৬০ শতাংশই ব্যয় হয়। পূৰ্ব নিৰ্ধাৰিত আঁচনি মতে আঠ মাহৰপৰা পোন্ধৰ মাহৰ ভিতৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'ব লাগিছিল। কিন্তু নিৰ্মাণ কাৰ্যই পাঁচোটাকৈ বছৰ সময় লোৱাত আনুষংগিক ভাৱে কেইটা দিশত মিলটোৰ ক্ষতি হয়। "প্ৰজেক্ট কষ্ট" ৮ কোটিৰ ব্যয় সংশোধিত হৈ ৮'৯৫ কোটি হয়; আকৌ বাঢ়ি ৯'৯৭ কোটি হয়। শেষত সংশোধন কৰি এতিয়া ১২'৫০ কোটি ব্যয় নিৰ্ধাৰণ কৰা হৈছে। এই ব্যয় পুনৰ সংশোধন নহ'ব বুলিব নোৱাৰি।

মিলটোৰ প্ৰতিষ্ঠাৰ বাবে I.F.C.I, I.D.B.I., N.C.D.C, Apex Bank, অসম চৰকাৰ আৰু ৰাইজৰ অংশ ক্ৰয়ৰ দ্বাৰা ৮ কোটি টকাৰ আঁচনি লোৱা হৈছিল। বিশেষকৈ ৰাজহুৱা খণ্ডৰ উদ্যোগত যিবোৰ অশুভ দিশে গা কৰি উঠি সামগ্ৰিকভাৱে উদ্যোগটোৰ ক্ষতি সাধন কৰে; তাৰ পৰা কামপুৰ চেনি কলটোও মুক্ত নহয়। নিৰ্মাণ কাৰ্য চলি থকা সময়ত দায়িত্বত থকা সভাপতি দুজনৰ ৰাজনৈতিক দলটোৱে স্থিৰতা হেৰুউৱাত, আৰু লগতে ব্যৱসায়িক লেন দেনৰ ক্ষেত্ৰত অনভিজ্ঞতা যোগ হোৱাত আঁচনিমতে কাম হৈ নুঠিলগৈ। ফলত ১৯৮৫ চনৰ এক ডিছেম্বৰলৈকে সৰ্বমুঠ ৮'২৫ কোটি টকা ব্যয় হোৱাৰ পাছতো মিলটো উৎপাদনক্ষম নহ'লগৈ আৰু সংশোধিত ব্যয় ১২'৫০ কোটি টকা পালেগৈ। সময় মতে কাম হৈ নুঠাৰ বাবে মিলটোৱে জন্মতে ৩'৭৫ কোটি টকা অতিৰিক্তভাৱে ব্যয় কৰিব লগা হ'ল। উদ্যোগটোৰ মেছিন আদিৰ




OKDISCD

বাবদ ৬৮০·৫০ লাখ আৰু ছিভিল ৰৰ্কছত ১৯৫·৩২ লাখ টকা ব্যয় কৰা হৈছে। ১৯৮১ চনৰ আগষ্ট মাহত মিলটোৰ বাবে যন্ত্ৰপাতিৰ যোগান দিবলৈ "ত্ৰিবেণী ইঞ্জিনিয়াৰিং ৰৰ্কছ" নামৰ কোম্পানিটোৰ লগত চুক্তি কৰা হয়; কিন্তু যন্ত্ৰ-পাতিসমূহ আনি ৰাখিবৰ বাবে ঘৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয় ১০/৯/৮২ ৰ পৰাহে। উঁৱাল নোহোৱাকৈ ধান চপালে যি অৱস্থা হয়, ইয়াতো সেয়ে হৈছিল। মেছিনবোৰ আহি ৰেল ষ্টেছনত কেইবা বছৰো পৰি থাকিল। কোম্পানিৰ লৈগতে চুক্তিবদ্ধ হোৱা মতে মেছিনবোৰ মিল কৰ্ত্তৃপক্ষই চমজি নোলোৱাত ৪০ লাখ টকাৰ ক্ষতি পূৰণো দিব লগা হয়। আনহাতে ৰ'দে-বৰষুণে ইয়াৰ কাৰ্যক্ষম কালো হ্ৰাস পায়। মিল কৰ্ত্তৃপক্ষই তেওঁলোকক টকা দিয়া সংস্থাকেইটাৰ লগত সময় মতে যোগাযোগ নকৰাৰ বাবেই এনে হ'বলৈ পালে বুলি জানিব পৰা গৈছে। কিন্তু ত্ৰিবেণী ইঞ্জিনিয়াৰিং ৰৰ্কছক ৪০ লাখ টকা আদায় দিয়াৰ দুদিনমান পাছতে মিলকৰ্ত্তৃপক্ষই ধন পায়।

নিৰ্দ্ধাৰিত ৯ কোটি টকাৰ ব্যয় চলি থাকোঁতে মিল কৰ্ত্তৃপক্ষই ইয়াৰ কাৰিকৰী দিশটোৰ প্ৰতি গুৰুত্ব দিয়া পৰিলক্ষিত নহ'ল। মাত্ৰ এজন ইঞ্জিনিয়াৰক সমগ্ৰ দায়িত্ব দিয়া হৈছিল। আনহাতে সাধাৰণ প্ৰশাসনীয় বিভাগত ৬০ জনতকৈয়ো অধিক কৰ্মচাৰী নিয়োগ কৰা হৈছিল। ফলত মেছিন বা যন্ত্ৰাংশৰ তদাৰক কৰা নহৈছিল। ভালকৈ ৰখাৰ ব্যৱস্থা নকৰাত ১৯৮১-'৮৫ৰ সময় ছোৱাত বহু মেছিন মাটিয়ে পুতি পেলাইছিল। ফলত বেছিসংখ্যক মেছিন পুনৰ কাৰ্যক্ষম কৰিবলৈ বৃহৎ পৰিমাণৰ মূলধন পুনৰ ব্যয় কৰিব লগা হ'ল। এনেকৈয়ে মেছিনসমূহ উৎপাদনক্ষম কৰি তোলা আৰু একেবাৰে নষ্ট হৈ যোৱা যন্ত্ৰাংশ পুনৰ কিনাত কামপুৰ চেনি কলটোৱে তিনি কোটি টকা ব্যয় কৰিব লগা হয় বুলি জানিব পৰা গৈছে।

মেছিনসমূহৰেই সেই অৱস্থা, ছিভিল কনষ্ট্ৰাকশ্যনৰ (ঘৰ, পথ, ইত্যাদি) কামযে কেনে হৈছে সেয়া সহজেই অনুমেয়। কাৰিকৰী জ্ঞানৰ অভাৱ আৰু গা লাগি তদাৰক নকৰাৰ ফলত প্ৰায় প্ৰতিটো ঘৰৰে ফাউণ্ডেশ্যন দুই-তিনিবাৰকৈ ভাঙি সাজিব লগা হৈছে। মিলটোৰ কাৰিকৰী দিশত অভিজ্ঞ লোকে গুৰুত্ব সহকাৰে তদাৰক কৰি নিৰ্মাণ কৰিব লগা Spray Pond-, Turbo Platform আদিৰ ফাউণ্ডেশ্যনতে ভুল হোৱাত দুবছৰ ধৰি নিৰ্মাণ কাৰ্য বন্ধহৈ আছিল। বিশেষজ্ঞ বিচাৰি দিল্লীলৈ যোৱা হ'ল ছবাৰ; কিন্তু বিশেষজ্ঞই কি উপদেশ দিলে জানিব পৰা নগ'ল। বৰ্তমানৰ কৰ্তৃপক্ষই তিনিমাহতে কাম দুটা সম্পূৰ্ণ কৰি তুলিছে। আকৌ 'আলহী ঘৰ'টো সজা ঠিকাদাৰজনক একলাখ টকা অতিৰিক্তকৈ দি দিয়াৰ পৰাই মিলটোৰ নিৰ্মাণত (৯ কোটি টকাৰ ব্যয়) হিচাপ-পত্ৰ যে নিয়াৰিকৈ ৰখা হোৱা নাছিল বা স্বাৰ্থজড়িত মহল শক্তিশালী আছিল সেয়া অনুমেয় হৈ উঠে। পাছত কথাটো ধৰাপৰাত ঠিকাদাৰজনৰপৰা একলাখ টকা ওভোতাই লবলৈ ইঞ্জিনিয়াৰে ক'লে যদিও সেয়া সম্ভৱ নহৈছিলগৈ; কিয়নো স্বয়ং পৰিচালক সঞ্চালকেই সেই ধন দিবলৈ নিৰ্দেশ দিছিল। সংশ্লিষ্ট ফাইলত নিৰ্দেশটো তেনেকৈয়ে আছে। অৱশ্যে বৰ্তমানৰ পৰিচালনা সমিতিয়ে উক্ত ঠিকাদাৰ জনে কৰি থকা আন এটা ঘৰৰ বিলৰ পৰাই একলাখ টকা কাটি ৰখাৰ ব্যৱস্থা কৰে। এনে দৰেই মিলটোৰ নিৰ্মাণ কাৰ্যৰ ষাঠি শতাংশ সম্পূৰ্ণ হৈছিল। নিৰ্মাণ কাৰ্যৰ গুণগত মানদণ্ডই কামপুৰ চেনিকলক কলৈ লৈ যায় তাক সময়তহে ক'ব পৰা হ'ব।

১৯৮৬ৰ প্ৰথমভাগত বৰ্তমানৰ পৰিচালনা সমিতিয়ে দায়িত্বভাৰ গ্ৰহণ কৰি বাকী থকা ৪০ শতাংশ কাম সম্পূৰ্ণ কৰিবলৈ বিত্তীয় অনুষ্ঠানৰ কাষত হাত পাতি বিমুখ হয়। সমিতিয়ে অসম চৰকাৰে দিয়া ১৩৭ লাখ টকাৰে আধকৰা কাম সম্পূৰ্ণ কৰি তুলিবলৈ চেষ্টা কৰে। বৰ্তমান প্ৰায় এককোটি টকাৰ ছিভিল ৰৰ্কছ বাকী আছেগৈ। আগেয়ে ছিভিল ৰৰ্কছৰ কাম ঠিকা ভিত্তিত এটা প্ৰখ্যাত প্ৰতিষ্ঠানে কৰিছিল। এতিয়া তাৰে প্ৰায় ১৫ লাখ মান টকাৰ সাধাৰণ ভাগৰ কাম স্থানীয় যুবকক কৰিবলৈ দিয়া হৈছে। ফলত কাম দ্ৰুতগতিত আদায় হৈছে। অঞ্চলটো এইবাৰ বানপানীয়ে ধুই নিলে;





সেয়ে স্থানীয় ৰাইজক সকাহ দিয়াৰো ব্যৱস্থা কৰা হয়। ৭৫ জন খেতিয়কৰ দ্বাৰা এটা শ্ৰমিক বাহিনী গঠন কৰি দি কাম কৰোৱা হয়। আনন্দৰ কথা যে যিবোৰ কাম ঠিকদাৰৰ হতুৱাই কৰালে প্ৰায় একৰপৰা ডেৰলাখ টকা ব্যয় হ'লহেঁতেন, সেইবোৰ কাম পঞ্চাছহাজাৰ মানতে কৰিব পৰা হৈছে। ৰাইজেও দুবেলা দুসাজৰ খৰচ উলিয়াব পাৰিছে। মুঠতে ১০·৬০ কোটি টকা ব্যয়ৰ পাছত আমি মিলটোৰ উৎপাদন আৰম্ভ কৰিবলৈ আগবাঢ়িছোঁ। কিন্তু সময়মতে মিলৰ উৎপাদন আৰম্ভ কৰিব নোৱৰাৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা incentive (উদগণিমূলক ধন) নাপাম। incentive নাপালে মিলে আৰম্ভণিৰ সময়ৰ পৰাই ৩৫ শতাংশকৈ সুত ভৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ পৰা এই incentive আদায় কৰিব নোৱাৰিলে— মিলটোৰ উন্নতিত বাধা পৰিব। আনকি ইয়াৰ জীৱন কালৰ ওপৰতো সন্দেহ থাকি যাব।

**নিয়োগ :** মিলটোত প্ৰতক্ষ্যভাৱে মুঠতে ৫৮৩ জনে কৰ্মসংস্থানৰ সুবিধা পাব। ইয়াৰে এঘাৰজন বিষয়া পৰ্যায়ৰ। ১৭২ জনে স্থায়ীভাৱে আৰু ২৮১ জনে "ছিজনেল ৱৰ্কাৰ" হিচাপে কাম পাব। বাহিৰৰপৰা অনা দুজন উচ্চ বিষয়া আৰু কেইজনমান কাৰিকৰী দিশৰ শ্ৰমিকৰ বাহিৰে বাকী পদবীসমূহত থলুৱাসকলেই নিয়োগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পাই আহিছে। বাকীথকা পদসমূহত থলুৱা লোকেই নিয়োগ পাব বুলি আশা কৰিব পাৰি। এওঁলোকৰ একাগ্ৰতাৰ ওপৰতে উদ্যোগটোৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে।

সমবায় বা চৰকাৰী খণ্ডৰ উদ্যোগ সমূহত সাধাৰণতেই প্ৰয়োজনতকৈ অধিক সংখ্যক লোকক মকৰল কৰা পৰিলক্ষিত হৈ আহিছে। ই কৰ্মসংস্থান পোৱা সকল বা উদ্যোগটো কাৰো বাবেই মংগলজনক নহয়। এনে উদ্যোগৰ পৰিচালনা সমিতিখন ৰাজনৈতিক লোকৰ দ্বাৰা গঠন কৰা হয় বাবেই কাৰোবাক সন্তুষ্ট কৰাৰ বাবেই নিয়োগৰ সংখ্যা বৃদ্ধি পাই আহিছে। আমি সভাপতিৰ কাৰ্যালয়ত থকা সময়তেই একজনলোকে কনৈক ৰাজ্যিক মন্ত্ৰীৰ হতুৱাই একলম লিখাই নিয়োগৰ বাবে আবেদনখন সভাপতিক দিয়া দেখিলো। সেয়ে উদ্যোগটোৰ বাবেই সভাপতিজনে এনে ক্ষেত্ৰত কঠোৰতা, বা দক্ষতাৰ পৰিচয় দি উপযুক্ত লোককহে মকৰল কৰাৰ ব্যৱস্থা কৰিব লাগে। অন্যথা ই এক সফল ব্যৱসায়িক উদ্যোগলৈ উন্নীত হোৱাৰ বিপৰীতে ওপৰ গধুৰ বিফল জনসেৱাৰ কেন্দ্ৰলৈহে পৰিণত হ'ব।

**কেঁচা সামগ্ৰী :** মিলটোৰ উৎপাদন কেৱল চাৰিমাহহে চলিব আৰু ইয়াৰ বাবে ১,৫০,০০০ টন কুঁহিয়াৰৰ প্ৰয়োজন হ'ব। উৎপাদন ক্ষমতা হ'ল— দৈনিক ১,২৫০ টন। সমগ্ৰ নগাঁও জিলাতেই কুঁহিয়াৰ উৎপন্ন হয়। মিল কৰ্ত্তৃপক্ষই কামপুৰ, দক্ষিণপাট. কেৰিখানা আৰু খেৰণী—এই চাৰি ঠাইত বিশেষভাৱে বিষয়া নিয়োগ কৰি কুঁহিয়াৰ উৎপন্নৰ বাবে কৃষকক উৎসাহিত কৰাৰ ব্যৱস্থা কৰিছে। বৰ্তমানে নিৰ্ধাৰণকৰা মূল্যমতে কৃষকে প্ৰতি কুইণ্টল কুঁহিয়াৰত ২৩ টকাকৈ পাব।

**স্পেয়াৰ পাৰ্টছ :** সমবায় খণ্ডৰ উদ্যোগসমূহত স্পেয়াৰ পাৰ্টছৰ যোগান ধৰা ব্যৱস্থাটোৱে ক্ষতি সাধন কৰি আহিছে। জানিব পৰা মতে এই উদ্যোগটোৰ বাবে প্ৰয়োজন হোৱা স্পেয়াৰ পাৰ্টছবোৰ অসমৰ বজাৰত পোৱা নাযায়। বাহিৰৰ বজাৰ,— বিশেষকৈ কলিকাতা আদিৰ পৰা আনিব লগা হোৱা স্পেয়াৰ পাৰ্টছবোৰৰ ক্ষেত্ৰত প্ৰথমৰ পৰাই যথোপযুক্ত ব্যৱস্থা লোৱা উচিত। একোটা উদ্যোগৰ এনে অংশ ক্ৰয় কৰাটো দুই-এজন বিষয়াৰ বাহিৰা ধন উপাৰ্জনৰ উৎস হয়গৈ। অসমৰে ৰুগ্ন উদ্যোগত নতুন স্পেয়াৰ পাৰ্টছৰ নামত ৰিকণ্ডিশ্যনিং কৰা পাৰ্টছ কিনা, নতুন পাৰ্টছ মেছিনৰ জোখত নোহোৱাৰ বাবে অপব্যয় হোৱা আদি বহু উদাহৰণ পোৱা যায়। দেখাত সৰু হ'লেও এনে ঘটনাৰ ফলত হোৱা ক্ষতিয়ে মিলটোৰ লোকচানত গুণিতকৰ দৰে কাম কৰে। সেয়ে কাৰিকৰী দিশত উপযুক্ত অভিজ্ঞতা বা শিক্ষা থকালোক মকৰল কৰিব লাগে। অসমৰ ৰাজহুৱা খণ্ডৰ উদ্যোগলৈ বাহিৰৰপৰা অহা বিষয়াসকলে স্পেয়াৰ পাৰ্টছ কিনাৰ নামত ঘৰলৈ যোৱাৰ ভ্ৰমণ বানচ লোৱা উদাহৰণ যাতে কামপুৰ চেনিকলত পোৱা নহয়। জানিবপৰা মতে প্ৰায় ছয় লাখ টকাৰ স্পেয়াৰ পাৰ্টছ মজুত ৰখাৰ বাবে মিলে ব্যৱস্থা লৈছে।

**আয়-ব্যয় :** মিলটো সুকলমে চলি থাকিবৰ বাবে মাহে প্ৰায় ৩ লাখ টকাকৈ ব্যয় হ'ব। জানিব পৰা মতে ১৯৮৯ চনলৈকে মিলটোৱে লাভৰ মুখ নেদেখিব আৰু যদিহে কোনো বিঘিনি নঘটে তেনেহলে ১৯৯০ চনৰ পৰা লাভজনক আয় আৰম্ভ হ'ব। ৰাজহুৱা উদ্যোগৰ আয়-ব্যয়ৰ হিচাপ বিচৰা মানে মূৰ গৰম হোৱা। এনে খণ্ডত উপযুক্ত লোকৰ অভাৱেই ইয়াৰ মূল কাৰণ। সেয়েএজন কষ্ট একাউণ্টেন্টৰ নিয়োগ আজিৰ সময়ত অতি প্ৰয়োজনীয়।

প্ৰকাশ পালে এপ্ৰিল-মে' সংখ্যা
মানস
বড়ো, কাৰ্বিকল
অসমীয়া হয়নে নহয় ?
চীনে কমিউনিজম
পৰিত্যাগ কৰিব নেকি ?
এলুমিনিয়ামৰ বাচনত
ৰন্ধা নাখাব !
গল্প, কবিতা, মহিলাৰ চ'ৰা, বিচিত্ৰা প্ৰভৃতি নিয়মীয়া শিতান আছেই। মূল্য মাথো ১·৫০ টকা।
মন্থন প্ৰকাশ, জালুকবাৰী, গুৱাহাটী-১৪



SKDISCD

# কলীয়া ভোমোৰা সাঁকো

তৰুণ দাস



## কলীয়া ভোমোৰা বৰফুকন

স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত হুৰৰাৰ বদন চন্দ্ৰ বৰফুকনে গুৱাহাটীত থকা অৱস্থাত কামৰূপীয় জনসাধাৰণৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ চলাইছিল। কামৰূপীয় জনসাধাৰণৰ বহুতৰে মনত আহোম ৰাজৰ প্ৰতি দ্ৰোহ ভাবে খিতাপি লৈছিল। স্বৰ্গদেউ কমলেশ্বৰ সিংহই এইবোৰ কথাৰ উমান পাই পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ লগত আলচি বদনক বৰফুকন বাবৰ পৰা আঁতৰাই ৰাজখোৱাৰ ঘৰৰ কলীয়া ভোমোৰাক বৰফুকন পাতি গুৱাহাটীলৈ পঠিয়ালে। কলীয়া-ভোমোৰা বৰ দূৰদৰ্শী আৰু ৰাজনীতিজ্ঞ লোক আছিল। এওঁ পাছলৈ কামৰূপীয় লোকৰ মনৰ পৰা দ্ৰোহ ভাব গুচাবলৈ সমৰ্থ হ'ল। কলীয়া-ভোমোৰা বৰফুকন হৈ থকাৰ কালতে উত্তৰ গুৱাহাটীত কিছু সংখ্যক হিন্দুস্তানী আৰু দাঁতিৰ কছাৰীসকলক লৈ হৰদত্ত চৌধুৰী আৰু বীৰদত্ত চৌধুৰীয়ে দ্ৰোহ আচৰাত বৰফুকনে কিছু সংখ্যক সৈন্যৰে গুৱাহাটী পাৰ হৈ বিদ্ৰোহ দমন কৰাৰ লগতে দুয়োকো বধ কৰে। আহোম ৰাজে এই কাৰ্যত সন্তুষ্ট হৈ তেওঁক 'প্ৰতাপ-বল্লভ উপাধি প্ৰদান কৰে।

কলীয়া ভোমোৰাই স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত হোৱা ডফলা আক্ৰমণ আৰু খামৃতি বিদ্ৰোহ দমন কৰে বুলি জনা যায়। এইজনা বৰফুকনে কামাখ্যাত তামৰ ঘৰ আৰু ছত্ৰাকাৰ দেৱালয় সজাই দিয়ে।

এই "কলীয়া ভোমোৰাই ভোমোৰা গুৰিতে তাহানি পুতিছিল খুটা।"

## সাকোঁখন

ব্ৰহ্মপুত্ৰৰ ওপৰৰ প্ৰথমখন দলং শৰাইঘাটৰপৰা ১৩৫ কি. মি. উজনিত আৰু তেজপুৰৰপৰা ৮ কি. মি. পূবে কলীয়া ভোমোৰা সেতুখন অৱস্থিত। নিৰ্মাণৰ কাম সমাধা হোৱা এই সেতুখনে উত্তৰ পাৰৰ ৫২ নং ৰাষ্ট্ৰীয় মাৰ্গ আৰু দক্ষিণ পাৰৰ ৩৭নং ৰাষ্ট্ৰীয় মাৰ্গক সংলগ্ন কৰিব। উত্তৰ পূৰ্বাঞ্চলৰ আৰ্থিক উন্নয়ন আৰু সমৰ নীতিৰ বিবেচনা আগত ৰাখি ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন দলং নিৰ্মাণৰ কথা বহু দিনৰ পৰাই ভাবি থকা হৈছিল। উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে গঠিত কেন্দ্ৰীয় গোট উত্তৰ পূব পৰিষদে ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন দলং নিৰ্মাণ কৰাৰ অৰ্থে টকা খটুৱাবলৈ আগবাঢ়ি আহিল। এই উদ্দেশ্যৰে উত্তৰ-পূব পৰিষদে মেছাৰ্ছ ৰাইটছ নামৰ এটা কোম্পানিক আৰ্থ-কাৰিকৰী জৰীপৰ তত্ত্বাৱধান কৰিবলৈ নিয়োগ কৰাৰ লগতে দলঙৰ স্থান নিৰ্ণয় কৰিবলৈও দায়িত্ব দিয়ে। মেছাৰ্ছ ৰাইট্ ছ কোম্পানিয়ে ১৯৭৭ চনৰ জুলাই মাহত জৰীপৰ বিশদ বিৱৰণ পৰিষদৰ হাতত অৰ্পণ কৰে আৰু দলং নিৰ্মাণৰ স্থান হিচাপে চাৰিডোখৰ ঠাইৰ ভিতৰত বৰ্তমানৰ নিৰ্মাণ সমাধা হোৱা দলঙৰ ঠাইকেই উপযুক্ত বুলি বিবেচনা কৰিবলৈ পৰামৰ্শ দিয়ে। উত্তৰ-পূব পৰিষদৰ দ্বাৰা নিয়োজিত এখন বিশেষজ্ঞ কমিটিয়ে উক্ত বিৱৰণৰ কিছু ইফাল-সিফাল কৰি সামান্য সংশোধনীৰে বৰ্তমানৰ ঠাইডোখৰতে দলং নিৰ্মাণ কৰিবলৈ অনুমোদন জনায়। সেই বিশেষজ্ঞ কমিটিয়ে মূল দলং আৰু গাইড বান্ধ নিৰ্মাণৰ বাবে ৰেলৰে বিভাগক কাৰ্য সম্পাদন সংস্থা হিচাপে দায়িত্ব দিবলৈকো লগতে অনুমোদন জনায়।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ভোমোৰাগুৰি পাহাৰ আৰু দক্ষিণ পাৰৰপৰা ৮ কি. মি. উজনিৰ কামাখ্যা পাহাৰক নিয়ন্ত্ৰক বিন্দু হিচাপে লৈ দলঙৰ স্থান নিৰ্ণয় কৰা হ'ল যদিও কিছু সমস্যাই দেখা নিদিয়াকৈ নাথাকিল। ভোমোৰা গুৰি পাহাৰে প্ৰাকৃতিক পৰিবেশৰ মাধ্যমেৰে ব্ৰহ্মপুত্ৰৰ সোত নিয়ন্ত্ৰণ কৰিব ; কিন্তু আনহাতে দক্ষিণ পাৰটোৰ ভূমি-গাঁথনি বালিচহীয়া হোৱা বাবে খহনীয়া হোৱাৰ সম্পূৰ্ণ আশংকা ৰৈ গ'ল। সেয়েহে কলীয়া ভোমোৰা সাঁকোৰ দক্ষিণ পাৰৰ প্ৰৱেশ পথটোক সম্পূৰ্ণভাৱে ৰক্ষণা-বেক্ষণ দিবলৈ অন্য ব্যৱস্থাৰ কথা চিন্তা কৰিবলগীয়া হ'ল। তদুপৰি এই অঞ্চলৰ ভু-ত্বকৰ গাঁথনি 'মণ্ডল-৫'-অৰ দৰে আচহুৱা প্ৰকৃতিৰ হোৱাৰ বাবে দলংখন ভূমিকম্প-নিৰোধী কৰি নিৰ্মাণ কৰাৰ কথাও ভবা হ'ল আৰু দলঙৰ দক্ষিণ পাৰটো বালিচহীয়া হোৱাৰ বাবে দলঙৰ প্ৰৱেশ পথৰ নিয়ন্ত্ৰণ বিন্দুৰ ৰক্ষণাবেক্ষণৰ প্ৰসংগ আগত ৰাখি এটা গাইড বান্ধ নিৰ্মাণৰ প্ৰয়োজনীয়তাই দেখা দিয়ে।

১৯৮৩ চনৰ প্ৰাক্‌কলন মতে দলং নিৰ্মাণৰ আঁচনিৰ বাবে ৮৪.৫২ কোটি টকা ধাৰ্য কৰা হৈছিল যদিও দ্ৰব্য মূল্য বৃদ্ধিৰ বাবে অৱশেষত ৮৯.১২ কোটি টকা ধাৰ্য কৰা হ'ল। ৩ কি. মি. দৈৰ্ঘ্যৰ দলং আৰু ১০৭ কি. মি. দৈৰ্ঘ্যৰ প্ৰৱেশ পাৰকে ধৰি নদী নিয়ন্ত্ৰণৰ বাবে দক্ষিণ পাৰত ২ কি. মি. দৈৰ্ঘ্যৰ গাইড বান্ধৰ নিৰ্মাণৰ দায়িত্ব উত্তৰ-পূব ৰেলৰেক ন্যস্ত কৰা হ'ল।

আনহাতে, উত্তৰ পাৰৰ দলঙৰ নিয়ন্ত্ৰণ বিন্দুক সংলগ্ন কৰি ৮ কি. মি. দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰিবলৈ অসম গড়কাপ্তানী বিভাগক দায়িত্ব দিয়া হোৱাৰ লগতে জীয়াভৰলীৰ সংৰক্ষণ কাৰ্য তথা দক্ষিণ পাৰৰ অস্থায়ী বান্ধ শক্তিশালী কৰাৰ কাম অসম বান নিয়ন্ত্ৰণ পৰিষদক অৰ্পণ কৰা হয়।

দলংখনৰ আহিঁ অনুযায়ী ১২০ মিটাৰ আকাৰৰ ২৪টা স্তম্ভৰ লগতে ৬৭.৫ মিটাৰৰ দুটা একাষৰীয়া স্তম্ভ আছে। দলংখনৰ মুঠ দৈৰ্ঘ্য হ'ল ৩০১৫ মিটাৰ (৩ কি. মি. আৰু ১৫ মি.)। ইয়াৰ উপৰিও মূল স্তম্ভত ভাৰসাম্য ৰক্ষাৰ অৰ্থে কেন্টিলিভাৰ সংযোগ কৰি ৫২. ৫ মিটাৰৰ কংক্ৰিট বক্স গাৰ্থাৰৰ ব্যৱস্থা কৰা হৈছে আৰু তাৰ মাজ অংশত আৰ-ছি-ছিৰ ১৫ মিটাৰৰ একোটা খুঁটা আছে।

ওপৰঞ্চি উপ-গাঁথনি হিচাপে আৰ-ছি-ছিৰ বিন্ধা থকা ঘূৰণীয়া স্তম্ভৰ লগতে আৰ-ছি-ছিৰ বৰ্গাকাৰ খুঁটাৰ ঢাকনি থাকিব।

কলীয়া ভোমোৰা সেতুৰ বাবে ৮২,০০০ মেট্ৰিক টন ছিমেণ্ট আৰু ১২,০০০ মেট্ৰিক টন তীখাৰ প্ৰয়োজন হৈছে। এই দলংখনৰ স্থায়িত্ব কাল ৬৮ বছৰ বুলি ধৰা হ'লেও ই ১০০ বছৰতকৈও অধিক কাল অতিক্ৰম কৰিব বুলি ধাৰণা কৰা হৈছে। এই দলংখন নিৰ্মাণ কৰোঁতে ২০ লাখ ঘনমিটাৰ মাটিৰ প্ৰয়োজন হৈছে। সেইখিনি মাটি ৰাস্তাত ব্যৱহাৰ কৰা হ'লে ৰাস্তাটো গুৱাহাটীৰ পৰা দিল্লী পালেগৈহেঁতেন বুলি উত্তৰ-পূব ৰেলৱে বিভাগৰ নিৰ্মাণ শাখাৰ উপ মুখ্য অভিযন্তা শ্ৰীআৰ. আৰ. জৰোৱাৰে জানিবলৈ দিছে। দলংখনত সৰ্বমুঠ ৮০ লাখ ঘনমিটাৰ বৃহৎ আকাৰৰ শিল ব্যৱহৃত হৈছে।

দলঙৰ স্তম্ভৰ শেষ গভীৰতাৰ পৰা দলঙৰ ওপৰ পৃষ্ঠলৈ উচ্চতা হ'ল ২৭০ ফুট,—যি উচ্চতাই আমাক দিল্লীৰ কটুবমিনাৰৰ কথা সোঁৱৰাই দিয়ে। সেই দৃষ্টিভংগীৰে চালে কলীয়া ভোমোৰা দলঙত মুঠ ২৪ টা কটুব-মিনাৰ লীন গৈ আছে বুলি কল্পনা কৰিব পাৰি।

দলং নিৰ্মাণৰ সমাপ্তিৰ তাৰিখ ১৯৮৭ চনৰ ৩১ জুলাই ধাৰ্য কৰা হৈছিল যদিও বৰ্তমান নিৰ্মাণ কাৰ্য সমাপ্ত বুলিয়েই ক'ব পাৰি। আগন্তুক ৰঙালী বিহুৰ আগে আগে ভাৰতবৰ্ষৰ দ্বিতীয় দীৰ্ঘতম এই কলীয়াভোমোৰা সাকোঁখন প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে উদ্বোধন কৰাৰ কথা।

১২ পৃষ্ঠাৰ পিছৰ পৰা

ৰাজীৱ গান্ধীয়ে ল'ব লগীয়া আন এটা শিকনি হ'ল,—ই-কংগ্ৰেছৰ প্ৰাৰ্থী বাচিবলৈ ব্যৱহাৰ কৰা কম্পিউটাৰ বা চোৰাংচোৱা বুৰ' একো কামত নাহে। মুখ্যমন্ত্ৰী অথবা প্ৰধান মন্ত্ৰীৰ সহযোগীসকলৰ পিছে-পিছে লাগি ফুৰাসকলৰ সলনি কৰ্মক্ষেত্ৰত কাম কৰা প্ৰাৰ্থীসকলকহে টিকট দিয়া উচিত আছিল। চোৰাংচোৱা বুৰ' জনসাধাৰণৰপৰা বিচ্ছিন্ন ; গতিকে কেৰালাত বাম গণতান্ত্ৰিক মৰ্চাৰ অগ্ৰগতি অথবা পশ্চিমবংগত ছি. পি. আই. এমৰ বিজয়ৰ কথা তেওঁলোকে যে আগেয়ে অনুমান কৰিব নোৱাৰিলে, তাত আচৰিত হ'ব লগীয়া একো নাই।

প্ৰত্যক্ষ যোগাযোগৰ সলনি তথ্য, পৰিসংখ্যা আৰু প্ৰতিবেদনৰ ভিত্তিত নেতাসকলে তেওঁলোকৰ সিদ্ধান্তসমূহ গ্ৰহণ কৰিলেই এনেধৰণৰ বিপদবোৰ আহে। (ৰাজীৱ গান্ধীয়ে তাকে কৰিছিল)। অৱশ্যে তেওঁ ভাগ্যবান, কাৰণ তেওঁক প্ৰত্যাহ্বান জনাব পৰা লোক কংগ্ৰেছ দলত এতিয়াও ওলোৱা নাই। ভি. পি. সিঙৰ এটা ভাবমূৰ্তি আছে, কিন্তু ৰাজীৱ গান্ধীৰ ত্ৰুটিসমূহ দৃঢ়ভাৱে উপলব্ধি কৰা অন্যান্য কংগ্ৰেছী নেতাসকলৰ দৰে তেৱোঁ সাহসেৰে মনোভাব প্ৰকাশ কৰাৰ সলনি নিৰৱে সহ্য কৰিয়েই থাকে।

আনকি ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰোঁতেও ভি. পি. সিঙে তেওঁ তাৰালৈ কামত লগোৱা ফেয়াৰফেক্স নামৰ মাৰ্কিন চোৰাংচোৱা সংস্থাটোৱে চলচিত্ৰ তাৰকাজনৰ ভায়েকৰ সম্পত্তিৰ বিষয়ে অনুসন্ধান কৰি কি পাইছে, সেই বিষয়ে একো নকলে। এই মানুহজন ৰাজীৱ গান্ধীৰ বিশ্বাসী মানুহ আৰু এতিয়াও তেওঁ অধিক শক্তিশালী মানুহ। ভি. পি. সিঙে অভিযোগৰ মনোভাৱ লৈয়েই আছিল যদিও তেওঁ সাধাৰণভাৱেহে কথা-বতৰা পাতিলে। গতিকে ৰাজীৱ গান্ধীয়ে তেওঁ সন্মুখীন হোৱা বিপদবোৰ ওফৰাই দিব পাৰে ; কিন্তু আগতকৈ তেওঁ বহু বেছি দুৰ্বল হৈ পৰিব। দেশৰ বাহিৰে-ভিতৰে তেওঁ লাভ কৰা জনপ্ৰিয়তা লাহে লাহে হ্ৰাস পাই আহিব। বিৰোধী দলসমূহেও পিছলি গৈ থকা প্ৰধান মন্ত্ৰী এজনক খোপনি পোৱাৰ সুবিধা নিদিয়ে।

গ্ৰাহক, গ্ৰাহিকা
পৃষ্ঠপোষক ও শুভাকাংক্ষী
সকলৈ
নব বৰ্ষৰ
সাদৰ সম্ভাষণ
যাচিলোঁ
লক্ষ্মী ভাণ্ডাৰ
ৰহা, নগাঁও

OKDISCD

*জীয়া কাহিনী*

# টুকুৰিৰে যাদুখেল

জীৱন চেতীয়া

১৯৬৩ চনৰ কথা। তেতিয়াৰ সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ আৰু এতিয়াৰ কাৰবি আংলং জিলাৰ হাওৰাঘাটত আমি তেতিয়া বি· ডি· অ.। এদিন ভিতৰুৱা অঞ্চলত কামবন চাই আবেলি পাঁচমান বজাত চৰকাৰী বাসভৱনলৈ বুলি ঘূৰি আহিছোঁ। উৎপাত গৰম। আহাৰ মাহ। লগত আছিল সম্প্ৰসাৰণ বিষয়া পশু চিকিৎসক ডা° অনীল বৰণ দেব। পথাৰবোৰ পানীৰে উপচি পৰিছে। বেলগুৰি গাঁও সোমাইছোঁ, এনেতে চকুত পৰিল চামগুৰিৰ ফালৰপৰা পথাৰে-পথাৰে পানী ভাঙি-ভাঙি চাৰিজন মানুহে সাঙীভাৰ কৰি কিবা এটা লৈ ৰাস্তাৰ ফালে আহিব লাগিছে। ড্ৰাইভাৰক জীপখন ৰাখিবলৈ ক'লো। ওচৰ আহি পোৱাত দেখিলো প্ৰসৱ বেদনাত কেঁকাই-গেঁঠাই থকা এজনী তিৰোতা। মেজ এখনকে ওলোটাই তাতে খেৰ-খোৰ পাৰি ভৰাই লৈ ভাৰ কৰি আনিছে। লৰালৰিকৈ তিৰোতাজনী আৰু মানুহ কেইজনক গাড়ীত তুলি লৈ হাওৰাঘাটৰ চিকিৎসা কেন্দ্ৰ পোৱালোগৈ। ডাক্তৰে চায়ে ক'লে,— "নিৰুপায়"। হয় নগাঁও নহয় ডিফুলৈ নিবই লাগিব। দুৰ্ভাগ্যৰ কথা। সন্তানটোৰ হাত এখন আগতেই ওলাই আহিছে। আমাৰ মাজত কিবা এটা কৰাৰ আলোচনা চলি থাকোঁতেই নাৰ্ছ এগৰাকীয়ে আহি জানিবলৈ দিলে— "তিৰোতাজনী মৰিছে।"

সেই মৰ্মান্তিক ঘটনাটো দেখাৰ দিনাই মনতে থিৰ কৰিলো—যিকোনো উপায়ে চামগুৰি হৈ ৰজাপথাৰ অঞ্চললৈ গাড়ী, মটৰ যাব পৰা ৰাস্তা এটা কৰি তুলিবই লাগিব। অঞ্চলটোৰ সৰহখিনি বাসিন্দাই জনজাতীয় লোক —কাৰবি, লালুং (তিৱাঁ) আৰু লগতে কিছু কৈবৰ্ত সম্প্ৰদায়ৰ মানুহ। চামগুৰি আৰু ৰজাপথাৰৰ মাজেদি যমুনা নৈ বৈ গৈছে। এটা অনিয়মিত পাৰঘাটেৰে মানুহ ইপাৰ-সিপাৰ হৈ থাকে। সেই দুৰ্ভগীয়া তিৰোতাজনীৰ ঘৰ আছিল ৰজাপথাৰ ধৰমতুল গাঁৱত।

ভগবানৰেই ইচ্ছা হ'বলা,—ভবামতেই কাম হ'ল। সেই বছৰতে ভাৰত চৰকাৰৰ 'পাইলট আঁচনি'ৰ অধীনত একলাখ টকাৰ চৰকাৰী অনুদান পোৱা গ'ল। খুব সোনকালে আঁচনি যুগুত কৰি যথা নিয়মত চৰকাৰী অনুমোদন লাভ কৰিবলৈও সমৰ্থ হলো। বেলগুৰিৰপৰা চামগুৰি, কাছমাৰী ধৰমতুল হৈ ৰজাপথাৰ ২নং বেলগুৰি গাঁৱলৈ মুঠ ৫ মাইল ৰাস্তাৰ এখন আঁচনি উক্ত "পাইলট আঁচনি"ৰ অন্তৰ্ভুক্ত কৰা হৈছিল। মুঠতে পঁচিছ হাজাৰ টকা মাটিৰ কামৰ বাবে এই আঁচনিত ধাৰ্য কৰা হ'ল।

শালিধান চপোৱা কাম শেষ হওঁনহওঁতেই ৰজাপথাৰ ছাৰ্কোলৰ গ্ৰামসেৱক কমলাকান্ত গগৈক স্থানীয় ৰাইজৰ সভা এখন আয়োজন কৰিবলৈ কোৱা হ'ল। নিৰ্দিষ্ট দিনত আমি এছোৱা বাট গৰু-গাড়ীৰ লিকে লিকে ছাইকেল চলাই গৈ কলগছৰ ভুৰত যমুনা পাৰ হৈ বাকী ছোৱা বাট ছাইকেল ঠেলি-ঠেলি খোজেৰে গৈ সভাস্থলত উপস্থিত হলোগৈ। চাৰিজন গাঁওবুঢ়া প্ৰমুখ্যে সমূহ ৰাইজক বুজাই কোৱা হ'ল যে মাটিৰ কামৰ বাবে ধাৰ্য কৰা পঁচিছ হাজাৰ টকাৰ বাবে কোনো ঠিকাদাৰ নিয়োগ কৰা নহ'ব। স্থানীয় ৰাইজেই মাটি উঠোৱা কামখিনি কৰি প্ৰচলিত নিৰিখৰ শতকৰা ৫০ ভাগ মজুৰি হিচাপে ল'ব পাৰিব। ৰাইজে হৰ্ষধ্বনি কৰি হাততালি বজাই আমাৰ প্ৰস্তাৱত সমূহীয়া সমৰ্থন জনালে। বৰ গাঁওবুঢ়া মানিক টেৰনে আশাতীতভাৱে তেনে এটি ৰাস্তাৰ আঁচনি চৰকাৰৰ ফালৰপৰা হাতত লোৱাত আমালৈ শলাগৰ শৰাই আগবঢ়ালে। আমাৰ শলাগ লৈ বাকী-কেইজন গাঁওবুঢ়ায়ো নিজ-নিজ বক্তব্য দাঙি ধৰিলে। তাতে কেইজনমান ডেকাই গোহাৰি জনাই কলে যে গোটেই ৰাইজে মাটিৰ কামত যোগদান কৰিবলৈ ইমানবোৰ কোৰ গাঁৱত নোলাবই। ৰাইজে বিচাৰে অতি সোনকালে ৰাস্তাটো গঢ়ি তুলিব লাগে, আৰু তাকে কৰিবলৈ হ'লে চৰকাৰৰ তৰফৰপৰা কিছু কোৰৰ যোগান ধৰিব লাগে। তেতিয়া ৰাইজখনো নথৈ উপকৃত হ'ব। আৱশ্যকীয়সকলো সামগ্ৰীকে যোগান দিয়া হ'ব বুলি আমি প্ৰতিশ্ৰুতি দিলো। ৰাইজে আকৌ এবাৰ হৰ্ষধ্বনি কৰিলে। ৰাতিলৈ ৰাইজে চাউল-পাত তুলি, গাহৰি কাটি এটি প্ৰীতি ভোজ দি আমাক আপ্যায়িত কৰিলে। মোৰে সৈতে হাওৰাঘাটৰপৰা যোৱা ছজন বিষয়াক বেলেগ বেলেগ ছ-ঘৰত ৰাতিটো থকা মেলাৰ ব্যৱস্থা কৰিলে।

যথা সময়ত ৩০০খন কোৰ আৰু তাৰ লগতে ৫০০ টা বেতৰ টুকুৰি ম'হৰ গাড়ীত বোজাই দি ৰজাপথাৰলৈ পঠাই দিয়া হ'ল। গাড়ী কেইখন আবেলি পৰত গৈ গ্ৰামসেৱকৰ বাসস্থান পোৱাৰ লগে-লগেই কেউফালৰ পৰা ৰাইজ ওচৰ চাপি গ'ল। কোৰৰ লগত টুকুৰিবোৰ দেখি তাৰে কেইজনমানে জানিবলৈ বিচাৰিলে— "টুকুৰিবোৰ কাৰ?" গ্ৰামসেৱক গগৈয়ে কলে,— "সেইবোৰ আপোনালোকৰ বাবেই চাৰে পঠাই দিছে। টুকুৰিৰে মাটি কঢ়িয়ালে ৰাস্তাৰ কাম সোনকালে হৈ উঠিব …।"

কথা শুনি মানুহ কেইজন জ্বলিপকি উঠিল। খঙেৰে গাৰোৱান কেইজনলৈ চাই ক'লে,—"খবৰদাৰ আমাৰ ইয়াত এইচব নমাব নোৱাৰ। লৈ যা হাওৰাঘাটলৈ ঘূৰাই। আমাক কোৰো নালাগে, ৰাস্তাও নালাগে। কি? বি. ডি· অই আমাক মুনীয়া কুলি পাইছে?"

তেতিয়া গগৈয়ে আগবাঢ়ি গৈ ক'লে,—"গাড়ীকেইখন সেইদৰে ঘূৰাই পঠালে ছাৰে মোক খং কৰিব। ঠিক আছে ৰাইজ, আপোনালোকে টুকুৰি নাৰাখে কোনো কথা নাই, কোৰখিনিকে ৰাখক। কিন্তু সদ্যহতে গোটেইখিনি বস্তু মোৰ গুদামতে ভৰাই থৈ দিওঁ।"

তেওঁ কথাষাৰ বোলে কবলৈহে পালে· এজনে চিঞৰি ক'লে— "এইবোৰত ইয়াৰো হিকমত আছে ৰাইজ! ই আমাৰ চুকতে খাই বুকুতে কামোৰ মাৰিছে। —কি চাই আছ, ধৰ ইয়াক।" —বুলি কওঁতেই কেইবাজনেও মাৰিবলৈ খেদি যোৱা দেখি গগৈয়ে ভিৰাই দৌৰ মাৰিলে আৰু প্ৰাণটাকি লৰি ওচৰৰ হাবিত সোমালগৈ।

গধূলি মফছলৰপৰা ঘূৰি আহি গাটো ধুই লৈ অফিছৰপৰা পঠাই দিয়া জৰুৰী ফাইল কেইটামান চাওঁ বুলি মেজৰ কাষত বহিছোঁ, এনেতে শুনিলো বাহিৰৰ বাৰান্দাত কোনোবাই হুকহুকাই কান্দিছে। লেমটো অলপ বঢ়াই লৈ বাহিৰ ওলাই দেখোঁ ফটা-ছিটা পেণ্ট-চোলাৰে গ্ৰামসেৱক গগৈ।

সুধিলো, "কি হ'ল গগৈ?"

"হ'বলৈ আৰু কি বাকী আছে মোৰ! যত অনৰ্থৰ মূল আপুনিয়েই ছাৰ!"—গগৈৰ সুৰত গভীৰ অভিযোগ।

"মই কি অনৰ্থৰ মূল হে? কি কৈছা তুমি?" —লগে লগে অলপ আবদাৰৰ সুৰত কলো, "আহঁাচোন গগৈ, ভিতৰলৈ আহঁা। এই ৰাতিখন ইমান ঠাণ্ডাত তুমি এই অৱস্থাত কিয় আহিব লগা হ'ল ভাঙি কোৱাচোন।"

বাহিৰত বেচ ঠাণ্ডা পৰিছিল। গগৈৰ ঘাম ওলোৱা লাহে-লাহে কমি আহিছিল। হাতত চাহৰ পিয়লা লৈ আমাৰ শ্ৰীমতী আহি গগৈৰ ওচৰ পোৱাত —"হ'ব বাইদেউ" বুলি কাপ-প্লেট যোৰ হাত পাতি ললে আৰু তেওঁ কোৱাত চকী এখনত বহিল।

"ছাৰ"—

"কৈ যোৱা।"

"সেই দিনা ৰাজহুৱা সভাত গাঁৱৰ ৰাইজে কোৰৰ কথাহে কৈছিল, টুকুৰি লাগে বুলি কোৱা নাছিল।"

"হয় নাছিল। পিছে টুকুৰিবোৰেনো কি জগৰ লগালে।"

"নকব ছাৰ। ডাঙৰ জগৰ লগাইছে। সেই জগৰৰ বাবেই মই আজি হাবিত সোমাই প্ৰাণ ৰক্ষা কৰি এইখিনি পাইছোহি।"

"ভাঙি কোৱাচোন কি হৈছিল?"

"ৰাইজৰ মতে বিহাৰী মুনীয়াইহে মূৰত টুকুৰি লৈ মাটি কঢ়িওৱা কাম কৰে। তেওঁলোক মুনীয়া নহয় বাবে অপমান বোধ কৰিছে। আপোনাক খুব গালি পাৰিছে। আৰু কৈছে— "সেই বি· ডি· অ·ডালক কৈ দিবিগৈ— সি আমাক এইদৰে অপমান কৰাৰ প্ৰতিফল সোনকালেই পাব। মই তেওঁলোকক নালাগিলেও টুকুৰিবোৰ মোৰ গুদামতে ভৰাই থৈ দিওঁ বোলোতেই জগৰ লাগিল। কথাষাৰ কোৱাৰ লগে-লগেই কেইবাজনেও মোক মাৰিবলৈ খেদি অহা দেখি মই…। মই আৰু তালৈ ঘূৰি যাব নোৱাৰোঁ ছাৰ। মোক আজি ৰাতিৰ ভিতৰতে বদলিৰ হুকুম দিয়ক।"

"তোমাৰ ঠাইত যিজনক তাত দিম তেওঁনো কেনেকৈ কাম চলাব? তোমাক বদলি কৰি দিলেই সমস্যাৰ সমাধান নহব আৰু ওৰো নপৰিব। জগৰটো যেতিয়া ময়ে লগাইছোঁ গতিকে ভাঙিবও লাগিব ময়েই। তোমাৰ গাত কোনো দোষ নাই গগৈ।"

"তেনেহলেনো কি কৰোঁ বুলি ভাবিছে চাৰ?"

অলপপৰ টলকা মাৰি ৰলো। পাছত কলো,— "মোৰ এটা মস্ত ভুল হৈ গ'ল গগৈ। মই আচল কথাটো তোমাকো আগতীয়াকৈ কৈ থবলৈ নহল আৰু সেই গাৰোৱান কেইটাকো কৈ পঠাবলৈ পাহৰি গলো।"

"কি কথা ছাৰ।"

"শুনা। সেইখিনি টুকুৰি নগাঁৱৰ মায়েং অঞ্চলৰ পৰা সংগ্ৰহ কৰি অনা হৈছিল আৰু সেইবোৰত মন্ত্ৰ কৰা আছে। কোনেও মূৰত লবৰ আৱশ্যক নকৰে। ৰাস্তাৰ কাষে-কাষে মাত্ৰ শাৰী শাৰীকৈ সজাই লৈ ওচৰত মাটি কাটি থাকিলেই টুকুৰিবোৰে নিজে-নিজেই ৰাস্তাৰ ওপৰত মাটি পেলাই থাকিব।"

"ধেমালিখন নকৰিব ছাৰ!"

"ধেমালি মই মুঠেই কৰা নাই। তুমি এই ৰাতিয়েই ঘূৰি যোৱাগৈ। আমি সদলবলে কাইলৈ পুৱাৰ ভাগতে গৈ ৰজাপথাৰ ওলামগৈ আৰু ৰাইজক সেই টুকুৰিৰ মহিমাৰ বুজ মই নিজেই দিমগৈ।"

মোৰ কথা মানি অফিছৰে ছাইকেল এখন লৈ গগৈ ৰজাপথাৰমুৱা হ'ল। তেওঁ যোৱাৰ পাছতে সম্প্ৰসাৰণ বিষয়া কেউজনকে মতাই অনালো। গৰমিল কৰি প্যাছদিনা পুৱাই দলে-বলে ৰজাপথাৰলৈ যোৱাৰ সিদ্ধান্ত কৰিলো।

পাছ দিনা পুৱা ছয়মান বজাতে ছাইকেলেৰে আমি ৰজাপথাৰলৈ বুলি ৰাওনা হলোহঁক। বাটতে কাছমাৰী গাঁও পাই সিদ্ধেশ্বৰ গাঁওবুঢ়াক চোতালতে দেখি মাত লগালো, "গাঁওবুঢ়া ভালনে?"

"থুই কটা।" —বুলি গাঁওবুঢ়া উচাট মাৰি গৈ ভিতৰ সোমাল। মনতে ভাবিলো— একেবাৰে টিঙিৰি তুলা হৈ আছে।

গ্ৰামসেৱকৰ সেইখিনি পাই দেখোঁ টুকুৰিবোৰ গুদামৰ কাষতে দ'ম হৈ পৰি আছে। তাত নবৈ পোনে-পোনেই বৰ গাঁওবুঢ়া মানিক টেৰনৰ ঘৰ ওলালোগৈ। হংফাৰ্লাতে* গাঁওবুঢ়াক চিলিমত অঙঠা ভৰাই থকাতে পাই মাত দিলে, "বৰ গাঁওবুঢাৰ ভালনে?"

তেৰো টপৰাই কলে,— "আমাৰ ভালেই হক বেয়াই হক কি দৰকাৰ আপোনাৰ জানিবলৈ?"

ভিতৰলৈ সোমাই যোৱাত গাঁওবুঢ়ানীয়ে কেইটামান মুঢ়া আনি আমাক বহিবলৈ দিলে। বহি লৈ হাত যোৰ কৰি বৰ গাঁওবুঢ়াৰ ফালে চাই কলো, "এটা কথা নহয় গাঁওবুঢ়া।"

* হংফাৰ্লা— কাৰবিসকলৰ দুই শাল থকা মূকলি আলহী ঘৰ।



OKDISCD

"কি কথা ?" —একেবাৰে হুতা মাত।

"শুনক চোন। আপোনালোকে টুকুৰিখিনি পঠাই দিয়াত আঘাত পাইছে। বেয়া পাইছে। পিছে টুকুৰিবোৰৰ কথা যিদৰে ভাবিছে আচলতে তেনেকুৱা নহয়। এইখিনি বেতৰ টুকুৰি মায়েং অঞ্চলৰপৰা বৰ যত্ন কৰি অনা হৈছে। টুকুৰিবোৰত বেজে মন্ত্ৰ কৰি দিছে। এইবোৰ কোনেও মূৰত লব নালাগে। মাত্ৰ ৰাস্তাৰ কাষত শাৰি পাতি সজাই থবহে লাগে। ওচৰত মাটি কাটি দিলে দেখিব— টুকুৰিবোৰে নিজে নিজেই ৰাস্তাৰ ওপৰত মাটি পেলাই থাকিব। হাতেৰেও চুবৰ দৰকাৰ নাই। জাৰি-ফুঁকি অনা এই টুকুৰিৰ খেলটো দেখুৱাই যাওঁ বুলিয়ে আজি ইয়ালৈ আহিছোঁ। আগতে কথাটো আপোনালোকক নজনোৱা বাবে মই বৰ দুখ পালোঁ।"

টেৰন বৰ গাঁও বুঢ়াই এইবাৰ হুঁকাত জোৰেৰে দুটামান টান মাৰিলে ক'লে,—"পিছে খেলটো দেখুৱাব নোৱাৰিলে কিন্তু ইয়াৰ পৰা ওলাই সাৰি যাবলৈ টান হ'ব চাহাব !"

ক'লো— ঠিক আছে। মোৰ কথা মানক বৰ গাঁওবুঢ়া। সেই খেল চোৱাৰ আগতে কিন্তু দুটা কাম ৰাইজে কৰি দিব লাগিব। তাৰে প্ৰথমটো হ'ল গোটেইবোৰ কোৰতে আজিয়েই নাল লগাই শেষ কৰিব লাগিব আৰু দ্বিতীয়তে আজি সন্ধিয়াই এই অঞ্চলৰ কেউখন গাঁৱতে ঢোলপিটি, শিঙা ফুকি জাননী দিব লাগিব—যাতে কাইলৈ পুৱা সাত বজাতে ৰাস্তাৰ বাবে নিচান দি ৰখা খুটিবোৰৰ দুয়োকাষে এফালে পুৰুষ আৰু আনফালে মহিলাসকল শাৰী পাতি ৰয়গৈ।" ইতিমধ্যে বৰ গাঁওবুঢ়াৰ চোতালত ভালেখিনি মানুহে জুম বান্ধিছিলহি। তেওঁলোকৰ মাজতো "খেলটোকে চোৱা যাওক" বুলি কোৱা-কুই চলিবলৈ ধৰিছিল।

কথামতেই কাম। দিনৰ দিনটো লাগি-ভাগি ডেকাহঁতে তিনি শ খন কোৰত নাল লগাই শেষ কৰিলে। আবেলিৰ পৰাই ঢোল পিটি, শিঙা ফুকি প্ৰচাৰ কৰা হ'ল—যেন সকলোৱে যথা সময়ত খেল চাবলৈ আহে। আমি কোৱামতেই আলিৰ দুয়োকাষে কেনেকৈ থিয় দিবগৈ লাগিব তাকো সকিয়াই দিয়া শুনিবলৈ পালো। এইবাৰ আমাৰ বাবে থকা-খোৱাৰ ব্যৱস্থাটো গাঁৱৰ প্ৰাইমেৰি স্কুল ঘৰতহে হ'লগৈ। খাই-বৈ শুবলৈ লোৱাৰ সময়তে ইঞ্জিনিয়াৰিং বিভাগৰ সম্প্ৰসাৰণ বিষয়া ভৱ তৰনী শইকীয়াই ক'লে, "ছাৰ ! কাইলৈ আপোনাৰ যাদুৱে যদি কাম নকৰে ···।

বাকী কেইজনে হাঁহিবলৈ ধৰিলে।

"পুৱাৰ কথা পুৱালৈ ভাবিম। এতিয়া শুই থাকক"—বুলি কৈ ধান খেৰৰ ওপৰত হ'ল্ডঅলটো পাৰি পতা বিছনাত দীঘল দিলো।

পাছদিনা টল পুৱাৰে পৰাই আলিৰ বাবে নিচান দি থোৱা ঠাইলৈ ৰাইজৰ সোঁত ববলৈ ধৰিলে। আগ দিনা দিহা দি থোৱা মতেই কোৰবোৰ এফালে আৰু টুকুৰিবোৰ এফালে শাৰীপাতি ৰখা হৈছিল। আমিও সদল-বলে গৈ ঠিক পুৱা সাত বজাতে ৰাইজৰ মাজত সোমালোগৈ। উল্লেখ কৰা ভাল যে আমি কেউজন বিষয়াই লংপেণ্ট পিন্ধি নে'কটাই মাৰি গৈছিলো।

ৰাইজৰ সাক্ষাতে গ্ৰামসেৱক আৰু বিষয়াসকলৰ হাতত একোখনকৈ কোৰ মই নিজ হাতে তুলি দি মাটি কাটিবলৈ লগাই দিলো। তাৰে এটুকুৰি মাটি অ'ভাৰছিয়াৰ নায়াৰক মোৰ মূৰত তুলি দিবলৈ ক'লো। তেওঁ প্ৰথমতে ইতস্ততঃ কৰিছিল, কিন্তু মোৰ হুকুম মানি মাটিভৰা টুকুৰিটো তুলি দিলে। ৰাস্তাৰ ওপৰত মাটি টুকুৰি পেলাই দি আৰু এটুকুৰি মাটি মূৰত তুলি লৈছোঁহে, এনেতে সিদ্ধেশ্বৰ গাঁওবুঢ়াই মাত লগালে,—"ছাৰ" !

মই তেওঁ আৰু একো ক'বলৈ পোৱাৰ আগতেই চিঞৰি ক'লো,—"মই এতিয়া ছাৰ তাৰ একো নহওঁ। মুনীয়া কুলিহে।"

ওচৰতে থিয় দি থকা সেইজন গাঁওবুঢ়াৰে ডাঙৰজনী ঘৈণীয়েকে লগৰ তিৰোতাবোৰলৈ চাই ক'লে,—"এই মতা মথাই অলপো লাজ পোৱা নাইনে ? আমিবোৰে ফুৰা-চকা কৰিবলৈ বলকৰ (ব্লকৰ) চাহাবসকলে মূৰত টুকুৰিলৈ মাটি কঢ়িয়াইছে, আৰু এহঁত মথাই ভেম ধৰি চাইহে আছে।"

ইতিমধ্যে মোক অনুসৰণ কৰি বাকীসকল বিষয়াই মূৰত টুকুৰি লৈ মাটি কঢ়িওৱা কামত লাগি গৈছিল।

হঠাতে এবাৰ—"ধৰ আইটিহঁত, আমাৰে ধৰহঁক।"—বুলি গাঁওবুঢ়ানীয়ে ক'বলৈহে পালে, পুৰুষ-মহিলা, আবাল-বৃদ্ধ-বনিতা সকলোৱে মূৰত টুকুৰি লৈ মাটি কঢ়িওৱা কামত লাগি গ'ল। এনেতে দেখিলো সিদ্ধেশ্বৰ গাঁওবুঢ়া ওচৰতে থকা তেওঁৰ ঘৰৰ ফালে ভিৰাই দৌৰ মাৰিছে। তেওঁক তেনেকৈ লৰি যোৱা দেখি আমি অবাক হৈ চাই ৰলো। লগতে অইন কিবা অঘটন ঘটাবহি পাৰে বুলি মনতে ভয়ো খালো। অলপ পাছতে লক্ষ্য কৰিলো বটা এটাত তামোল-পাণ লৈ তেওঁ মোৰ ওচৰতে হাজিৰ হৈ ক'লে, আমাৰ ভুল হৈছিল, ক্ষমা দিব লাগে।"

তাৰ পাছত তেওঁ মোক হাতত ধৰি তেওঁৰ ঘৰলৈ এপাক যাব লাগে বুলি কাকুতি-মিনতি কৰিবলৈ ধৰিলে। লগে লগে বাকী তিনিজন গাঁওবুঢ়াও আমাৰ লগ লাগিলহি। কাৰো মুখত মাতবোল নোহোৱাকৈয়ে আমি গৈ সিদ্ধেশ্বৰ গাঁওবুঢ়াৰ ঘৰ সোমালোগৈ। বহাৰ পাছ মুহূৰ্ততে বৰ গাঁওবুঢ়া মানিক টেৰনে ক'লে,—যাদু খেল ঠিকেই দেখুৱালে ছাৰ। এই কথা আমাৰ অঞ্চলত চিৰদিনৰ বাবে থাকি যাব বুলি আপুনি ধৰি লব পাৰে।"

বাকী কেইজনেও "হয়, হয়" কৰিলে। অলপ পাছতে গাঁওবুঢ়াৰ

৩৮ পৃষ্ঠাত চাওক





# নীলা মহাকাশ যানৰ কথা

ড° কুলেন্দু পাঠক

We travel together, passangers on a frail space-ship dependent on its vulnerable reserve of air and soil; all committed for our safety to its security and peace; preserved from annihilation only by the work and love we give our fragile craft.

Adlai Stevenson

### এক

আমাৰ পৃথিৱীখন মহাকাশযান বুলি কলে বহুতেই চক খাই উঠিব। আমাৰ নিজৰ গাঁও বা চহৰ, মৌজা, জিলা, ৰাজ্য, দেশ, মহাদেশ আদি থকা পৃথিৱীখনক এখন মহাকাশযান বুলি কল্পনা কৰাও টান। আমাৰ মনত ভাব হয় সাগৰ-পৰ্বত-দেশ-মহাদেশৰ পৃথিৱীখন স্থিৰ। মানুহে বহুদিন ধৰি পৃথিৱীখন স্থিৰ বুলিয়েই জানিছিল। এসময়ত সুস্থিৰ পৃথিৱীখন চেপেটা আৰু বিশ্বৰ কেন্দ্ৰত অৱস্থিত বুলি ধাৰণা কৰা হৈছিল। কিন্তু খৃষ্টজন্মৰ প্ৰায় তিনিশ বছৰ পূৰ্বেই এৰাটোস্থি-নিজে ঘূৰণীয়া পৃথিৱীৰ পৰিধি গণি উলিয়ায়। এই গণনা বিজ্ঞানৰ ইতি-হাসৰ অতি গুৰুত্বপূৰ্ণ ঘটনা। এৰাটোস্থিনিজৰ গণনাত প্ৰায় শুদ্ধ মান পোৱা গৈছিল যদিও পাছৰ যুগত টলেমিয়ে পৃথিৱীৰ ব্যাস যথেষ্ট কম বুলি তেওঁৰ বিখ্যাত গ্ৰন্থত লিখি থৈ যায়। এৰাটোস্থিনিজৰ মান জনা হলে কলম্বাছে যিমানদূৰ সম্ভৱ ইউৰোপৰ পৰা পশ্চিমমুৱা হৈ ভাৰতৰ পিনে অহাৰ কথা নাভাবিলেহেঁতেন ?

পৃথিৱীৰ পৰিধি প্ৰায় ২৫,০০০ মাইল। জীৱনত দহ মাইলতকৈ বেছি দূৰলৈ নোযোৱা কৃষিজীৱী মানুহৰ বাবে পঁচিছ হাজাৰ মাইল এটা অতি বৃহৎ সংখ্যা। কিন্তু আজি নিউয়ৰ্ক কাইলৈ লণ্ডন, পৰহিলৈ টোকিঅ'লৈ যোৱা মানুহৰ বাবে পঁচিছহাজাৰ মাইল দূৰত্ব বৰ বেছি যেন নালাগিব। আকৌ টেলিফোনৰ ডায়েল ঘূৰালেই লণ্ডন, ছিডনি, ছানফ্ৰানছিছকো, নিউয়ৰ্ক, মস্কোৰ লগত কথা পাতিব পৰা অৱস্থাত উপনীত মানুহৰ বাবে পৃথিৱীখন ক্ৰমান্বয়ে এখন বৃহৎ গাঁও (a global village) যেন হে লাগিব।

মহাকাশলৈ ওলাই যোৱা মানুহে পৃথিৱীৰ পিনে চালে এখন অতি সুন্দৰ নীলা মহাকাশযান গতি কৰি থকা যেন দেখিব। নীলা ৰং-টোৱে পৃথিৱীত পানীৰ প্ৰাধান্য সূচায়। পৃথিৱীৰ বায়ু মণ্ডলৰ জলীয় ভাপ যুক্ত মেঘৰ আৱৰণো তেওঁৰ চকুত পৰিব। পৃথিৱীখন কিন্তু ৰৈ থকা নাই, প্ৰতি দিনে, অৰ্থাৎ ২৪ ঘণ্টাত ই এপাক ঘূৰিছে। তদুপৰি সূৰ্যৰ পৰা প্ৰায় ১৫ কোটি কিল'মিটাৰ দূৰত থাকি ছেকেণ্ডত প্ৰায় ত্ৰিছ কিল'মিটাৰ বেগেৰে সূৰ্যৰ চাৰিওফালে ঘূৰিছে। আমাৰ সূৰ্যও ৰৈ থকা নাই। আকাশত ৰাতি দেয়া হাতীপটিৰ হাজাৰ কোটি তৰাৰ দৰে সূৰ্যয়ো হাতীপটিৰ কেন্দ্ৰৰ চাৰিওফালে ২৪০ মিলিয়ন বা ২৪ কোটি বছৰত এপাক মাৰে। (আকাশত চকুৰে দেখা আটাইবোৰ তৰা আমাৰ হাতীপটিৰ বাসিন্দা।) সূৰ্যৰ লগতে সৌৰজগতৰ প্ৰতিটো গ্ৰহ-উপগ্ৰহৰো এই গতি আছে। আমাৰ হাতীপটি-টোৱে আকৌ স্থানীয়ভাৱে কেইখনমান (প্ৰায় বিছখন) তাৰকা ৰাজ্যৰ লগ লাগি স্থানীয় তাৰকাৰাজ্যৰ থূপ (local group of galaxies) তৈয়াৰ কৰিছে। এনে থূপসমূহো গতি-শীল, আৰু সম্প্ৰসাৰণশীল বিশ্বৰ অংশ হিচাপে এটা থূপ আনটো থূপৰ পৰা আঁতৰি গৈ আছে। ভাবিলে আচৰিত যেন লাগিলেও বিশ্বৰ পৰি-প্ৰেক্ষিতত আমি আৰু আমাৰ পৃথিৱীও এই আটাইবোৰ গতিৰ অংশীদাৰ। কবিৰ ভাষাত কব পাৰি : "জানো মই গতি নাই গতিৰ বাহিৰে।"

### দুই

### ভূগৰ্ভত পৰ্বত ?

পৃথিৱীৰ কেন্দ্ৰীয় অঞ্চলত হিমালয়তকৈও ওখ পৰ্বত আছে বুলি ভাবিব পাৰিনে ? পৃথিৱীৰ খোলাটো বৰ পাতল। মহাসাগৰৰ তলিত খোলা মাত্ৰ পাঁচ কিল'মিটাৰমান ডাঠ হব পাৰে। কিছুমান মহাদেশীয় অংশত খোলা অলপ বেছি ডাঠ। পৃথিৱীৰ ব্যাসাৰ্ধ ৬৪০০ কিল'মিটাৰ বুলি ধৰিলে পৃথিৱীৰ খোলাটো বৰ পাতল। খোলাৰ ওপৰত থকা জীৱনদায়িনী মাটিখিনি তুলনামূলক হিচাপে মাখি ছালতকৈও পাতল। পিছে মহাকাশত বহুত কোটি কিল'মিটাৰ দূৰত অৱস্থিত চন্দ্ৰ, মংগল, বৃহস্পতি আদিলৈকে মানবনিৰ্মিত আহিলা পঠিওৱা হৈছে যদিও পৃথিৱীৰ খোলা ভেদ কৰি মানুহৰ যন্ত্ৰ-পাতি (ড্ৰিলিঙৰ আহিলা আদি) যাবপৰা নাই। তেন্তে পৃথিৱীৰ কেন্দ্ৰস্থ অঞ্চলত পৰ্বত থকাৰ কথা গম পোৱা গ'ল কেনেকৈ ?


ভূমিকম্প বুলি কলেই আমি ভয় খাওঁ যদিও পৃথিৱীৰ ভিতৰভাগৰ বিষয়ে জনাত ভূ-কম্পনসমূহে যথেষ্ট সহায় কৰিছে। ভয় খাবলগীয়া ভূমিকম্পৰ সংখ্যা আঙুলিৰ মূৰত গণিব পাৰি যদিও প্ৰতি দিনে বহুতো সৰু সৰু ভূমিকম্প হৈয়েই থাকে। এনে ভূমিকম্পৰ ফলত ভূতৰংগ (seismic wave) উদ্ভৱ হয় আৰু পি-ৱেভ আৰু এছ-ৱেভ হিচাপে এই তৰংগসমূহে গতি কৰে। এনে তৰংগৰ বেগ মাধ্যমৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণ স্বৰূপে ঘন মাধ্যমৰ মাজেদি তৰংগ বেগাই যাব পাৰে। এটা মাধ্যমৰপৰা আনটো মাধ্যমলৈ যাওঁতে তৰংগৰ বেগ আৰু গতিপথৰ পৰিবৰ্তন ঘটে।



OKDISCD

সাধাৰণতে অনুপ্ৰস্থ প্ৰকৃতিৰ এছ-ৰেভ জুলীয়া অন্তৰ্ভাগৰ মাজেদি পাৰ হৈ যাব নোৱাৰে। বিভিন্ন ধৰণৰ ভূ-তৰংগৰ প্ৰতিফলন, প্ৰতিসৰণ আৰু গতি-বিধি অধ্যয়ন কৰি ভূ-বিজ্ঞানীসকলে পৃথিৱীৰ অন্তৰ্ভাগৰ কথা জানিব পাৰিছে। থূলমূলকৈ কবলৈ হ'লে,— পৃথিৱীৰ খোলাৰ তলতে আছে মেণ্টেল। মেণ্টেলৰ গভীৰতা প্ৰায় ২৯০০ কিলোমিটাৰ। ক'ৰ (core) বা কেন্দ্ৰীয় অঞ্চলৰ ব্যাসাৰ্ধ প্ৰায় ৩৪৭০ কিল'মিটাৰ; ইয়াৰে বাহিৰৰ ২২০০ কিল'মিটাৰ জুলীয়া অৱস্থাত থকা গধুৰ ধাতুৰে গঠিত। একেবাৰে ভিতৰৰ অঞ্চলটো যিমানদূৰ সম্ভৱ প্ৰায় কঠিন পদাৰ্থৰ দৰে হৈ আছে। এই কেন্দ্ৰীয় অঞ্চলটো এটা প্ৰায় নিমজ গোলকৰ নিচিনা বুলিয়েই বিজ্ঞানীসকলে সৌ সিদিনালৈকে ভাবি আছিল। পিছে ১৯৮৬ চনৰ শেষৰফালে কেইবাজনো ভূ-পদাৰ্থবিদে প্ৰচলিত ধাৰণা শুদ্ধ নহয় বুলি দেখুৱাইছে।


বিখ্যাত কেল্‌টেক অৰ্থাৎ কেলিফৰ্নিয়া ইনষ্টিটিউট অৱ টেকন'ল'জিৰ ভূ-পদাৰ্থবিদসকলে ভূগৰ্ভৰ বিষয়ে অধ্যয়ন কৰিবলৈ ভূ-তৰংগ টমোগ্ৰাফিৰ সহায় লৈছে। CAT বা কম্পিউটাৰ এইডেড টমোগ্ৰাফিৰ দ্বাৰা মানৱ শৰীৰৰ অন্তৰ্ভাগৰ বিশদ অধ্যয়ন কৰাৰ দৰে ভূ-তৰংগ টমোগ্ৰাফিৰ সহায়ত ভূ-কেন্দ্ৰৰ ক'ৰৰ গঠন সম্পৰ্কে জানিব পৰা গৈছে। ভূ পদাৰ্থ-




আমাৰ তাৰকাৰাজ্য হাতীপটিৰ ব্যাস প্ৰায় এক লাখ পোহৰ-বছৰ। হাতীপটিৰ কেন্দ্ৰ অঞ্চলত তৰাৰ ঘনত্ব বহুত বেছি। এই অঞ্চলটোৰ নাম নিউক্লিয়াছ। কেন্দ্ৰৰ পৰা সূৰ্যৰ দূৰত্ব প্ৰায় ৩০,০০০ পোহৰ-বছৰ আৰু কেন্দ্ৰৰ চৌপাশে সূৰ্যৰ প্ৰদক্ষিণ-বেগ ছেকেণ্ডত ২৫০ কিল'মিটাৰ। এই দুটা ৰাশিৰ সহায়ত হাতীপটিৰ ভৰ সূৰ্যৰ ভৰৰ ডেৰলাখ-কোটি ($১\cdot৫ \times ১০^{১১}$) বুলি কেপলাৰৰ তৃতীয় সূত্ৰৰ সহায়ত গণি উলিয়াব পাৰি। সূৰ্য এটা সাধাৰণ ভৰৰ তৰা বুলি ধৰি আমি এনেদৰেও ক'ব পাৰোঁ যে হাতীপটিত ডেৰ লাখ-কোটি তৰা আছে। (এবছৰত পোহৰ যিমান দূৰ যায়, সেই দূৰত্বক এক পোহৰ-বছৰ বা এক আলোকবৰ্ষ বোলা হয়। ইয়াৰ পৰিমাণ হ'ল ৯৪৭০০০০০০০০০০ কিল'মিটাৰ)।

বিজ্ঞানী গুডুগুহন, ক্লেটন আৰু এণ্ডাৰছনে প্ৰায় ২৫০০০ মধ্যমীয়া আৰু বৃহৎ ভূমিকম্পৰ উদ্ভৱ হোৱা ভূ-তৰংগৰ অধ্যয়ন চলাই গম পাইছে যে উত্তৰ-মধ্য আটলাণ্টিক সাগৰ, পূব-অষ্ট্ৰেলিয়া, দক্ষিণ-মধ্য এছিয়া আৰু উত্তৰ পূব আটলাণ্টিক সাগৰৰ তলৰ অংশত ক'ৰৰপৰা 'পৰ্বতসমূহ' মেণ্টেলৰ বহুত ভিতৰলৈকে সোমাই আহিছে। এই নতুন আৱিষ্কাৰে পৃথিৱীৰ গতি, মহাদেশৰ গতি আৰু অইন বহুতো কথা বুজাত সহায় কৰিব বুলি আশা কৰা হৈছে। উদাহৰণ স্বৰূপে মহাদেশসমূহ বৈ থকা নাই; ইহঁত গতিশীল; এনে গতিৰ ফলতে হিমালয়ৰ দৰে সুউচ্চ পৰ্বত সৃষ্টি হৈছে। কিন্তু মহাদেশসমূহৰ গতিৰ কাৰণ কি? এই প্ৰশ্নৰ সমুচিত উত্তৰ এতিয়াও ভূ-বিজ্ঞানীসকলে পোৱা নাই। ভূ-তৰংগ টমোগ্ৰাফি নামৰ এই নতুন টেকনিকৰ দ্বাৰা এনেবোৰ প্ৰশ্নবো সঠিক উত্তৰ পোৱা যাব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে ভূ-কেন্দ্ৰৰ প্ৰায় গলিত পদাৰ্থৰে গঠিত পৰ্বত কিছুমানৰ উচ্চতা হিমালয়তকৈও বেছি। এনে সুউচ্চ পৰ্বত আৰু মধ্যবৰ্তী উপত্যকাসমূহ যিমানদূৰ সম্ভৱ মেণ্টেল আৰু





ভূমিকম্পৰ উপকেন্দ্ৰৰ (১) পৰা পি-ৰে'ভ আৰু এছ-ৰে'ভ বিয়পি যায়। অনুপ্ৰস্থ প্ৰকৃতিৰ এছ-ৰে'ভে ক'ৰৰ জুলীয়া অংশ (৪) পাৰ হৈ আহিব নোৱাৰে। দূৰত থকা ভূ-তৰংগ গ্ৰাহক কেন্দ্ৰসমূহত (২ আৰু ৩) পৃথিৱীৰ মাজেদি পাৰ হৈ অহা তৰংগসমূহ অধ্যয়ন কৰা হয়।




ক'ৰৰ আন্তঃক্ৰিয়াৰ ফলত উদ্ভৱ হৈছে। এনে আন্তঃক্ৰিয়াৰ ফলত উদ্ভৱ হোৱা পৰ্বত একোটাৰ বয়স দহ কোটি বছৰ পৰ্যন্ত হ'ব পাৰে। আন এদল বিজ্ঞানীয়ে এনে আন্তঃক্ৰিয়াৰ ফলত ভূ-চুম্বক-ক্ষেত্ৰবো যথেষ্ট পৰিবৰ্তন হয় বুলি মত প্ৰকাশ কৰিছে।

ভূকেন্দ্ৰত অৱস্থিত ক'ৰৰ বিভিন্ন অংশত থকা বুলি অনুমান কৰা পৰ্বত আৰু উপত্যকাসমূহ দেখুউৱা হৈছে। ক'ৰৰ অতি উত্তপ্ত মাগ্‌মা মেণ্টেলৰ মাজলৈ উঠি আহি ঠাণ্ডা হৈ নামি যোৱাৰ ফলত পৰ্বত আৰু উপত্যকাসমূহৰ সৃষ্টি হয় বুলি কিছু বিজ্ঞানীয়ে মত প্ৰকাশ কৰিছে।




চিত্ৰ ৭




পৃথিৱীৰ অন্তৰ্ভাগ সম্পৰ্কে গৃহীত মডেল খোলা বা ভূত্বক মুখ্যতঃ বেছল্ট আৰু গ্ৰেনাইট নামৰ আগ্নেয় শিলেৰে গঠিত। খোলাটো যথেষ্ট পাতল। পৃথিৱীৰ ব্যাসাৰ্দ্ধ(১)প্ৰায় ৬৪০০ কি. মি.। ভিতৰৰ ৩৪৮০ (২)কি. মি. জুৰি আছে গধুৰ নিকেল-লোৰে গঠিত ক'ৰ বা কেন্দ্ৰ অঞ্চল(৩)। ক'ৰৰ ভিতৰৰ অংশ (১২৬০ কি. মি.) উচ্চ চাপৰ প্ৰভাৱত গোটা হৈ আছে। মেণ্টেলৰ(৪) গভীৰতা প্ৰায় তিনিহাজাৰ কি. মি.। মেণ্টেলৰ শিলবোৰ প্লাষ্টিক অৱস্থাত থকা কাৰণে মেণ্টেলৰ ওপৰত খোলাটো ভাহি থকা বুলিও ধৰিব পাৰি।


**পৃথিৱীৰ ব্যাস গণনা :** সময় খৃ. পূ. তৃতীয় শতিকা, স্থান—পৃথিৱীৰ জ্ঞান, বিজ্ঞান, ব্যৱসায়ৰ মধ্যমণি স্বৰূপ আলেকজেণ্ড্ৰিয়া নগৰ। এই নগৰ ইজিপ্টত গ্ৰীকসকলে স্থাপন কৰে। জ্ঞান-পিপাসু, গ্ৰিক শাসকসকলে আলেকজেণ্ড্ৰিয়াৰ অতি বিখ্যাত মিউজিয়ামত সমসাময়িক জ্ঞান-বিজ্ঞানৰ পুথিসমূহ সংগ্ৰহ কৰি এটা বিৰাট পুথিভঁৰাল গঢ়ি তুলিছিল। এই পুথিভঁৰালত সঞ্চিত জ্ঞান, পৰ্যবেক্ষণ, পৰীক্ষা আৰু গণনা ব্যৱহাৰ কৰি এৰাটোস্থিনিজ পৃথিৱীৰ ব্যাস আৰু পৰিধি গণি উলিওৱাত সফল হয়। ঘটনাটো ঘটিছিল এনেদৰে :

প্ৰাচীন পেপিৰাছ (ইজিপ্টবাসীয়ে পেপিৰাছত লিখিছিল।) এখন অধ্যয়ন কৰোঁতে তেওঁ গম পালে— ইজিপ্টৰ দক্ষিণাংশত অৱস্থিত ছাইন নগৰত প্ৰতি বছৰে ২১ জুনৰ দিনাখন পোন-ভাৱে থিয়কৈ ৰখা লাঠি এডালৰ ছাঁ দুপৰীয়া নাইকিয়া হয়। ২১ জুন বছৰৰ দীঘল দিন (উত্তৰ গোলাৰ্ধত)। সেইদিনা ছাইন নগৰীৰ অতি গভীৰ নাদৰ পানীতো সূৰ্যৰ পোহৰ অলপ সময়ৰ বাবে হ'লেও পৰে।

এনে তথ্য এটা বহুতে মন নকৰিলেহেঁতেন। কিন্তু বিজ্ঞানীমনৰ এৰাটোস্থিনিজে ভাবিলে— আলেকজেণ্ড্ৰিয়াত ২১ জুনৰ দিনা উলম্ব বস্তু এটাৰ ছাঁ নাইকিয়া হ'ব নে?' —এনে কৌতূহল, চিন্তা বা প্ৰশ্নৰ পৰাই মহৎ পৰীক্ষাৰ আৰম্ভ হয়। তেওঁ আলেকজেণ্ড্ৰিয়াত পৰীক্ষা কৰি গম পালে যে ২১ জুনৰ দিনা দুপৰীয়া সময়তো থিয় লাঠি এডালৰ ছাঁ নাইকিয়া নহয় আৰু গভীৰ নাদৰ দ পানীত সূৰ্যৰ পোহৰ নপৰে; অথচ ছাইনত একে সময়তে ছাঁটো নাইকিয়া হয়। পৃথিৱীখন চেপেটা হ'লে এনে হ'ব নোৱাৰে।

পৃথিৱীখন ঘূৰণীয়া বুলি ধৰিলে অৱশ্যে সমস্যাটো বেলেগ ধৰণে আলোচনা কৰিব পাৰি। ২১ জুনৰ

দিন্না দুপৰীয়া সূৰ্য কৰ্কট ক্ৰান্তিৰ ওচৰতে থকা ছাইনৰ ওপৰত উল্লম্ব-ভাৱে অৱস্থিত হয়। ছাইনৰ উত্তৰে অৱস্থিত আলেকজেন্দ্ৰিয়াত সূৰ্যৰ পোহৰ বেঁকাকৈ পৰিব। লাঠি এডালৰ ছাঁৰ দৈৰ্ঘ্য দুপৰীয়া জুখি তেওঁ গম পালে যে ছাইন আৰু আলেকজেন্দ্ৰিয়াৰ মাজৰ কৌণিক দূৰত্ব প্ৰায় ৭ ডিগ্ৰিতকৈ অলপ বেছি। আনহাতে মানুহ লগাই জুখি তেওঁ ছাইন আৰু




আলেকজেন্দ্ৰিয়াৰ মাজৰ দূৰত্ব ৫০০ মাইল বুলি নিৰ্ণয় কৰিলে। গতিকে অংকটো হ'ল এনেকুৱা :— ভূগোলকৰ সাত ডিগ্ৰি কৌণিক দূৰত্ব, ভূপৃষ্ঠৰ ৫০০ মাইল হ'লে ৩৬০° কৌণিক কিমান মাইলৰ সমান হ'ব ? উত্তৰটো হ'ল ৫০০×৩৬০/৭ = ৫০০ × ৫০ = ২৫,০০০ মাইল। অৰ্থাৎ পৃথিৱীৰ পৰিধি ২৫০০০ মাইল। এই উত্তৰ আধুনিক মানৰ ওচৰা-উচৰি।

২১ জুনৰ দিনাখন আলেকজেন্দ্ৰিয়াৰপৰা ৫০০ মাইল দক্ষিণে অৱস্থিত, ছাইন নগৰীত সূৰ্যৰ পোহৰ দুপৰীয়া ঠিক লম্বভাৱে পৰে। কিন্তু আলেকজেন্দ্ৰিয়াত সেইদিনা দুপৰীয়া সূৰ্যৰ কিৰণে উল্লম্ব ৰেখাৰ লগত ৭° কোণ কৰি থাকে। পৃথিৱীখন সম্পূৰ্ণ সমতল হোৱা হলে দুয়ো ঠাইতে একে সময়ত পোহৰ লম্বভাৱে পৰিলহেঁতেন। পৃথিৱী গোলাকাৰ বুলি ধৰিলে ত্ৰিকোণমিতিৰ সহায়ত সহজে দেখুৱাব পাৰি যে ৫০০/৭ = পৰিধি/৩৬০

(বিঃ দ্ৰঃ ঃ কোণ আৰু দূৰত্বৰ জোখ লওঁতে এৰাটোস্থিনিজৰ ভুল হোৱাৰ ফলত হে ইমান শুদ্ধমান ওলাইছিল হেনো।)]

১৬ পৃষ্ঠাৰ পিছৰ পৰা

দিয়া ব্যৱস্থাও সন্নিবিষ্ট কৰা হৈছে। ৯২-ক ধাৰাত সান্নিবষ্ট এই ব্যৱস্থামতে স্থায়ীভাৱে অক্ষম হোৱা লোকৰ প্ৰতি-জনকে সাতহাজাৰ পাঁচশকৈ, আৰু মৃত্যুৰ ক্ষেত্ৰত পোন্ধৰ হাজাৰকৈ টকাৰ ক্ষতিপূৰণ তৎকালীনভাৱে আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে এই তৎকালীন ক্ষতিপূৰণ পাছত মূল দাবীৰ গোচৰত ধাৰ্যকৃত ক্ষতিপূৰণৰ লগত সংযোজিত কৰা হয়। তথাপি ক্ষতিগ্ৰস্ত লোকৰ বাবে এই তৎকালীন ক্ষতিপূৰণৰ ব্যৱস্থা অতি গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয়।

১৯৮২ চনৰ সংশোধনীয়ে দুৰ্ঘটনাৰ ক্ষতিপূৰণৰ অন্য এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰতো এক বিশেষ ব্যৱস্থা কৰিছে। ১০৯-ক ধাৰাত সন্নিলিত বিশেষ ব্যৱস্থামতে যিবিলাক দুৰ্ঘটনাত দুৰ্ঘটনাকাৰী মটৰ গাড়ীৰ চিনাক্তকৰণ সম্ভৱপৰ নহয়, তেনে দুৰ্ঘটনাত প্ৰতিজন মৃত ব্যক্তিৰ ক্ষেত্ৰত পাঁচ হাজাৰকৈ আৰু গুৰুতৰভাৱে আহত প্ৰতিজন ব্যক্তিৰ ক্ষেত্ৰত এহেজাৰকৈ টকাৰ ক্ষতিপূৰণ আদায় কৰাৰ ব্যৱস্থা কৰা হৈছে। সাধাৰণ বীমা নিগম, সাধাৰণ বীমা কোম্পানিসমূহ আৰু কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বৰঙণিৰে কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰা ছোলেছিয়াম ফাণ্ড (solatium fund) নামৰ এক বিশেষ নিধিৰ পৰা এনে ক্ষতিপূৰণ আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে। গতিকে দুৰ্ঘটনা হোৱা গাড়ীৰ চিনাক্তকৰণ সম্ভৱ নোহোৱা বাবেও উক্ত ধৰণে সীমিত ক্ষতিপূৰণ দাবী কৰিব পৰা যায়। এনে দাবীৰ আবেদনৰ ক্ষেত্ৰতো উক্ত ১১০ ক ধাৰাৰ বিধানেই সাধাৰণভাৱে প্ৰযোজ্য যদিও, এনে ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে স্থিৰ কৰা আঁচনিমতে বিধি-ব্যৱস্থা নিৰূপিত হয়। প্ৰচলিত আঁচনিমতে এনে ক্ষেত্ৰত উপযুক্ত প্ৰপত্ৰত স্থানীয় উপায়ুক্তৰ ওচৰত এনে অনুবেদন দাখিল কৰাৰ ব্যৱস্থা কৰা হৈছে। আঁচনি অনুযায়ী মহকুমাধিপতিসকলক দাবী তদন্ত বিষয়া হিচাপে দাবীৰ নায্যতা আৰু যৰ্থাথতা তদন্ত কৰাৰ দায়িত্ব দিয়া হৈছে আৰু উপায়ুক্তসকলক ক্ষতিপূৰণৰ বন্দবস্ত কৰাৰ ভাৰ দিয়া হৈছে। উপায়ুক্তসকলৰ হুকুম অনুযায়ী এনে ক্ষতিপূৰণ উল্লিখিত নিধিৰ পৰা ৰাজ্যৰ পৰিবহন আয়ুক্তই আদায় দিয়ে।

সামাজিক ন্যায়ৰ ভিত্তিত প্ৰস্তুত কৰা উক্ত আইনৰ বিধি-বিধান অনুসৰি নায্য ক্ষতিপূৰণৰ দাবী মটৰ দুৰ্ঘটনাত দুৰ্ভোগ ভোগা আৰু ক্ষতিগ্ৰস্ত হোৱা প্ৰত্যেক নাগৰিকেই কৰিব পাৰে। আৰ্থিক দুৰৱস্থাৰ বাবে যিসকল লোকৰ উকীল নিযুক্ত কৰি আবেদন কৰাৰ বা আবেদনৰ তদন্ত কৰোৱাৰ সামৰ্থ্য নাই, তেনে লোকে চৰকাৰৰ খৰচত বিনামূলীয়া আইন সাহায্যও দাবী কৰিব পাৰে আৰু চৰকাৰী খৰচত উকীল নিযুক্ত কৰাই গোচৰ পৰিচালনা কৰাবৰ বাবে ন্যায়াধিকৰণৰ ওচৰত আবেদন জনাব পাৰে। মাননীয় উচ্চতম ন্যায়ালয় আৰু উচ্চন্যায়ালয়সমূহৰ সিদ্ধান্তমতে দুখীয়ালোকক আইনৰ এনে বিনামূলীয়া সাহায্যৰ বাবে চৰকাৰ দায়বদ্ধ আৰু বাধ্য।





# কলিকাতাৰ অসমীয়া ছোৱালী বন্দনা কোন ?

ডঃ দিলীপ কুমাৰ দত্ত

যোৱা বছৰ অসমৰপৰা উভতি অহাৰ পাছত মোৰ বহুত আমেৰিকান বন্ধু-বান্ধৱে বাৰে-বাৰে মোক অসমীয়া ছোৱালীৰ বিষয়ে সোধা কাৰণে মই আচৰিত হৈছিলো। ''তোমালোকৰ অসমীয়া ছোৱালীবিলাক বৰ ভাল নহয় ?' এজনী অসমীয়া ছোৱালীক লগ পাবলৈ মই যে কিমান আকুল হৈছোঁ তোমাক কেনেকৈ কওঁ ?' অসমীয়া ছোৱালী-বিলাক বোলে বৰ মৰম লগা আৰু সাহসী হয়নে ?' ইত্যাদি প্ৰশ্নৰ হঠাৎ কিয় সন্মুখীন হ'ব লগীয়া হৈছিলোঁ তাক ভাবি মই পাৰ নোপোৱা হৈছিলো। শেষত এদিন আমাৰ বিশ্ব-বিদ্যালয়ৰে ৰাজনীতিৰ অধ্যাপক, শাক-আহাৰী আৰু মোৰ বন্ধু আৰ্ট ষ্টাইনেও কথাই-কথাই মোৰ আগত অসমীয়া ছোৱালীৰ কথা উল্লেখ কৰাত মই সুধিলো, ''আৰ্ট, আমেৰিকান-সকলৰ হঠাৎ কিয় অসমীয়া ছোৱালীৰ প্ৰতি প্ৰেম জাগিছে তই জাননে ?"

মোৰ প্ৰশ্ন শুনি আৰ্টে আচৰিত হৈ উত্তৰ দিলে,—''কিয়, তই কলিকাতাৰ অসমীয়া ছোৱালী বন্দনাৰ কথা পঢ়া নাই নেকি ?"

''বন্দনা ? কোন বন্দনা ? ক'ত মই দেখোন ক'তো একো দেখা নাই ?" মই ক'লো।

মোৰ কথা শুনি আৰ্ট আৰু আচৰিত হৈ মন্তব্য কৰিলে,— ''আৰে, তই অসমীয়া হৈ বন্দনাৰ কথা নাজান। আজি গোটেই পৃথিৱীয়ে বন্দনাৰ কথা লেপিয়েৰৰ ছিটি অৱ জয় নামৰ কিতাপখনত পঢ়িছে। তই কিতাপখন এতিয়াও পঢ়া নাই নেকি ? সেইখন এতিয়া কিজানি পৃথিৱীৰ ভিতৰতে আটাইতকৈ জনপ্ৰিয় পুথি। প্ৰভিডেন্স জাৰ্নেলত মই কিতাপখনৰ বিষয়ে লিখা এটা পৰিচয়-আলোচনা ওলাইছে। সেইটো পঢ়িলে সকলো বুজিবি।'

## লেপিয়েৰ আৰু আনন্দ-নগৰ

ফৰাচী লেখক ডমিনিক লেপিয়েৰ আজিৰ বিশ্বৰ এগৰাকী অতি জনপ্ৰিয় ব্যক্তি। তেওঁৰ 'ইজ পেৰিছ বাৰ্নিং', 'অৰ আই উইল ড্ৰে'ছ ইউ ইন মনিং', 'অ' জেৰুজালেম' আৰু 'দি ফিফথ হৰ্ছমেন' পৃথিৱীৰ বহু ভাষালৈ ভাঙনি কৰা হৈছে আৰু সেইবিলাক কোটি-কোটি লোকে পঢ়িছে। কেৱল লেখক ৰূপেই নহয়, সমাজ-সেৱক আৰু আজিৰ যুগৰ এগৰাকী প্ৰগতিশীল ঐতিহাসিক ৰূপেও তেওঁৰ বিশেষ খ্যাতি। আজি কেই বছৰমান আগতে তেওঁ আনন্দ-নগৰ নামে জনাজাত কলিকাতাৰ এক লেতেৰা জন-বসতি অঞ্চলত কটাই নানান অনুসন্ধান চলায় আৰু সেই অভিজ্ঞতাকে ভেঁটি কৰি ফৰাচী ভাষাত 'লা ছিটে দ লা জুঅ' নামে পুথিখন প্ৰকাশ কৰে। ১৯৮৫ চনত সেই পুথি ইংৰাজী ভাষালৈ 'দি ছিটি অৱ জয়' নামেৰে ভাঙনি কৰা হয়। দুয়ো ভাষাতে বৰ্তমান এই পুথিখনে আটাইতকৈ বেছি বিক্ৰি হোৱা পুথিবিলাকৰ তালিকাত শীৰ্ষ স্থান অধিকাৰ কৰি আছে। কলিকাতাৰ বোকা, মাটি-বালি আৰু আৱৰ্জনাত লুতুৰি-পুতুৰি হৈ জীৱন অতিবাহিত কৰা লোকসকলৰ বিষয়ে লিখিয়েই লেপিয়েৰ ক্ষান্ত থকা নাই। তেওঁ 'এক্সন এইড ফৰ লে'পাৰছ চিলড্ৰেন অৱ কেলকাতা' নামে এটা সস্থাও প্ৰতিষ্ঠা কৰিছে আৰু নিজে আনন্দ-নগৰৰ কিতাপৰপৰা পোৱা টকাৰ আধা সেই লোকসকলৰ সেৱা-শুশ্ৰূষা আদিৰ কাৰণে ব্যয় কৰিম বুলি প্ৰতি-শ্ৰুতি দিছে। এই টকাৰ পৰিমাণ বছৰি ৪০ লাখমান হ'ব বুলি অনুমান কৰা হৈছে। ইতিমধ্যে, তেওঁ আনন্দ নগৰলৈ ৫০ লাখ টকা পঠিয়াইছে।

## বন্দনাৰ পৰিচয় ঃ

এখন নগৰৰ কাহিনী যেতিয়া 'ছিটি অৱ জয়'ৰ নায়ক-নায়িকা বহুতো। তথাপি এইটো বিনা দ্বিধাই ক'ব পাৰি যে অসমীয়া ছোৱালী বন্দনাই এক প্ৰকাৰ প্ৰধান নায়িকা ৰূপে এই পুথিত জিলিকি আছে। 'ছিটি অৱ জয়'ত বন্দনাক আমি প্ৰথম দেখিবলৈ পাওঁ ১৬৩ পৃষ্ঠাত তেওঁ আৰু আনন্দ-নগৰৰ আন কেইগৰাকীমান বাসিন্দাই তাত বাস কৰা ৰাইজৰ ভালৰ কাৰণে কি কৰিব পাৰে তাৰ পৰামৰ্শ বিচাৰি তেওঁলোকৰ মাজলৈ অহা খৃষ্টিয়ান যাজক কভালেস্কিৰ ওচৰলৈ গৈছিল। কভালেস্কিয়েও বিচাৰিছিল যে হিন্দু, মুছলমান, খৃষ্টিয়ান আৰু সকলো সজ ইচ্ছাৰ ব্যক্তিয়ে যেন তেওঁলোকৰ দুখ-দুৰ্গতিৰে ভৰা জীৱনৰ আৰু ধৰ্ম-বাণীৰ মাজত সম্পৰ্ক, তথা খৃষ্ট অৱতাৰ আৰু তেওঁৰ কৰ্ম চলাই থাকিবলৈ গা পাতি লোৱাসকলৰ মাজৰ সম্বন্ধটো উপলব্ধি কৰে। লেপিয়েৰৰ মতে, —সেই সন্ধিয়া তাইৰ শ্ৰম আগ বঢ়াবলৈ অহা সেই অসমীয়া ছোৱালীজনীয়ে সেই সম্পৰ্ক যিমান নিবিড়ভাৱে হৃদয়ংগম কৰিছিল, তেনেদৰে আন কোনেও উপলব্ধি কৰা যেন নালাগে। পিঠিত ওলমিপৰা বেণী, সৰু-সৰু পাহিকটা চকু আৰু গোলাপী গালেৰে তাই দেখিবলৈ চীনা পুতলাৰ নিচিনা লাগিছিল। তাইৰ নাম আছিল বন্দনা— তাৰ মানে ভগৱানৰ স্তুতি। তাই বৌদ্ধ ধৰ্মী আছিল যদিও বাইবেলৰ বাণীয়ে তাইক তৎক্ষণাত মুগ্ধ কৰিছিল। আনৰ সেৱাতে ভগৱানক পোৱাৰ শ্ৰেষ্ঠ উপায় বোলা বাণীয়ে তাইৰ অন্তৰতাক স্পৰ্শ কৰিলে। কভালেস্কিয়ে মন্তব্য কৰিছিল যে যেতিয়াই কোনো দুৰ্ভগীয়াই তেওঁৰ দুৰ্দশা বৰ্ণনা কৰিছিল, তেতিয়াই তাইৰ মুখ-মণ্ডল এক দুখৰ প্ৰকাশলৈ ৰূপান্তৰিত হৈছিল ; সকলোৰে দুখ-কষ্টকে তাই আপোন কৰিছিল। আনৰ প্ৰতি অতি-মাত্ৰা সমানুভূতিশীল এই ছোৱালী-জনী কিন্তু নিজৰ ক্ষেত্ৰত অতিশয় লাজুকী আছিল। তাইৰ বিষয়ে কিবা



OKDISCD

সুধিলেই তাই শাৰীৰ আগেৰে মুখ ঢাকি লাজত তল মূৰ কৰিছিল।

অসমৰ বন অঞ্চল আধুনিক নগৰীকৰণত বিধ্বস্ত হোৱা কাৰণে দুৰ্বহ হোৱা জীৱনক আন কিবা গতি দিবৰ প্ৰয়াসেৰে বন্দনাৰ মাক-দেউতাকে বন্দনাৰ চাৰি বছৰ বয়সতে অসম এৰি আনন্দ-নগৰলৈ আহিছিল। দুৰ্ভাগ্যবশতঃ কেইবছৰমান পাছতে বন্দনাৰ দেউতাকৰ মৃত্যু হোৱাত তাইৰ মাকে কলিকাতাৰ আৱৰ্জনাৰ পৰা লোহা, টিন-পাত বুটলি-বুটলি কোনোমতে তেওঁৰ ল'ৰা-ছোৱালী চাৰিটাক পোহপাল দিছিল; কিন্তু তেৱোঁ সোনকালেই যক্ষ্মা ৰোগত আক্ৰান্ত হয়। সেয়েহে ১২ বছৰ বয়সৰ পৰাই বন্দনাই পৰিয়ালটোক পোহপাল দিবলৈ কাৰখানা এটাত কাম কৰিবলগীয়া হয়। কামৰ কাৰণে বন্দনাই ৰাতিপুৱা পাঁচ বজাতে ঘৰৰপৰা ওলাইছিল আৰু দুঘণ্টা বাছত যোৱাৰ পাছত তিনি মাইল বাট খোজ কাঢ়ি যাব লাগিছিল। তথাপি দেওবাৰ আৰু আন বন্ধৰ দিনত বন্দনাই জিৰণি নলৈ বস্তিৰ চুকে-কোণে থকা দুৰ্দশাগ্ৰস্তলোক কাক ক'ত কেনেকৈ সহায় কৰিব পাৰে বিচাৰি ফুৰিছিল।

যাজক কভালেস্কিয়ে পাছত ইউৰোপৰ পৰা পোৱা দান-বৰঙণিৰ সহায়ত বন্দনাক কাৰখানাৰ কামৰপৰা একৰাই তেওঁ প্ৰতিষ্ঠা কৰা আনন্দ-নগৰৰ পৰস্পৰ সহায় সস্থাৰ কামত লগায়; কাৰণ 'আনৰ লগত কামৰ বা কথাৰ ভাগ লোৱা, আনৰ ধৰ্ম আৰু বিশ্বাসৰ প্ৰতি শ্ৰদ্ধাভাজন হোৱাৰ ক্ষেত্ৰত বন্দনাৰ সমকক্ষ কোনো নাছিল। মৃতসকলৰ শেষ উক্তি কেনেকৈ শুনিব লাগে, মৃতসকলৰ পৰিয়ালৰ লগত কেনেদৰে প্ৰাৰ্থনা কৰিব লাগে, মৰা শ কেনেকৈ পৰিষ্কাৰ কৰিব লাগে, মৃতলোকক কবৰস্থান বা খৰি দিয়া ঠাইলৈ কেনেকৈ নিব লাগে আদি সকলো তাই জানিছিল। এইবিলাক তাইক কোনেও শিকোৱা নাছিল; তথাপি তাই নিজৰ অন্তৰ্দৃষ্টি, সহৃদয়তা আৰু মৰমেৰে সকলোখিনি জানিব পাৰিছিল। আনৰ লগত যোগাযোগ কৰিবলৈ থকা তাইৰ অসাধাৰণ প্ৰতিভাৰ কাৰণে তাই যিকোনো লোকৰ ঘৰৰ ভিতৰলৈ ধৰ্ম বা জাতি-বিচাৰৰ কোনো বাধা নোপোৱাকৈ গতি কৰিব পাৰিছিল; এই ক্ষমতা এই কাৰণেই অধিক মহত্বপূৰ্ণ যে তাই অবিবাহিতা আছিল।"

কভালেস্কিৰ লগত কাম কৰিবলৈ লোৱাৰ পাছত বন্দনা কামে-কাজে এগৰাকী নাৰ্ছ হৈ পৰে। তাই সপ্তাহে দুই-তিনি দিন কলিকাতাৰ ৰোগী বা মৰোঁ-মৰোঁ হোৱা লোকক কলিকাতাৰ হস্পিটেলবিলাকলৈ নিবলৈ লয়। সেইসকলক যাতে মানুহৰ দৰে ব্যৱহাৰ কৰা হয় আৰু তেওঁলোকক ডাক্তৰে প্ৰেছক্ৰিপশ্যনত দিয়া দৰববিলাক যাতে ঠিকমতে দিয়া হয় তাৰ কাৰণে বন্দনাই কেতিয়াবা উচ্চস্বৰে দাবী কৰি, কেতিয়াবা ধুমুহাৰ দৰে সোমাই বনৰীয়া জন্তুৰ দৰে আৰ-তাৰ লগত যুঁজিছিল। অতি কম সময়ৰ ভিতৰতে বন্দনা সেই পৰস্পৰ সহায় সস্থাৰ ঘাই খুটা আৰু সাহসৰ স্বৰূপ যেন হৈ পৰিল আৰু অতি সোনকালেই দুৰ্ভগীয়াসকলে তাইক 'আনন্দ-নগৰকা স্বৰ্গ-দূত' বুলিবলৈ ল'লে। মুখত এমোকোৰা হাঁহি লৈ কাম কৰি যোৱা পঁৰদুখকাতৰ বন্দনাৰ নানা সৎ কাম লেপিয়েৰে বৰ্ণনা কৰিছে।

বন্দনাৰ সাহসৰ পৰিচয়ো লেপিয়েৰে কেইবাটাও ঘটনাৰ মাজেদি বৰ্ণাইছে। আনন্দ-নগৰত কুষ্ঠৰোগীৰ কাৰণে এটা ডিস্পেনছাৰি আৰম্ভ কৰিবলৈ ওলাওঁতে কভালেস্কি-বন্দনাহঁতক তাৰ গুণ্ডাৰ চৰ্দাৰে বাধা দিলে আৰু তেওঁক তিনি হাজাৰ টকা দিলেহে নিৰ্বিঘ্নে ডিস্পেনছাৰি পাতিব পাৰিব বুলি জনালে। সেই গুণ্ডাসকলৰ অত্যাচাৰ-উৎপীড়নৰ কথা জানি বহুতেই সেই টকাখিনি দিবলৈকে পৰামৰ্শ দিলে। কিন্তু বন্দনাই গুজৰি উঠিল, "এই অসুৰক ভগৱানে দমন কৰক। তাক এটা টকা দিয়া মানেই সকলো দুখীয়া-নিচলাৰ স্বাৰ্থক বিশ্বাসঘাতকতা কৰা।" সেয়া বন্দনাৰ মুখৰ কথা নাছিল; —এসপ্তাহ পাছত যেতিয়া সেই ডিস্পেনছাৰি খুলিবলৈ লওঁতে গুণ্ডাহঁতে লাঠী, লোহা লৈ বাধা দিলে, তেতিয়া বন্দনাই আটাইতকৈ আগত গৈ সিহঁতৰ সন্মুখীন হ'ল।

কিতাপখনৰ পিছৰ পিনে বন্দনাৰ চৰিত্ৰৰ কিছুমান মধুৰ দিশ প্ৰকাশ পাইছে। আনন্দ-নগৰত কভালেস্কিৰ প্ৰচেষ্টাক সহায় কৰিবলৈ আগ বাঢ়ি আহিল নতুনকৈ ডাক্তৰী পাছ কৰা আমেৰিকাৰ ডেকা মেক্স। মেক্সক সহায় কৰাৰ ভাৰ পৰিল বন্দনাৰ ওপৰতে। আমেৰিকাৰ এজন কোটীপতিৰ পুতেক আৰু এগৰাকী চৌখীন, চহকী, উচ্চ শিক্ষিতা ছোৱালীক বিবাহ কৰিম বুলি আঙঠি পিন্ধাই অহা মেক্সক কলিকাতাৰ বোকাৰ পদুম বন্দনাই তৎক্ষণাৎ আকৰ্ষণ কৰিলে। ৰঙা শাৰীৰ বন্দনাক প্ৰথমবাৰ দেখা মাত্ৰকে মেক্সৰ কোনোবা ছবিৰ ৰাজকুঁৱৰীক দেখা যেন লাগিল। লেপিয়েৰৰ মতে পশ্চিমীয়া দেশত কেতিয়াও নেদেখা কিন্তু আনন্দ-নগৰত সঘনে দেখা দিয়া নানা ধৰণৰ অসুখ-বিসুখ বন্দনাৰ অবিহনে মেক্সে কেতিয়াও চিনিবলৈ নিশিকিলেহেঁতেন।

লেপিয়েৰৰ বন্দনা কাল্পনিক চৰিত্ৰ নহয়—কলিকাতাৰ বন্দনা, আনন্দ-নগৰৰ বন্দনা সঁচা তেজ মঙহৰ এজনী অসমীয়া ছোৱালী। চাৰি বছৰ বয়সতে খাবলৈ নাপাই অসম এৰিবলগীয়া হোৱা বন্দনাই নিজকে আজিও অসমীয়া বুলিয়েই পৰিচয় দিয়ে আৰু অসমীয়া বুলিয়েই লেপিয়েৰৰ অমৰলিখনীত আত্মপ্ৰকাশ কৰিলে। অকল সেয়ে নহয়, নিজৰ মোহময়ী চৰিত্ৰৰে তেওঁ আজি গোটেই বিশ্বৰ আগত অসমীয়া জাতিক গৌৰৱান্বিত কৰিলে। সেয়েহে, বন্দনাক বিচাৰি যাবলৈ আৰু অসমলৈ নি বন্দনাক অসমীয়াৰ লগত পৰিচয় কৰি দিবলৈ প্ৰবল ইচ্ছা হয়। মই সেইখিনি পোৱাৰ আগতে আন কোনোবাই যদি কলিকাতাৰ আনন্দ-নগৰত আজিও সমাজ-সেৱা কৰি কাল কটোৱা অসম-জীয়ৰী বন্দনাৰ বিচাৰ লৈ আমাক জনায় তেনেহলে পৰম কৃতজ্ঞ হম।

১২।৩।৮৭





# সংকেত আৰু চিহ্ন

এবাৰ এজন ভদ্ৰলোকে এটা বিচিত্ৰ অভিজ্ঞতা বৰ্ণাইছিল। ভদ্ৰলোক প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ বিশেষজ্ঞ। সেই সূত্ৰে তেওঁ এদল কৰ্মীৰে সৈতে মধ্য ভাৰতৰ এখন ভিতৰুৱা জনজাতীয় গাঁৱত ছবি আৰু চিহ্নৰ ব্যৱহাৰ সম্পৰ্কে অধ্যয়ন কৰিবলৈ গৈছিল। গাঁৱৰ মানুহখিনিয়ে এটা বিশ্ববিখ্যাত সংকেতৰ ওলোটা ব্যৱহাৰ কৰা দেখি তেওঁলোক আচৰিত হৈছিল। চিহ্নটো আছিল লাওখোলা আৰু দুদাল হাড়ৰ 'বিপদ' সংকেত। কিন্তু সেই জনগোষ্ঠীটোৱে পৰম্পৰাগতভাৱে লাওখোলাক শুভ-সংকেত বুলি ব্যৱহাৰ কৰি আহিছে। ফলত তেওঁলোক এনে এটা পৰ্যায়ত আছে যে 'বিপদ' সংকেত থকা লাইট-প'ষ্টত বগাবলৈ বা বিষাক্ত দ্ৰব্য সেৱন কৰিবলৈ তেওঁলোকে হেতা-ওপৰাহে লগাব পাৰে।

প্ৰচলিত বিপদ-সংকেতক শুভ-সংকেত বুলি ভাবিব পৰা জনগোষ্ঠী মধ্য-ভাৰততে নহয়— উত্তৰ-পূৰ্বাঞ্চলতো আছে, আমাজনৰ পাৰতো আছে। যাৰ ফলত অত্যাধুনিক ঔষধ আৰু দ্ৰব্য আদিত আন্তঃৰাষ্ট্ৰীয়ভাৱে ব্যৱহৃত হোৱা চিহ্ন আৰু সংকেতসমূহে ভয়াবহ দুৰ্ঘটনা ঘটোৱাৰ সম্ভাৱনা থাকি যায়।

জেনেভাত অৱস্থিত আন্তঃৰাষ্ট্ৰীয় প্ৰমিতকৰণ সংস্থাই (ইণ্টাৰনেশ্যনেল অৰ্গেনাইজেশ্যন ফৰ ষ্টেণ্ডাৰ্ডাইজেশ্যন) এনে এলানি সংকেত-চিহ্ন প্ৰস্তুত কৰিছে যাৰ ব্যৱহাৰে ভয়াবহ দুৰ্ঘটনা আদি ৰোধ কৰাত সহায় কৰিব পাৰে। ৭২ খন দেশৰ ৰাষ্ট্ৰীয় প্ৰমিতকৰণ সংস্থাসমূহে এই সংকেত-চিহ্নসমূহ অনুমোদন কৰিছে।

এই নতুন সংকেত-চিহ্নসমূহত নিৰ্দিষ্ট অৰ্থ বহন কৰিব পৰাকৈ চাৰিটা বেলেগ বেলেগ ৰং আৰু তিনিটা প্ৰাথমিক আকৃতি ব্যৱহাৰ কৰা হ'ব। এই ৰং আৰু আকৃতিকেইটাৰ প্ৰয়োগৰ দ্বাৰা বিভিন্ন যন্ত্ৰপাতি ঔষধ আৰু দ্ৰব্যৰপৰা হ'ব পৰা বিভিন্ন দুৰ্ঘটনা ৰোধ কৰিবলৈ যিবোৰ সংকেত উদ্ভাৱন কৰা হৈছে, তাৰ প্ৰতি ৰাষ্ট্ৰ-সংঘ আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ দৰে অনুষ্ঠানসমূহে সন্মতি প্ৰকাশ কৰিছে।

তৃতীয় বিশ্বৰ (অৰ্থাৎ অনুন্নত দেশসমূহৰ) বেছি ভাগতে জনসংখ্যাৰ অধিক অংশ নিৰক্ষৰতাৰ এনে পৰ্যায়ত আছে যে তাত এই সংকেতসমূহত বাদে আন উপায়েৰে জ্ঞান বিস্তাৰ কৰা সম্ভৱ নহয়। সংকেতৰ সহায়ত জ্ঞান অৰ্জন কৰিব পৰা এই ক্ষমতাক মানুহৰ 'চাক্ষুষ সাক্ষৰতা' (visual literacy) বোলা হৈছে।

ৰাষ্ট্ৰ-সংঘৰ শিশু জৰুৰীকালীন সংস্থাৰ এজন গৱেষক জৰ্জ মেক্‌বিনৰ মতে আফ্ৰিকাৰ কিছুমান দেশৰ আওহতীয়া ঠাইত এনে কিছু মানুহে কাম কৰে যাৰ বাবে সংকেত, ফটোগ্ৰাফ, প'ষ্টাৰ আদিয়েও একে অৰ্থ বহন নকৰে। কেনিয়াৰ ৰেনডিল নামৰ এটা জনগোষ্ঠীৰ লোকে চলচ্চিত্ৰত দেখুউৱা মহৰ ছবিক দৈত্য-জাতীয় কিবা বুলি ভাবি সন্ত্ৰস্ত হৈ পৰিছিল; মেকবিনৰ এনে অভিজ্ঞতাও হৈছিল। আনৰ মুখত ৰেলগাড়ীৰ বৰ্ণনা শুনা ভিতৰুৱা গাঁৱৰ যুৱকে শস্যত চামচেকজাতীয় পোকৰ প'ষ্টাৰ দেখি পোকটোকে ৰেল গাড়ী বুলি ভবাৰ ঘটনা আমাৰ দেশতেই শুনিবলৈ পোৱা যায়।

গৱেষকসকলে ঠাৱৰ কৰিছে যে চাক্ষুষ (visual) অভিজ্ঞতাৰ অভাৱতেই বহু কোটি মানুহে এতিয়াও এইখন পৃথিৱীতে নিৰক্ষৰতা আৰু জ্ঞানহীনতাৰ অভাৱনীয় নিম্নস্তৰত বাস কৰিছে। আখৰ পঢ়িব পৰা ক্ষমতা আয়ত্ত কৰাটো এওঁলোকৰ বাবে অকল্পনীয় কথা।

—সমুদ্ৰগুপ্ত কাশ্যপ

* জম্মু আৰু কাশ্মীৰৰ শ্ৰীনগৰ জিলাৰ কাংগন খণ্ডৰ কিছুমান গাঁৱৰ লোকসকলে য়েটি নামৰ জন্তুটো দেখা বুলি দাবী কৰিছে। অঞ্চলটোৰ লোকসকলে ৰাজ্যিক বন্যপ্ৰাণী বিভাগৰ এটা দলৰ আগত প্ৰকাশ কৰে যে তেওঁলোকে নিশাৰ ভাগত আচৰিত ধৰণৰ চিঞৰৰ একোটা শুনিবলৈ পায়। তেওঁলোকৰে কিছুমানে চাৰি-ঠেঙীয়া এটা নোমাল জন্তু দেখা বুলিও কয়। বন-বিষয়া ৰিয়াজ কাজীৰ নেতৃত্বত বন্যপ্ৰাণী বিভাগৰ এটা দলে স্থানীয় বাতৰি কাকতসমূহত য়েটি সম্পৰ্কীয় বিভিন্ন বা-বাতৰি প্ৰকাশ হোৱাৰ পাছতে বৰফেৰে আগুৰা এই গাঁওসমূহ ভ্ৰমণ কৰে। বচিৰ আহমেদ মিৰ নামৰ এজন গাঁওবাসীয়ে তেওঁলোকৰ আগত প্ৰকাশ কৰা মতে যোৱা ১৪ জানুৱাৰীৰ দিনা এখন কবৰস্থানপৰা উভতি আহোঁতে তেওঁ এই বৰফ-মানৱটোক স্পষ্টকৈ দেখে। অঞ্চলটোৰ এজন চৰকাৰী স্বাস্থ্য বিষয়া ড° বলৱন্ত সিঙৰ মতে তেওঁ এদিন নিশা ৮-৩০ বজাত পৰ্বতৰ ফালে এক আচৰিত চিঞৰ শুনিবলৈ পায়। কিন্তু বাহিৰলৈ আহি তেওঁ একো দেখা নাপালে।

সমগ্ৰ হিমালয় অঞ্চলটো অত্যধিক শীতৰ কবলত পৰাৰ বাবে এই বৰফ মানৱটো তলৰ উপত্যকালৈ নামি আহিব পাৰে বুলি অনেকে ভাবে। ব্যাপক হাৰত বৰফ পৰাৰ ফলত পৰ্বতৰ আন ভালেমান বনৰীয়া জন্তু নামনিলৈ নামি আহি আতংকৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিততে তেওঁলোকে এই যুক্তি আগবঢ়াব খোজে।

আনহাতে বন-পৰিস্থিতিবিদসকলে য়েটিৰ আবিৰ্ভাৱৰ ঘটনাটো সম্পূৰ্ণ কল্পনা-প্ৰসূত বুলি কয়। অঞ্চলটোৰপৰা সংগ্ৰহ কৰা তথ্যৰ ভিত্তিত এই জন্তুটো ছিম্পাঞ্জীহে হ'ব পাৰে বুলি তেওঁলোকে প্ৰকাশ কৰে।



OKDISCD

# এদেও দুদেও…

যোগেশ্বৰ বৰা

বিক্ৰিকৰ পৰিদৰ্শক শ্ৰীৰবীন পাৰমেক কোনোবাই তেখেতৰ ঘৰ ক'ত বুলি সুধিলে তেখেতে হাঁহি মাৰি উত্তৰ দিয়ে 'গৰু গাহৰিৰ মুখত।'

আচলতে তেখেতৰ ঘৰ গোগামুখত। তেখেতৰ মতে গৰু বুজোৱা গো আৰু গাহৰিৰ গা, দুয়োটা মিলি ভৱিষ্যতে লিখিব লগীয়া কিবা এখন ব্যাকৰণৰ মতে হেনো সন্ধি নে সমাস, কিবা এটা হৈ গোগামুখ হৈছে। মানুহজন ৰসাল। কথাই প্ৰতি ৰস। অকল ৰসালেই নহয়, মানুহজনৰ কৰ্তব্য-পৰায়ণতা শলাগিবলগীয়া; আদৰ্শবান বুলি খ্যাতি আছে। সোঁতৰ বিপৰীতে সাঁতুৰিবলৈ গাত বল থাকক নাথাকক, মনত বল আছে।

বিক্ৰিকৰ পৰিদৰ্শক হোৱাৰ আগতে তেখেতে বিদ্যা বিক্ৰি কৰিছিল— মানে মাষ্টৰ আছিল। ভেনচাৰ স্কুলৰ মাষ্টৰ। ৰাতিপুৱাই শুই উঠি মুখখন ধুয়েই স্কুলৰ শেষান্ত (শেষ, আকৌ অন্ত!) পৰীক্ষা দিব লগীয়া ল'ৰা-ছোৱালীকিটাক লৈ বিদ্যাৰ দোকানখন খোলে। তাৰ পাছত দিনটো ঘৰত, স্কুলত আৰু পৰৰ ঘৰত বিদ্যা বিক্ৰি কৰি ৰাতি দহমান বজাত দোকান সামৰে। ইমানকৈ বিদ্যা বিক্ৰি কৰিও তেখেতে বিক্ৰিকৰ দিব নালাগে। তেখেতে বিদ্যাৰ নামমাত্ৰ বিক্ৰিমূল্য লম বুলি ভাবে; ইফালে বিদ্যাৰ গ্ৰাহকসকলে বিদ্যা বিনামূলীয়া বুলি ভাবে। ঘৰ চলোৱাৰ একমাত্ৰ উপায় চাকৰিৰ বেতনটো। ভেনচাৰ স্কুলৰ চাকৰি; —মাহেকৰ মূৰত পাবলগীয়া বেতনটো অনিয়মীয়া; স্কুলৰ কৰ্তব্য-খিনি নিয়মীয়া। ঘৰৰ খৰচৰ বাটটো আৰু বেছি নিয়মীয়া। জোৰা-টাপলি কোনোমতে মাৰিব নোৱাৰে।

এবাৰ অতীষ্ঠ হৈ তেখেতে ইণ্টাৰ-ভিউ এটা দিলে। আচৰিত ঘটনা। তেখেতে চাকৰি পাই গ'ল। বিক্ৰিকৰ পৰিদৰ্শক হৈ, ঘৰৰপৰা আঁতৰি, গাঁও-গাঁও লগা এখন চহৰলৈ গৈ তেখেতে নতুন চাকৰিত যোগদান কৰিলে।

পাৰমে কামত একাগ্ৰপতীয়া। নতুনকৈ বিক্ৰিকৰ পৰিদৰ্শক হৈ নীতি-নিয়মবোৰ ভালকৈ বুজি লবলৈ তেখেতে মহাভাৰতৰ লেখীয়া ডাঙৰ কেইবাখনো কিতাপ কিনিলে। দিনত অফিছ কৰি ৰাতি একবজালৈকে কিতাপ পঢ়ে। কিবা ধাৰা-চাৰা বুজি নাপালে ৰাতি এঘাৰ বজাতো কৰ অধীক্ষকৰ কলিং বেল টিপেগৈ। কৰ অধীক্ষকে পাৰমেক খং কৰিম বুলি ওলাই আহে; কিন্তু পাৰমেৰ মুখৰ অৱস্থা আৰু কথাৰ ছেও দেখি হাঁহি সামৰিব নোৱৰা হয়।

বিদগ্ধ নহ'লেও, কাম চলাব পৰাকৈ বিক্ৰিকৰৰ বিষয়ে জ্ঞান হৈছে বুলি ভাবি এদিন পাৰমে পৰিদৰ্শনত ওলাল। প্ৰথম যিখন ফাৰ্মত সোমাল, তাৰ মালিক মাৰোৱাৰী ভদ্ৰলোক।

ৰাজস্থানৰ মাৰোৱাৰ অঞ্চলৰপৰা অহা ব্যৱসায়ীসকলে হেনো প্ৰথমতে অসমীয়া মানুহ দেখিলেই "ৰাম ৰাম বাবু বুলি সম্ভাষণ জনাইছিল। লাহে লাহে গম পালে, অসমীয়াবোৰ বাবু নহয়, ডাঙৰীয়াহে। গতিকে পাছলৈ অসমীয়া দেখিলেই তেখেতসকলে মাত লগায় "আহক ডাংগৰীয়া, হিয়াতে বহক।"

কথাৰ সুৰটোলৈ মন কৰিলে এনে লাগে যেন হিয়াতে বহক মানে একেবাৰে হিয়াতে— অন্তৰতে বহি লওক। পাছে নহয়, হিয়াতে মানে গাদীত। বগা, গোল-গোল গাৰুৰে শোভিত বগা ঢকঢকীয়া গাদী। দুগ্ধফেনসম বৈকুণ্ঠৰ স্বৰ্ণশয্যা। ডাংগৰীয়াসকলৰ মনবোৰ ডাঙৰ-ডাঙৰ লাগি যায়। ইমান ডাঙৰ-ডাঙৰ লাগে যে এছটাক খোৱাতেল, এপোৱা কেৰাছিনৰ হিচাপ আদি কথাবোৰ বৰ সৰু সৰু লাগে। এছটাক খোৱাতেল, এপোৱা কেৰাছিনৰ জৰিয়তেই খহনীয়া আৰম্ভ হয়। যেন ডাঙৰ ভেটাটোৰ ওপৰেদি জিৰজিৰকৈ বৈ যোৱা পানীৰ সৰু সোঁতটো; সোঁতটো কেতিয়া কেনেকৈ ডাঙৰ হৈ যায় গম পোৱা নাযায়; মাথোন এদিন গম পোৱা যায়— পানী গৈ শেষেই হ'ল।

আজিকালি এছটাক এপোৱা অচল; ডাংগৰীয়াও অচল। আজি-কালি ইংৰাজীৰ বাহাৰ,— আহক ছাৰ' বহক।"

পাৰামে বহিল। গাদীত নহয়, কুছন লগোৱা দামী চেয়াৰত।

ফাৰ্মখনত খদমদম লাগি গ'ল। ছাৰ আহিছে, নতুন ছাৰ। ষ্টিলৰ চিকচিকীয়া গিলাছত মছলা আৰু বেছিকৈ গাখীৰ দিয়া স্পেছিয়েল চাহ আহিল, গৰম চাহ ৰাখিবলৈ টিপচী বাটি আহিল, আহিল ৰকম ৰকম মিঠাই। বহী-পত্ৰ চাই পাৰমে যাবলৈ উঠোঁতে ব্যৱসায়ীজনে এটা ডাঙৰ টোপোলা আগবঢ়ালে।

কিহৰ টোপোলা?

অলপ মিঠাই ছাৰ, ঘৰত বাই-দেৱে খাব।

এলানি ফটকাতহে যেনিবা কোনোবাই জুই লগাই দিলে। ফৰফৰকৈ ফটকাবোৰ ফুটি উঠিল নউ, নউ, নউ…। ব্যৱসায়ীজনে থতমত খাই গ'ল। টোপোলাটো গ্ৰহণ কৰিলে টকা পাঁচশও আগবঢ়াম বুলি ভাবিছিল। এতিয়া তাপমাৰিলে।

পাৰমে গ'ল। ব্যৱসায়ীজনে ফোনটো দাঙি ল'লে,— হেল্লো, নতুন টেক্স ইন্সপেক্টৰ আহিছে। বৰ কাৰা হ'ব যেন পাইছোঁ; ঘোচ-টোচ নাখায়। মাত্ৰ স্পেছিয়েল চাহ খায়।

সৰু চহৰখনৰ সকলো ব্যৱসায়ীয়ে গম পাই গ'ল—নতুন কৰ পৰিদৰ্শকে কেৱল স্পেছিয়েল চাহ খায়।

ডেকা এণ্ড ছন্ছ ফাৰ্মৰ ডেকাই স্পেছিয়েল চাহ নাখায়, চালু চাহ খায়। ছনে চালু চাহো নাখায়, পিয়াহ লাগিলে বিয়েৰ খায়।

নতুন পৰিদৰ্শকৰ খবৰটো পাই ছনে চুলি পকি বুঢ়া হোৱা ডেকাক সুধিলে, "স্পেছিয়েল চাহত কি কি বস্তু দিয়ে ডেডি?"

"স্পেছিয়েল চাহত চাহ কমাই দি মছলা এসোপা বেছিকৈ দিয়ে। কিন্তু কি কি মছলা দিয়েময়ো নাজানো বোপাই।"

উপায়বিহীন হৈ ডেকা আৰু ছনে দোকানত স্পেছিয়েল অৰ্ডাৰ দি স্পেছিয়েল চাহ কৰাই আনি নতুন ছাৰলৈ অপেক্ষা কৰিলে।

প্ৰতিখন দোকানত চিকচিকীয়া ষ্টিলৰ গিলাছ, টিপচী বাটি, স্পেছিয়েল চাহ। চাহ নহয় যেন সকলোৱে ষড়যন্ত্ৰ কৰি পাৰমেৰ বিৰুদ্ধে একোপাট শৰ নিক্ষেপ কৰিছে,— স্পেছিয়েল শৰ! স্পেছিয়েল শৰৰ প্ৰকোপত পাৰমেৰ পৰিদৰ্শন কৰাই মস্কিল হৈ পৰিল। পাৰমেও অকৰা মৈত উঠিল, ষ্টিলৰ গিলাছ আঁতৰাই থৈ বহী-পত্ৰ ওচৰ চপাই ল'লে।

ফোনবোৰ আকৌ দাং খালে,— "হেল্লো, স্পেছিয়েল চাহো নাখায়। কাৰা, একদম কাৰা।"

চহৰখনৰ এমূৰে সোমাই পাৰমেই সিটো মূৰ পাওঁতে প্ৰায় সন্ধিয়া লাগিল। মিষ্টাৰ বৰাৰ দোকানখন চহৰৰ সিটো মূৰত। আচল ব্যৱসায়ী-অঞ্চলত ঘৰ নাপাই বৰাই সিটো মূৰে দোকান খুলিছে। দোকান ঠিকমতে চলা নাই, বিক্ৰিবাট্টা কম। দিনটো দোকানত ঠিক খাপ পিতি বহি থাকি বৰাই সন্ধিয়া সময়ত মনৰ দুখতে হুইস্কিৰ বটল খুলি লয়। নতুন দোকান, ফোন-চোন হোৱা নাই।

পাৰমে বৰাৰ দোকানত সোমাল। বৰাৰ পেটত ইতিমধ্যে যথেষ্ট পৰিমাণে পৰিছিল। মনটো মুকলি-মুকলি, উদাৰ-উদাৰ লাগি গৈছিল। নতুন ছাৰক আদৰ-সাদৰকৈ বহুৱালে। ছাৰ বুলি মাতিলে যদিও ছাৰ নহয় যেনিবা বন্ধুহে। নিজৰ সুখৰ কথা কৈ হাঁহিলে, দুখৰ কথা কৈ কান্দিলে আৰু পাৰমে যাবৰ পৰত টাটা-বিৰলাৰ সুৰত ক'লে, "মই কাকো কেয়াৰ নকৰো। চবেই মোৰ আঙুলি নিৰ্দেশত উঠা-বহা কৰিব। আপোনাকো কেয়াৰ নকৰোঁ ছাৰ। কিন্তু আপোনাক মোৰ ভাল লাগিছে। আপুনি আজিৰ পৰা মোৰ বন্ধু। আপোনাক মই এইটো দিছোঁ; ছাৰ বুলি নহয়, বন্ধু বুলি।"

বৰাই পাৰমেক এটা হুইস্কিৰ বটল দিলে। পূজাই পাৰ্বনে বুলি নহয়, এনেয়েও পাৰমেৰ ঘৰত আপঙৰ প্ৰচলন আছে। পুতেক দূৰত থকাৰ বেজাৰত মাকে এতিয়াও আপং বনালে পুতেকৰ নামত এবাটি আপং জুইত দিয়ে। ঘৰৰ পৰা কোনোবা পুতেকৰ ওচৰলৈ আহিলে, কেইটামান আৰৈ চাউল ভৰাই এবটল আপং পুতেকলৈ দি পঠায়।

বৰাৰ কাবৌ-কোকালি আৰু নিচা-গ্ৰস্ত মানুহটোৰ কথা এৰাব নোৱাৰি পাৰমেই সুৰাৰ বটলটো গ্ৰহণ কৰিলে।

চহৰৰ ফোনবোৰ আকৌ দাংখালে, "হেল্লো, স্পেছিয়েল চাহ নহয় বটল খায়।"

ঘৰলৈ আহি পাৰমেই বটলটো খুলি ল'লে। সুৰাৰ নিচাতেই হওক বা দিনটোৰ অভিজ্ঞতাখিনি নতুনকৈ বিয়া কৰোৱা পৰিবাৰ ৰিণাক ৰস লগাই কোৱাৰ কাৰণেই হওক, ৰাতি শোওঁতে পলম হ'ল। ৰাতিপুৱা সাৰ পাওঁতেও পলম হ'ল। সাৰ পালে কলিং বে'লৰ শব্দত। চকু মোহাৰি-মোহাৰি পাৰমেই দুৱাৰ খুলি দিলে। বাহিৰত এজন ব্যৱসায়ী।

—ছাৰ, এটা বটল আনিছিলো।

পাৰমে ভদ্ৰ মানুহ। ৰাতিপুৱাই মানুহজনক খং কৰিবলৈ ভাল নাপালে। তেওঁ বটলটো ৰাখি থলে।

খন্তেক পাছত আকৌ কলিং বে'ল, আকৌ এজন ব্যৱসায়ী, আৰু এটা বটল। পাৰমেই বটলসহ মানুহজনক ওভোতাই পঠালে। চাৰে ন বজাত পাৰমে অফিছলৈ গ'ল। ঘৰত পৰিবাৰ ৰিণা অকলে থাকিল।

কলিং বে'ল বাজিল, ৰিণাই দুৱাৰ খুলি দিলে। এজন ব্যৱসায়ী, এটা বটল। ৰিণা চিধাচাধা ছোৱালী; তেওঁ বটলটো ৰাখি থলে। তাৰ পাছত দিনটো কলিং বেল বাজি থাকিল, বাজি থাকিল, বাজি থাকিল…।

আবেলি চাৰে চাৰি বজাত যেতিয়া পাৰমে অফিছৰ পৰা আহি ঘৰ পালেহি তেতিয়া ঘৰৰ চুক এটাত ৰাম, হুইস্কি, ব্ৰাণ্ডিৰ এটা সৰুসুৰা গন্ধমাদন পৰ্বত।

বটলবোৰলৈ চাই-চাই অসহায়ভাৱে পাৰমেই ক'লে, "আমাৰ নিচিনা সৎভাৱে চলিব খোজাসকলে জীৱনৰ প্ৰতিটো খোজ বৰ সাৱধানে দিব লাগে। কালি এটা খোজ ভুলকৈ দিয়াৰ কাৰণে আজি মই এই শাস্তি পাইছোঁ ৰিণা। বৰ কষ্ট পাইছোঁ, বৰ কষ্ট …।"

আদৰ্শবান বুলি খ্যাতি থকা যুৱকজনৰ চকু দুটা সেমেকি আহিল।


আৰু তেতিয়া পাৰমেৰ অদৃষ্টই যেন হাঁহি হাঁহি ক'লে, অৰণ্যৰোদন। এই জনঅৰণ্যত তোমাৰ চকুৰ পানীৰ দাম কোনেও নিদিয়ে পাৰমে, কোনেও নিদিয়ে।"

---

## সম্পাদকৰ কোঠালিত

বন্ধু: ভাষা কেনেকৈ চহকী হয় জানানে? শুনা। মানুহে কয় নহয়,— "মোৰ লিখাখিনিয়ে চাগৈ ফটা কাকতৰ টোপোলাত ঠাই পালে!" "মোৰ চিঠিখনে চাগৈ ৱে'ষ্ট-পেপাৰ বাস্কেট শুৱনি কৰিলে!" —ইত্যাদি। ফটা কাকতৰ টোপোলাত ঠাই পোৱা, ৱে'ষ্ট পেপাৰ বাস্কেট শুৱনি কৰা— এইবোৰ হ'ল তোমাৰ একধৰণৰ জতুৱা ঠাঁচ। এতিয়া, মানুহৰ এই অভিমান-অভিযোগক সন্মান জনাই তুমি এই ৱে'ষ্টপেপাৰ বাস্কেটটো আঁতৰাই, তাৰ ঠাইত প্ৰকাণ্ড শৰাই এখন ফুলাম গামোছাৰে সজাই-পৰাই লোৱা, আৰু তাতে অদৰকাৰী কাগজ-পত্ৰবোৰ পেলাবলৈ লোৱা। কিছু বছৰৰ পাছত মানুহে কি বুলি অভিমান-অভিযোগ কৰিব জানা? —ক'ব,—"মোৰ চিঠিখন চাগৈ আপুনি শৰাইত থাপিলে!"

শৰাইত থাপিলে! হ'ল নহয় এটা নতুন জতুৱা ঠাঁচৰ সৃষ্টি! এনেকৈয়ে ভাষা চহকী হয় বুইছা?



# পদাতিক

বিৰিঞ্চি কুমাৰ মেধি

দোকমোকালিতে গাটো তিয়াই সুগতাই দৈনিক কৰাৰ দৰেই ঘৰুৱা কাম-কাজবোৰ নিয়াৰিকৈ কৰিবলৈ আৰম্ভ কৰিলে। পদ্মনাভ পাঠকে যিদৰে সদায় পোৱাৰ দৰে পুৱাৰ চাহকাপ পালে, ঠিক তেনেদৰেই নিৰ্ভুল সময়তে ঘৰ-চোতাল নিকা হ'ল, ঘটি-বাটি-প্লেট পানীৰে চপচপীয়া হ'ল, হাঁহ-পাৰ কেইটায়ো আনদিনা পোৱাৰ দৰেই দানা-পানী পালে। অথচ মানুহ-জনীৰ নিৰ্ভুল কৰ্মব্যস্ততাৰ মাজতো এনে এক যান্ত্ৰিকতা ফুটি উঠিল যে পদ্মনাভ পাঠকৰ দৰে উদাসীন মানুহ এজনৰ চকুতো সেই অস্বাভাৱিকতা ধৰা পৰিল।

ন-কইনা হৈ ঘৰ সোমোৱাৰেপৰা আজি অত বছৰে পদ্মনাভ পাঠকৰ সংসাৰৰ তেলহীন চকাৰ গাড়ীখন কেনেক কেনেককৈ সুগতায়ে চলাই নিছে, কেনি নিছে, কেনেকৈ নিছে, সেই বিষয়ে পাঠকে কোনো দিনেই চিন্তা কৰাৰ প্ৰয়োজন হোৱা নাই। স্বামীৰ কোনো সিদ্ধান্তত সুগতাৰ দ্বিমত নাই। সহজ সৰল মানুহজনীৰ দেহত দুখ-ভাগৰ বোলা অনুভৱ নাই, ভাল খাবলৈ পিন্ধিবলৈ নোপোৱাৰ আক্ৰোশত স্বামীৰ সৈতে টেটুফালি কাজিয়া কৰাৰ প্ৰবৃত্তিও তেওঁৰ নাই। তেওঁৰ সুখ-দুখ, অধিকাৰবোধ সকলো সীমিত।

পদ্মনাভ পাঠক হ'ল অভাৱ অনাটনৰ মাজত কোনো ৰকমে আত্মৰক্ষা কৰি থকা মানুহ। তিনিজনী কন্যা আৰু এটি পুত্ৰ সন্তানেৰে তেওঁৰ সংসাৰ দলদোপ-হেন্দোলদোপ। ইজনে সিজনে ফুচফুচাই কৈছিল, ---অপদাৰ্থ-টোৰ কাণ্ড দেখিছা? এন্দুৰৰ গাঁতত নিজকে নাটে তাতে আকৌ পিঠিত কুলা বান্ধি লয়! পৈয়েক-ঘৈণীয়েক হালৰে চলিবলৈ টান, ইফালে আকৌ ছাগলীৰ দৰে গণ্ডাই গণ্ডাই ল'ৰা-ছোৱালী জন্ম দিছে!

ইকাণ-সিকাণকৈ কথাবোৰ সুগতাৰ কাণতো পৰেহি। খন্তেকলৈ তেওঁৰ মুখখন মলিন হৈ উঠে। সহনশীলা বসুমতীৰ নিচিনা মানুহজনীয়ে আঘাত পালে পাঠকৰ সহ্য নহয়। তেওঁ ঘৈণীয়েকক কয়,— যাৰ যি কবলৈ মন গৈছে, কওক দিয়া। দৈৱকী-বসুদেৱে ফেমেলি-প্লেনিং কৰা হলে খোল খঞ্জৰী বজাই পুজা কৰিবলৈ হিন্দুমখাইনো কৃষ্ণক ক'ত পালেহেঁতেন? স্বামীৰ কথা শুনি সুগতাই ফিচিককৈ হাঁহি দিয়ে।

সুগতাৰ পৃথিৱীখন আচাৰৰ বেয়াম, তেল-নিমখৰ হিচাপ, হাঁহ-পাৰ, পৰিয়াল-পৰিজনৰ পৰিধিৰেই সীমাবদ্ধ। তেওঁৰ কপালৰ সেন্দুৰৰ ফোঁটটো নে মুখৰ হাঁহিটোহে উজ্বল, স্বয়ং পাঠকেই আজিকোপতি থিৰাং কৰিব নোৱাৰিলে।

উপযুক্ত বয়সতে পাঠকে ছোৱালী তিনিজনী তিনিঘৰলৈ উলিয়াই দিছে। ছোৱালী বিয়া দিয়াৰ কৃতিত্বও একমাত্ৰ সুগতাৰ; —পদ্মনাভ পাঠকে অন্ততঃ তেনেকৈয়ে ভাবে। সুগতাই যদি বৰাই-বঢ়াই বোৱনে-কাটনে তিনিওজনীকে জাকত জিলিকা কৰি নুতুলিলেহেঁতেন, তেন্তে নিন্দুক পাৰা-প্ৰতিবেশীৰ দাঁত নিকটোৱাৰ সুবিধা দি সিহঁত কেইজনীয়ে আজিও ঘৰবুঢ়ী হৈ হামৰাও কাঢ়ি থাকিব লাগিলহেঁতেন।

পাঠকৰ কপাল ভাল। তেওঁৰ একমাত্ৰ ল'ৰাটোও পঢ়াই শুনাই, স্বভাৱে চৰিত্ৰই সৰ্বগুণাকাৰ। কলেজৰ সামান্য কেৰাণী এজনৰ ল'ৰাই জীৱনত কেতিয়াও দ্বিতীয় নোহোৱাকৈ এম-এছ. ছি. পাছ কৰিছে, অতখিনি লিখা-পঢ়া কৰিও সেই ল'ৰাই এতিয়াও মাক-বাপেকৰ কথাতে উঠ-বহ কৰে, তেওঁলোকৰ বাবে ইয়াতকৈ সৌভাগ্যৰ কথা কি হ'ব পাৰে?



এপাকত উঠি গৈ কিবা এটা বিচৰাৰ চলেৰে পাঠকে সুগতাক চাই আহিল। পাকঘৰৰ বাৰান্দাতে সুগতাই নাৰিকল কৰি আছিল। ঘৈণীয়েকে চাওক বুলিয়েই পাঠকে সশব্দে খোজ পেলালে। পিছে সুগতাই মুৰ তুলিয়েই নাচালে। কৰক কৰককৈ তেওঁ নিবিষ্টমনে নাৰিকল বোকাতে ব্যস্ত হৈ থাকিল।

পাঠকে যিখন কলেজত কাম কৰি অৱসৰ ললে, অবিনাশেও সেইখন কলেজৰ পৰাই শ্ৰেষ্ঠ ছাইন্স গ্ৰেজুৱেট-ৰূপে পৰীক্ষা পাছ কৰিছিল। কলেজৰ প্ৰিন্সিপালৰ পৰা বাতিৰ চকীদাৰলৈকে সকলোৱে মাথো পাঠকৰ পুতেক বুলিয়েই নহয়, মেধাৱী ছাত্ৰৰূপেই অবিনাশক চিনি পায়। এম. এছ. ছিতো অবিনাশে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছে। পঢ়া কলেজখনতে খালী হোৱা অধ্যাপকৰ পদ এটাৰ বাবে অবিনাশে আবেদনো কৰিছে। চাকৰিটো অবিনাশেই পাব বুলি পাঠক-পাঠকনী নিশ্চিন্ত হৈ আছে।

এদিন পাঠকৰ বন্ধু দামোদৰ চহৰীয়াইহে কলে,— বোলো পাঠক, এবাৰ কথাটো প্ৰিন্সিপালৰ কাণ চোৱাই থোৱা ভাল। আপোনাৰ ল'ৰাৰ ৰিজাল্ট চমকপ্ৰদ বুলি জানো; কিন্তু মাথোঁ ফাষ্ট ক্লাছ, বেষ্ট-গ্ৰেজুৱেটে আজিকালি কাম নিদিয়ে। আপোনাৰ হাতদীঘল মোমায়েক-পেহায়েক-খুলশালীয়েকো নাই; মেজৰ তলেৰে শকত ধনৰ টোপোলা যাচিবলৈ ধন-বিত্তো নাই। গতিকে সময় থাকোঁতেই প্ৰিন্সিপালক খাটনি ধৰক। নহলে খকুৱাই পাত কাটোঁতেই যাব, নিখকুৱাই মাটিতে খাব।

নাভূত-নাশ্ৰুত কথা শুনাৰ দৰে বিস্ময়ত চকুহাল বহলকৈ মেলি তেওঁলৈ চাই থকা ঘৈণীয়েকক পাঠকে বুজাইছিল,— এঃ! চহৰীয়াই মুখত যি আহে তাকে কয়। প্ৰিন্সিপালে মোৰ নাড়ী-নক্ষত্ৰ জানে। অবিনাশৰ চাকৰি অবিহনে মোৰ সংসাৰ যে তলিফুটা নাও হবগৈ, সেই কথা প্ৰিন্সিপালৰ দৰে শিক্ষিত, বিবেচক মানুহ এজনক খৰচি মাৰি কবগৈ লাগেনে? আমাৰ অবিনাশৰ চাকৰিৰ বাবে কাৰো দয়া-মায়াৰ সকাম নাই।

কেইদিনমান পাছতে পাঠকৰ ঘৰলৈ আহিল শৰ্মাবৰুৱা। তেৱেঁ পাঠকক ক'লে,— হেৰি নহয় পাঠক, আপুনি জানো কথাটো প্ৰিন্সিপালৰ কাণ চোৱাইছিল? দিনকাল বেলেগ হ'ল। ভেকেন্সি এটা, এতিয়ালৈকে এশজন-মানে চাকৰিৰ বাবে প্ৰিন্সিপালৰ কোঠাত লিহিৰিপাক মৰা মই নিজ চকুৰে দেখিলোঁ। প্ৰিন্সিপালক কিয়, আপুনি তহবিলদাৰকো কথাটো কৈ থব। নহলে সেই শিয়াল-টেঙৰটোৱে নোহোৱাক হোৱা, হোৱাক নোহোৱা কৰিব।

তহবিলদাৰক? পাঠক হতবাক। সেইখন কলেজতে ওৰেটো জীৱন কাম কৰি তেওঁৰ দেহৰ বহুঠাইত বৰ্তমান ৰিপু আৰু তাপলি মাৰিবলগীয়া অৱস্থা। তহবিলদাৰ কলেজৰ কেৰাণী হৈ সৌ সিদিনাহে সোমাইছে। তদুপৰি কলেজৰ চাকৰি কোনে পাব, কোনে নাপাব, তাৰ লগত কেৰাণী এজনৰ কি সম্বন্ধ?

পদ্মনাভ পাঠকৰ বিমূঢ় অৱস্থাটো উপলব্ধি কৰি শৰ্মাবৰুৱাই কৈছিল,— সকলোকে আপোনাৰ লেখীয়া আপোনভোলা বুলি নাভাবিবচোন। চাকৰিকালত আপোনাক ছাত্ৰহে নালাগে অধ্যাপকসকলেও প্ৰিন্সিপালতকৈ বেছি সমীহ কৰি চলিছিল। কলেজখনৰ বহু প্ৰফেছাৰক সৰহভাগ ছাত্ৰ-ছাত্ৰীয়েই চিনি নাপায়; আপোনাক কিন্তু প্ৰত্যেকেই চিনি পাইছিল। কলেজৰপৰা পেনছিল এডালো ঘৰলৈ ননাকৈ আপুনি সৎভাৱে ওৰেজীৱন কলম পিছিলে! বিনিময়ত পালে কি? ভাগ্যভাল যে আপোনাৰ ল'ৰা-ছোৱালী আৰু ঘৰৰ মানুহজনীৰ ফাট-ফৰমাছ কম, সামান্য অজুহাততে সিহঁতে মুখো ক'লা নকৰে, পিৰিচ-পিয়লাও নাভাঙে। কিন্তু ঘৰখনৰ মুৰব্বী হিচাপে আপুনি জানো সিহঁতক অলপমান অপব্যয়ৰ সুবিধা, সামান্য ভাল আহাৰ, ভাল সাজপাৰ দিব পাৰিলে?

শৰ্মাবৰুৱাৰ বাক্যবান যেন পৃথিৱীৰ চতুৰ্দিশে ছিটিকি পৰিল; —পুবে, পশ্চিমে, উত্তৰে, দক্ষিণে— সৰ্বত্ৰ। পাঠকে ভাবিছিল, সংসাৰৰ ব্লটিং পেপাৰে তেওঁৰ হৃদয়ৰ সমস্ত অনুভূতি শুহি লৈছে। ভুল, মহাভুল। বিধ্বস্ত পৰিশ্ৰান্ত পাঠকৰ এনে লাগিল, তেওঁৰ শৰীৰৰ সমস্ত কলকব্জাত যেন মামৰে ধৰিবলৈ আৰম্ভ কৰিছে।

পাঠক চিৰকালেই উদাসীন। পৰচৰ্চাত তেওঁৰ কোনোদিনেই ৰাপ নাই। অবিনাশৰ চাকৰিটোৰ বিষয়ে একান্তভাৱে চিন্তা কৰাৰ দিনবোৰত এনে অজস্ৰ সংবাদ তেওঁৰ কাণত পৰিল,— যিবিলাক বিষয়ে চাকৰি কৰি থকা সময়ত পাঠক তিলমাত্ৰও অৱগত নাছিল।

—এঃ! আপুনি কি তলানলা পাব? খাওঁতাই কলেজৰ টকা খাই ধোবাংবাং কৰিলে। নহলেনো কেৰেক-কেৰেককৈ ভগা চাইকেলৰ বঠা মাৰি ফুৰা লোকে দুটা বছৰতে গুৱাহাটীত মাটি কিনি, ৰাজপ্ৰাসাদ সজাই, ফোঁ-ফোঁকৈ মটৰ গাড়ী চলাই ফুৰে কেনেকৈ? বোলো তেওঁ আলাউদ্দিনৰ চাকিকে পাইছেনে তেওঁৰ ঘৈণীয়েকে টকা ছপাবহে জানে?

—নহয়হে, মাথোন প্ৰিন্সিপালক দোষ দিলে কি হ'ব? প্ৰিন্সিপালেই দিগগজ হৈ বসুমতী ধৰি থাকিব নেকি? প্ৰফেছাৰমখাৰ কপালত চকুৰ সলনি আমলখি আছে হব পায়? সিহঁতৰ গাত যেতিয়ালৈকে খোঁচ নালাগে, তেতিয়ালৈকে সিহঁত কলা-বোবা হৈ থাকিব। প্ৰিন্সিপালৰ আঁৰতহে ইমান গুণগুণ— ভুনভুন, মুখৰ আগত দেখোন সকলো লক্ষ্মীৰ বাহন। প্ৰিন্সিপালে 'নমস্কাৰ চাহাব' বুলি খিলিপান এখন হাতত গুজি দিলেই ছাত্ৰ-ছাত্ৰীক তুলা ধুনা দি ধুনি থকা প্ৰফেছাৰ কেইটাৰ দেখোন হিঃ হিঃ —হাঃ হাঃ কৈ হাঁহি মৰাৰ অন্তই নপৰে।

—চব প্ৰফেছাৰ একে নহয় দেই। ইয়েছ-মেন কোন ডিপাৰ্টমেণ্টত নাই ? প্ৰিন্সিপাল বাৰু কানিং, মণিটেৰি বিষয়তো তেওঁৰ খেলিমেলি আছে। সকলো প্ৰফেছাৰ ইউনাইট হলে এজন প্ৰিন্সিপালে জানো তুৰিমুৰি কৰিব পাৰে ? আচলতে ভাল প্ৰফেছাৰো আছে, কিন্তু তেওঁলোকৰ নাম্বাৰ কম। ছুটামান আছে নহয়, প্ৰিন্সিপালে যদি কয় জাছি গাই ছুজনীয়ে ডিস্ক' নাচি আছে, সিহঁতে ক'ব, হয় ছাৰ, হয়। বছৰে-বছৰে কলেজৰ কাৰ্পেট-ক্ৰিকেটছে'টৰ পৰা কোৰ-কুঠাৰলৈকে কেনেকৈ নোহোৱা হয়, সেইবোৰ গৈ কোন প্ৰফেছাৰৰ ঘৰত সোমায়, আমি কিবা নাজানো নেকি ?

পবিত্ৰ জীৱনৰ শক্তিত পদ্মনাভ পাঠক সহনশীল। এপিয়লা চাহ বা পাঁচশ টকাৰ আশাত মিটছে'ফৰ চাৰিওফালে ঘূৰি ফুৰা লুভীয়া মেকুৰীৰ দৰে তেওঁ কোনো দিনেই কাৰো কাষেৰে পাক মৰা নাই। পাঠক কবি নহয়; দাৰ্শনিক, সাহিত্যিক বা ৰাজনৈতিক নেতাও নহয়। তেওঁ এজন নিতান্তই সাধাৰণ মানুহ। ইচ্ছা-অনিচ্ছা, মান-অভিমান, ক্ৰোধ-ঘৃণা তেওঁ সদায় নিজৰ বুকুৰ মাজতে লুকুৱাই ৰাখিছে। ধাৰ বিচাৰি অহা মানুহে শৰীৰত সাময়িকভাৱে ছাৰ্কাছৰ বাঘৰ দৰে ফুটাই তোলা বিমৰ্ষ বিষণ্ণ ভাব এটা নিজৰ দেহত ফুটাই তুলি তেওঁ প্ৰিন্সিপালক কাকুতি মিনতি কৰিব নোখোজে। চাকৰিৰ লগতে ইঞ্চিঅ'ৰেঞ্চৰ এজেন্সি সমান্তৰালভাৱে চলোৱা কেৰাণী তহবিলদাৰৰ ওচৰত ইনছিঅ'ৰ কৰিও পাঠকে তহবিলদাৰৰ মন কোমলাব নোখোজে।

যিমানেই মিনতি-প্ৰণতিৰ পৰ্বটোৰ পৰা পাঠকে গা-এৰা দিব খুজিলে, সিমানেই প্ৰবলভাৱে পাঠকৰ কাণত উপদেশ-অমিয়া বৰ্ষিত হ'বলৈ ধৰিলে। যেন মৃত্যুৰ ক্ষণ গণি থকা ৰোগীৰ শিতানত শুভাকাংক্ষীসকলে অহৰহ গীতাপাঠৰহে ব্যৱস্থা কৰিলে।

—এঃ, নন্দী-ভৃংগীহালৰ কথা নকব বুজিছে ; সিহঁতে মাথো প্ৰিন্সিপালৰ প্ৰস্তাৱ শুনি মিটিঙত হাত চাপৰি বজাবলৈহে চাকৰি কৰি আছে। ছাত্ৰ-প্ৰফেছাৰ এক হৈ থাকিলে আজি কলেজত প্ৰিন্সিপালতকৈ কেৰাণীৰ প্ৰতিপত্তি বেছি হ'ব পাৰেনে ? তহবিলদাৰক নোসোধাকৈ প্ৰিন্সিপালে কাগজ একদিস্তা কিনকচোন ! আচলতে সেইযে কলেজ ফাণ্ডৰ লাখ লাখ টকাৰ খেলিমেলি, নোমটেঙৰ তহবিলদাৰে সেই সকলোবোৰৰে তলানলা পায়। সেয়েহে প্ৰিন্সিপালেও তাৰ আগত নেজ পেলাই থাকে। টকা-সিকা দিলে তহবিলদাৰে হেনো অধ্যাপকৰ চাকৰিও দিব পাৰে ; তাৰবাবে ছাৰ্টিফিকেট-মাৰ্কশ্বিটৰো দৰকাৰ নাই।

—সেইটোও কিবা নতুন কথানে ? পিছে টকা-পইচাই শেষ কথা নহয় ; কলেজখনত চাকৰি দিবলৈ জাত-কুলো চোৱা হয়। বিশেষ বৰ্ণ এটাৰ মানুহ নহলে কলেজখনত চাকৰি পোৱাই মস্কিল।

অথচ কিবা এটা খেলিমেলিৰ কথা কবলৈ আপুনি প্ৰিন্সিপালৰ কোঠাত সোমাওকচোন, কথাত মৌ-মিচিৰি মিহলাই তেওঁ যেনেকৈহে আপোনাক 'চাহাব' বুলি সম্বোধন কৰিব, দহবাৰ কথা কওঁতে পঁচিছবাৰ 'ভগৱানৰ শপত' বুলি উচ্চাৰণ কৰিব, আপুনি ফেঁচাটো হৈ উভতি আহিবই লাগিব। আজিকালিৰ ছাত্ৰবোৰ যিহে বিহগুটি, মিঠামুখীয়া নহলে সিহঁতে কেতিয়াবাই প্ৰিন্সিপালৰ বস্ত্ৰহৰণ কৰিলেহেঁতেন।

—থক থক ছাত্ৰহঁতৰ কথা। মাজে মধ্যমে সিহঁতে হক কথাত লাগে সঁচা ; কিন্তু লগাটোৱেইটো আচল কথা নহয় ! ফলাফল কি হ'ল সেইটোহে বিচাৰ্য ! সিহঁতে ফেপেৰি পতাৰ পাছতো যদি শিয়াল-টেঙৰ কেইটাৰ মইমতালি একেই থাকিল, তেন্তে সিহঁতে লগা-নলগাৰ পাৰ্থক্য কি ? এইযে নৰ্ম নথকা, অৰ্নছ নথকা এজাক মানুহ অধ্যাপক হৈ পিছ দুৱাৰেদি কলেজত সোমাল, পুৰুষমখাই প্ৰিন্সিপালৰ বিপক্ষে শিং ধৰাই ফুৰিব বুলি ফাৰ্ষ্ট ক্লাছ ডক্টৰেট ল'ৰাক বুঢ়া আঙুলি দেখুৱাই বেয়া কেৰিয়াৰৰ জাক জাক অবলা-দুৰ্বলাক চাকৰি দিয়া হ'ল, ছাত্ৰহঁতে গম পোৱা নাই বুলি আপুনি ভাবে নেকি ? এই কুংফু-ক্ৰেৰেটে শিকা ল'ৰাবোৰেও কেইহাজাৰমান টকা সৰকাৰ পাৰিলেই ঢোৰাসাপ হৈ ঢেৰমেৰাই পৰি থাকে। প্ৰিন্সিপালে টকা নিজৰ একাউণ্টৰ পৰাই দিয়েনে শহুৰেকৰ পেৰাৰ পৰা উলিয়াই দিয়েহে ?

আপুনি ঠিকেই কৈছে। মই নিজ চকুৰে দেখিছোঁ বুজিছে, সেইযে অধ্যাপকজনক জইন কৰিবলৈ দিয়া-নিদিয়াৰ কথালৈ প্ৰিন্সিপালৰ সৈতে এহাত যুঁজো বুলি ল'ৰাকেইটা ফোঁ-ফোঁৱাই গৈছিল, সিহঁতক প্ৰিন্সিপালে

## দুলীয়াজান সাহিত্য সভা

অসমীয়া লেখক-লেখিকালৈ অনুপ্ৰেৰণা যোগোৱাৰ লক্ষ্য সমুখত ৰাখি, দুলীয়াজান সাহিত্য সভাৰ মুখপত্ৰ "উৰ্বীজাৰ" তৰফৰ পৰা সদৌ অসম ভিত্তিত এখনি গল্প, কবিতা, একাংকিকা নাটৰ পাণ্ডুলিপি আৰু অসমীয়া সাহিত্য সম্পৰ্কে ৰচিত মৌলিক প্ৰবন্ধৰ প্ৰতিযোগিতা পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰত্তিটো বিভাগত প্ৰথম, দ্বিতীয় আৰু তৃতীয় বুলি বিবেচিত লিখনিক ক্ৰমে ৫০০ টকা, ৩০০ টকা আৰু ২০০ টকাকৈ পুৰস্কাৰ প্ৰদান কৰা হ'ব। লেখনিসমূহ অপ্ৰকাশিত হ'ব লাগিব। পুৰস্কাৰপ্ৰাপ্ত আৰু অন্যান্য মনোনীত লেখনিসমূহ প্ৰকাশৰ স্বত্বাধিকাৰ দুলীয়াজন সাহিত্য সভাৰ থাকিব।

প্ৰতিযোগিতাত যোগদানৰ ইচ্ছুক লেখক-লেখিকাসকলক শ্ৰীপি. কে. দেৱচৌধুৰী, অইল ইণ্ডিয়া, দুলীয়াজান—৭৮৬৬০২ ৰ ঠিকনাত ৩০ জুনৰ ভিতৰত পোৱাকৈ লেখনিসমূহ পঠাবলৈ অনুৰোধ কৰা হ'ল।



যিমানহে 'আপুনি-আপুনি' বুলি সম্বোধন কৰিলে, পিঠিত হাত ফুৰালে, ইউনিয়ন চলাবলৈ টকা লাগে নেকি বুলিও সুধিলে,— এঃ, জুলিয়াছ ছিজাৰ-কেইটা থিতাতে সেমেকা পাপৰ যেন হ'ল। কলেজৰ ফুলনি, তোৰণ ইত্যাদি ভাল কৰাৰ অজুহাতত প্ৰিন্সিপালে সিহঁতক হাজাৰে-হাজাৰে টকা দিলে, সিহঁতেও হাত পাতি ললে। পিছে তোৰণতে হেঙুল-হাইতাল বোলোৱা হ'লনে, ফুলনিতে কাঞ্চন-চম্পক জকমকাই উঠিল ?

পাঠকে ভাবিলে, এইবিলাক মানুহে উপন্যাস লিখিলে তাৰাশংকৰ-ভবেন্দ্ৰ নাথে কান্দি মৰিলেহেঁতেন। পিছে সুগতাই পদ্মনাভ পাঠকৰ দৰে কথাবোৰ ইমান সহজভাৱে লব নোৱাৰিলে। অতদিনৰ আপোন মানুহ জন যেন মুহূৰ্ততে সুগতাৰ পৰ হৈ পৰিল। ক'তা, ইমানদিনে পাঠকে প্ৰিন্সিপালৰ পেটত জিলাপীৰ পাক থকা বুলিতো ঘূণাক্ষৰেও কোৱা নাছিল ! তহবিলদাৰ বাৰু পাঠকে চাকৰি এৰাৰ পাছতহে কলেজত সোমাইছে। কিন্তু কলেজৰ কোনো এজনৰ বিপক্ষে পাঠকেতো তেওঁৰ আগত আজিলৈকে ওম-তৎসৎ এষাৰো উচ্চাৰণ কৰা নাই। বৰঞ্চ গদগদ সুৰে যিদৰেহে কয়— "কলেজখন মোৰ মন্দিৰ যেনহে লাগে"। বৰডাল মন্দিৰ ! এতিয়া দেখোন সকলোৰে মুখত ছি-ছি, থুই-থুই। এই মহাদেৱ যেন মানুহজনৰ পিন্ধনৰ চুৰিয়াখন চোৰে টানি নিলেও গম নাপাব কিজানি।

ইজনে-সিজনে কোৱা কথাবোৰ শুনি অতদিনৰ নিৰহ-নিপানী মানুহজনীৰ গাতো যেন দেওধনী উঠিল ; কথাই কথাই খেচখেচনি—প্ৰিন্সিপালৰ তালৈ এবাৰ যাব লাগে। উপায়ান্তৰ হৈ পাঠক এদিন প্ৰিন্সিপালৰ কোঠা পালেগৈ। মিঠা হাঁহি মৰা অভ্যাসটো ক্ৰমে ক্ৰমে প্ৰিন্সিপালৰ স্বভাৱতে পৰিণত হৈছে। পুজাৰ ঘটৰ দৰে তেওঁ নিৰ্দিষ্ট চকীখনত থমথম মদনগোপাল হৈ বহি আছিল। তেওঁৰ চৌপাশে এজাক পৰিচিত স্তাৱক, এগৰাকী অচিনাকি ছোৱালী। আম-কঠালৰ গোন্ধৰ দৰে বিদেশী পাৰফিউমৰ সুবাসেৰে সমগ্ৰ কোঠাটো মলমলাই আছে। পাঠকক দেখি পৰজীৱী সদৃশ বাচি থকা স্তাৱকৰ দলে ফিচিঙা-ফিচিং কৰিলে। কোঠাৰ পৰা ওলালেই সিহঁতে প্ৰিন্সিপালক সমালোচনা কৰিব, কাল্পনিক বিচাৰ কৰি প্ৰিন্সিপালক নিৰ্বাসন-মৃত্যুদণ্ড বিহিব ; কোঠাৰ ভিতৰত সিহঁতেই পুচ্ছহীন ৰামভক্ত হনুমান।

কোনো লুকঢাক নকৰাকৈ সকলোৰে উপস্থিতিতে পাঠকে নিজৰ অচল সংসাৰৰ কথা কলে, অবিনাশৰ বিৰল মেধাশক্তিৰ কথা, চাকৰি এটাৰ অত্যন্ত প্ৰয়োজন হোৱাৰ কথাও কলে। কথাবোৰ কৈ যাওঁতে মাজে-মাজে পাঠকৰ মাতটো থোকাথুকি হৈ গ'ল, চকুহাল মচিবলৈ হাত এখনে স্বয়ংক্ৰিয়ভাৱে বাৰে-বাৰে চুৰিয়াৰ আগটো খেপিয়াই থাকিল।

পাঠকৰ কথা শুনি পিন্সিপালৰ বিগলিত-বিচলিত অৱস্থা। আপুনি কি কয় পাঠক চাহাব ! অবিনাশ মাথোঁ আপোনাৰে নহয়, আমাৰো ল'ৰা। ইমান ব্ৰিলিয়েণ্ট কেৰিয়াৰৰ ল'ৰা তাৰ কথা আপুনি কোৱাৰ প্ৰয়োজনেই নাই। কলেজখনৰ প্ৰতি আপোনাৰো কম অৱদান নাই। ভগবানৰ শপত, আপুনি নিশ্চিন্তে থাকক, মই আপোনাৰ গা চুই শপত খাই কৈছোঁ, চাকৰিটো অবিনাশেই পাব।

পদ্মনাভ পাঠকৰ শৰীৰ কৃতজ্ঞতাত নম্ৰ হৈ পৰিল। চাহ আহিল। চাহৰ লগত লবংগ বা ৰসগোল্লা নহয়, পৰিবেশন কৰা হ'ল ছুটাকৈ নাৰিকলৰ লাৰু। ৰাংঢালী-ৰচকী অপৰিচিতাই এক বিশেষ কায়দাত চাহৰ পিয়লাটো পাঠকলৈ আগবঢ়াই দিলে। এক কেজি ওজনৰ সোণৰ অলংকাৰ আৰু জিঞা পাখি যেন ফিৰফিৰীয়া, দামী শাৰী পিন্ধা লচপচীজনীৰ লেতেৰা আঙুলিৰ চাপ বগা পিয়লাটোত জিলিকি উঠিল।

যথাসময়ত ইন্টাৰভিউ হৈ গ'ল। পদ্মনাভ পাঠকৰ জীৱনৰ কৰুণ অভিজ্ঞতাৰ পৰিমাণ বৃদ্ধি কৰি অবিনাশে চাকৰিটো নাপালে, পালে সেই ৰাংঢালী-কাচোনমতীয়ে। ঘড়ীৰ কাঁটাৰ লগত ফেৰ মাৰি কৰ্মকৰ্তাসকলৰ লগত হুলিগলি কৰা, তহবিলদাৰৰ ওচৰত ইঞ্চিঅ'ৰেঞ্চ কৰা, সকলোকে কে'ক-নাৰিকলৰ লাৰু খুউৱাৰ সুফল লচপচীয়ে হাতে হাতে পালে— তাইৰ দৰিদ্ৰ মাৰ্কশ্বিট কেইখন দাঁত নিকটাই ট্ৰাংকৰ তলতে পৰি থাকিল।

জীৱনত প্ৰথমবাৰৰ বাবে অবিনাশে নিজৰ ওপৰত থকা আস্থা হেৰুৱাই পেলালে ; পাঠকৰ বিশ্বাসৰ লাইখুটাটোও প্ৰথমবাৰৰ বাবে কঁপি উঠিল। ক্ষোভ আৰু যন্ত্ৰণাত তেওঁৰ মনৰ ভিতৰত তোল পাৰ লাগিল। কাণ পাতিলেই তেওঁ যেন শুনে সুগতাৰ দীৰ্ঘশ্বাস। অভিমান আৰু ভৰ্ৎসনা-মিশ্ৰিত দৃষ্টি তুলি সুগতাই যেতিয়াই তেওঁৰ ফালে চায় তেতিয়াই পাঠকৰ মনটো পিঠিত খোজপৰা কেৰেলুৱাৰ দৰে কোঁচ খাই উঠে।

পদ্মনাভ পাঠকৰ সংসাৰৰ তৈলহীন শকট আগৰদৰেই কেৰকেৰকৈ চলি আছে। অথচ তাৰ মাজতেই ক'ৰবাত যেন আউল লাগিছে। অন্ততঃ সুগতাৰ সাৱলীল, সুচাৰু কাম-কাজ কৰাৰ ভংগীত যে শিথিল যান্ত্ৰিকতা আহি পৰিছে, আনে নহলেও পাঠকে তাক মৰ্মে-মৰ্মে উপলব্ধি কৰিছে। সেই সুগতায়ে হঠাৎ কোনো সংগত কাৰণ নোহোৱাকৈয়ে নাৰিকলৰ লাৰু কৰিবলৈ লোৱাত পাঠক বিস্মিত হ'ল, অথচ তেওঁ উপযাচি কাৰণটো সুধিবলৈকো সাহস সঞ্চয় কৰিব নোৱাৰিলে।

এসময়ত ধীৰ খোজেৰে আহি সুগতাই পাঠকৰ হাতত টোপোলা এটা তুলি দি কলে,— নাৰিকলৰ লাৰু, প্ৰিন্সিপালক দি আহকগৈ। অতকাল কাৰো আগতে মূৰ তল নকৰাকৈ চলিল। ছোৱালীজনীয়ে ভেটি দিয়া টকাৰে ডিৰ্পাটমেণ্টৰ হে'ডজনে টি.ভি কিনিলে, চলাহী তহবিলদাৰ আৰু



OKDISCD

কেলেঙ্কৰা প্ৰিন্সিপালে জেপ ভৰ্তি কৰিলে। 'ভেটীৰ নাৰিকলৰ লাৰু ছুটা খাই কিয় পাপৰ ভাগী হ'ব লাগিছে? এতিয়াই আপুনি প্ৰিন্সি-পালে খুউৰা লাৰুৰ ধাৰ শুজি আহকগৈ।

সেয়া যেন পাঠকৰ নিমাখিত পত্নীৰ কথা নহয়, কোনো নিৰ্মম সম্ৰাটৰ অমোঘ আদেশহে। চাধা খোৱা মানুহে হাতপাতি আলফুলকৈ চাধা লোৱাৰ দৰে পাঠকেও টোপোলটো ল'লে। তাৰপাছত মুহূৰ্তও ব্যয় নকৰাকৈ তেওঁ কলেজ বুলি খোজ পেলালে। এবাৰ-লৈকো তেওঁৰ ঘৰত পিন্ধা জৰাজীৰ্ণ সাজযোৰ সলাই লবলৈ মনত নপৰিল।

প্ৰিন্সপালৰ কোঠাত যেন আনন্দৰ মেলাহে বহিছে। পাত্ৰমিত্ৰ সমন্বিতে উপবিষ্ট ৰাজাধিৰাজৰ দৰে প্ৰিন্সিপালক আগুৰি স্তাৱকৰ দল, চাকৰিত সদ্য নিয়োজিত লচপচীও মহাৰংগে উপস্থিত। মেজভৰ্তি চাহ-মিঠাই, চুৰট, মিঠাপাণ। প্ৰিন্সিপালৰ সকলো অসৎকামতে বিনা-দ্বিধাই সহযোগ কৰা নন্দী-ভৃংগীহাল প্ৰিন্সিপালৰ ইমান ওচৰ চাপি বহিছে যেন মৰমতে তেওঁ ছয়োটা প্ৰাণীকে খাৰ্মমিটাৰৰ দৰে কাষলতিৰ তলত সুমুৱাইহে ল'ব।

হঠাৎ পাঠকক দেখি সকলো হত-চকিত। পদ্মনাভ পাঠক নহয়, যেন কোনো আত্মীয়ক এইমাত্ৰ দাহ কৰি অহা শ্মশানযাত্ৰী এজনেহে বাট ভুল কৰি প্ৰিন্সিপালৰ কোঠাত সোমাল। পাঠকে যেন কোঠাটোত এমুঠি সন্দেহ আৰু আতংকহে স্প্ৰে' কৰি দিলে!

বিস্ময়-বিমূঢ় প্ৰিন্সিপালে কষ্ট-আয়ত্ত আৰু সৰ্বদা-ব্যৱহৃত সম্বোধন 'ছাৰ-চাহাব' কৰলৈ পাহৰি বিস্ফাৰিত নেত্ৰে পাঠকলৈ চাই ৰ'ল। কোঠাটোৰ প্ৰত্যেকজন লোকেই সচকিত আৰু সন্ত্ৰস্ত হৈ পৰিল।

সহজভাৱে পাঠক চকী এখনত বহিল। মুখখন তেওঁ চুৰিয়াৰ আগেৰে ছুবাৰমান মোহাৰি হাতৰ টোপোলাটো বৃহৎ মেজখনত থলে। তাৰ পাছত তেওঁ স্পষ্ট কণ্ঠেৰে কলে,— নাৰিকলৰ লাৰু, খাওক।

স্প্ৰিং দিয়া পুতলাৰ দৰে টোপো-লাৰপৰা লাৰু উলিয়াই বিনা প্ৰতি-বাদে সকলোৱে খাবলৈ ধৰিলে।

কাৰো ফালে নোচোৱাকৈ পাঠকে নিঃসংকোচে কবলৈ ধৰিলে,— মই জীৱনত কেতিয়াও কাৰো কৰুণা ভিক্ষা কৰা নাই। আনে কি ভাবে নাজানো, নিজৰ বিবেকৰ ওচৰত মই এজন সন্মানীয়, ভাল মানুহ। ল'ৰাটোৰ চাকৰিৰ বাবে মই আপোনাক খাটনি ধৰিছিলো। ল'ৰাটোৱে চাকৰি নাপালে। এতিয়া সি মন্ত্ৰী-এম. এল. এ হ'লেও হ'ব, গেলামালৰ দোকান দিলেও দিব। আপুনি মোক অজ্ঞাতে ভেটীৰ লাৰু খুৱাই পাপৰ ভাগী কৰিব খুজিছিল, সেয়ে মই আপোনাৰ নাৰিকলৰ লাৰু ওভোতাই দিলো। আৰু এটা কথা কওঁ। আপোনাৰ নাথাকিলেও আপুনি বহা চকীখনৰ এটা সন্মান আছে। সেই সন্মান আপুনি ৰাখেনে দলিয়াই পেলায়, সেইবিষয়ে মই উচ্চ বাচ্য নকৰোঁ। মোৰ শিক্ষা-দীক্ষা আপো-নালোকতকৈ বহু কম। কিন্তু মই জানো, পৃথিৱীৰ সকলো জীৱজন্তুৰ ভিতৰত একমাত্ৰ মানুহৰহে বাকশক্তি আছে। তেনে বাকশক্তিৰ অপব্যৱহাৰ হোৱা উচিতনে? আপুনি যে মোৰ আগত এসোপা গোকাট মিছা কথা ক'লে, সেইটোৱেই আপোনাৰ ডাঙৰ অপৰাধ। আপুনি আকৌ সেইবোৰৰ মাজলৈ নিৰপৰাধ ভগবানক টানি আনিলে কিয়? আপুনি অবিনাশক চাকৰি দিম বুলি মোৰ গা চুই ভগ-বানৰ নামত শপত খাইছিল; এতিয়া মই থাকোঁতেই, সকলোৰে সমুখতে আপুনি সেই শপত উঠাই লবনে?

হতভম্ব প্ৰিন্সিপালৰ কণ্ঠত যেন সকলো কথাই সোপা মাৰি ধৰিলে। অসহায়ৰ দৰে তেওঁ মাথোঁ উচ্চাৰণ কৰিলে মই ··· মই ···

---

২৪ পৃষ্ঠাৰ পিছৰ পৰা

সকজনী ঘৈণীয়েকে কণী ভজাৰে সৈতে লালুং সমাজৰ অতি আদৰৰ একোবাতি লাওপানী দি আমাক আপ্যায়িত কৰিলে। সেই কথা সুঁৱৰি আজিও মোৰ মনটো ভাল লাগি যায়।

উল্লেখযোগ্য যে ৰাইজৰ সেই পাঁচ মাইল নতুন ৰাস্তা তৈয়াৰ সম্পূৰ্ণ কৰিবলৈ ৰাইজৰ এমাহ সময়েই নালা-গিল। তদুপৰি শ্ৰমদানৰ বিনিময়ত লাভ কৰা পঁচিছ হাজাৰ টকা ৰাইজে ভগাই নলৈ তাৰে জৰাজীৰ্ণ অৱস্থাত থকা স্থানীয় নিম্ন প্ৰাইমেৰি বিদ্যালয় দুখন নতুন ৰাস্তাৰ কাষলৈ তুলি আনি, টিনপাত দি মজবুতকৈ সাজি উলিয়ালে। ৰাইজৰ উদ্যমৰ কথা জানিব পাৰি জিলাৰ উপায়ুক্তই চৰকাৰী নিৰ্বিখত টিনপাতখিনি দি সহায় আগ বঢ়ালে। পাছত হিচাপ কৰি দেখা গৈছিল ৰাইজে কৰা মাটিৰ কামৰ মূল্য গড়কাপ্তানী বিভাগৰ হিচাপত ডেৰলাখ টকাৰো অধিক।

একে উৎসাহতে ডেকাসকলে বিদ্যালয় দুয়োখনৰ লগতে দুটা পুথি-ভঁৰালো গঢ়ি তুলিলে। স্কুল ঘৰ আৰু পুথি-ভঁৰালৰ দুৱাৰ মুকলি আমাৰ দ্বাৰাই সম্পাদন কৰাওঁতে আনন্দৰ চকুলো বৈ গৈছিল। লগতে এটা প্ৰীতি ভোজৰো আয়োজন কৰা হৈছিল। সেই মহোৎসৱৰ দিনা টুকুৰিৰে দেখু-উৱা আমাৰ যাদু খেলৰ কথা উলিয়াই সকলোৱে ৰগৰ কৰিছিল।

এতিয়া যমুনা নৈৰ সেই অনিয়-মীয়া পাৰঘাট আৰু নাই। সেই ঠাইত গৰকাপ্টানী বিভাগে স্থায়ীকৈ দলং দিলে। আজিকালি ৰজাপথাৰলৈ ভালে-মান বিখ্যাত ঠাইৰপৰা নিয়মীয়াকৈ বাছ-গাড়ী অহা যোৱা কৰে।

কোনে জানো কৈছিল,— "It is better to light a candle than to blame the darkness."

আন্ধাৰক দোষ দি থকাতকৈ অকণমান পোহৰৰ ব্যৱস্থা কৰাহে ভাল।





## খড়্গ বিষাণ সূত্ৰান্ত

নৰকান্ত বৰুৱা

তোমালোকৰ কাৰো প্ৰতিদ্বন্দ্বী মই নহওঁ
শাখাৰ পৰা প্ৰশাখালৈ আৰু প্ৰশাখাৰ পৰা
আকৌ শাখালৈ ঘূৰি আহি
অৱশেষত নামি
কাণ্ডৰ কাষত গছ পাতৰ নজলা জুইৰ কাষত বহি
এটা প্ৰাকৃতিক প্ৰক্ৰিয়াৰে
ভান নকৰোঁ উত্তাপ পোৱাৰ।

তোমালোকৰ কথাৰ উত্তৰৰ বাবে নহয় মোৰ কথা।
মোৰ কথা আছে মাত্ৰ ক'বলৈ,
কোৱাটোৱেই কথা— সেইটোকে মই কওঁ।
কথাৰে লুকুউৱা তোমালোকৰ কথাবোৰৰ
যুৰ লি মই কান্ধত নলওঁ;
তোমালোকৰ কাৰো প্ৰতিদ্বন্দ্বী মই নহওঁ।

তোমালোকৰ লগত থাকিবলৈ মই ভয় নকৰো
আমনি নিদিয়ে মোক নিঃসংগতাই,
উবুৰি কৰি নিদিওঁ মোৰ তিক্তসুৰৰ পানপাত্ৰ
তোমাৰ বা তোমালোকৰ বা তেওঁলোকৰ কণ্ঠত

অকলেই মই পান কৰোঁ মোৰ তিক্ত মধুৰ চিন্তা
অকলেই মই পান কৰোঁ মোৰ অম্ল মধুৰ সংগ
অকলেই মই পান কৰো মোৰ একান্ত নিঃস্বাদ জীৱন।

## কবিতা

কুলেন দাস

আবেলিৰ শেষ পোহৰকণো
লাহে
লাহে
নিঃশেষ হৈ আহিছে

হাজাৰ-বিজাৰ চৰাইৰ মাতৰ মাজত
বতাহজাকত ভাঁহি আহিছে
এটা দহিকতৰাৰ মাত

মই দেখা নাই
শুনিছোঁ
ব্ৰহ্মপুত্ৰত বেলিটোৱে
এই সময়তে
হোলোকা-হোলোকে
তেজ বটিয়াই

মোৰ খিৰিকিৰে বৈ আহিছে
এজাক বতাহৰ তপত চকুলো

## পানীৰ সতে তিৰোতাবোৰ

নীলিম কুমাৰ

[এক]

নৈখন বৈ যাবই নোখোজে
তিৰোতাবোৰ গা ধুবলৈ
পানীত নামিছে

[দুই]

তিৰোতাবোৰ যেতিয়া পানীত নামে
বান্ধ ছিঙি গুছি যায়
ঘাটৰ নাও

[তিনি]


কি নিলাজ কলহবোৰ
কেনেকৈ চাই থাকে
গা ধুই থকা
তিৰোতাবোৰক

[চাৰি]

সিহঁতৰ বুকুত যেতিয়া পানীয়ে খেলে
ফুচফুচায় নলখাগৰিবোৰে
কি নিলাজ

[পাঁচ]

গাৰপৰা তিৰোতাবোৰে খুলিব নোখোজে
তিতা কাপোৰবোৰ
পথাৰে যে চকু মেলি আছে





OKDISCD



# অনুৰাধাৰ দেশ (ছয়)

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

(১১)

অবাক বিস্ময়েৰে ভৰা বহল চকু দুটালৈ অৰুণাভে কিছু সময় চাই ৰ'ল। প্ৰসাধনহীন মুখত শিশুৰ সাৰল্য, পাতল আকাশী ৰঙৰ শাৰীৰ লগত মেট্‌চ কৰা ব্লাউজ।

কিমান সময় ৰৈ আছোঁ জানা? পুৰা এক ঘণ্টা। অনুৰাধাৰ কথাৰ সুৰত উচ্ছল আনন্দ আৰু বিস্ময়।

বাঃ তুমি কিন্তু একদম একে আছা! ছটফটীয়া। স্কুলীয়া ছোৱালীৰ নিচিনা।

অৰুণাভে হাঁহি হাঁহি ক'লে। প্ৰায় চাৰি বছৰৰ মূৰত হঠাতে আজি দেখা। কিছুমান সম্বন্ধৰ মাজত সময়ৰ কোনো বাধা নাথাকে। যেন অনুৰাধাক যোৱা কালিহে দুপৰীয়া কলেজলৈ যাওঁতে কেন্টিনৰ কাষত এজাক ছোৱালীৰ সৈতে দেখা পাইছিল, অৰুণাভৰ তেনেকুৱা লাগিল।

তোমাক কিন্তু কেনেকুৱা বুঢ়া বুঢ়া লাগিছে! চুলি পকি গ'ল।

সোঁহাতেৰে মূৰৰ চুলিলৈ অনুৰাধাই আঙুলিয়াই দিলে।

ইয়াতে ৰহিবা নে?

ওহোঁ, বাহিৰলৈ বলা।

ক'লৈ?

বলাচোন। ভুবেনেশ্বৰ মোৰ ঠাই। য'লৈকে ইচ্ছা ত'লৈকে লৈ যাম।

ঠিক আছে বলা।

ওচৰতে ক'ৰবাত ছিনেমা ভাগিছে, মানুহৰ ভীৰ। অপেক্ষাৰত ৰিক্সা কেইখনমান মানুহৰ জুম এটাৰ ওচৰলৈ দৌৰি গৈছে। ৰাস্তাৰ হেলোজেন লেম্পবোৰ জ্বলি উঠিছে। হালধীয়া পোহৰে ধুই নিয়া চহৰখন এইখিনি সময়ত কেনে ৰহস্যময় লাগে! হোটেলৰ সম্মুখৰ মন্দিৰৰপৰা ঘণ্টাৰ ধ্বনি ভাঁহি আহিছে। নীলকণ্ঠই সুধিছে— গাড়ী কোন ফালে যাব? অৰুণাভে অনুৰাধাৰ মুখলৈ চালে। পিছৰ ছিটত একেলগে বহা অনুৰাধাই উৰিয়াত ৰাজমহল নে কি বুলি ক'লে। উৰিয়াতে হয়তো ড্ৰাইভাৰৰ নামটো সুধিলে, মুখখন পিছলৈ সামান্য বেঁকা কৰি নীলকণ্ঠই ক'লে— নীলকণ্ঠ ৰাউট। ঘৰ—? ফুলবাণীত।

তুমি যে হঠাৎ এনেকৈ আহিবা কল্পনাই কৰা নাছিলো। পৰহি ৰাতি দহ বজাত ছিক্কাৰপৰা আহি পাইছোঁ। আজিকালি জানা— চাকৰি কৰো। ছিনেমাৰ নায়িকা হোৱা নাই। মই নায়িকা হ'লে মানুহে স্ক্রিন ফালি দিব।

মই কি জানো! তোমাৰ মাৰাইহে কৈছে!

মাই কি জানে? আমি চৰকাৰৰ ফালৰপৰা টুৰিজমৰ বিষয়ে ডকুমেণ্টেৰি এখন কৰি আছোঁ। উৰিষ্যাত টুৰিষ্টৰ বাবে বঢ়িয়া ঠাই আছে। ওলাবা এদিন মোৰ লগত। কাইলৈ ৰাতিপুৱা গোপালপুৰলৈ যাবা নেকি? আঠ বজাত?

মোৰ অফিছ-টফিছ নাই নেকি? চাকৰি কৰিবলৈ আহিছোঁ নে ফুৰিবলৈ আহিছোঁ?

অ'!

লাজুক অপৰাধীৰ হাঁহি মাৰি অনুৰাধাই অৰুণাভলৈ চালে। সঁচাকৈ কিছুমান ছোৱালীৰ জীৱনলৈ চাগে বয়সে একো পৰিবৰ্তন আনিব নোৱাৰে। কলেজত পঢ়া সেই ক্ষীণাংগী ছোৱালীজনীৰ লগত, বেনাৰছৰ গংগাৰ পাৰত বহি কথা পাতিবৰ সময়ত হঠাতে নাৰেৰে ৰামনগৰলৈ যাবলৈ প্ৰস্তাৱ দিয়া সেই ছোৱালীজনীৰ লগত কাইলৈ ৰাতিপুৱা গোপালপুৰলৈ যোৱাৰ প্ৰস্তাৱ দিয়া এই চৰকাৰী চাকৰিয়ালজনীৰ মাজত অৰুণাভে অকণো পাৰ্থক্য বিচাৰি নাপালে।

বাঁওফালে, বাঁওফালে; —ভেনাছ ইন। বলা, তোমাক ধুনীয়া ৰেষ্টুৰেণ্ট এখনৰ সৈতে চিনাকি কৰি দিম। বেনাৰছৰ গোদৌলিয়াৰ যে কফি হাউছখন আছিল? একে। এইখন আৰু ভাল। দোছা-কফি খাবা?

অৰুণাভে জানে অনুৰাধাক একো কৈ লাভ নাই। এবাৰ কৈছে যেতিয়া তেওঁ দোছা-কফি খাবই। কিবা ক'লে এতিয়াই গাড়ী ৰখাই নামি যাব; —ঠিক আছে, আজিৰপৰা যদি কেতিয়াবা তোমাৰ লগত কোনো ৰেষ্টুৰেণ্টলৈ যাওঁ চাবা।

কেতিয়াবা কিজানি কিছুমান জেদৰ ওচৰত পৰাজয় বৰণ কৰিও কিবা এক অদ্ভুত আনন্দ লাগে। ইন্দ্ৰাণীহঁতে কলেজত থাকোঁতে অনুৰাধাক প্ৰায়ে গালি পাৰিছিল— এই জনীৰ লগত কলৈকো যাব নোৱাৰি। কিবা এটা গণ্ডগোল লগাবই।

ৰেল লাইনৰ কাষৰ হোটেলখনৰ সন্মুখত নীলকণ্ঠই গাড়ী ৰখালে। ৰেস্তোঁৰা 'থাৰ্ড ফ্লৰ'ত, তলত আইছ-ক্রিম বাৰ। —অনুৰাধাই ক'লে।

সৰু, ঘূৰি ঘূৰি যোৱা চিৰিৰে অৰুণাভহঁত ওপৰলৈ উঠি গ'ল। ৰেস্তোৰাৰ ভিতৰত খালী ঠাই নায়েই। এচুকত বহি থকা বাঙালী পৰিয়াল এটাই বিল দি উঠি আহিল। —বলা, খালী হৈছে।

অৰুণাভহঁত বহিল। অনুৰাধায়েই অৰ্ডাৰ দিলে।

দেউতা ঢুকাল, গম পোৱা?— হঠাতে অনুৰাধাই সুধিলে।

কেতিয়া?

এবছৰ হৈ গ'ল। একদম আচৰিত। কোনোবা ৰিটায়াৰ্ড কলিগ এজনৰ বিয়া খাবলৈ গৈছিল। ৰাতি উভতি আহিল। একো কমপ্লেইন নাই। হঠাতে বাৰমান বজাত ষ্ট্ৰ'ক হ'ল। ডাক্তৰ আহি নাপালেই।…

ডোছা, কেনেকুৱা লাগিছে?

বঢ়িয়া।

লাইটৰ পোহৰত চোৱা, তোমাৰ পকা চুলি চিকমিকাই আছে। —হাঁহি হাঁহি অনুৰাধাই ক'লে।

ক'তনো পকা দেখিলা? এডাল নে দুডাল পকিছে।

বিয়া কৰালা নে নাই?

তুমি?

নকৰাওঁ।

কিয়?

পুৰুষবোৰ বিৰাট স্বাৰ্থপৰ আৰু অহংকাৰী হয়। ভাবে সিহঁত নহ'লে ছোৱালীবোৰ মৰি যাব। চলিবই নোৱাৰিব।

তুমি পাৰিম বুলি প্ৰমাণ কৰিব খুজিছা নেকি?— অৰুণাভে হাঁহিলে।

তোমাৰ কথা কোৱাচোন। অধৈৰ্য হৈ অনুৰাধাই সুধিলে।

কৰাবলৈ গৈছিলো।

পাছত?

ছোৱালীয়ে ৰিজেক্ট কৰি দিলে।

কিয়?

ল'ৰাৰ মূৰত বোলে নাট্‌-বল্টু বিচাৰি নাপালে।

বাঃ সাংঘাতিক ইনটেলিজেণ্ট ছোৱালী হ'ব। ইমান কাৰেক্টলি তোমাৰ ডায়গন'ছিছ কৰিছে! মিছা কথা কৈছা তুমি।

একদম সঁচা। তাৰ পাছত চিনাকি ছোৱালীৰ মাজত মোৰ দৰে নাট-বল্টু নোহোৱা কোনোবা আছে নেকি ভাবিলো। কাৰ কথা মনলৈ আহিল জানা। কৌতুক ভৰা সুৰেৰে অৰুণাভে অনুৰাধাৰ বহল চকুলৈ চালে।

কাৰ?

তোমাৰ; আৰু সেই কাৰণে তৎক্ষণাত গুচি আহিলো উৰিষ্যালৈ।

বাঃ বঢ়িয়া। আহিছাতো অন্ততঃ। বঢ়িয়া আইডিয়া এটা মূৰত খেলিছে? অনুৰাধাৰ মগজুত সদায় হঠাৎ অদ্ভুত আইডিয়াবোৰ খেলে। কিবা মূৰত খেলিছে,— অৰুণাভে হাঁহি হাঁহি ভাবিলে।

কি?

আমি হানিমুনৰ কাৰণে কলৈ যাম জানা? ৰাঁচীলৈ।

অৰুণাভে হো-হোৱাই হাঁহি দিলে। সেই হাঁহিত যোগ দিবলৈ গৈ গৰম কফিৰ কাপটো অনুৰাধাই টেবুলত বগৰাই দলে। অৰুণাভৰ বগা চাৰ্টৰ ওপৰত গৰম কফিৰ মেপ! কফিৰ উষ্ণতাই অৰুণাভৰ বুকু স্পৰ্শ কৰিলে।

অনুৰাধাৰ বহল চকুত সেই লাজুক অপৰাধী-অপৰাধী দৃষ্টি। অৰুণাভে কলেজত থাকোঁতে অনুভৱ কৰাৰ দৰে বহুদিনৰ মূৰত আকৌ এবাৰ নতুনকৈ অনুভৱ কৰিলে— এইজনী ছোৱালীক কেতিয়াও কোনো কথাতে গালি পাৰি একো লাভ নাই।

ওচৰলৈ অহা ৱেইটাৰজনক অনুৰাধাই আকৌ দুকাপ কফি লৰালৰিকৈ আনিবলৈ অৰ্ডাৰ দিলে।

ৰেল লাইনৰ কাষৰ 'ভেনাছ ইন' নামৰ দক্ষিণ ভাৰতীয় ৰেস্তোৰাখনৰ চিৰিৰে তললৈ নামি আহোঁতেও অৰুণাভৰ চাৰ্টৰ বুকুত উষ্ণ কফিৰ সিক্ত দাগ। অনুৰাধাই বাৰে-বাৰে মুখ ঘূৰাই দৃষ্টি নিক্ষেপ কৰিছে দাগটোৰ ওপৰত; —যেন তাৰেই মাজত লুকাই আছে এক অজানা আনন্দৰ উৎস!

কিছুমান ছোৱালীক সময়ে স্পৰ্শ নকৰে; বয়স চিৰকালৰ বাবে স্তব্ধ হৈ যায় তেওঁলোকৰ শৈশৱ আৰু কৈশোৰৰ কোনো এক মধুৰ সন্ধিক্ষণত। সেই সন্ধিক্ষণত পৃথিৱীৰ সকলো নতুন, বিস্ময়োজ্জ্বল, প্ৰতিটো সৰু-সৰু ঘটনা দুৰ্ঘটনা নিৰ্মল উল্লাসৰ উৎস।

এইজনী ছোৱালীয়ে কেতিয়াবা কান্দি পাইছেনে?

—হোটেললৈ গৈ পানীত তিয়াই থৈ দিবা, নহ'লে দাগ ৰৈ যাব।

অনুৰাধাৰ বহল দুচকুত এটা অপৰাধী হাঁহি, যেন দুষ্টামি কৰি হঠাতে ধৰা পৰি গৈছে। অৰুণাভৰ হাঁহি উঠি গ'ল।

কিছুমান দাগ ৰৈ যোৱাই ভাল। সেইবোৰে পাছত স্মৃতি চিহ্ন হিচাপে কাম কৰে। বহুত দিনৰ মূৰত চাৰ্টটো হঠাতে উলিয়াই ল'লে মনত পৰি যাব কফি খুৱাম বুলি ৰেস্তোৰালৈ লৈ

OKDISCD

গৈ এজনী ছোৱালীয়ে বুকুত কফি মাৰি দিয়াৰ কথা।

চুৰি মৰাৰ কথা শুনিছোঁ। কিন্তু বুকুত কফি মৰাৰ কথা আজি প্ৰথম শুনিলো।

সেই কাৰণেইতো স্মৃতি ধৰি ৰাখিব খুজিছোঁ।

কাফৰ দাগেৰে স্মৃতি কঢ়িয়াব নালাগে। কৰিব নোৱাৰা যদি কোৱা মই কৰি দিম।

নালাগে দিয়া। বেছি-বেছি ওস্তাদি ভাল নালাগে।

ঠিক আছে, মোৰ কি? তোমাৰ ছাৰ্ট, তুমি বুজিবা। ভাল নালাগে এনেকুৱা আকোৰগোজ মানুহক।

ঠেক চিৰিৰে তামিল নে তেলুগু ভাষাত অনৰ্গল কথা কৈ কৈ আদ বয়সীয়া এহাল নাৰী-পুৰুষ ওপৰলৈ উঠি আহিল। পুৰুষজনৰ কপালত ছুডাল নে তিনিডাল প্ৰায় সমান্তৰাল চন্দনৰ ৰেখা, গোটেই কপাল জুৰি আছে; মহিলাগৰাকীৰ চুলিত বাঁগা সুগন্ধি ফুলৰ মালা; হয়তো কোনোবা মন্দিৰৰপৰা সান্ধ্য ভ্ৰমণ কৰি ঘূৰিছে। তীৰ্থ যাত্ৰী হ'ব।

মহিলাগৰাকীৰ তীক্ষ্ণ দৃষ্টিটো অৰুণাভৰ ভাল নালাগিল।

নীলকণ্ঠই হয়তো ইতিমধ্যে ক'ৰবাত চাহ খাই লৈছে, তাৰ মুখত পাণ দেখি অৰুণাভে অনুমান কৰিলে। নীলকণ্ঠৰ কৈশোৰসুলভ মুখত অনবৰত কিবা এটা আনন্দ আৰু সন্তুষ্টিৰ আভাস ফুটি থাকে। অৰুণাভৰ এনেকুৱা মুখ ভাল লাগে। এনে মুখ হৃদয়ৰ পবিত্ৰতাৰ চিন।

ছিগাৰেট এটা জলাই লৈ গাড়ীত বহিবৰ সময়ত অৰুণাভে নীলকণ্ঠক কিবা এটা সুধিবলৈ লওঁতেই অনুৰাধাই সুধিলে,— নীলকণ্ঠ, তোমাৰ চাগে' বৈ-বৈ আমনি লাগি গ'ল। চাহ-তাহ খালা নে নাই?

অনুৰাধাৰ এই গুণটো কলেজত পঢ়াৰ সময়তো অৰুণাভৰ চকুত পৰিছিল। এজন সম্পূৰ্ণ অচিনাকি মানুহকো মুহূৰ্তৰ চিনাকিৰে আপোন কৰি ল'ব পাৰে। অৰুণাভে অনুৰাধাৰ মুখলৈ চালে। এই জনী ছোৱালীৰ হৃদয়ত এখন বহল পৃথিৱী আছে। বেনাৰছৰ দশাশ্বমেধ ঘাটৰ কেইবাজনো নাৱৰীয়াই অনুৰাধাক নিজৰ 'বেটী' বুলি মাতিছিল, গংগাৰ বুকুৰেদি নাৱত উঠি যাবৰ সময়ত অনুৰাধাৰ অনৰ্গল প্ৰশ্নত নাৱৰীয়া ব্যতিব্যস্ত হৈ উঠিছিল। এটা চকু বেয়া, অন্ধ নাৱৰীয়া এজনে সকলো যাত্ৰী বাদ দি অনুৰাধাক বিনা পইচাই দশাশ্বমেধ ঘাটৰপৰা মনিকৰ্ণিকা ঘাটলৈকে ঘূৰাই আনিছিল। তাৰ বাবে অনুৰাধাক সকলোৱে জোকাইছিল। ইন্দ্ৰাণীয়ে কৈছিল---এই জনীয়ে নদী ইমান ভাল পায়। এইক নাৱৰীয়াৰ লগত বিয়া দিব লাগিব। তেতিয়াহে যদি সুখত থাকিব।

মোৰ কথা ভাবিব নালাগে। নিজৰ কথা ভাবা। তোমাক ষ্টেছন মাষ্টৰৰ লগত বিয়া দিম। ট্ৰেইনত উঠি ঘৰলৈ যাও ঘৰলৈ যাওঁ কৈ পেনপেনাই থাকা নহয়! ট্ৰেইনতে হানিমুন কৰি থাকিব পাৰিবা।

সৰু ৰাস্তাটোৰে ওলাই আহি অৰুণাভহঁতে মেইন ৰোড পালে। মেইন ৰোডৰ ওপৰৰ সৰু দলংখন অতিক্ৰম কৰিলেই সেইপাৰে হোটেল কোনাৰক। সম্মুখত ফায়াৰ ব্ৰিগেড পিছফালে 'কল্পনা' নামৰ ছিনেমা হ'ল এটা। কিবা এখন উৰিয়া ছিনেমা চলি আছে।

মুহূৰ্তৰ বাবে অৰুণাভে ভাবিলে --সুউচ্চ হোটেল কোনাৰকৰ থাৰ্ড ফ্লৰৰ ৩০৬ নম্বৰ ৰুম কোঠাত হয়তো মেহৰা চাহাবে এতিয়া সম্মুখত খোলা পানীয়ৰ বটল লৈ এটাৰ পিছত এটা পেগ নিঃশেষ কৰি দিছে। হয়তো দিল্লীৰপৰা আহিবলগীয়া টেলিফোন কললৈ তেওঁ অপেক্ষাৰত অথবা সামুদ্ৰিক অভিযানৰ কাইলৈৰ পৰিকল্পনাৰ কথাও চিন্তা কৰি থাকিব পাৰে। হেলিকপ্টাৰ ছুখন আহি পোৱাৰ লগে লগে এটা ট্ৰায়েল ফ্লাইট দিব লাগিব। প্ৰয়োজন হ'লে হেলিকপ্টাৰ সমুদ্ৰ বক্ষ্যত ওপঙি থাকিব পাৰিবনে নাই পৰীক্ষা কৰিব লাগিব। হৰিশ খান্নাই কৈছে— তেওঁলোকৰ কেম্পলৈ আৰু কিছু যন্ত্ৰ-পাতি কঢ়িয়াবৰ বাবে এদিনৰ কাৰণে হেলিকপ্টাৰৰ প্ৰয়োজন হ'ব।

ডেনিছ চিলভিয়া হয়তো এতিয়া আন্দামানৰ প'ৰ্টব্লেয়াৰত। ছাপ্লাই জাহাজ ছুখন আহি পোৱাৰ লগে লগে খালী কৰি আন্দামানলৈ পঠিয়াই দিব লাগিব; মাজ সমুদ্ৰৰে প্ৰকাণ্ড পেলিকান নামৰ ৰিগটো পাৰাদ্বীপলৈ টানি আনিবলৈ।

মানুহজনে হয়তো এইবোৰ কথাকে ভাবি আছে। তেওঁ আৰু অন্য কিবা কথা চিন্তা কৰে নে? এই কেইদিনৰ ভিতৰতে অৰুণাভৰ অনুমান হৈছে মানুহজনৰ মুড সঘনে পৰিবৰ্তিত হয়। তেওঁৰ মুখৰ অভিব্যক্তিত কেতিয়াবা এনে এক সাংঘাতিক গম্ভীৰতা ফুটি উঠে, হঠাতে মানুহজনক বহুত দূৰৰ ক'ৰবাত সম্পূৰ্ণ অচিনাকি মানুহ যেন লাগি যাব খোজে।

কেনেকৈ জানো এজন মানুহে এটা সুদীৰ্ঘ জীৱন অফিছৰ কাম আৰু পানীয়ৰ মাজেৰে পাৰ কৰি দিয়ে?

—হোটেল কোনাৰকত আমাৰ প্ৰকল্প মেনেজাৰ থাকে। মিষ্টাৰ এছ. পি. মেহৰা।

তোমালোকৰ কথাই বেলেগ। ডাঙৰ কম্পেনি, ষ্টাৰ হোটেলত নাথাকি ক'ত থাকিব? মোৰতো তেনেকুৱা হোটেলত সোমাবলৈকে ভয় লাগে। যেন ভিতৰত গৈ ডাঙৰকৈ কিবা এটা কথা ক'লেই পুলিছে ধৰি নিব।

মানুহজন আচৰিত, দিনটো অফিছ, সন্ধিয়া হ'লে ড্ৰিংক। বিয়া কৰাইছে নে নাই কোনেও নাজানে। অকলে থাকে।

বাঃ বঢ়িয়া। এনেকুৱা মানুহকে মোৰ ভাল লাগে। মোৰ লগত চিনাকি কৰি দিবা?

কিয়?

নৰমেল মানুহবোৰ মোৰ অকণো ভাল নালাগে। একদম ডাল। ল'ৰাবোৰ বিয়াৰ পাছত যে কেনেকুৱা



বুৰ্বক-বুৰ্বক হৈ যায়, হাঁহি উঠি যায় দেখিলে। বিয়াৰ আগতে এনেকুৱা দেখুৱাব যেন সাংঘাতিক ইনটেলিজেণ্ট, ইনটাৰেষ্টিং। বিয়াৰ পাছতহে ছোৱালীবোৰে গম পায় ল'ৰাবোৰ কি বুদ্ধু! নিজৰ গিৰিয়েক বাবে লাজতে একো নকয় আৰু!

তুমিতো বিয়া নকৰোৱা। মেহৰা চাহাবৰ লগত চিনাকি কৰি দিম। দোস্তি জমি যাব। কেইদিনমান পাছত দেখিম বৃদ্ধস্য তৰুণী ভাৰ্যা। বছৰ পত্নী বুলি মইহে তেল মাৰি থাকিব লাগিব, নহ'লে প্ৰমোছন বন্ধ।

হাঁহি হাঁহি অৰুণাভে ক'লে।

প্ৰমোছন বহু দিনলৈ নাপালে মানুহবোৰ ধীৰে-ধীৰে ছিনিকেল হৈ যায় নেকি? বাৰ বছৰ চাকৰিৰ শেষতো জীৱনৰ প্ৰথম প্ৰমোছনটো নোলোৱা ৰাজেন দাই ক্লাবৰ এচুকৰ টেলিফোনটোৰ কাষত বহি এদিন কৈছিল, —প্ৰমোছনতো নাপালো; কিন্তু প্ৰমোছনৰ ছুইটা চেনেল আৱিষ্কাৰ কৰিলো।

চেনেল?

ও, প্ৰমোছনৰ ছুটা চেনেল আছে। প্ৰথম চেনেলেৰে প্ৰমোছন পাবলৈ হ'লে তুমি জ্যোতিষী হ'ব লাগিব। গণনা। গণনা কৰি জানিব পাৰিব লাগিব তোমাৰ ওপৰত বতাহ কোনফালে বলিছে। ওপৰৰ বতাহৰ দিশত তুমি মূৰ দোঁৱাই থাকিবা। মূৰ পোনাব খুজিলেই গ'ল তোমাৰ ভ'ছিয়াৰ। এইটো হ'ল প্ৰথম চেনেল।

দ্বিতীয় চেনেলটো কি?

প্ৰথম চেনেলেও যদি কাম নকৰে, তেনেহলে তুমি দ্বিতীয় চেনেলত ভাগ্য পৰীক্ষা কৰি চাব পাৰা। মানে, বাই হুক অৰ ক্ৰুক। বছৰ মেমচাহাবৰ মন যোগাব লাগিব। কিন্তু এইটো চেনেলত সাংঘাতিক ৰিস্ক আছে। কেতিয়াবা বেক-ফায়াৰ কৰে।

ৰাজেন দা এইবাৰ প্ৰমোছনৰ পেনেলত আছে। পাব চাগে'। হয়তো এই মুহূৰ্ততো ৰাজেন দাই অকলে সন্ধিয়াৰ ক্লাবৰ এচুকত বহি সম্মুখত পানীয়ৰ গ্লাছ লৈ ছিগাৰেট টানি আছে।

ৰাতিৰ ভুবনেশ্বৰ নিৰিবিলি। পথচাৰীৰ পাতল ভীৰ। হালধীয়া পোহৰেৰে প্লাবিত চহৰখন সন্ধিয়া কি যেন ৰহস্যময় হৈ উঠে। ক'ৰবাৰ পৰা মন্দিৰৰ ঘণ্টাধ্বনি ভাঁহি আহিছে। উৰিষ্যা ধৰ্মপ্ৰাণ মানুহেৰে ভৰা। অ'ত-ত'ত হঠাতে চকুত পৰে প্ৰাচীন ঐতিহ্যৰ ধ্বজা বহনকাৰী মন্দিৰৰ গৰ্বিত চূড়া।

নীলকণ্ঠই সুধিলে---কোনফালে যাব। অৰুণাভে কিবা এটা কোৱাৰ আগতে অনুৰাধালৈ চালে।

--ঘৰ। মাই ভীষণ চিন্তা কৰি থাকিব নহ'লে। মাকবিলাকৰ যে নিজৰ ছোৱালীৰ প্ৰতি কি ধাৰণা! অলপ দেৰি হ'লেই কোনোবাই ফুচুলাই লৈ যোৱা বুলি ভাবে।

গাড়ীয়ে টাৰ্নিং লবৰ সময়ত মুহূৰ্তৰ বাবে অনুৰাধাৰ শাৰীৰ আঁচলে অৰুণাভৰ সোঁহাতখন চুই গ'ল। কেতিয়াবা যেন কাপোৰতো নাৰ্ভ থাকে!

কলিকাতা, বোম্বে মহানগৰীৰ দৰে ভুবনেশ্বৰত নিশাৰ পৃথিৱী নাই; থাকিলেও এতিয়ালৈকে অৰুণাভে নাজানে।

অৰুণাভহঁত যেতিয়া ৰেলৰে ক্ৰছিঙৰ ওচৰৰ অৰ্ধসমাপ্ত অনুৰাধাৰ ঘৰৰ সম্মুখত ৰ'লহি তেতিয়া ন বাজিবলৈ কুৰি মিনিট বাকী। দোকান-পোহাৰৰ ছাটাৰ প্ৰায় বন্ধ। ছিনেমা ভগাৰ পাছত মাথোঁ গৃহমুখী যাত্ৰী লৈ ৰিক্সাৰ শাৰী, ক'ৰবাত হঠাতে ছুই-এখন টেক্সি; আধাবন্ধ ছাটাৰৰ মাজেৰে কোনোবা দোকানৰ পৰা ক্ষীণ আলোকৰেখা বিচ্ছুৰিত।

বলা, মাক মাত লগাই যাবা।

আজি নোসোমাওঁ। একদম টায়াৰ্ড।

ৰবিবাৰে ফ্ৰি থাকিবা?

কিয়?

ভুবনেশ্বৰ ফুৰিম। তুমি একো দেখায়েই নাই ভুবনেশ্বৰৰ। মোৰ লগত ওলাবা। চব দেখুৱাই দিম। বিনা পইচাৰ গাইড।

কিছুমান মানুহ গুচি যোৱাৰ পাছতো বহু সময়লৈ তেওঁৰ উপস্থিতি অনুভৱ কৰা যায়। শুভ-ৰাত্ৰি জনাই যোৱা অনুৰাধাৰ উপস্থিতি গাড়ীৰ ভিতৰত হোটেললৈ ঘূৰি অহাৰ পথছোৱাতো অৰুণাভে অনুভৱ কৰিলে। মনটো আৰু কিছু সময়ৰ বাবে এনেয়ে পাতল পাতল লাগি থাকিল।

হোটেল প্ৰাচীৰ সম্মুখত গাড়ীৰ পৰা নামিবৰ সময়ত শৰীৰত সান্ধ্য বতাহৰ কোমল স্পৰ্শ। দিগন্ত-বিস্তৃত নীলিমা জ্যোৎস্নাময়। মানুহৰ মন অদ্ভুত আশ্চৰ্যৰে ভৰা। কেতিয়াবা হঠাতে সমগ্ৰ পৃথিৱী পৰিৱৰ্তিত হয় এক নয়নাভিৰাম মনোৰম দৃশ্যত। চকুৰ দৃষ্টি বিচ্ছুৰিত হয় হৃদয়ৰ গভীৰৰ পৰা।

কিছু সময়ৰ বাবে অৰুণাভৰ এনেয়ে জনশূন্যপ্ৰায় চহৰৰ পথেৰে উদ্দেশ্যবিহীনভাৱে ঘূৰি-ঘূৰি চাবলৈ মন গ'ল—চহৰৰ নিৰ্মেঘ আকাশ।

ডিনাৰ খাবলৈ অৰুণাভৰ ইচ্ছা নগ'ল; হয়তো সন্ধিয়া দেৰিকৈ দোছা খোৱাৰ বাবে। কলেজীয়া জীৱনত অসমৰ বাহিৰত সুদীৰ্ঘ দিন কটোৱাৰ বাবেই নেকি, অইন বহুতৰ দৰে ভাতৰ প্ৰতি অৰুণাভৰ সাংঘাতিক আসক্তি নাই; কিবা এটা হ'লেই চলি যায়। বহুতৰে ৰাতি ভাত নহ'লে টোপনি নহয়। অৰুণাভৰ সেই অভ্যাস নাই।

বেনাৰছত হোষ্টেলত থাকোঁতে অসমীয়া, বাঙালী আৰু উৰিয়া ল'ৰা কেইজনক ভাতৰ বাবে পগলা দেখি অইন প্ৰদেশৰ হোষ্টেলবাসী ল'ৰাবোৰে কম জোকোৱা নাছিল! বলভদ্ৰ তিৰাৰী নামৰ চাপৰা জিলাৰ ল'ৰা এজনে প্ৰায়ে কৈছিল: তহঁতৰ চেহেৰা এনেকুৱা নহৈ কি হ'ব? ভাত খাবি আৰু কানিয়াৰ দৰে শুই থাকিবি। স্বাস্থ্য বনাব খুজিছ যদি খাটি গাখীৰ আৰু ঘেঁহুৰ ৰুটি খাবি।

জীৱনত শৰীৰৰ বাহিৰে যেন চিন্তা কৰিবলগীয়া কোনো কথাই নাই,— তিৰাৰীৰ কথা-বাৰ্তাত সদায় তেনেকুৱা এটা ভাব। চুপৰীয়া সদায় প্ৰিণ্টেড



OKDISCD

লুঙি পিন্ধি, খালী-গাৰে বেলকনিৰ ওপৰত তিৱাৰীয়ে সৰিয়হৰ তেলৰ বটল লৈ বহি যায়। তৈলসিক্ত শৰীৰেৰে আধাঘণ্টা ৰৌদ্ৰস্নান, সন্ধিয়া দন-বৈঠক, খানাৰ লগত ঘৰৰ পৰা লৈ অনা বিশুদ্ধ ঘিঁউ।

তিৱাৰীয়ে বছৰত এবাৰ এবটল বিয়েৰ খায়; মঙলবাৰে সদায় সংকট-মোচন মন্দিৰত গৈ বহি থাকে; খং উঠিলে হিতাহিতজ্ঞান হেৰুৱাই অশ্ৰাব্য ভাষাত গালি পাৰে, পৰীক্ষাৰ সময়ত ভয়ত তেওঁৰ মুখ বিবৰ্ণ হৈ যায়।

অৰুণাভইঁতে তিৱাৰীক চুটি-চুটি আর্মি কাটৰ চুলি আৰু দীঘল টিকনিৰ বাবে প্ৰায়ে জ্বলাইছিল। লগুণ ছিগি যোৱাৰ বাবে তিৱাৰী এদিন গোটেই ৰাতি মাতবোল নোহোৱাকৈ বাথৰুমৰ ভিতৰত সোমাই আছিল। কোনে জানো ৰাতিপুৱা দেখা পাই গোটেই হোষ্টেলত হাল্লা লগাই দিলে।

সেই প্ৰকাণ্ড তিৱাৰীয়েই বিশ্ব-বিদ্যালয়ৰ কেম্পাছৰ বাহিৰত লা-বেলে নামৰ হুমহলীয়া চাইনিজ ৰেস্তোঁৰাখনৰ কাষত নিৰ্বাচনৰ সময়ত কাৰোবাৰ মাৰ খাই এসপ্তাহ হছপিটেলত পৰি আছিল। অৰুণাভে হাঁহি হাঁহি কৈছিল, —বুজিছে তিৱাৰীজী, পালোৱানৰো পালোৱান থাকে। মাছ্‌ল থাকিলেই নহয়, এইটোও থাকিব লাগে।

অৰুণাভে মূৰটো দেখুৱাইছিল।

আধাঘণ্টাৰ বাবে বাহিৰত এনেয়ে ঘূৰা-পকা কৰি অৰুণাভ হোটেলত সোমাল। কোঠাৰ ভিতৰত সোমায়েই অৰুণাভে গম পালে ইতিমধ্যে হোটেল-বয়ে ভিতৰখন পৰিষ্কাৰ কৰি থৈ গৈছে। কিবা এটা স্প্ৰেৰ গোন্ধ। টেবুল লেম্পৰ মৃদু ৰূপালী আলোক, ডানলপৰ কোমল বিছনাৰ ওপৰত এতিয়াও নেপথেলিনৰ গোন্ধ লাগি থকা ঢকঢকীয়া বগা চাদৰ, ছাইড টেবুলৰ পানীৰ গিলাছ ভৰ্ত্তি। কুলাৰটোও চলাই থোৱা হৈছে। সেয়েহে বাহিৰৰ পৰা ঘূৰি আহি কোঠাত সোমোৱাৰ লগে-লগে শৰীৰ চুই গ'ল কৃত্ৰিম শীতল বতাহে।

অৰুণাভে মিউজিক চেনেলৰ চুইচটো টিপি দিলে। পশ্চিমীয়া সংগীতৰ লঘু মূৰ্ছনাই মুহূৰ্ততে কোঠালিটো ভৰাই পেলালে।

হোটেল এখনৰ জনপ্ৰিয়তা হয়তো নিৰ্ভৰ কৰে এনেকুৱা ধৰণৰ ব্যক্তিগত পৰিচৰ্যাৰ ওপৰত। ঘৰত থকাৰ সময়ত অৰুণাভৰ কেতিয়াবা-কেতিয়াবা হঠাতে এটা উদগ্ৰ লোভ হয়: যেন কোনো-বাই সকলো সযত্নে যথাস্থানত ৰাখি থব, চকু দুটা মুদি অলসভাৱে বিছনাত পৰাৰ লগে-লগে কাষ চাপি আহিব এক ৰুণুজুনু ছন্দময় ধ্বনি। মুহূৰ্তৰ বাবে অৰুণাভৰ মনৰ ভিতৰেৰে কেইবাজনী, ছোৱালীৰ মুখ দ্ৰুতগতিত পাৰ হৈ গ'ল। অস্পষ্ট ছাঁয়াৰ দৰে মুখ। হঠাতে সেই একেটা শাৰীৰ মাজত চকামকাকৈ অৰুণিমা বাইদেউৰ আবেলিৰ স্নিগ্ধতাৰে ভৰা মুখখন দেখি অৰুণাভ চমকি উঠিল।

হৃদয়ৰ গোপন এক বিচিত্ৰ পৃথিৱী; নিজৰো অলক্ষিতে লুকাই থকা অনু-ভূতি ঠিক কেতিয়াবা এনেকুৱা নিঃসংগ মুহূৰ্ততে আচম্বিতে ওলাই আহিব খোজে। সেই সময়ত ভাব হয় প্ৰতিজন মানুহৰ আশ্ৰয়ত গোপনে অইন এজন অচিনাকি মানুহ লুকাই থাকে। কিমানৰেই বা এই অস্তিত্ব স্বীকাৰ কৰাৰ সাহস আছে। অৰুণাভৰ আছে নে? অৰুণাভে এতিয়াও নাজানে।

অৰুণিমা বাইদেউৰ আশ্ৰয়তো তেনে এজনী অচিনাকি নাৰী বাস কৰেনে? অস্বীকাৰে কি অস্তিত্বক অসত্য বুলি প্ৰমাণিত কৰিব পাৰে?

কোনো কোনো নাৰীৰ শৰীৰত ৰাতি নিয়ৰত তিতি থকা বকুল ফুলৰ সুবাস মিহলি হৈ থাকে। অৰুণিমা বাইদেউৰ কথা মনত পৰিলে কিয় জানো মুহূৰ্তৰ বাবে অৰুণাভক তেনেকুৱা এক ফুলৰ সুবাসে আচ্ছন্ন কৰি তুলিব খোজে।

অনুভূতি সুবিশাল সমুদ্ৰৰ দৰে গভীৰ। ৰাতিপুৱাৰ নিস্তৰংগ সমুদ্ৰ-পিঠি দেখি কল্পনা কৰিব নোৱাৰি সমুদ্ৰৰ অটলান্ত গভীৰতাৰ কথা; ভাবিব নোৱাৰি বিশাল জলাশয়ৰ অভ্যন্তৰত লুকাই আছে এক ৰহস্য-ময় বিচিত্ৰ জগত। মানুহৰ মুখো কেতিয়াবা তৰংগহীন সমুদ্ৰৰ পিঠিৰ দৰে; —আপাত দৃষ্টিৰ প্ৰশান্ত আৱ-ৰণৰ আঁৰত লুকাই থাকে উত্তাল তৰংগ।

অৰুণিমা বাইদেউৰ কথা মনত পৰিলে কিয় জানো অৰুণাভৰ ক'ৰ-বাত পঢ়া এষাৰি কথা গুণ-গুণকৈ হৃদয়ত বাজিবলৈ ধৰে: দুজনা নাৰী-পুৰুষ যেতিয়া যুগক্ষয়ী প্ৰতীক্ষাৰ মাজেৰে পৰস্পৰক প্ৰাৰ্থনা কৰে আৰু সময়, সমাজৰ নিয়ম উপেক্ষা কৰি অনুৰাগৰ পৰীক্ষাত উত্তীৰ্ণ হয়, তেতি-য়াই সেই মিলনলৈ নামি আহে দেব-লোকৰ স্পৰ্শ, গোন্ধ, আৰু শব্দ। অনুৰাগ-নিৰুদ্দিষ্ট এই পৃথিৱীত সকলো নাৰীয়ে এই দেবলোকৰ স্পৰ্শৰ কথা মনলৈ নানে। অৰুণিমা বাইদেৱে কিয় আনে?

জোৰকৈ অৰুণাভে অনুৰাধাৰ কথা ভাবিবলৈ চেষ্টা কৰিলে, আজিৰ এই নিঃসংগ মুহূৰ্তত, সুদীৰ্ঘ চাৰি বছৰৰ মূৰত অচিনাকী চহৰত এটা পূৰ্ণ সন্ধিয়া একেলগে পাৰ কৰি দিয়াৰ পাছত অনুৰাধাৰ কথায়েইতো মন ভৰাই ৰখা উচিত আছিল। কেতিয়াবা এখন মুখত আন এখন মুখ এইদৰে একাকাৰ হৈ যাব খোজে!

অৰুণিমা বাইদেউৰ কথা অৰুণাভে ভাবিবলৈ ভয় কৰে। যেতিয়াই ভাবে তেতিয়াই অৰুণাভ প্ৰচণ্ডভাৱে আলো-ড়িত হৈ উঠে এটা প্ৰশ্নৰে: সামাজিক অধিকাৰ অবিহনে অনুভূতিৰ গভী-ৰতাৰ প্ৰকাশ পাপ নে কি?

অৰুণাভে একো নাভাবিবলৈ চেষ্টা কৰিলে। যি প্ৰশ্ন যুক্তি আৰু নিয়মৰ বাহিৰত তেনেকুৱা প্ৰশ্নৰ কোনো উত্তৰ নাথাকে। উত্তৰ বিচাৰিলেই মনৰ ভিতৰত কি জানো তোলপাৰ লাগি যায় আৰু সেই তোলপাৰে বহু সময় লৈ হৃদয়ৰ মৰ্মস্থল খুচি থাকে।

প্ৰতুল দা আৰু অৰুণিমা বাইদেউক এটা সুখী পৰিয়াল বুলিয়েই ভাব হয়। অৰুণাভ অসমৰপৰা আহিবৰ সময়ত অৰুণিমা বাইদেউহঁত চুটিত, প্ৰতুল দাৰ ভনীয়েকৰ বিয়া। সেয়েহে লগ ধৰা নহ'ল। চিঠি এখন লিখা উচিত হব নেকি অৰুণাভে খন্তেকৰ বাবে ভাবিলে যিখন চিঠিত সঁচা অনুভূতিৰ কথা লিখিব নোৱাৰি, তেনেকুৱা চিঠি অৰুণাভে লিখিব নোৱাৰে; আৰু যিখন চিঠিত সঁচা অনুভূতিৰ কথা লিখা হয়, তেনেকুৱা এখন চিঠি সাহস থাকিলেও, অৰুণিমা বাইদেউলৈ লিখাৰ অধিকাৰ অৰুণাভৰ নাই। সেয়েহে নিলিখিলে।

কেনেকৈ কিমান কথা চিৰকালৰ বাবে অলিখিত হৈ ৰৈ যায়!

কাগজ আৰু কলমলৈ অৰুণাভে অসমৰ পৰা অহাৰ পাছত প্ৰথম চিঠিখন লিখিবলৈ আৰম্ভ কৰিলে অৰ্জুন মামালৈ। মুহূৰ্ততে অৰুণাভে পাহৰি গ'ল অৰুণিমা বাইদেউ আৰু অনুৰাধাৰ কথা। তাৰ বিপৰীতে ধীৰে ধীৰে অস্পষ্ট ছাঁয়াৰ দৰে ভাঁহি উঠিল দৈন্য, বাৰ্ধক্য আৰু হতাশাই জীৱনৰ সকলো জ্যোতি শুহি লৈ যোৱা অৰ্জুন মামাৰ কথা। মাকৰ মৃত্যুৰ পাছত আপোন বুলি কবলৈ অৰুণাভৰ কোনোবা আছে যদি সেয়া অৰ্জুন মামা। নিমি আৰু ৰুমী— অৰ্জুন মামাৰ দুজনী ছোৱালী; —অৰ্থাভাৱত জুৰুলাগ্ৰস্ত অৰ্জুন মামাই সিহঁতক সময়ত উলি-য়াই দিব নোৱাৰিলে।

হয়তো বাৰান্দাত বহি এই মুহূ-ৰ্ততো অৰ্জুন মামাই নিশাৰ আন্ধাৰে আবৰি ধৰা চহৰৰ গলিৰ শেষ বিন্দু-টোলৈ আকুল প্ৰতীক্ষাৰে চাই আছে কিজানি নিমি আৰু ৰুমী আজি ঘূৰি আহে। এইবাৰ তেওঁ আৰু ভুল নকৰে, যেনেকৈয়ে নহওক কিয় দুয়োজনীকে উলিয়াই দিব কইনাৰ সাজেৰে।

অৰুণাভ তেতিয়া কলেজত। বন্ধত ঘৰলৈ অহাৰ সময়ৰ কথা। অৰ্জুন মামাই কৈছিল,— অৰুণাভ, মোৰনো আৰু ক'ত সামাৰ্থ্য আছে? তই পঢ়ি-শুনি সোনকালে ওলা। ইহঁত দুজনীৰ বিয়া তয়েই দিব লাগিব। সকলো তয়েই কৰিব লাগিব।

নাই, অৰুণাভে একো কৰিবলগীয়া নহ'ল। যি কৰিবলগীয়া আছিল নিমি আৰু ৰুমীয়ে নিজেই কৰিলে।

কোনোবা বান্ধৱীৰ লগত এদিন ছিনেমা চাবলৈ যাম বুলি ওলাই গৈ নিমি আৰু ঘৰলৈ ঘূৰি নাহিল। কোনোবাই ক'লে পাঞ্জাবী ল'ৰা এজনৰ লগত ষ্টেছনত দেখাৰ কথা। তাইনো মোক কিয় একো নকলে? —এটা উত্তৰ নোহোৱা প্ৰশ্নৰ উত্তৰ নিৰন্ধ্ৰ অন্ধকাৰৰ মাজত আজিও অৰ্জুন মামাই বিচাৰি আছে।

নিমিৰ এই আকস্মিক অন্তৰ্ধানৰ মাত্ৰ কিছুদিন পাছতে ৰুমীৰ প্ৰাণহীনা শীতল শৰীৰ আৱিষ্কৃত হ'ল কাছাৰী ঘাটৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ নিস্তৰংগ পানীত। প'ষ্ট মৰ্টেমত ধৰা পৰিল ৰুমীৰ লগত সেইদিনা একেলগে নিৰ্বাপিত হ'ল কোনোদিনে পৃথিৱীৰ আলোক নেদেখা আন এটা অবুজ দুমহীয়া প্ৰাণ।

কম্পিত হাতেৰে ৰুমীৰ মুখ স্পৰ্শ কৰি হৃদয় বিদাৰক বাষ্পময় কণ্ঠেৰে মাত্ৰ এবাৰৰ বাবে অৰ্জুন মামাই চিঞৰি উঠিল,— তাই বিয়া হ'বলৈ বৰ ইচ্ছা কৰিছিল, কোনোবাই কপা-লত অলপ সেন্দুৰ সানি দেঅ'—।

অৰুণাভৰ এতিয়াও মনত পৰে অৰ্জুন মামাৰ কোলাত যন্ত্ৰণাবিহীন, সেই নিস্পন্দ মুখ: প্ৰতিমাৰ দৰে প্ৰশান্ত, অপলক খোলা দুটা চকুৰে আকাশৰ ফালে মুখ কৰি আছে।

অৰ্জুন মামাই আকৌ এবাৰ চিঞৰি উঠিছিল,— মোক কোনোবাই অলপ টকা ধাৰলৈ দে। এইৰ বিয়া-খন মই ধুমধামেৰে পাতিম। ধুম-ধামেৰে—।

কিয় জানো হঠাতে সেইদিনা ৰুমীৰ সেই যন্ত্ৰণাবিহীন, মৃত্যুৱে স্পৰ্শ কৰি যোৱা পবিত্ৰ মুখলৈ একেথৰে চাই অৰুণাভে প্ৰতিজ্ঞা কৰিছিল: কেতিয়াবা যদি কাৰোবাক আপোন কৰি লবলগীয়া হয়, তেনেহ'লে আপোন কৰি লব আন্তৰিকতাৰে প্ৰতিশ্ৰুতিৰে; অৰ্থৰ ঢাক ঢোলেৰে নহয়। হৃদয়ৰ মিলনত অৰ্থৰ বিনিময় আত্মিক পাপ।

বহু নিশালৈকে অৰুণাভৰ বন্ধ হোটেল কোঠাৰ বতাহত ভাঁহি থাকিল ৰুমী নামৰ সেই ছোৱালীজনীৰ মুখ, যাৰ শৰীৰত আশ্ৰিত আছিল পৃথিৱীৰ আলোক নেদেখা এটা পৰিচয়হীন অনাগত দুমহীয়া প্ৰাণ। এটা সময়ত সেই মুখ একাকাৰ হৈ গ'ল দেওজান বাগানৰ মেনেজাৰ অৰূপ চলিহাৰ ছোৱালী ৰূপালীৰ লগত।

বহুত দিনৰ মূৰত অৰুণাভে আকৌ এবাৰৰ বাবে শুনা পালে অৰূপ চলিহাৰ সেই শেষ কথা: অৰুণাভ, ল'ৰা হিচাপে তোমাৰ বিষয়ে কবলৈ মোৰ একো নাই। কিন্তু গোটেই জীৱন কাৰ বাবে মই কষ্ট কৰিছোঁ? এই ঘৰ, সম্পত্তি কাৰ বাবে? মোৰ এজনী ছোৱালী ৰূপালী। সমাজত মোৰ এডোখৰ স্থান আছে। তুমি ভাবিছা নেকি কোনেও নজনাকৈ, লগত একো এটা নিদিয়াকৈ এজন ল'ৰাৰ লগত মই ৰূপালীক উলিয়াই দিম?

অৰুণাভে একো নকলে: মৃত্যুৱে স্পৰ্শ কৰা মুখৰ সন্মুখত কৰা প্ৰতি-জ্ঞাতকৈ সমাজৰ নিয়ম ডাঙৰ হ'ব নোৱাৰে।

নিমি, ৰুমী, অনুৰাধা, অৰুণিমা আৰু ৰূপালী লাহে লাহে সকলোৰে অশৰীৰ মুখ হোটেলৰ মৃদু আলোক-ময় বন্ধ কোঠাত কঁপি থাকিল,— অৰুণাভৰ নিদ্ৰাবিহীন চকুৰ সন্মুখত।

বিছনাৰপৰা হঠাতে জাপ মাৰি উঠি অৰুণাভে বাথৰুমত সোমাই কফিৰ দাগ লগা ছাৰ্টটো পানীত তিয়াই দিলে। বুকুত লাগি ৰোৱা দাগটো নোহোৱা হৈ যাওক।

অৰুণাভে স্মৃতিলৈ বৰ ভয় কৰে। সেই স্মৃতিৰ সৈতে অৰুণাভৰ পুনৰ দেখাদেখি হ'ব পাৰাদ্বীপত— নীৰেন দত্তৰ লগত আৰু মাত্ৰ কেইদিনমান পাছত,— সুদূৰ অসমৰপৰা আহি থকা ৰূপালীৰ ৰূপত।

[আগলৈ]

OKDISCD

# গান্ধৰ্ব সংগীতৰ স্বৰগ্ৰাম

প্ৰদীপ চলিহা

পুৰণি অসমৰ গান্ধৰ্ব অথবা মাৰ্গ সংগীতৰ নানা কাৰণত পতন ঘটিল। মহাপুৰুষ দুজনাৰ ৰচনা বৰগীত, অথবা প্ৰাচীন ব্যাহগীত আদিত গান্ধৰ্ব সংগীতৰ ৰাগৰ নাম উল্লেখ থাকিলেও, গায়ন পদ্ধতিৰ ফালৰপৰা এইবোৰ সংগীতক গান্ধৰ্ব সংগীত বোলা নাযায়। ইয়াৰ মূল কাৰণ, গায়ন বা ওজাসকলৰ গান্ধৰ্ব সংগীতৰ সঠিক স্বৰ জ্ঞানৰ অভাৱ। ভাৰতীয় মাৰ্গ সংগীতৰ সম্যক স্বৰজ্ঞান নাথাকিলে, গান্ধৰ্ব সংগীত গোৱাটো সম্ভৱ নহয়। কাৰণ স্বৰৰ বেলেগ বেলেগ প্ৰয়োগৰ ৰচনাৰেহে বিভিন্ন ৰাগৰ সৃষ্টি হয়, আৰু ৰাগেই সংগীতৰ প্ৰাণ। অসমীয়া মানুহে গীত-পদ গোৱাক ৰাগটনা বুলি কয়। বৰগীত অথবা ব্যাহগীত গাওঁতে গায়কে বিভিন্ন স্বৰৰ প্ৰয়োগত ৰাগ দিয়ে। ইয়াকে গান্ধৰ্ব সংগীতত আলাপ বুলি কোৱা হয়। এই আলাপতে বিচিত্ৰ স্বৰ-সজ্জাৰ দ্বাৰা ৰাগৰ মূলৰূপ ফুটাই তোলা হয়। ভাৰতীয় সংগীতৰ এই স্বৰবিলাক কেতিয়া কেনেকৈ আমাৰ হাতলৈ আহিল, তাক সকলো সংগীত শিল্পী অথবা সংগীত প্ৰেমীয়ে জনা প্ৰয়োজনীয়। কাৰণ কণ্ঠ সংগীত, যন্ত্ৰ সংগীতৰ সকলো শিল্পীৰে স্বৰ জ্ঞান নিতান্ত প্ৰয়োজন। সম্যক স্বৰ জ্ঞান নাথাকিলে শিল্পীৰ সাধনা ব্যৰ্থতাত পৰিণত হয়।

স্বৰৰ মূল উপাদান শব্দ। শব্দ বায়ুৰ তৰংগৰ সৃষ্টি। সেয়ে বায়ুক সংস্কৃত ভাষাত "শব্দগুণ" বুলিও কয়। ভাৰতীয় সংগীতৰ প্ৰাচীন শাস্ত্ৰসমূহত সেই কাৰণে "গীতং নাদাত্মকং" বুলি কোৱা হৈছে। ইয়াৰ অৰ্থ,— নাদ বা শব্দ তৰংগৰ পৰাই সংগীতৰ উৎপত্তি হৈছে। হিন্দু দৰ্শন শাস্ত্ৰই সমগ্ৰ জগত নাদৰ অধীন বুলি কয়। যেনে— "নাদাধীনং জগৎ"।

ভাৰতীয় সংগীতৰ স্বৰ বিজ্ঞান একে দিনে সৃষ্টি হোৱা নাই। জগতৰ সকলো বস্তুৰ ক্ৰমবিকাশৰ প্ৰথা অনুসাৰেই এই স্বৰো অনাদি কালৰপৰা ক্ৰমবিকাশৰ পথেৰে আগবাঢ়ি আহি— প্ৰাক বৈদিক, বৈদিক, পৌৰাণিক যুগ অতিক্ৰম কৰি আহি বৌদ্ধ, হিন্দু, মুছলমান, ইংৰাজ যুগৰ মাজেৰে আহি আজিৰ দিনত উপস্থিত হৈছেহি। এই দীঘলীয়া পথ অতিক্ৰম কৰোঁতে স্বৰগ্ৰামৰ অকণো সাল-সলনি নাই হোৱা বুলি কব নোৱাৰি। প্ৰাচীন সংগীত শাস্ত্ৰ নাৰদীয় শিক্ষা, অথবা শাৰ্ংগদেৱৰ সংগীত ৰত্নাকৰত উল্লেখ কৰা বৈদিক যুগৰ— আৰ্চিক, গাথিক, সামিক, স্বৰান্তৰ, ঔড়ৱ, ষাড়ৱ আৰু সম্পূৰ্ণ আদি সংগীতৰ জাতি আদিয়ে স্বৰ সপ্তকৰ ক্ৰমবিকাশৰ কথায় সূচায়।

বৈদিক যুগৰ প্ৰথম অৱস্থাত (আৰ্চিক যুগ) বৈদিক সংগীতত মাত্ৰ এটাহে স্বৰ ব্যৱহৃত হৈছিল। "একশ্ৰুতম্" —অৰ্থাৎ মাত্ৰ এটা শ্ৰুতি। সেই এক স্বৰটো আজিৰ প্ৰচলিত স্বৰ সপ্তকৰ মধ্যম স্বৰ (মা) আছিল বুলি পণ্ডিতসকলে স্থিৰ কৰিছে। প্ৰাচীন মত অনুসৰি মধ্যম স্বৰটো সংগীতত শাশ্বত স্বৰ। ইয়াৰ বিলোপ ঔড়ৱ, ষাড়ৱ আৰু সম্পূৰ্ণ কোনো সংগীততে নহয়। সংগীত ৰত্নাকৰৰ টীকাকাৰ কল্লিনাথে তেওঁৰ "কলানিধি" পুথিত লিখিছে,— "আলোপিনং বিজানীয়াৎ সৰ্বত্ৰৈৰ মধ্যমম্।" অৰ্থাৎ মধ্যম স্বৰ স্থায়ী স্বৰ। সংগীতজ্ঞ সিংহ ভূপালে লিখিছে— "ষাড়বি তত্ৰে, ঔড়বি তত্ৰেচ মধ্যমস্য লোপো নাস্তি"। ষাড়ৱ, ঔড়ৱ ক'তো মধ্যম স্বৰৰ লোপ নহয়। মধ্যম স্বৰক সেইদেখি অবিনাশী স্বৰো বোলা হয়। বৰ্তমানৰ সংগীততো স্বৰ সপ্তকত মধ্যম স্বৰক মাজৰ স্বৰ স্বৰূপে লোৱা হয়। আৰ্চিক যুগৰ একস্বৰী গায়নত মধ্যম স্বৰ (মা) মূল স্বৰ আছিল।

ইয়াৰ পাছত গাথিক যুগৰ কাল। এই যুগত সামগীতত দুটা স্বৰ ব্যৱহৃত হৈছিল। সেই স্বৰ দুটা বৰ্তমান স্বৰ সপ্তকৰ মধ্যম আৰু পঞ্চম স্বৰ (মা, পা) বুলি পণ্ডিতসকলে স্থিৰ কৰিছে।

গাথিক যুগৰ পাছত সামিক যুগ। সামিক যুগৰ সাম সংগীতত তিনিটা স্বৰৰ ব্যৱহাৰ হৈছিল। পণ্ডিতসকলে এই তিনি স্বৰক— মধ্যম, ষড়জ আৰু পঞ্চম (মা-সা-পা) বুলি ঠাৱৰ কৰিছে।

সামিক যুগৰ পাছত "স্বৰান্তৰ" অথবা চাৰি স্বৰৰ কাল। সেই চাৰি স্বৰ বৰ্তমান কালৰ, গান্ধাৰ, মধ্যম, ষড়জ আৰু পঞ্চম (গা, মা, সা, পা) আছিল বুলি গুণীসকলে কয়। ইয়াৰ পাছত ক্ৰমান্বয়ে পাঁচ স্বৰ (ঔড়ৱ), ছয়স্বৰ (ষাড়ৱ) সাতস্বৰ (সম্পূৰ্ণ)ৰ ব্যৱহাৰৰ যুগ।

আৰ্চিক যুগৰ একস্বৰী গায়নত স্বৰ স্থান তিনি ভাগে ভগোৱা হৈছিল। যেনে উদাত্ত (উচ্চস্বৰ), অনুদাত্ত (মধ্যস্বৰ) আৰু স্বৰিত (মধ্যস্বৰ)। পাছৰ যুগলৈ এই স্বৰ স্থানক— মন্দ্ৰ (খাদ), মধ্য (মধ্যস্বৰ) আৰু তাৰ (উচ্চ স্বৰ) বুলি নামকৰণ কৰা হ'ল। বৈদিক যুগতেই ক্ৰমবিকাশৰ গতিত একস্বৰ (আৰ্চিক), দ্বি স্বৰ (গাথিক), ত্ৰি স্বৰ (সামিক) চতুৰ্স্বৰ (স্বৰান্তৰ), পঞ্চস্বৰ (ঔড়ৱ), ষটস্বৰ (ষাড়ৱ) সপ্তস্বৰ (সম্পূৰ্ণ)ত (পৰিপূৰ্ণতাত) পৰিণত হয়।

এই ক্ষেত্ৰত এটা কথা বিশেষ ভাৱে মন কৰিবলগীয়া যে, বৈদিক যজ্ঞত যেতিয়া 'হোতা' বা 'অধ্বৰ্য্য' নামৰ পুৰোহিতে বেদমন্ত্ৰ উচ্চাৰণ কৰিছিল তেতিয়া তেওঁ একেটা স্বৰতে, তিনি স্বৰ স্থানেৰে উদাত্ত, অনুদাত্ত আৰু স্বৰিত প্ৰথাৰে আবৃত্তি কৰি গাইছিল। কিন্তু সেই একে যজ্ঞতে 'উদগাতা' নামৰ পুৰোহিতসকলে সামমন্ত্ৰ আবৃত্তি কৰোঁতে সুৰ প্ৰয়োগ কৰিহে গান স্বৰূপে গাইছিল। সেই গীতক গেয়সাম বোলা হৈছিল। গেয়সাম গীতত ছটা সুৰৰ প্ৰয়োগ আছিল।

শেহলৈ সাম শব্দই সুৰ বুজুৱা হৈছিল। উদাহৰণ স্বৰূপে ঋচং সাম্না প্ৰচ্ছনাং গায়ন্তি" অৰ্থাৎ ঋক্ মন্ত্ৰ সামৰদ্বাৰা ব্যাপৃত কৰি গাব লাগে। ইয়াত সাম শব্দই সুৰ বুজাইছে। বৈদিক যুগতেই যজ্ঞৰ বাহিৰত লৌকিক গীতত সপ্তস্বৰৰ প্ৰয়োগ হৈছিল। সেই সময়ত এই স্বৰ সপ্তকক বৰ্তমানৰ ষড়জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ বুলি চিনাক্ত কৰা নহৈছিল। তাৰ পৰিবৰ্তে সেই স্বৰসমূহক—প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, অতিস্বাৰ্য্য, মন্দ্ৰ আৰু ক্ৰুষ্ঠ হে বোলা হৈছিল। বৈদিক যুগৰ সেই স্বৰ সপ্তক বৰ্তমানৰ স্বৰ অনুসৰি সজালে এনে হ'ব: ১ম (মা) ২য় (গা) ৩য় (ঋ) ৪ৰ্থ (সা) অতিস্বাৰ্য্য (ধা), মন্দ্ৰ (নি) আৰু ক্ৰুষ্ঠ (পা)। বৈদিক যুগৰ স্বৰ সপ্তকৰ গতি অৱৰোহণত আছিল। যেনে—ক্ৰুষ্ঠাদয়ঃ উত্তৰোত্তৰ নীচা ভৱন্তি" (সামতন্ত্ৰ) সেই স্বৰ বৰ্তমানৰ স্বৰ সপ্তকেৰে সজালে হ'ব— মা, গা, ঋ, সা, ধা, নি, পা।

বৈদিক যুগত সামগীত গাওঁতে গায়কে স্বৰস্থান হাতৰ আঙুলিৰ সংকেতেৰে নিৰ্দেশ কৰি গাইছিল। বৰ্তমানেও গুণীসকলে বেদমন্ত্ৰ গাওঁতে হাতৰ সংকেত দি গোৱা প্ৰথা অব্যাহত ৰাখিছে। সামগীতত হ্ৰস্ব, দীৰ্ঘ আৰু প্লুতস্বৰৰ ব্যৱহাৰ আছিল।


নাৰদ, মণ্ডুক আদি প্ৰাচীন সংগীতজ্ঞসকলে বৈদিক—উদাত্ত, অনুদাত্ত, আৰু স্বৰিত এই তিনি স্বৰ স্থানৰ পৰাই বৰ্তমানৰ সপ্তস্বৰৰ উৎপত্তি হৈছে বুলি মত প্ৰকাশ কৰিছে। উদাত্তৰ পৰা নিষাদ আৰু গান্ধাৰ (নি, গা), অনুদাত্তৰ পৰা ঋষভ আৰু ধৈৱত (ঋ-ধা), স্বৰিতৰ পৰা ষড়জ, মধ্যম আৰু পঞ্চম (সা-মা-পা)ৰ জন্ম হৈছে। "উচ্চৌ নিষাদ গান্ধাৰৌ, নীচা বৃষভ ধৈৱতৌ। শেষস্তু স্বৰিতা জ্ঞেয়াঃ ষড়জ মধ্যম পঞ্চমা॥"।

বৈদিক যুগৰ ক্ৰুষ্ঠ, মন্দ্ৰ, অতিস্বাৰ্য্য আদি স্বৰসপ্তকৰ পৰা ক্ৰমান্বয়ে কেতিয়া কেনেকৈ বৰ্তমানৰ ষড়জ, ঋষভ, গান্ধাৰ আদিৰ নাম সলনি হ'ল সেই বিষয়ৰ বহুত কথা সংগীত শাস্ত্ৰসমূহত পোৱা যায়। এই শাস্ত্ৰসমূহৰ মতে নানা পশুপক্ষীৰ মাতৰ পৰাই সংগীতজ্ঞসকলে এই সপ্তস্বৰ গ্ৰহণ কৰিছিল। সংগীত শাস্ত্ৰ মাণ্ডুকী শিক্ষাত আছে: "ষড়জ বদতি ময়ূৰো, গাবোৰম্ভন্তিচৰ্ষভে/অজবদতি গান্ধাৰে, ক্ৰৌঞ্চ নাদস্তু মধ্যমে॥ পুষ্পসাধাৰণ কালে কোকিলঃ পঞ্চম স্বৰে/অশ্বস্তু ধৈৱত প্ৰাহ, কুঞ্জৰস্তু নিষাদবান"॥ ইয়াৰ অৰ্থ—ম'ৰাচৰাইৰ মাতৰ পৰা সা, গৰুৰ মাতৰ পৰা ঋ, ছাগলীৰ মাতৰ পৰা গা, কৰ্চন চৰাইৰ মাতৰ পৰা মা, কুলিচৰাইৰ মাতৰ পৰা পা, ঘোঁৰাৰ মাতৰ পৰা ধা আৰু হাতীৰ মাতৰ পৰা নি আহৰণ কৰা হৈছে। পাছৰ যুগত আকৌ দুই একে এই স্বৰ সম্বন্ধীয় পশু-পক্ষী সলনি কৰাও দেখা যায়। সংগীতজ্ঞ সিংহভূপালে ঋস্বৰৰ মূল গৰুৰ সলনি চাতকপক্ষী আৰু ধাস্বৰৰ মূল ঘোঁৰাৰ সলনি ভেকুলী বুলি নিৰ্ণয় কৰিছে। স্বৰ ধ্বনিৰ ফালৰ পৰা হয়তো দুয়োটাই শুদ্ধ।

এই শ্লোকৰ ঘাই উদ্দেশ্য হ'ল— কণ্ঠ সংগীতৰ ছাত্ৰই নিজৰ স্বৰস্থান শুদ্ধ ৰূপত প্ৰকাশ কৰিবলৈ আধাৰ স্বৰূপে লবৰ কাৰণে এই পশু-পক্ষীৰ স্বৰৰ নিৰ্দেশ দি গৈছে। কাৰণ এই পশু-পক্ষীৰ মাত সদায় একে থাকে। বৰ্তমানৰ সংগীতৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ কণ্ঠস্বৰ অথবা বাদ্যযন্ত্ৰৰ স্বৰ নিৰ্ধাৰণ কৰিবলৈ যেনেকৈ নিৰ্ভুল স্বৰ সৰূপে হাৰমনিয়ামৰ বান্ধিথোৱা পৰ্দাৰ সুৰকে আধাৰ কৰি লয়, ঠিক তেনেকৈয়ে প্ৰাচীন কালত বিশুদ্ধ নিৰ্ভুল স্বৰৰ আধাৰ ৰূপে, এই পশু-পক্ষীৰ স্বৰকে লবলৈ নিৰ্দেশ দি গৈছে। বৈদিক যুগৰ স্বৰ সপ্তকৰ নামবোৰ বৰ্তমানৰ স্বৰ সপ্তকৰ নামলৈ সলনি হোৱাৰ কথা সংগীত শাস্ত্ৰকাৰসকলে স্পষ্টৰূপে কৈ গৈছে: যঃ সামগানাম্ প্ৰথমঃ সঃ বেণু মধ্যমস্বৰঃ/যে দ্বিতীয় সঃ গান্ধাৰ, স্তৃতীয়স্তু ঋষভঃ স্মৃতঃ॥ চতুৰ্থ ষড়জ ইত্যাস্থঃ পঞ্চমো ধৈৱতো ভবেৎ/ষষ্ঠেনিষাদ বিজ্ঞেয়ঃ সপ্তমঃ পঞ্চমঃ স্মৃতঃ॥ অৰ্থাৎ ১ম স্বৰ মা, দ্বিতীয় স্বৰ গা, তৃতীয় স্বৰ ঋ, চতুৰ্থ স্বৰ সা, পঞ্চম স্বৰ ধা, ষষ্ঠ স্বৰ নি আৰু সপ্তম স্বৰ পা লৈ পৰিবৰ্তিত হৈছে। বৰ্তমান যুগত বৈদিক যুগৰ স্বৰৰ নাম ক্ৰুষ্ঠ, মন্দ্ৰ অথবা প্ৰথম, দ্বিতীয় আদি সম্পূৰ্ণ লুপ্ত হ'ল।

আমি ইয়াত ভাৰতীয় গান্ধৰ্ব সংগীতৰ স্বৰ সপ্তকৰ ক্ৰমবিকাশৰ এটি অতি চমু আভাস দাঙি ধৰিলোঁ। সেই প্ৰাচীন যুগৰ সপ্তস্বৰ বৰ্তমান যুগলৈ আহোঁতেও বহুত সালসলনিৰ মাজেৰে আঁহি আমাৰ যুগত উপস্থিত হৈছেহি। কিছুকাল আগতে উত্তৰ ভাৰতীয় স্বৰ সপ্তক কাফি ঠাটত বন্ধা হৈছিল। কিন্তু বৰ্তমান উত্তৰ ভাৰতীয় স্বৰ সপ্তক বিলাৱল ঠাটত বন্ধা। বৰ্তমান অসমৰ মাৰ্গ সংগীতত শুদ্ধস্বৰৰ বিলাৱল ঠাটৰ স্বৰ সপ্তকেই প্ৰচলিত।

বৰ্তমান অসমৰ সংগীতৰ ছাত্ৰ-ছাত্ৰীসকলে সাধনাৰ বলেৰে সপ্তস্বৰৰ জ্ঞান আহৰণ কৰি, অধুনা লুপ্ত প্ৰাচীন অসমৰ গান্ধৰ্ব সংগীতৰ পুনৰুদ্ধাৰৰ কামত ব্ৰতী হ'লে নিশ্চয় সফলকাম হ'ব।








OKDISCD


বেডমিন্টনৰ আটাইতকৈ সন্মানীয় প্ৰতিযোগিতা

## অল ইংলেণ্ড চেম্পিয়নশ্বিপ

বিশ্বত যি পাঁচখন বেডমিন্টন প্ৰতিযোগিতা আছে তাৰ ভিতৰত অল ইংলেণ্ড চেম্পিয়নশ্বিপ হৈছে আটাইতকৈ মৰ্যাদাপূৰ্ণ। আন চাৰিখন প্ৰতিযোগিতা হৈছে বিশ্ব চেম্পিয়ন শ্বিপ, ফ্ৰেঞ্চছ প্ৰভিডেণ্ড মাষ্টাৰ্ছ অ'পেন, কমনৱেলথ গেমছ আৰু ইউৰোপীয়ান চেম্পিয়নশ্বিপ।

অল ইংলেণ্ড প্ৰতিযোগিতা আৰম্ভ হয় ১৮৯৯ চনত। সুদীৰ্ঘকাল এই প্ৰতিযোগিতাত ইংৰাজ খেলুৱৈসকলৰ আধিপত্য আছিল; কিন্তু ডেনমাৰ্কৰ খেলুৱৈ মেডছেনে ১৯৩৯ চনত পুৰুষৰ ছিংগলছত বিজয়ী হৈ ইংৰাজ-আধিপত্য খৰ্ব কৰে।

অল ইংলেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ইতিহাস কেইগৰাকীমান খেলুৱৈৰ অসামান্য কৃতিত্বৰে উজ্জ্বল হৈ আছে। ১৯৫৮ চনৰপৰা ১৯৬৭ চনলৈকে এই কালছোৱাত ডেনমাৰ্কৰ আৰলেণ্ড কপছে সাতবাৰ পুৰুষৰ বিভাগৰ ছিংগলছ চেম্পিয়ন হৈছিল। ইণ্ডোনেছিয়াৰ পৃথিৱীবিখ্যাত খেলুৱৈ ৰুদি হৰ্টনোৱে ১৯৬৮ চনত এই প্ৰতিযোগিতাত পোনপ্ৰথমবাৰৰ বাবে যোগদান কৰিয়েই চেম্পিয়ন হৈছিল আৰু উপৰ্যুপৰি সাতবাৰ চেম্পিয়ন হৈ ৰেকৰ্ড স্থাপন কৰিছিল। সেই ৰেকৰ্ড আজিও অম্লান হৈ আছে। ১৯৭৫ চনত ডেনমাৰ্কৰ খেলুৱৈ স্বেন প্ৰিৰ হাতত হৰ্টনোৱে পৰাজয় বৰণ কৰে। ১৯৮০ চনৰপৰা অল ইংলেণ্ড প্ৰতিযোগিতাত আৰ্থিক পুৰস্কাৰৰ প্ৰচলন হয় আৰু ভাৰতৰ প্ৰকাশ পাডুকোন সেই বছৰেই এই প্ৰতিযোগিতাত চেম্পিয়ন হয়। ডেনমাৰ্কৰ মৰ্টেন ফ্ৰষ্টেও এই প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিছে। টেনিছত উইম্বলডন প্ৰতিযোগিতাৰ যেনেকৈ এক বিশেষ স্থান আছে, তেনেকৈ বেডমিণ্টনত ইংলেণ্ড চেম্পিয়নশ্বিপৰো এক বিশেষ স্থান আছে। ইণ্ডোনেছিয়াৰ বিখ্যাত খেলুৱৈ লিয়েম ছুই কিঙে তেওঁৰ মনোমুগ্ধকৰ খেলেৰে এই প্ৰতিযোগিতাক সমৃদ্ধ কৰিছে। ডেনমাৰ্কৰ কোটিপতি বেডমিণ্টন খেলুৱৈ মৰ্টেন ফ্ৰষ্টে চাৰিবাৰ অল ইংলেণ্ড চেম্পিয়ন হৈছে। চীনৰ ঝাউ জিন হুৱা চেম্পিয়ন হৈছিল ১৯৮৫ চনত। সম্প্ৰতি ইউৰোপৰ খেলুৱৈ-


মৰ্টেন ফ্ৰষ্ট

সকলে এছিয়াৰ চীন, ইণ্ডোনেছিয়া আৰু মালয়েছিয়াৰ খেলুৱৈৰ লগত শোচনীয়ভাৱে ব্যৰ্থ হৈছে; একমাত্ৰ ব্যতিক্ৰম মৰ্টেন ফ্ৰষ্ট। ডেনমাৰ্কৰ কোপেনহেগেনত জন্ম গ্ৰহণ কৰা ২৯ বছৰ বয়সীয়া ফ্ৰষ্ট এতিয়াও ইংলণ্ডৰ হাৰ্টফ'ৰ্ডছায়াৰত থাকে;— কাৰণ ডেনমাৰ্কৰ তুলনাত ইংলণ্ডত আয়কৰ যথেষ্ট কম। ফ্ৰষ্টে অলপতে কৈছে, "নিজকে লৈ মই চিন্তিত নহওঁ;— মই চিন্তিত ইউৰোপৰ বেডমিণ্টনলৈ। কাৰণ টেবিল টেনিছৰ দৰে বেডমিণ্টন খেলতো এছিয়াৰ খেলুৱৈসকল দুৰ্বাৰ গতিৰে আগবাঢ়িছে।"

### বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা

পাকিস্তান আৰু ভাৰতে যুটীয়াভাৱে আয়োজন কৰা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ সংগঠক কমিটিৰ চেয়াৰমেন এন. কে. পি. ছালভেই জনাইছে যে এই বছৰৰ শেষৰ পিনে হ'বলগীয়া প্ৰতিযোগিতাখনৰ গুৰুত্বপূৰ্ণ প্ৰাথমিক প্ৰস্তুতিৰ কাম প্ৰায় সমাপ্ত হৈছে। বিশ্বকাপৰ উদ্বোধনী খেলখন হ'ব দিল্লীত, ৩০ ছেপ্টেম্বৰত। ১৪ খন খেল হ'ব ভাৰতত, ৭ খন হ'ব পাকিস্তানত। দুখন ছেমিফাইনেল খেল হ'ব পাকিস্তানত আৰু ফাইনেলখন হ'ব কলিকাতাত (৯ নৱেম্বৰত)। ৰিজাৰ্ভ বেংকে এই প্ৰতিযোগিতাৰ বাবে ৩ কোটি ৬০ লাখ টকাৰ বিদেশী মুদ্ৰাৰ অনুমোদন দিছে। এই প্ৰতিযোগিতাত প্ৰতিটো দলেই ৫০ অ'ভাৰকৈ বল কৰিব। কিবা কাৰণত কোনোবা দলে কম অ'ভাৰ বল কৰিলে প্ৰতি অ'ভাৰত ১২০০ পাউণ্ডকৈ জৰিমনা ভৰিব লাগিব। বৰষুণৰ কাৰণে খেলা বাধাপ্ৰাপ্ত হ'লে অতি কমেও ২৫ অ'ভাৰ খেলিব লাগিব; খেল যদি একেবাৰে অনুষ্ঠিত নহয়, তেতিয়াহে সেইখন খেল পাছৰ দিনা খেলোৱা হ'ব। অষ্ট্ৰেলিয়া, ইংলণ্ড আৰু নিউজিলেণ্ডৰপৰা দুজনকৈ আম্পায়াৰ নিয়োগ কৰা হ'ব,— চাৰিজনকৈ থাকিব ভাৰত আৰু পাকিস্তানৰপৰা, ৱেষ্ট-ইণ্ডিজৰপৰা থাকিব এজন। আউট ড'ৰ ব্ৰডকাষ্টিংভেন আৰু কেমেৰা ইত্যাদিৰ কাৰণে দুৰদৰ্শন সংস্থাই ইতিমধ্যেই ৪০ কোটি টকা ব্যয় কৰিছে। বিশ্বকাপত খেলিব আই. ছি. ছি.ৰ পূৰ্ণ সদস্য দেশ সাতখন আৰু সহযোগী দেশ জিম্বাবৱেই।

### সুনীল ৰাষ্ট্ৰদূত নহয়

অলপতে এগৰাকী সাংবাদিকে গাভাছকাৰক প্ৰশ্ন কৰিছিল— অৱসৰ গ্ৰহণৰ পাছত তেওঁলৈ ৰাষ্ট্ৰদূত হোৱাৰ প্ৰস্তাৱ আগ বঢ়ালে তেওঁ সেই প্ৰস্তাৱ গ্ৰহণ কৰিব নে নকৰে। উত্তৰত সুনীলে কয়,— "মোৰ নিচিনা এজন বিতৰ্কিত মানুহক ৰাষ্ট্ৰদুত হিচাপে নিয়োগ কৰিলে প্ৰায় সদায়ে এখন নহয় এখন দেশৰ লগত কূটনৈতিক সম্পৰ্ক ছিন্ন হ'ব, নাইবা যুদ্ধৰ সম্ভাৱনাই দেখা দিব। আৰু পাকিস্তানৰ দৰে দেশলৈ মোক ৰাষ্ট্ৰদুত কৰি পঠিয়ালেতো কথাই নাই: কাৰণ সুনীল গাভাছকাৰে যি কয় বা কৰে সেই এটাইবোৰেই "বিতৰ্কমূলক"। গতিকে অচিৰেই বিবাদে দেখা দিব। অন্ততঃ কিছুমান বাতৰি কাকতে মোৰ 'ইমেজ' এনেদৰে দাঙি ধৰিছে। সেই বাবে ৰাষ্ট্ৰদুতৰ দায়িত্ব গ্ৰহণ কৰাটো মোৰ দ্বাৰা সম্ভৱ নহব।"

### মাৰাডোনাৰ কথা

খ্যাতনামা ফুটবল খেলুৱৈ ডিয়াগো মাৰাডোনাৰ বাবে ইংলণ্ডৰ টটেনহাম ক্লাবে ২০ কোটি টকা ইটালিৰ নেপোলি ক্লাবক টেন্সফাৰ-ফি হিচাপে দিব বুলি যি বাতৰি প্ৰচাৰিত হৈছে, সেইটো হাস্যকৰ বুলি মন্তব্য কৰিছে স্বয়ং মাৰাডোনাই। তেওঁ কয় কয়, "অংকটো বিপুল পৰিমাণৰ;— এই পৰিমাণৰ অৰ্থ অতীতত কোনেও পোৱা নাই আৰু মই নিশ্চিত ভৱিষ্যতেও কোনেও নাপায়। কোনোবা ইংৰাজ কৰ্মকৰ্তা মোৰ কাৰণে এই বিপুল পৰিমাণৰ অৰ্থ লৈ ইটালিলৈ আহিব বুলি মই নাভাবো। এতিয়া মোৰ একমাত্ৰ লক্ষ্য-- নেপোলিৰ হৈ লিগ জয় কৰা।"

### এক ৰানৰ কাৰণে বিশ্বৰেকৰ্ড স্পৰ্শ কৰিব নোৱাৰিলে গ্ৰিনিজ-হেইনেছে

ৱেষ্ট-ইণ্ডিজ দলে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলত নিউজিলেণ্ডক ৩-০ মেচত পৰাজিত কৰি ছিৰিজ জয় কৰিছে। শেষ মেচখনত নিউজিলেণ্ডে ৫০ অভাৰত ৯ উইকেটত ১৯১ ৰান কৰে আৰু ৱেষ্ট-ইণ্ডিজ দলে দুই অ'পেনিং বেটছমেন গৰ্ডন গ্ৰিনিজ আৰু ডেছমণ্ড হেইনেছৰ আক্ৰমণাত্মক খেলৰ সহায়ত ৩৯.২ অভাৰত প্ৰয়োজনীয় ৰানখিনি সংগ্ৰহ কৰে। গ্ৰিনিজে কৰে ১৩৩ ৰান (নট আউট) আৰু হেইনেছ অপৰাজিত হৈ থাকে ৫৩ ৰান কৰি। অসমাপ্ত প্ৰথম উইকেটত ১৯২ ৰান নিউজিলেণ্ড বিৰুদ্ধে ৱেষ্ট-ইণ্ডিজৰ নতুন ৰেকৰ্ড। মাত্ৰ ১ ৰানৰ বাবে গ্ৰিনিজ আৰু হেইনেছে বিশ্ব ৰেকৰ্ড স্পৰ্শ কৰিব নোৱাৰিলে। এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলত প্ৰথম উইকেটত বিশ্ব ৰেকৰ্ডৰ অধিকাৰী ইংলণ্ডৰ বিল এথে আৰু গ্ৰাহাম গুচ (১৯৩ ৰান, নিউজিলেণ্ডৰ বিৰুদ্ধে ১৯৮৬ চনত)।

### পৰলোকত টেনিছৰ প্ৰবাদপুৰুষ জঁৰি কোছে

অতীতৰ খ্যাতনামা টেনিছ খেলুৱৈ ফ্ৰান্সৰ "ফ'ৰ মাস্কেটিয়াৰ্ছ"ৰ অন্যতম জঁৰি কোছেই দীৰ্ঘদিন অসুখত ভোগাৰ পাছত ৮৬ বছৰ বয়সত পৰলোকগমন কৰিছে। ১৯২০ চনৰপৰা ১৯৩২ চনলৈকে কোছে আছিল বিশ্বটেনিছৰ অন্যতম নায়ক। ফৰাছী অ'পেনত তেওঁ জয়ী হৈছিল চাৰিবাৰ। দুবাৰ লাভ কৰিছিল উইম্বলডন খিতাপ। ফ'ৰ মাস্কেটিয়াৰ্ছৰ আন তিনিগৰাকী জঁা বৰোত্ৰা, ৰেনে লেকোষ্ট আৰু জেকেছ বাৰগনৰ লগত খেলি কোছেই ফ্ৰান্সক ডেভিছকাপত ছেম্পিয়ন কৰে ১৯২৭ চনৰপৰা ১৯৩২ চনলৈকে, একেৰাহে ছবাৰ। ১৯২৪ চনৰপৰা ১৯২৯ চনলৈকে বৰোত্ৰা, লেকোষ্ট আৰু কোছে দুবাৰকৈ উইম্বলডনৰ চেম্পিয়ন হৈছিল আৰু উপৰ্যুপৰি পাঁচবাৰ ফাইনেল খেলিছিল।

### বথামলৈ অনুৰোধ

ইয়ানবথামে অষ্ট্ৰেলিয়া ভ্ৰমণৰ আগতেই জনাইছিল যে অষ্ট্ৰেলিয়া ভ্ৰমণেই তেওঁৰ শেষ বিদেশ ভ্ৰমণ; ইয়াৰ পাছত তেওঁ আৰু ইংলণ্ড দলৰহৈ বিদেশ ভ্ৰমণ নকৰে। সম্প্ৰতি ছাৰজালৈ তেওঁ অহা নাছিল আৰু অহা বিশ্বকাপো তেওঁ নেখেলে। অষ্ট্ৰেলিয়া ভ্ৰমণৰ আগতে বথামৰ বিদেশত নেখেলা সিদ্ধান্তত বহুতেই সুখী হৈছিল, কাৰণ তেওঁ হেনো দলীয় সংহতিৰ বাধাস্বৰূপ। কিন্তু ইংলণ্ড দলৰ অষ্ট্ৰেলিয়া ভ্ৰমণৰ শেষত তেওঁৰ সমালোচকসকলে এই মত সলনি কৰিবলৈ বাধ্য হৈছে। কাৰণ এছেজ জয়, বেনছন এণ্ড হেজেছ আৰু ৱৰ্ল্ড ছিৰিজত ইংলণ্ডৰ সাফল্যত বথামৰ অৱদান আছিল অতি গুৰুত্বপূৰ্ণ। তেওঁ যেন বেটিঙ আৰু ব'লিঙত পূৰ্বৰ বথাম হৈ উঠিছিল।

ইয়ান বথাম যাতে বিশ্বকাপ ক্ৰিকেট খেলিবলৈ সন্মত হয়, তাৰ বাবে চেষ্টা কৰিছে ইংলণ্ডৰ কেইগৰাকীমান ছিনিয়ৰ খেলুৱৈয়ে। তেওঁলোকৰ অভিমত হ'ল,— বথাম দলত থাকিলে বিশ্বকাপ লাভ কৰাটো এইবাৰ ইংলণ্ডৰ বাবে সম্ভৱপৰ হ'ব। সেই বাবে সতীৰ্থ খেলুৱৈসকলে বথামক ব্যক্তিগতভাৱে অনুৰোধ জনাইছে— বিদেশত নেখেলাৰ সিদ্ধান্তটো সলনি কৰিবলৈ।

### ছক্ৰেটিছৰ অৱসৰ গ্ৰহণ

ব্ৰাজিলৰ বিশ্ববিখ্যাত মিডফিল্ডাৰ ছক্ৰেটিছে ফুটবলক বিদায় জনাইছে। ৩৩ বছৰ বয়সীয়া ছক্ৰেটিছে কৈছে ইটালিৰ ফ্লেমিংগো ক্লাবৰ হৈ তেওঁ এতিয়াও খেলি থকাটো অনুচিত; কিয়নো তেওঁ এটাৰ পাছত এটাকৈ আঘাত পাই আছে আৰু তাৰবাবে ৰিজাৰ্ভত থাকিবলৈ বাধ্য হৈছে। তেওঁ কৈছে, "ৰিজাৰ্ভত থাকি প্ৰতিমাহে ৫০ হাজাৰ টকা ক্লাবৰপৰা গ্ৰহণ কৰিবলৈ মই বৰ সংকোচ বোধ কৰিছোঁ।" তেওঁৰ এই আচম্বিত অৱসৰ গ্ৰহণৰ সিদ্ধান্তই সহখেলুৱৈসকলক যে আচৰিত কৰিব সেই বিষয়ে সন্দেহ নাই। ১৯৮২ আৰু ১৯৮৬ৰ বিশ্বকাপত ব্ৰাজিলক প্ৰতিনিধিত্ব কৰা খেলুৱৈগৰাকী ব্যক্তিগত জীৱনত এগৰাকী চিকিৎসক। সহখেলুৱৈ ফেলকাই কৈছে, "ছক্ৰেটিছে ইচ্ছা কৰাহেঁতেন আৰু বহুদিন খেলিব পাৰিলেহেঁতেন। এই বিৰল প্ৰতিভাৰ খেলুৱৈগৰাকীৰ অভাৱ ফ্লেমিংগই বাৰুকৈয়ে অনুভৱ কৰিব। ব্ৰাজিলৰ ফুটবলেও আৰু যিসকলে ফুটবলৰ সূক্ষ্ম দিশসমূহ পছন্দ কৰে তেওঁলোকেও ছক্ৰেটিছৰ অভাৱ অনুভৱ কৰিব।"

# টেলিভিশ্যনৰ পৰ্দা ঃ জাতিৰ দাপোণ

কিছুমান বস্তু প্ৰয়োজনীয় বুলি ভবা হয়, সেইবোৰ পাবলৈ আগ্ৰহ প্ৰকাশ কৰা হয়, বা দাবীও কৰা হয়, কিন্তু বস্তুবোৰ পোৱাৰ পাছত পাওঁতাৰ দায়িত্বও বাঢ়ে, সমস্যাও বাঢ়ে। এনে বস্তুৰ উদাহৰণ হ'ল,— অনুষ্ঠান যুগুত কৰিবপৰা ষ্টুডিঅ' আদিৰে সৈতে দূৰদৰ্শন কেন্দ্ৰ এটা। অসমত এনে এটা কেন্দ্ৰ স্থাপিত নোহোৱা হ'লে আমি আপত্তি কৰিলোহেঁতেন; কিন্তু হোৱাৰ পাছত আমাৰ দায়িত্ব কি, সমস্যা কি, সেইবোৰলৈও চকু ৰাখিব লাগে। যদি কেন্দ্ৰটো কেৱল ৰিলে কৰা কেন্দ্ৰহে হ'লহেঁতেন, অৰ্থাৎ দিল্লীয়ে যেতিয়া যি পঠিয়ায় তাকেহে পালোহেঁতেন, তেতিয়া আমাৰ দায়িত্ব প্ৰায় নাইকিয়াৰ নিচিনাই হ'লহেঁতেন; চালো চালো, নাচালো নাই; ৰিলে কেন্দ্ৰৰ যন্ত্ৰকেইটা চলি থাকিলেই হ'ল, অসমীয়া প্ৰগ্ৰেমো দেখুৱাব লাগে বুলি দিল্লীক কৈ থাকিলেই হ'ল। কিন্তু যেতিয়া আমাকে অনুষ্ঠান প্ৰস্তুত কৰিবলৈ দিয়া হৈছে, তেতিয়া আমাৰ দায়িত্বৰ পৰিমাণ বহু বেছি হৈছে। দূৰদৰ্শন কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত; গতিকে ৰাজনৈতিক কাৰবাৰবোৰৰ ধৰণ সুকীয়া হ'ব; কিন্তু সাংস্কৃতিক দিশত সম্পূৰ্ণ দায়িত্ব আমাৰ। টেলিভিশ্যনৰ এই পৰ্দাখন অতি আকৰ্ষণীয় বস্তু; অসমতে বহি বিভিন্ন ভাষা-ভাষী, বিভিন্ন কৃষ্টি-সংস্কৃতিৰ লগত সম্পৰ্ক থকা মানুহে আগ্ৰহেৰে এই পৰ্দাখনলৈ চাই থাকে। এই পৰ্দাখন কেৱল গান গাই বা নাচি থকা কোনোবা "শিল্পী" ওলোৱা পৰ্দা নহয়, কোনোবা প্ৰযোজকে প্ৰযোজনা কৰা এটা অনুষ্ঠান বহুতে দেখাকৈ থোৱা বাচন নহয়; এই পৰ্দাখন হ'ল—আমাৰ কৃষ্টি-সংস্কৃতিৰ ৰূপ কি, আমি তাৰ চৰ্চা কেনেদৰে কৰিছোঁ, কিমান দক্ষতাৰে সেইবোৰ বিশ্বৰ আগত উপস্থাপন কৰিব পাৰিছোঁ তাৰ হিচাপ নিৰ্ণয় কৰা দাপোণ। (অসমীয়া অনুষ্ঠান কেৱল অসমীয়া মানুহখিনিয়েহে চায়,—এই কথা সঁচা নহয় বুলিয়েই "বিশ্ব"ৰ কথা কৈছোঁ। যদি সেই কথা সঁচা, তেনেহলে আমি সকলোৱে সেই সঁচা কথাটোৱে দিয়া লাজ মতশিৰে গ্ৰহণ কৰিব লাগিব।) এইখিনিতে এটা কথালৈ মন কৰাটো প্ৰয়োজনীয়: কেৱল নৃত্য-গীত-নাটক আদিকে সংস্কৃতিৰ বস্তু বুলি ধৰাটো ভুল কাম। এইযে অমুক বিভাগৰ মুৰব্বী বিষয়াজনৰ সাক্ষাৎকাৰ এটা দেখুউৱা হৈছে, সেই বিষয়াজন আৰু সাক্ষাৎকাৰ লওঁতাজনৰ মাজতো এক ধৰণৰ সংস্কৃতি প্ৰতিফলিত হৈ থাকে।

গতিকে, সামগ্ৰিকভাৱে আমাৰ কৃষ্টি-সংস্কৃতিক কিমান দক্ষতাৰে আমি এই পৰ্দাখনত প্ৰতিফলিত কৰোঁ, সেইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন।

প্ৰথমতে আমি মন কৰিব লাগিব,— টিভিৰ কাৰ্যসূচীখন কাগজত লিখি উলিওৱা কামতেই জ্ঞান, বুদ্ধি, অভিজ্ঞতা আৰু দক্ষতাৰ প্ৰয়োজন; কিন্তু সেইবোৰক পৰ্দালৈ নিবৰ কাৰণে ব্যৱস্থাপনা, পৰিচালনা আৰু নানান ধৰণৰ কাৰিকৰী কামৰ প্ৰয়োজন। এই সকলো দিশৰ জোৰা মাৰি, উচ্চ নহলেও, অন্ততঃ প্ৰয়োজনীয় মান ৰক্ষা কৰি কাম কৰিব পৰা কিমান মানুহ গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ লগত জড়িত হৈছে, সেইটো কেন্দ্ৰটোৰ কৰ্মকৰ্তাসকলেই নিৰপেক্ষভাৱে বিচাৰ কৰিব লাগিব। প্ৰশিক্ষণপ্ৰাপ্ত আৰু সৃষ্টি কৰিবপৰা প্ৰতিভাসম্পন্ন মানুহ যে সদায় একেজনেই নহয়, এই কথাটো তেখেতসকলে স্বীকাৰ কৰি মনত ৰাখিব লাগিব। ধৰি লওক, কাগজত কাৰ্যসূচী প্ৰস্তুত কৰোঁতে ভাবি-চিন্তি ঠিক কৰা হ'ল,— সপ্তাহত এদিনকৈ যুৱক-যুৱতীসকলৰ কাৰণে আধাঘণ্টীয়া অনুষ্ঠান এটাৰ ব্যৱস্থা কৰিব লাগে। ভাল কথা। সেই অনুষ্ঠানত কণ্ঠ সংগীত, যন্ত্ৰসংগীত, আলোচনা আৰু সাক্ষাৎকাৰ থাকিব। ভাল কথা। কিন্তু কণ্ঠ-সংগীত পৰিবেশন কৰিবলৈ আপুনি মাতিব কাক? বৰ্তমান অসমৰ যুৱক-যুৱতীসকলৰ ভিতৰত টিভিৰ পৰ্দাত ওলাই ন্যূনতম মান ৰক্ষা কৰি কণ্ঠসংগীত পৰিবেশন কৰিবপৰা লোক কিমান আছে, কোন কোন আছে, সেই বিষয়ে প্ৰযোজকসকলৰ নিশ্চয় জ্ঞান থাকিব লাগিব, আৰু মান সম্পৰ্কে তেখেতৰ নিজৰ ধাৰণাও মোটামুটি ঠিক হ'ব লাগিব। নে তেওঁ বন্ধু-বান্ধৱসকলৰ মাজত "আমাকো এটা চান্স দেনা ভাই"— ভিত্তিত কাম কৰিব? মোটামুটিভাৱে অসমৰ গীত-মাতৰ জগতখনৰ লগত সম্পৰ্ক ৰখা মানুহো কেতিয়াবা গুৱাহাটীৰ দূৰদৰ্শন কেন্দ্ৰৰ একোটা অনুষ্ঠান দেখি আচৰিত হয়,—কি কি যোগ্যতাৰ বলত এওঁ টিভিৰ পৰ্দাত ওলাবলৈ পালে? গুৱাহাটীত যেতিয়া আকাশবাণীৰ কেন্দ্ৰ প্ৰতিষ্ঠিত হয়, তেতিয়াও অসম "পিছপৰা" আছিল, কিন্তু গীত-মাত চৰ্চাৰ ক্ষেত্ৰত চৰ্চাকাৰীসকলৰ এক ধৰণৰ সততা আছিল। (বেছি নালাগে, কেৱল আধুনিক গীতৰ ক্ষেত্ৰত পঞ্চাছ আৰু ষাঠীৰ দশকত বীৰেন ফুকন, ড° ভূপেন হাজৰিকা, দিলীপ শৰ্মা, তাৰিকুদ্দিন আহমেদ, ড° বীৰেন্দ্ৰ নাথ দত্ত, জ্যোতিৰ্ময় কাকতী, মিহিৰ বৰদলৈ, খগেন মহন্ত, সুদক্ষিণা শৰ্মা, গুণদা দাস, দীপালী বৰঠাকুৰ আদিৰ গীত-চৰ্চাৰ ধাৰাটো লক্ষ্য কৰক।) লাহে-লাহে অৱক্ষয় আৰম্ভ হ'ল, আৰু যেতিয়া সেই অৱক্ষয়ে এক উদ্বেগজনক অৱস্থাৰ সৃষ্টি কৰিছে, তেতিয়াই,—সেই উদ্বেগজনক অৱস্থাৰ মাজতে, গুৱাহাটীত দূৰদৰ্শন কেন্দ্ৰৰ জন্ম হৈছে। গতিকে, আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰ প্ৰতিষ্ঠা আৰু তাৰ পাছৰ সময়ছোৱাত কৰ্মকৰ্তা আৰু বাইজৰ দায়িত্ব যিমান আছিল, দূৰদৰ্শন কেন্দ্ৰটোৰ ক্ষেত্ৰত দায়িত্ব তাতকৈ বহু বেছি হ'ল। কৰ্মকৰ্তা-প্ৰযোজকসকলৰ প্ৰতিভা, দক্ষতা আৰু অনুষ্ঠানৰ মান সম্পৰ্কীয় ধাৰণাবোৰ যদি মোটামুটিভাৱে ঠিক হয়, তেনেহলে তেখেতসকলে অনুষ্ঠান পৰিবেশন কৰোঁতাসকলৰ মানো নিৰ্দিষ্ট কৰিব পাৰিব, অনুষ্ঠানবোৰৰ সামগ্ৰিক মানো নিৰ্দিষ্ট কৰিব পাৰিব, দৰ্শকৰ মানৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব। আনহাতে, দৰ্শকৰ বিচাৰ-বুদ্ধি যদি ভাল মানসম্পন্ন হয়, তেখেতসকল যদি সচেতন হয়, তেনেহলে কৰ্মকৰ্তা-প্ৰযোজকসকলৰ ওপৰতো এটা প্ৰভাৱ নিশ্চয় পৰিব। কিন্তু এটাইকেইটা পক্ষই যদি কথাবোৰ ঢিলাই দিয়ে, টিভি পৰ্দাৰ গুৰুত্বটো উপলব্ধি নকৰে, তেনেহলে বৰ্তমানৰ অসমৰ নিচিনা ঠাইত এই পৰ্দা কেৱল চেহেৰা দেখুউৱা, নাম দেখুউৱা পৰ্দাত পৰিণত হ'ব।

ষ্টুডিঅ'ৰ স্থায়ী ঘৰ-দুৱাৰ সম্পূৰ্ণ হোৱাৰ পাছত গুৱাহাটীৰ দূৰদৰ্শন কেন্দ্ৰই বৰ্তমানৰ দৈনিক প্ৰায় এঘণ্টাৰ অনুষ্ঠানৰ ঠাইত দুই-তিনিঘণ্টাৰ অনুষ্ঠান প্ৰচাৰ কৰিব লাগিব; এই কেন্দ্ৰই প্ৰস্তুত কৰা অনুষ্ঠান পূৰ্বাঞ্চলৰ কেইবাটাও ৰিলে কেন্দ্ৰক দিব লাগিব। তেতিয়া সমস্যা এতিয়াতকৈ বহু বেছি জটিল হ'ব। সেই অৱস্থাৰ সন্মুখীন হ'বলৈ এতিয়াই সাজু হ'বৰ হ'ল। দূৰদৰ্শনৰ নিয়ম-কানুনত ব্যৱস্থা আছে নে নাই নাজানো, কিন্তু ইয়াৰ গুৱাহাটী কেন্দ্ৰৰ বাবে এখন পৰামৰ্শদাতা সমিতিৰ প্ৰয়োজন। আকাশবাণীৰ "প্ৰগ্ৰেম এডভাইজৰি কমিটি" আছে।

৬।৪।৮৭






OKDISCD